● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩


# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

*মোক এনেকুৱা বন্ধু নালাগে*
*যি মই সলনি হ'লে সলনি*
*হৈ যায় আৰু মই মূৰ*
*দুপিয়ালে তেওঁ দুপিয়ায়;*
*এই কাম মোৰ ছাঁটোৱে*
*ভালকে কৰিব পাৰে।*

প্লুটাৰ্ক
*গ্ৰীক পণ্ডিত*



www.dainikagradoot.in

৭ ন্যায়াধীশৰ ফোনৰ পাছতহে জেলৰ পৰা মুক্তি কমেডিয়ানক
১১ ভাৰতৰ পঞ্চম মহিলাৰূপে গ্ৰেণ্ডশ্লাম খেলিব অংকিতাই
৪ দিশাহীন বাজেট ঃ বৰ্তমান দেশৰ অৰ্থনীতিৰ মূল সমস্যাই হ'ল মানুহৰ আয় কৰাৰ সুযোগ নাই

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ১২১তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ২৫ মাঘ ১৪২৭ ভাস্কৰাব্দ ৮ ফেব্ৰুৱাৰী ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 8 February 2021 মূল্য ঃ ৭.০০ টকা

## জয়তু গুৰুদেৱ!

■ প্ৰাঞ্জলসেন ডেকা

**গুৰু** নিন্দা মহাপাপ! সেইকাৰণে জয়ধ্বনিৰেই আৰম্ভ কৰিলো যদিও গভীৰ বেদনা আৰু আক্ষেপৰ বাহিৰে আন একো অনুভৱ কৰিব পৰা নাই। বিগত কেইটামান দিন ডিব্ৰুগড় বিশ্ববিদ্যালয়ত সংঘটিত বৃহৎ বিত্তীয় দুৰ্নীতি-অনিয়মৰ বাতৰিয়ে শিৰোনাম দখল কৰি আহিছে। দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ বাতৰিয়ে এতিয়া আৰু সমাজত বৰ বিশেষ ৰেখাপাত কৰে বুলি ভাবিব নোৱাৰি; তৎসত্ত্বেও স্থান-কাল-পাত্ৰ *আঠ পৃষ্ঠাত চাওক*

■ পাঁচ বছৰত সমস্যাৰ সমাধান কৰি বিকাশৰ নতুন পথত অসম ■ অসমৰ মাতৃভাষা মাধ্যমত চিকিৎসা-কাৰিকৰী মহাবিদ্যালয় স্থাপনৰ প্ৰস্তাৱ ■ অসমৰ চাহৰ বিৰুদ্ধে আন্তৰ্জাতিক ষড়যন্ত্ৰ

# অসমৰ বিকাশেই মন্ত্ৰ মোদীৰ




অগ্ৰদূত বাৰ্তা

শিঙৰী/তেজপুৰ, ৭ ফেব্ৰুৱাৰী ঃ 'ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলতে প্ৰথমে ৰাতি পুৱায়। তাৰ পাছতো এই অঞ্চলটোৱে বিকাশৰ বাবে দীঘলীয়া সময় অপেক্ষা কৰিবলগীয়া হৈছিল। হিংসা, ভেদা-ভেদ, সংঘৰ্ষময় পৰিস্থিতি আৰু সেইবোৰক নিঃশেষ কৰি অঞ্চলটোক বিকাশৰ পোহৰ দেখুওৱাত প্ৰদৰ্শন কৰা হেমাহিৰ বাবেই অপেক্ষাৰ সময় অধিক দীঘলীয়া হৈছিল; কিন্তু যোৱা পাঁচ বছৰৰ ভিতৰত সেই সমস্যাবোৰ শেষ কৰি উত্তৰ-পূৰ্বাঞ্চল বিকাশৰ পথত বিৰামহীনভাৱে আগবাঢ়িছে। পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ এই গতিত নেতৃত্ব দিছে অসমে। অসম আৰু বহুদূৰ আগবাঢ়ি যাবলৈ সকলো দিশেৰে সাজু হৈছে। আজিও হ'ল তেনে বিকাশৰ পথৰ এটা উল্লেখযোগ্য দিন। তাৰ বাবে এই বিশেষ দিনটোত অসমবাসী ৰাইজক মই জনাইছো আন্তৰিক অভিনন্দন।' মাত্ৰ দুসপ্তাহৰ ভিতৰত দ্বিতীয়বাৰলৈ অসমলৈ আহি আজি *আঠ পৃষ্ঠাত চাওক*

■ বিশ্বনাথ-চৰাইদেউত দুখন চিকিৎসা মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন
■ পাঁচ হেজাৰ কোটিটকীয়া অসম মালা আঁচনি মুকলি

## বিহাৰৰ তেজস্বী যাদৱক আমন্ত্ৰণ বিপিএফৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ ফেব্ৰুৱাৰী ঃ** অহা ১০ ফেব্ৰুৱাৰীত কোকৰাঝাৰৰ বিষমুৰীত বিপিএফে আয়োজন কৰা বিটিচি চুক্তি দিৱসৰ অনুষ্ঠানলৈ আমন্ত্ৰণ জনাইছে আৰজেডিৰ নেতা তথা বিহাৰৰ বিৰোধী দলপতি তেজস্বী যাদৱক।

■ উত্তৰাখণ্ডত খৰস্ৰোতা নদীৰ বানত ভাহি গ'ল জলবিদ্যুৎ প্ৰকল্প-দলং-বাসগৃহ ■ প্ৰচণ্ড গৰ্জন কৰি ভাঙি পৰিল বিশাল হিমবাহ ■ সেনা-আইটিবিপি-বায়ুসেনাৰ উদ্ধাৰ অভিযান

# বৃহৎ হিমস্খলনত মৃত্যু ডেৰ শতাধিকৰ

ৰাষ্ট্ৰপতি-প্ৰধানমন্ত্ৰীৰ পৰা আৰম্ভ কৰি বিভিন্নজনৰ উদ্বেগ ঃ ২০১৩ৰ কালান্তক বানৰ ভয়াৱহ স্মৃতি জাগ্ৰত ঃ ১০টা মৃতদেহ উদ্ধাৰ



■ নিউজ ব্যুৰ'

**নতুন দিল্লী/ঋষিকেশ, ৭ ফেব্ৰুৱাৰী ঃ** বিশাল হিমবাহ ভাঙি পৰাৰ ফলত পুনৰ ভয়াৱহ বানৰ কবলত পৰিল উত্তৰাখণ্ড। এই হিমস্খলনৰ ফলতে আজি পাৰ্বত্য ৰাজ্যখনৰ চমোলি জিলাত অবৰ্ণনীয় পৰিস্থিতিৰ উদ্ভৱ হয়। পুৱা প্ৰায় ১০ বজাত সংঘটিত হিমস্খলনৰ ফলত ধৌলিগংগা আৰু অলকানন্দা নদীৰ জলস্তৰ ভয়ানকভাৱে বৃদ্ধি পাই এফালৰ পৰা প্ৰলয়ৰ সৃষ্টি *আঠ পৃষ্ঠাত চাওক*

প্ৰধানমন্ত্ৰীৰ সহযোগিতাৰ বাবে অসমে লাভ কৰিছে সুকীয়া পৰিচয় ঃ সোণোৱাল ■ পাঁচ শক্তিশালী ৰাজ্যৰ ভিতৰত স্থান অসমৰ ঃ শৰ্মা

## পুৱাৰে পৰা জনতাৰ লানি নিছিগা সোঁত ঃ সভাত লক্ষাধিকৰ সমাগম




অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ৭ ফেব্ৰুৱাৰী ঃ** লক্ষাধিক লোকৰ সমাগমেৰে আজি ঢেকিয়াজুলিৰ আলিছিঙা পথাৰত অনুষ্ঠিত হয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জনসভা। প্ৰধানমন্ত্ৰীৰ কে'বাটাও চৰকাৰী কাৰ্যসূচীৰ অচিলাৰে বিজেপিয়ে নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে আয়োজন কৰা সভাখনৰ বাবে বিগত কে'বাদিন ধৰি সমগ্ৰ ৰাজ্য প্ৰশাসন ঢেকিয়াজুলিত উবুৰি খাই পৰিছিল। দুসপ্তাহ পূৰ্বে অনুষ্ঠিত শিৱসাগৰৰ জেৰেঙা পথাৰৰ প্ৰধানমন্ত্ৰীৰ সভাখন আশা কৰা ধৰণে সফল নোহোৱা বুলি দল আৰু চৰকাৰৰ মজিয়াত চৰ্চিত *আঠ পৃষ্ঠাত চাওক*

## মোদীৰ সভাত মুখ্যমন্ত্ৰী পদৰ অডিছন দিয়াত ব্যস্ত থাকিল সোণোৱাল-শৰ্মা ঃ কংগ্ৰেছ




**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ ফেব্ৰুৱাৰী ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ঢেকিয়াজুলিৰ জনসভাত ৰাজ্যৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী কোন হ'ব তাৰ অডিছন দিয়াতহে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা অৱতীৰ্ণ হোৱা বুলি আজি কটাক্ষ কৰে কংগ্ৰেছ সাংসদ গৌৰৱ গগৈয়ে। প্ৰধানমন্ত্ৰীৰ এই সভাক লৈ প্ৰদেশ কংগ্ৰেছৰ *আঠ পৃষ্ঠাত চাওক*

## বিগত দুটা দশকত দুগুণলৈ বৃদ্ধি পালে হিমালয়ৰ হিমবাহৰ স্খলন

গিৰিৰাজৰ এক-চতুৰ্থাংশ তুষাৰ গ্ৰাস পৰিৱৰ্তিত জলবায়ুৰ



■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ৭ ফেব্ৰুৱাৰী ঃ** উত্তৰাখণ্ডত হিমবাহ ভাঙি হোৱা প্ৰাকৃতিক দুৰ্যোগৰ সময়তে প্ৰকাশ পাইছে আন এক অতি উদ্বেগজনক তথ্য। অতি দ্ৰুত হাৰত বৃদ্ধি পাইছে গিৰিৰাজ হিমালয়ৰ আভূষণস্বৰূপ শুভ্ৰ তুষাৰখণ্ডৰ পতনৰ গতি। হিমালয়ক আগুৰি ৰখা সুবিশাল হিমবাহ গলাৰ ঘটনা একবিংশ শতিকাৰ আৰম্ভণিৰে পৰা প্ৰায় দুগুণ হৈ পৰিছে। তাপমানৰ *দুই পৃষ্ঠাত চাওক*

## জলবিদ্যুৎ প্ৰকল্পত কৰ্মৰত কামপুৰৰ দুই ভ্ৰাতৃ সন্ধানহীন



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নগাঁও/কামপুৰ, ৭ ফেব্ৰুৱাৰী ঃ** উত্তৰাখণ্ডত আজি সংঘটিত প্ৰাকৃতিক দুৰ্যোগৰ কবলত পৰি সন্ধানহীন হ'ল নগাঁও জিলাৰ কামপুৰৰ দুই ভ্ৰাতৃ। আজি উত্তৰাখণ্ডৰ চমোলী জিলাৰ এটা হিমবাহ ভঙাৰ ফলত ভয়ানক হিমস্খলন ঘটে। ইয়াৰ ফলত একাধিক নদীৰ জলস্তৰ মাৰাত্মকভাৱে বৃদ্ধি পোৱাত *আঠ পৃষ্ঠাত চাওক*

## মোদীৰ সভালৈ বাছত মানুহ কঢ়িওৱাত বাধা দিলে আটছাই

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ৭ ফেব্ৰুৱাৰী ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত ঢেকিয়াজুলিৰ জনসভালৈ তিনিৰ পৰা পাঁচলাখ লোকক সমবেত কৰাবলৈ প্ৰশাসন তথা বিজেপিয়ে গ্ৰহণ কৰা তৎপৰতাৰ বিপৰীতে আটছাই চাহ জনগোষ্ঠীৰ ৰাইজক বিজেপি চৰকাৰে চৰম প্ৰতাৰণা কৰাৰ অভিযোগ তুলি ৰাজপথত টায়াৰ জ্বলাই *দুই পৃষ্ঠাত চাওক*

## প্ৰধানমন্ত্ৰীক নেদেখিলে বহু লোকে ঃ বন্ধ পথতে বাহনত আবদ্ধ হৈ ৰ'ল



অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ৭ ফেব্ৰুৱাৰী ঃ** দেশৰ প্ৰধানমন্ত্ৰীক এবাৰ স্বচক্ষে প্ৰত্যক্ষ কৰাৰ আশাৰে কাহিলিপুৱাই ঢেকিয়াজুলিলৈ উদ্দেশি অহা কে'বাসহস্ৰাধিক লোকে নৰেন্দ্ৰ মোদীৰ সভাস্থলীত প্ৰৱেশৰ সুযোগেই নাপালে। খামখেয়ালি আৰু পৰিকল্পনাৰ অভাৱত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত কেহেৰুখন্দাৰ পৰা মিঠা আম পৰ্যন্ত পথত *আঠ পৃষ্ঠাত চাওক*

## গোসাঁইগাঁৱত অবৈধভাৱে সৰবৰাহ কৰা ১৯টা গৰু, ১১ ম'হ জব্দ



অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ৭ ফেব্ৰুৱাৰী ঃ** বহিঃৰাজ্যৰ পৰা অবৈধভাৱে গৰু-ম'হ সৰবৰাহ বন্ধ কৰাৰ বাবে আৰক্ষী-প্ৰশাসন যিমানে নাটক ৰচনা নকৰক কিয় ইয়াৰ সৰবৰাহ অব্যাহত আছে। অবৈধ গৰু সৰবৰাহৰ মূল *আঠ পৃষ্ঠাত চাওক*

আমগুৰি-মাহমৰাত কংগ্ৰেছৰ 'জাগো অসম' জনসমাবেশ

## আগন্তুক বিধানসভা নিৰ্বাচনক স্বাধীনতাৰ দ্বিতীয় যুঁজ আখ্যা

বিজেপিৰ দিনত আম্বানী-আদানীৰ দৰে আদি ধনিক শ্ৰেণীৰহে সুবিধা হৈছে ঃ ৱাঘেল



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**শিৱসাগৰ/গৌৰীসাগৰ/মৰাণ, ৭ ফেব্ৰুৱাৰী ঃ** বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যত নিৰ্বাচনী প্ৰচাৰ অভিযান তুংগত উঠিছে ৰাজনৈতিক দলসমূহৰ মাজত। শাসকীয় দল বিজেপিৰ হৈ প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী, বিত্তমন্ত্ৰীকে ধৰি জ্যেষ্ঠ নেতাসকলে অসমত নিৰ্বাচনী প্ৰচাৰ তুংগত তোলাৰ সমান্তৰালকৈ প্ৰদেশ কংগ্ৰেছেও নিজৰ শক্তি প্ৰদৰ্শনৰ চেষ্টা কৰিছে। আজি কংগ্ৰেছে শিৱসাগৰ জিলাৰ আমগুৰিত আৰু চৰাইদেউ জিলাৰ মাহমৰাত 'জাগো অসম' শীৰ্ষক গণসমাৰেশ অনুষ্ঠিত কৰে। কে'বা সহস্ৰাধিক দলীয় কৰ্মী-সমৰ্থক উপস্থিত *আঠ পৃষ্ঠাত চাওক*

## বিশিষ্ট শিক্ষাবিদ-নীৰৱ সমাজকৰ্মী বন্তি ভূঞাৰ দেহাৱসান

এনআৰচি আইনী যুঁজৰ আঁৰৰ ব্যক্তি



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ ফেব্ৰুৱাৰী ঃ** বিশিষ্ট শিক্ষাবিদ আৰু অসমৰ জাতীয় স্বাৰ্থৰ হকে নীৰৱে আত্মনিয়োগ কৰি অহা বন্তি ভূঞাৰ আজি পুৱতি নিশা দেহাৱসান ঘটে। দীৰ্ঘদিন অসুস্থ হৈ থকা ভূঞাৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮০ বছৰ। উত্তৰ গুৱাহাটীস্থিত *দুই পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৩° | ১১° |
| ডিব্ৰুগড় | ২৬° | ০৯° |
| দিল্লী | ২২° | ০৮° |
| কলকাতা | ২৫° | ১৫° |
| মুম্বাই | ৩৩° | ২২° |
| চেন্নাই | ৩১° | ২০° |
| বাংগালুৰু | ২৮° | ১৫° |
| শ্বিলং | ১৫° | ০৪° |

*৭ ফেব্ৰুৱাৰী, ২০২১*

## চৰকাৰ হ'লে এনআৰচিত কৰ্তন হোৱা ১৯ লাখৰ নাম অন্তৰ্ভুক্তিৰ প্ৰতিশ্ৰুতি

দলগাঁৱত নিৰ্বাচনী সভাত আজমল

অগ্ৰদূত বাৰ্তা

**দলগাঁও, ৭ ফেব্ৰুৱাৰী ঃ** 'পাঁচ বছৰ আগতে ৰাজ্যখনত ইমান বিষবাষ্প নাছিল। ইমান সাম্প্ৰদায়িকতা নাছিল। মাত্ৰ এজন মন্ত্ৰীৰ বাবে ঘৰে ঘৰে বিবাদ, হিন্দু-মুছলমানৰ বিবাদ, বিভিন্ন জাতি-জনজাতিৰ মাজত সংঘাতৰ সৃষ্টি হ'ল। অহাবাৰ মহাজোঁটবন্ধনৰ চৰকাৰ *দুই পৃষ্ঠাত চাওক*

## চেঙা তেল



*এয়া কি ৰেলৰ টিকট বুলি ভাবিছা! দিল্লী-দিছপুৰৰ ছিগনেল আহিলেহে ইলেকচনৰ টিকট পাবা!*

■ গোলাঘাটত ন-পুৰণি বিজেপি কৰ্মীৰ মাজত সংঘাত বৃদ্ধি

## মুৰ্দাবাদ ধ্বনিত আধাতে সভা এৰি আঁতৰি আহিল প্ৰাক্তন মন্ত্ৰী নেওগ



**বিশেষ সংবাদদাতা**

**গোলাঘাট, ৭ ফেব্ৰুৱাৰী ঃ** বিজেপিত যোগ দি শাসক দলৰ তৃণমূল পৰ্যায়ৰ দলীয় কৰ্মীৰ ৰোষত পৰিছে ন-বিজেপি তথা বিধায়িকা অজন্তা নেওগ। প্ৰাক্তন কংগ্ৰেছী মন্ত্ৰীগৰাকীয়ে বিজেপিত যোগদানৰ পাছতে পুৰণি তৃণমূল পৰ্যায়ৰ কৰ্মীৰে সৃষ্টি হৈছে সংঘাত। ফলস্বৰূপে সমষ্টিৰ ঠায়ে ঠায়ে ন-বিজেপি নেওগ ককৰ্থনাৰ সন্মুখীন হৈ আহিছে। আজিও গোলাঘাট বিধানসভা সমষ্টিৰ বেঙেনাখোৱা গাঁও পঞ্চায়তৰ সাত নম্বৰ ৱাৰ্ডত এখন দলীয় সভাত অংশগ্ৰহণ কৰিছিল নেওগে; কিন্তু বিধায়িকাগৰাকীৰ এই সভাৰ বিষয়ে জ্ঞাত নাছিল উক্ত ৱাৰ্ডৰ বিজেপি সদস্যা দীপশিখা *দুই পৃষ্ঠাত চাওক*

■ অসমীয়া সাহিত্য সন্মিলনীৰ দৈয়াং অধিবেশনৰ সামৰণি

## ৰাজনৈতিক নেতাৰে ভৰি পৰিছে সাহিত্য অনুষ্ঠান ঃ পটংগীয়া কলিতা

অগ্ৰদূত বাৰ্তা

**মেৰাপানী, ৭ ফেব্ৰুৱাৰী ঃ** অসমীয়া সাহিত্য সন্মিলনীৰ পঞ্চম দ্বি-বাৰ্ষিক অধিবেশনখন যোৱা পাঁচ ফেব্ৰুৱাৰীৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে দৈয়াং উপত্যকাৰ মেৰাপানীস্থিত দৈয়াং মহাবিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। আজি অন্তিম দিনৰ কাৰ্যসূচী অনুসৰি পুৱা ১০-৩০ বজাত সন্মিলনীৰ নৱ নিৰ্বাচিত সভাপতি ড° সাগৰ বৰুৱাক বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, সাংস্কৃতিক কৰ্মী, সদস্যসকলে বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাৰে তিনি কিলোমিটাৰ পথ অধিবেশনথলীলৈ আদৰি আনে। ইয়াৰ পাছতেই সন্মিলনীৰ মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাত বিশিষ্ট সাহিত্যিক তথা সাহিত্য একাডেমী বঁটা বিজয়ী অৰূপা পটংগীয়া কলিতাই দৈয়াঙৰ ইতিহাস স্মৃতি ৰোমন্থন কৰি অভিভূত হৈ পৰাৰ লগতে দৈয়াঙৰ ভূমি আন্দোলনৰ প্ৰথমগৰাকী ছহিদ নিলীমা বৰাক শ্ৰদ্ধাৰে স্মৰণ কৰে। সাহিত্যিকগৰাকীয়ে *আঠ পৃষ্ঠাত চাওক*

বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা
১০ খনকৈ গ্ৰন্থ উন্মোচন

## শিক্ষা বিভাগৰ উদাসীনতাত যুযুধান প্ৰাথমিক শিক্ষক সন্মিলনী

বিষয়াৰ কাৰ্যালয় ঘেৰাও কাৰ্যসূচী

**গুৱাহাটী, ৭ ফেব্ৰুৱাৰী ঃ** বিত্তীয় লেনদেন আৰু তথ্য আদান-প্ৰদানৰ আংশিক অসহযোগত কাণসাৰ নিদিয়াত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ কৰ্ণধাৰ সভাই পূৰ্ণ অসহযোগৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। এক বিবৃতিত সন্মিলনীৰ প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামীয়ে উল্লেখ কৰে যে ৰাজ্যিক শিক্ষক ভৱনত জীৱন চন্দ্ৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত কৰ্ণধাৰ *আঠ পৃষ্ঠাত চাওক*

# গৰৈমাৰীত ই-ৰিক্সা লৈ ছয়গাঁও সমষ্টি অগপৰ সংকল্প যাত্ৰা

অগ্ৰদূত বাৰ্তা

**সোণতলী, ৭ ফেব্ৰুৱাৰী ঃ** দক্ষিণ কামৰূপৰ গৰৈমাৰীত আজি পুৰা অগপই সংকল্প যাত্ৰা শোভাযাত্ৰা উলিয়ায়। অগপৰ পূব ছমৰীয়া মণ্ডল পৰিষদৰ উদ্যোগত সংখ্যালঘু ভোটাৰৰ মাজত সজাগতা গঢ়ি তোলাৰ উদ্দেশ্যে প্ৰায় অৰ্ধশতাধিক ই-ৰিক্সা লৈ এই যাত্ৰা উলিয়ায়। সংখ্যালঘু লোকৰ উন্নয়ন আৰু নিৰাপত্তা, শিক্ষা, যাতায়াত আৰু কৃষি কৰ্মৰ উন্নতিৰ স্বাৰ্থৰ লগতে ধৰ্ম নিৰপেক্ষতা, সমঅধিকাৰ, সম উন্নয়ন, খহনীয়াক পুনৰ সংস্থাপন, মাটিৰ পট্টন দিয়া, নিবনুৱাসকলক সংস্থাপন দিয়াৰ স্বাৰ্থত ছয়গাঁও সমষ্টিৰ সামগ্ৰিক উন্নয়নৰ স্বাৰ্থত ডাঃ কমলাকান্ত কলিতাক ভোট প্ৰদানৰ উদ্দেশ্যে এই সংকল্প যাত্ৰা আৰম্ভ কৰে। অগপৰ গৰৈমাৰীস্থিত মুখ্য কাৰ্যালয়ৰ পৰা ই-ৰিক্সা লৈ আৰম্ভ কৰা সংকল্প যাত্ৰা আচলপাৰা, টপাৰপথাৰ, জাহিৰপুৰ, বৰভিটা হৈ পুনৰ গৰৈমাৰীত এই যাত্ৰাৰ অন্ত পেলাব বুলি উদ্যোক্তাসকলে জনাইছে।

# যমুনামুখত দৰিদ্ৰ পৰিয়ালৰ মাজত কম্বল বিতৰণ ৰামকৃষ্ণ সেৱাশ্ৰমৰ

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ৭ ফেব্ৰুৱাৰী ঃ** প্ৰতি বছৰৰ দৰে এইবেলিও হোজাই জিলাৰ যমুনামুখ ৰামকৃষ্ণ সেৱাশ্ৰমে কালি স্থানীয় একাংশ দৰিদ্ৰ পৰিয়ালৰ মাজত শীত নিবাৰণৰ বাবে গৰম বস্ত্ৰ কম্বল বিতৰণ কৰে। অনুষ্ঠানত উপস্থিত থাকে যমুনামুখ সেৱাশ্ৰমৰ সভাপতি ডাঃ অসীম কুমাৰ মজুমদাৰ, সম্পাদক প্ৰদীপ শীল, সমাজসেৱক বিজয় কৃষ্ণ দাস আৰু ইয়াৰ কৰ্মকৰ্তাসকল। তদুপৰি অনুষ্ঠানত ৰামকৃষ্ণ মঠ আৰু মিছনৰ অন্তৰ্গত উত্তৰ-পূব ৰামকৃষ্ণ বিবেকানন্দ ভাৱ প্ৰচাৰ পৰিষদ (১)ৰ আহ্বায়ক আশুতোষ দাস, যুগ্ম আহ্বায়ক দেৱ প্ৰসাদ দে, সমন্বয়কদ্বয় সাগৰ দত্ত আৰু শম্ভু ঘোষ উপস্থিত থাকি যমুনামুখ সেৱাশ্ৰমৰ সাংগঠনিক দিশ, বছৰেকীয়া কাৰ্যক্ৰমণিকা, জন সেৱামূলক কাৰ্যৰ বুজ লয়। আহ্বায়ক মণ্ডলীয়ে ৰামকৃষ্ণ মঠ আৰু মিছনৰ ১০ দফীয়া নিৰ্দেশনাৱলী পালন কৰি যোৱাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে।

# ৰঞ্জিত দাস সৰভোগত পৰাজিত হ'ব ঃ সিকদাৰ

অগ্ৰদূত বাৰ্তা

**কয়াকুছি, ৭ ফেব্ৰুৱাৰী ঃ** বিধায়ক হিচাপে নিৰ্বাচিত হোৱাৰ পাছত বহুত কিবা-কিবি আঁচনিৰ উদ্বোধন কৰিছো। কিন্তু আজিৰ দৰে সুখ অনুভৱ কৰা নাছিলো।' সৰুক্ষেত্ৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন সিকদাৰে সৰুক্ষেত্ৰী সমষ্টিৰ বি বি ৰোডৰ পৰা মধ্য চকিৰভিটা হৈ ডি কে ৰোডলৈ যোৱা পথ পকীকৰণৰ আধাৰশিলা স্থাপন কৰি এইদৰে কয়। উল্লেখ্য যে সৰুক্ষেত্ৰী সমষ্টিৰ মধ্য বেতবাৰী গাঁও পঞ্চায়তৰ জনসাধাৰণৰ যাতায়াতৰ এটা প্ৰধান পথ হৈছে বৰপেটা-ভৱানীপুৰ পথ। সিকদাৰে আজি এই পথছোৱা পকীকৰণ কৰাৰ লগতে দুখন কাঠৰ দলং নিৰ্মাণ কৰাৰ বাবে আধাৰশিলা স্থাপন কৰে। লোক নিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তা পৰেশ হালৈ আৰু সহকাৰী কাৰ্যবাহী অভিযন্তা কৌশিক শৰ্মাৰ উপস্থিতিত অনুষ্ঠিত আধাৰশিলা অনুষ্ঠানত গাঁওখনৰ সহস্ৰাধিক ৰাইজ উপস্থিত থাকে। আধাৰশিলাৰ পাছত প্ৰায় তিনি কিলোমিটাৰ পথ খোজকাঢ়ি যায় বিধায়ক সিকদাৰে। পদযাত্ৰাৰ পাছত ৮৯৪ নম্বৰ খাবলাৰভিটা প্ৰাথমিক বিদ্যালয়ত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত লোক নিৰ্মাণ বিভাগৰ কনিষ্ঠ অভিযন্তা তাৰিফুল মোল্লায়ো ভাষণ আগবঢ়ায়। মধ্য বেতবাৰী গাঁও পঞ্চায়তৰ সভাপতি দেৱান মোসাৰফ হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত পাকা বেতবাৰী ব্লক কংগ্ৰেছৰ সভাপতি আব্দুল আজিজ, জিলা পৰিষদৰ সদস্যা মমতাজ বেগম প্ৰমুখ্যে কংগ্ৰেছৰ বহুতো নেতা-কৰ্মী উপস্থিত থাকে। তেওঁ কয় যে ৰঞ্জিত দাসে সৰভোগ সমষ্টিত পৰাজিত হ'ব।

**ASTROLOGY/ জ্যোতিষী**

**ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.**

## আজিৰ দিনটো



**কিৰো ইয়ং,** ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

**২৫ মাঘ সোমবাৰ ৮ ফেব্ৰুৱাৰী**

**সূৰ্যোদয় ঃ** ঘঃ ৬।৪।৪৭, **সূৰ্যাস্ত ঃ** ঘঃ ৫।৯।৪৬। **তিথি ঃ** কৃষ্ণা দ্বাদশী, দং ৫২।০।৪০ ৰাঘঃ, ২।৫৩।৩। **নক্ষত্ৰ ঃ** মূলা, দং ২০।৫৬।২৪ ঘঃ ৭।২৭।২১। **যোগ ঃ** হৰ্ষন, দং ১৪।২০।৪৫ ঘঃ ১১।৪৯।৫। **কৰণ ঃ** কৌলৱ। **জন্মত ঃ** ধনুৰাশি, ক্ষত্ৰিয়বৰ্ণ, মতান্তৰে বৈশ্যবৰ্ণ, দেৱাৰিগণ, গন্ধৰ্ব্বৰ অস্থি, বৰুণযোগ, অষ্টোত্তৰী শনি, বিংশোত্তৰী কেতুৰ দশা, ঘঃ ২।২৭।২১যোৱাত মনুষ্যগণ, অষ্টোত্তৰী বৃহস্পতি, বিংশোত্তৰী শুক্ৰৰ দশা, । **আদ্যঋতু হ'লে ঃ** তিনিমহীয়া পতিহীনা যোগ। **মৰণত দোষ ঃ** এপদ, ৰাঘঃ ২।৫৩।৩ যোৱাত নাই। **যোগিনী ঃ** নৈঋতকোনত, ৰাঘঃ ২।৫৩।৩ যোৱাত নাই । **যাত্ৰা ঃ** নাই, পাপযোগ দোষ,। ৰাঘঃ ২।৫৩।৩ যোৱাত বিষযোগ দোষ। **শুভকৰ্ম ঃ** গৰ্ভধান, আৰোগ্যস্নান। **ভক্ষাভক্ষ্য ঃ** পূৰৈশাক, ৰাঘঃ ২।৫৩।৩ যোৱাত বেঙেনা খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মষ ঃ** দুই ধৰণৰ চিন্তাই আপোনাৰ কৰ্মত আহুকালৰ সৃষ্টি কৰিব। শৰীৰৰ প্ৰতি নজৰ ৰাখক। প্ৰিয় লোকৰ কোনো কথাত সন্তুষ্ট নহ'ব। পিছে অপেক্ষা কৰা কোনো সংবাদত সুখ। শুভ ৰং বেঙুনীয়া।

**বৃষ ঃ** কৰ্মৰ ওপৰত বিশ্বাস থাকিব। কোনো কাৰণে বিৰক্ত ভাব আহিব পাৰে। আৰ্থিক আমদানিৰ লগতে খৰচৰ মুক্ত থাকিব। সন্তানৰ ভালেই। সন্তান সম্ভৱাৰ কন্যা সন্তান লাভৰ যোগ। শুভ ৰং নীলা।

**মিথুন ঃ** সাধাৰণ খংৰাগ। কিন্তু উন্নত পৰিৱেশক সিয়ে ক্ষতি নকৰিব। প্ৰেম প্ৰীতিত মধ্যম আবেগ বৃদ্ধি। খৰচ বাঢ়িব। দৰকাৰী কামৰ বাবে কোনোৱে কৰা চেষ্টাত সফল হ'ব। শুভ ৰং আকাশী নীলা।

**কৰ্কট ঃ** ক্ষীপ্ত পৰিৱেশ আৰম্ভণিৰ সম্ভাৱনা হ'লেও প্ৰকট নহ'ব। শৰীৰৰ প্ৰতি যত্ন লোৱাটো দংকাৰ বিদ্যাৰ্থীৰ মধ্যম। বন্ধু-বান্ধৱৰ পৰা উৎসাহ। কিন্তু তেওঁলোকৰ ওপৰত নিৰ্ভৰ নকৰাই ভাল। শুভ ৰং বগা।

**সিংহ ঃ** ধৈৰ্যৰে প্ৰতিকূল বিষয়াদি নিয়ন্ত্ৰণৰ চেষ্টা কৰক। বিদ্যালাভত বাধা কম। ভ্ৰমণাদিত কষ্ট হ'লেও শুভ। নতুন সংবাদত আনন্দ। শুভ ৰং ক্ৰীম।

**কন্যা ঃ** আনৰ কথাত অসন্তুষ্টি প্ৰকাশ। শাৰীৰিকত বিশেষ দুৰ্ভাৱনা নাই। আত্মীয়ৰ সংগ লাভ। বিদ্যাত বেয়া নহ'ব। শুভ ৰং ক'লা।

**তুলা ঃ** সদায় স্বাৱলম্বিতা আপুনি পছন্দ কৰিব, কিন্তু সময়ে তাক উৎসাহিত নকৰিব। বাধ্য হৈ আনৰ সহানুভূতিৰ কথা বিবেচনা কৰিব লাগিব। আৰ্থিকত চিন্তিত। খৰচৰ মাত্ৰা বৃদ্ধি। ব্যস্ততা। শুভ ৰং কমলা।

**বৃশ্চিক ঃ** কেতু, মংগল, শুক্ৰ, ৰবি যাৰ জীৱনত শুভ তেওঁৰ দিনটোত বেছি আহুকাল নাই। শৰীৰ মধ্যম। বিদ্যাত মধ্যম। শুভ ৰং নীলা।

**ধনু ঃ** দৰিদ্ৰ নাৰায়ণৰ প্ৰতি চিন্তা থাকিলেও কিছু সন্দেহ মনত লাগি থাকিব। দাম্পত্য, সন্তান আদিৰ লগত মধ্যম প্ৰভাৱ। স্বাৰ্থৰ বাহিৰত থকালৈ আপোনাৰ অহৈতুক অবিশ্বাস হ'ব। শুভ ৰং হালধীয়া।

**মকৰ ঃ** মধ্যম হ'লেও সাৱধানেৰে দিনটো পাৰ কৰক। খৰচ পাতিৰ লগত কোনোৰ বাবে মনত দুখ বা অযথা কৰ্মত সময় অপব্যয় হ'ব। বিদ্যাত জটিলতা নাপায়। কৰ্মাদিও অযথা মন্থৰতা। শুভ ৰং ৰঙা।

**কুম্ভ ঃ** ইচ্ছাকৃত কথাত কিবা বাধা পাব শৰীৰৰ অথন্তৰো দেখা যায়। ব্যৱসায় বাণিজ্যত বেয়া দেখা নাযায়। শুভ ৰং সেউজীয়া।

**মীন ঃ** খং-ৰাগ বৃদ্ধি পাব পাৰে। শৰীৰৰ উত্তাপ হ'লেও ভয়ৰ বিশেষ কাৰণ নাই। অৱশ্যে প্ৰাপ্য ধন পোৱাৰ সম্ভাৱনা থাকিব। শুভ ৰং বেঙুনীয়া।

# সন্তানক শিক্ষিত কৰিবলৈ অভিভাৱকে মানসিকতাৰ পৰিৱৰ্তন কৰিব লাগিব

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৭ ফেব্ৰুৱাৰী ঃ** 'শিক্ষা অবিহনে এখন দেশ আগুৱাই যাব নোৱাৰে। নিজৰ ল'ৰা-ছোৱালীক উচ্চ শিক্ষাৰে শিক্ষিত কৰিবলৈ হ'লে অভিভাৱকসকলৰ মানসিকতাৰ পৰিৱৰ্তন কৰিব লাগিব। আত্মনিৰ্ভৰশীল ভাৰত গঢ়িবলৈ হ'লে ভৱিষ্যত প্ৰজন্মক উচ্চ শিক্ষাৰে শিক্ষিত কৰিব লাগিব।' আজি পশ্চিম গোৱালপাৰাৰ ৰাখালডুবিৰ ৰামধেনু একাডেমীৰ দ্বিতীয় প্ৰতিষ্ঠা দিৱসত এইদৰে মন্তব্য কৰে আন্তঃৰাষ্ট্ৰীয় উদ্ভিদ বিজ্ঞানী তথা গীনিছ বুক অৱ ৱৰ্ল্ড ৰেকৰ্ড খ্যাত অৰ্কিড মেন ড° ৰহমত আলী লস্কৰে। লগতে উদ্ভিদ বিজ্ঞানীজনে সকলো ল'ৰা-

**ৰাখালডুবিৰ ৰামধেনু একাডেমীৰ প্ৰতিষ্ঠা দিৱস**

ছোৱালীক উচ্চ শিক্ষাৰে শিক্ষিত কৰিবলৈ অভিভাৱকসকলক আহ্বান জনায়। শিক্ষানুষ্ঠানখনৰ পৰিচালন সঞ্চালক ছাইফুল ইছলামৰ পৌৰোহিত্য অনুষ্ঠিত মুকলি সভাৰ আদৰণি ভাষণ দিয়ে ৰেষ্ট গোৱালপাৰা মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক শৰিফুল ইছলামে। আদৰণি ভাষণত ইছলামে কয় যে শিক্ষাই সমাজক আলোকিত কৰে আৰু সমাজৰ কু-সংস্কাৰ অন্ধবিশ্বাস দূৰ কৰে। সভাত ৰেষ্ট গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যাপক প্ৰদীপ শইকীয়া, জালাল উদ্দিন, ৰৌমাৰী গাঁও পঞ্চায়তৰ সভানেত্ৰী মেহবুব পাৰবিনে ভাষণ প্ৰদান কৰে। অনুষ্ঠানৰ মাজে মাজে নৃত্য-গীতো প্ৰদৰ্শন কৰা হয়।

# ক্ষুদ্ৰকুলহাটীৰ সভা মহোৎসৱৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ৭ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ বৰভাগৰ ক্ষুদ্ৰকুলহাটী বিষ্ণু মন্দিৰত দুদিনীয়াকৈ অনুষ্ঠিত সভা-মহোৎসৱৰ আজি সামৰণি পৰে। সভা মহোৎসৱৰ কালি সন্ধিয়া গোসাঁই লৈ গাঁওখনৰ পদুলিয়ে পদুলিয়ে প্ৰদক্ষিণ কৰে গএগা ৰাইজে। একেদৰে, আৰিয়া লগাই নাৰায়ণ গোসাঁইৰ ওচৰত মংগল কামনা কৰে ৰাইজে। নিশা ছয়গাঁওৰ বিষ্ণুজ্যোতি নাট্যগোষ্ঠীয়ে নাট পৰিবেশন কৰে। আজি বিষ্ণু বন্দনাৰে মুখৰিত হৈ পৰে মন্দিৰ প্ৰাংগণ। আনহাতে, উচ্চতৰ মাধ্যমিক পৰীক্ষাত গাঁওখনৰ পৰা ভাল ফলাফল লাভ কৰা অবিনাশ ভূএগ আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত আশানুৰূপ ফলাফল লাভ কৰা দিশান্ত ভূএগক অভিনন্দন জ্ঞাপন কৰা হয়।

# হাজোৰ কুলহাটীত বিজেপিৰ পৃষ্ঠাপ্ৰমুখ সন্মিলন সম্পন্ন

অগ্ৰদূত বাৰ্তা

**হাজো, ৭ ফেব্ৰুৱাৰী ঃ** হাজো বিধানসভা সমষ্টিৰ অন্তৰ্গত দুটাকৈ মণ্ডল ক্ৰমে হাজো আৰু উত্তৰ হাজো মণ্ডলৰ বুথ সমিতিৰ সভাপতি-সম্পাদক তথা শক্তি পৰিষদৰ পৃষ্ঠাপ্ৰমুখসকলৰ এক দলীয় সভা আজি হাজোৰ কুলহাটী দুৰ্গা মন্দিৰ প্ৰাংগণত অনুষ্ঠিত হয়। হাজো বিধানসভা সমষ্টিৰ প্ৰভাৰী দীনেশ মহন্তই সভাত পৃষ্ঠাপ্ৰমুখসকলৰ দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে সদৰী কৰি আগন্তুক বিধানসভা নিৰ্বাচনৰ সময়ত গ্ৰহণ কৰিবলগীয়া ভূমিকা সম্পৰ্কে অৱগত কৰে। ইয়াৰ পাছতে ৰাজ্যিক উপ-সভাপতি বিজয় গুপ্তাই পৃষ্ঠাপ্ৰমুখ তথা দলীয় নেতা-কৰ্মীক উদ্দেশ্যি কয় যে যিটো কাৰণত পৃষ্ঠাপ্ৰমুখসকলক নিযুক্তি কৰা হৈছিল, সেই অনুপাতে ভবা অনুসৰি উদ্দেশ্য পূৰণ হোৱাটো পৰিলক্ষিত হোৱা নাই। সম্প্ৰতি ৰাজ্যখনত অনেক দলৰ আৰ্বিভাৱ হৈছে। তেনে সময়তো কিন্তু বিজেপি সন্মান প্ৰদৰ্শন আগবঢ়োৱা এটি সেৱা প্ৰকল্পলৈ পৰিণত হৈছে। বিজেপিৰ দৰ্শনে হৈছে একাত্মতা আৰু মানৱতাবাদ। দলটোৱে মূল্যবোধৰ আধাৰতহে সমাজ গঢ়িব বিচাৰে। প্ৰসংগক্ৰমে তেওঁ পুনৰ কয় যে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, ৰাজ্যৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিত্ত আৰু স্বাস্থ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, দলৰ ৰাজ্যিক সভাপতি ৰঞ্জিত দাস তথা তেৰোঁ একো একোগৰাকী পৃষ্ঠাপ্ৰমুখ। বিজেপিত পৃষ্ঠাপ্ৰমুখ হ'ব নোৱাৰিলে নেতা হোৱাৰ অধিকাৰ কাৰোৱে নাই। বিধায়িকা সুমন হৰিপ্ৰিয়াই কয় যে কংগ্ৰেছৰ দৰে আমি সূতা-কম্বলৰ ৰাজনীতি কৰা নাই। আমাৰ দলৰ প্ৰচেষ্টাত এতিয়া আত্মসহায়ক গোটসমূহে তেনেদৰে সূতা-কম্বল বিলাবলৈ সমৰ্থ হৈছে। এই সন্মিলনত পৰ্যটন বিভাগৰ উপাধ্যক্ষ নৱদ্বীপ কলিতা, ৰাজ্যিক সদস্য ৰাতুল শৰ্মা, জিতেন্দ্ৰ পাটোৱাৰী, নিবাৰণ লহকৰ, ৰমনী মালাকাৰ, তিলক শৰ্মা, নৱজ্যোতি দাস, ৰমেশ কলিতা (সৰু), নগেন মালাকাৰ, বিপুল দাসকে ধৰি কে'বাগৰাকীও দলীয় নেতা-কৰ্মী উপস্থিত থাকে। এই সন্মিলনতে দ্বীজেন্দ্ৰ মোহন শৰ্মাক পৃষ্ঠাপ্ৰমুখৰ প্ৰমাণপত্ৰ প্ৰদান কৰে।

**ভাৰতীয় ৰিজাৰ্ভ বেংক**
**RESERVE BANK OF INDIA**
www.rbi.org.in

**অসম চৰকাৰৰ 5 আৰু 10 বছৰীয়া প্ৰতিভূতি জমা (Security) ৰ নিলাম**

অসম চৰকাৰে মুঠপায় **₹1,000.00** কোটি টকাৰ (প্ৰত্যক্ষ মূল্য)ৰ প্ৰতিভূতি জমা বিক্ৰীৰ বাবে আগবাৰাইছে।

অহা 09 ফেব্ৰুয়াৰী 2021 **তাৰিখ মঙ্গলবাৰে** বহু তৰপীয়া মূল্যৰ প্ৰ-পত্ৰৰ অধীনত এই মূল্য উদভূত নিলাম ভাৰতীয় ৰিজাৰ্ভ বেংকৰ **'ক'ৰ বেংকিং চল্যুচন'** (e-Kuber)ত অনুষ্ঠিত হ'ব।

অধিক তথ্যৰ বাবে ৰিজাৰ্ভ বেংকৰ ৱেবচাইট **www.rbi.org.in** ত 04 ফেব্ৰুয়াৰী 2021 **তাৰিখ বৃহস্পতিবাৰ** প্ৰকাশিত প্ৰেছ বিজ্ঞপ্তি চাব পাৰে।

"ধনৰ প্ৰতিশ্ৰুতি দি আপোনালৈ অহা ই-মেইল/এচএমএচ/ফোন কল আদিৰ দ্বাৰা ঠগ নেখাব।"

## শব্দ-বেহু ঃ ০৮ফেব্ৰুৱাৰী২০২১

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ১ | | ২ | | ৩ | ■ | ৪ | | | ৫ |
| ■ | ■ | | ■ | ৬ | | | ■ | ■ | |
| ৭ | | ■ | ৮ | | ■ | ৯ | | ■ | |
| | ■ | ১০ | | ১১ | ১২ | | ■ | ১৩ | |
| ১৪ | ১৫ | | | | ■ | ■ | ১৬ | | ■ |
| ■ | ১৭ | | | | ■ | ১৮ | | | ১৯ |
| ২০ | | ■ | ২১ | | ২২ | | ■ | | |
| | ■ | ২৩ | | | ২৪ | | ■ | ২৫ | |
| | ■ | ■ | ২৬ | | | ■ | ২৭ | ■ | ■ |
| ২৮ | | | | ■ | ২৯ | | | | |

@ সব্যসাচী

**পথালিয়ে ঃ**
১। ভিত্তিহীন, মূল উৎসৰ নহৈ উপৰুৱা (৫)
৪। মুচুলুকা, জামিন স্বৰূপে ৰখা ধন বা বস্তু (৪)
৬। মৃত্যুৰ তৃতীয় দিনা মৃতকৰ উদ্দেশ্যে তিল-জল আদি দি কৰা আনুষ্ঠানিকতা (৩)
৭। বুদ্ধি, কোনো বিষয় সহজে মনত ৰাখিব পৰা বা আয়ত্ব কৰিব পৰা গুণ (২)
৮। গুণ্ডা লোকৰ দল (২)
৯। বীৰ্য্য, ৰেতস, সৌৰজগতৰ দ্বিতীয় গ্ৰহ (২)
১১। ঢেৰেকনিৰ শব্দ, মেঘে গজাৰ শব্দ (৩)
১৩। গৰাকীয়ে নজনাকৈ আনৰ বস্তু মনে মনে হস্তগত কৰোতা (২)
১৪। শৰীৰ শুচি কৰি ৰখাৰ নিয়ম-নীতি (৪)
১৬। ভাত, চাউল সিজোৱা (২)
১৭। দৌৰ মাৰ, প্ৰভেদ (২)
১৮। আহল-বহল আৰু সমান ঠাই, ওখ-চাপৰ নোহোৱা (৪)
২০। তেজ পিয়া এবিধ লিকটা পোক (২)
২১। পানীত থকা, পানীত জন্মা বা উৎপন্ন হোৱা, নীৰজ (৩)
২৩। ভেড়া আদি জন্তুৰ নোমৰ পৰা তৈয়াৰী এবিধ সূতা (২)
২৪। কাপোৰ ফাটিলে বেজী-সূতাৰে মিহিকৈ বাটি নফটাৰ দৰে কৰা কাৰ্য্য (২)
২৫। মিছা, অসত্য, প্ৰৱঞ্চনা, যিটো সঁচা বা আচল নহয় (২)
২৬। নতুন দিল্লীত অৱস্থিত এখন আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ (৩)
২৮। ব্যৱসায়িক লেনদেনৰ হিচাপ (৪)
২৯। দেশ এখনৰ বাসিন্দা হিচাপে সাংবিধানিক স্বীকৃতি (৫)

**থিয়কৈ ঃ**
২। দৈৱ লগত তাৰ চাৰিভাগৰ এক ভাগ জোখৰ পানী মিহলাই প্ৰস্তুত কৰা ঘোল (২)
৩। উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ এটা অঞ্চল য'ত পবিত্ৰমী চৰায়ে আত্মহত্যা কৰে বুলি জনশ্ৰুতি আছে (৪)
৪। জ্ঞাত হৈ, জ্ঞাত হোৱাৰ পাছতো (৪)
৫। পৰিপাটি, সাজ-পাৰ পিন্ধি শুৱনি হৈ থকা (৪)
৭। ধনীয়া শাক, গোন্ধোৰা শাক (২)
১০। আজ্ঞা কৰি খাব পৰা দুগ্ধজাত দ্ৰব্য বিশেষ (৩)
১২। মদ খোৱা দীঘল আকাৰৰ টেকেলি (২)
১৩। মুচলমান সকলৰ ধৰ্মীয় আচাৰমতে সৰু ল'ৰাৰ লিংগৰ শীৰ্ষৰ অকণমান কটা নিয়ম বিশেষ (৩)
১৫। কপালত লোৱা ফোঁট, শ্ৰেষ্ঠজন (৩)
১৬। সুৰা, ফটিকা (৩)
১৯। লিগিৰা, ডাঙৰ লোকৰ আলপৈচান ধৰা ল'ৰা (৩)
২০। গভীৰতা, ওজন, দীঘ-প্ৰস্থ আদিৰ হিচাপ-নিকাচ (২-২)
২১। লঘু আহাৰ (৪)
২২। অৰ্থদণ্ড, বিধিভংগৰ শাস্তি (৪)
২৭। পিল, সৰু ঘূৰণীয়া আকাৰৰ ঔষধ, ওখ মাটি (২)

**উত্তৰ অহা সংখ্যাত**

**৭ ফেব্ৰুৱাৰী সংখ্যাৰ উত্তৰ ঃ**
**পথালিয়ে ঃ** ১। অলি ২। ছিখলা ৪। হংস ৬। নাসা ৭। বসনা ১০। বান্দী ১১। কাৰাবাস ১৩। দমকল ১৫। ব্যস্ত ১৬। তৰ্জমা ২০। টিলা ২১। তমাল ২২। হৰফ ২৩। জাল
**থিয়কৈ ঃ** ১ । অভিসাৰ ২। ছিটিকা ৩। লাহন ৫। সহবাস ৮। নায়ক ৯। চকা ১২। ৰায়ত ১৩। দন্তক্ষত ১৪। লক্ষ ১৭। মাটিতেল ১৮। কলহ ১৯। বৰফ

# অন্ধবিশ্বাস-কুসংস্কাৰ পৰিহাৰ কৰিবলৈ আহ্বান

অগ্ৰদূত বাৰ্তা

**আগমনী, ৭ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰৰ বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ অধীনৰ অসম প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ অন্তৰ্গত আগমনী আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত আজি অন্ধবিশ্বাস আৰু কুসংস্কাৰ সন্দৰ্ভত সজাগতা সভা অনুষ্ঠিত হয়। আজি অসমব্যাপী চলা কাৰ্যসূচীৰ অধীনত আগমনী ব্লকৰ অন্তৰ্গত ৬২২ নম্বৰ খেৰবাৰী প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত 'ৰাইজ মেল', 'মানুহে মানুহৰ বাবে' সজাগতা সভাত গৌৰীপুৰৰ পি বি কলেজৰ প্ৰবক্তা ড° আমিনুৰ ইছলামে অন্ধবিশ্বাসৰ বিষয়ে ব্যাখ্যা কৰে। সমাজত চলা বিভিন্ন ধৰণৰ অন্ধবিশ্বাসক আঙুলিয়াই দি সেইবোৰৰ কোনো ভিত্তি নাই বুলি তেওঁ কয়। সমাজত চলা এইবোৰ কুসংস্কাৰ আৰু অন্ধবিশ্বাসসমূহ পৰিহাৰ কৰি বৈজ্ঞানিক ভিত্তিত চলিবলৈ পৰামৰ্শ প্ৰদান কৰে। বিশ্বায়নৰ সময়ত এইবোৰ কুসংস্কাৰ পৰিহাৰ কৰি বিশ্বৰ স'তে আগুৱাই যোৱাৰ বাবে পৰামৰ্শ প্ৰদান কৰে। আনহাতে, আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ জিলা সমন্বয়ক নজৰুল ইছলামেও কুসংস্কাৰ আৰু অন্ধবিশ্বাস সম্পৰ্কে ব্যাখ্যা আগবঢ়াই ইয়াক পৰিহাৰ কৰাৰ বাবে পৰামৰ্শ প্ৰদান কৰে। সভাত সভাপতিত্ব কৰে বামুনডাঙা গাঁও পঞ্চায়তৰ সভাপতি বজলুৰ ৰহমানে। আনহাতে, আজি ধুবুৰী জিলাৰ অন্তৰ্গত জৰুৱা বন্দিহানা ব্লকৰ বন্দিহানা জনকল্যাণ হাইস্কুল, জামাদাহাট ব্লকৰ হবিবৰ ৰহমান মেম'ৰিয়েল হাই মাদ্ৰাছা, দক্ষিণ শালমাৰা ব্লকৰ কে এম জে এম, ই মাদ্ৰাছা, ৰূপসী ব্লকৰ চাহেবগঞ্জ হাইস্কুল, নায়েৰ আলগা ব্লক কাজাইকাটা পি এম একাডেমী, চাপৰ শালকোচা উচ্চতৰ মাধ্যমিক বিদ্যালয়, গৌৰীপুৰৰ কিচমত হাচদহ হাইস্কুল আৰু গোলকগঞ্জৰ জগমোহন বিদ্যাপীঠতো সজাগতা সভা অনুষ্ঠিত হয়। সজাগতাসমূহত চিকিৎসক, প্ৰবক্তা, সমাজকৰ্মীসকল পাৰদৰ্শীক ব্যক্তি হিচাপে উপস্থিত থাকি ৰাইজক কুসংস্কাৰ আৰু অন্ধবিশ্বাস সন্দৰ্ভত বক্তৃতা আগবঢ়ায়।

# পবিতৰাত জলচৰ পক্ষীৰ গণনা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**জাগীৰোড, ৭ ফেব্ৰুৱাৰী ঃ** আজি পবিতৰা অভয়াৰণ্যৰ ছটা খণ্ডত জলচৰপক্ষী গণনা সম্পন্ন কৰা হয়। অভয়াৰণ্যখনৰ বনাঞ্চলিক বিষয়া মুকুল তামুলীয়ে সদৰী কৰা মতে, পবিতৰা জলাশয়সমূহত ৬০টা প্ৰজাতিৰ প্ৰায় ২৫ হেজাৰ পক্ষী আছে। উল্লেখ্য যে ২০১৯-২০ত অভয়াৰণ্যখনত জলচৰ পক্ষীৰ গণনাত ৬৪ প্ৰজাতিৰ ১৫ হেজাৰ পক্ষী পোৱা গৈছিল।

# হোজাইত উপায়ুক্তৰ বাবে জিলাৰ উন্নয়ন স্থবিৰ হৈ পৰিছে ঃ আমছু

## আমছুৰ হোজাই জিলা সমিতিৰ নৱম দ্বিবাৰ্ষিক অধিবেশন নীলবাগানত সম্পন্ন

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ৭ ফেব্ৰুৱাৰী ঃ** সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু)ৰ হোজাই জিলা সমিতিৰ নৱম দ্বিবাৰ্ষিক অধিবেশন আৰু প্ৰতিনিধি সভা আজি নীলবাগানত অনুষ্ঠিত হয়। উল্লেখ্য যে ছয় আৰু সাত ফেব্ৰুৱাৰীত আমছুৰ হোজাই জিলা সমিতিৰ নৱম দ্বিবাৰ্ষিক অধিবেশনখন হোজাইৰ নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত কৰাৰ কাৰণে জিলা প্ৰশাসনে অনুমতি প্ৰদান কৰিছিল। কিন্তু ৰহস্যজনকভাৱে হোজাই জিলা উপায়ুক্তই অধিবেশন আৰম্ভ হোৱাৰ কেইঘণ্টামান পূৰ্বে অধিবেশনখনৰ অনুমতি বাতিল কৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। উপায়ুক্তৰ এনে কাণ্ডক আমছুৱে তীব্ৰ গৰিহণা দিয়ে।

উল্লেখ্য যে এদিন পলমকৈ হলেও আজি নীলবাগান সাপ্তাহিক বজাৰৰ বন্ধন বেংকৰ সমীপত হোজাই জিলা সমিতিৰ অধিবেশনৰ কাৰ্যসূচী আৰু আমছু প্ৰতিনিধি সভাখন অনুষ্ঠিত হয়। উক্ত সভাত বিভিন্ন বক্তাই হোজাইৰ উপায়ুক্তৰ লগতে আমছুৰ অধিবেশনখন বন্ধ কৰাৰ চক্ৰান্ত কৰা দুষ্ট চক্ৰৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰে প্ৰতিনিধি সভাত। উল্লেখ্য যে জিলা সভাপতি ফাহিম ইকবাল মজুমদাৰৰ পৌৰোহিত্যত অনুষ্ঠিত প্ৰতিনিধি সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক কবিৰ আহমেদ লস্কৰে। উক্ত সভাত কেন্দ্ৰীয় উপসভাপতি মনোৱাৰ হুছেইনে কয়, 'দ্বিতীয় ম্যানমাৰ সজাবলৈ চেষ্টা কৰা হৈছে সংখ্যালঘুসকলক। ইপিনে, আমছুৱে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ভয় নকৰে বুলি কয় আমছু নেতা গিয়াছ উদ্দিন তাফাদাৰে। তেওঁ জিলা উপায়ুক্ত ডাঃ সাদনেক সিঙৰ কাৰণে হোজাই জিলাৰ উন্নয়ন স্থবিৰ হৈ পৰিছে বুলি মন্তব্য কৰে। জিলা প্ৰশাসনে আমছুক কুকুৰ মেকুৰীৰ দৰে ব্যৱহাৰ কৰিব বিচাৰিছে বুলি অভিযোগ কৰে আমছু কৰ্মকৰ্তাসকলে। উপায়ুক্তজনৰ বিৰুদ্ধে আমছুৱে ধাৰাবাহিক আন্দোলন কৰিব বুলি হুছেইনে সকীয়াই দি কয়, 'অহা ১০ বা ১১ ফেব্ৰুৱাৰীত আমছুৱে হোজাই জিলা বন্ধ ঘোষণা কৰিব। হোজাই জিলা প্ৰশাসনে নীলবাগানত আমছুৰ অধিবেশন বাতিল কৰি সংখ্যালঘু লোকৰ ব্যাপক ক্ষতি কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ বহু ক্ষতি কৰিছে বুলি মন্তব্য কৰে তাফাদাৰে। উল্লেখ্য যে জিলা প্ৰতিনিধি সভাৰ শেষত হোজাই জিলা আমছুৰ নতুন কমিটীখন ঘোষণা কৰা হয় সভাত। কবিৰ আহমেদ লস্কৰক সভাপতি, মামুন ৰশ্বিদক কাৰ্যকৰী সভাপতি, লুতফুৰ ৰহমান বৰলস্কৰ আৰু ৰাজীৱ লস্কৰক সাধাৰণ সম্পাদক, মুফচিল আলী খান, আৰিফ উদ্দিনক উপসভাপতি হিচাপে বাছনি কৰি ৭১ জনীয়া এখন নতুন জিলা কমিটী গঠন কৰা হয়। আজিৰ আমছুৰ অধিবেশন আৰু প্ৰতিনিধি সভাত হোজাই জিলাৰ বিষয়ববীয়াৰ লগতে কেন্দ্ৰীয় সমিতিৰ ৰমজান আলী, ৰাজু আহমেদ, গিয়াছ উদ্দিন তাফাদাৰ, মনোৱাৰ হুছেইন (বকুল)সহ বহুকেইজন আমছু নেতা উপস্থিত থাকে।

# মুৰ্দাবাদ ধ্বনিত আধাতে সভা এৰি

*এক পৃষ্ঠাৰ পৰা* গগৈ আৰু তৃণমূল পৰ্যায়ৰ পুৰণি দলীয় কৰ্মীসকল। প্ৰবীণ তৃণমূল কৰ্মীক অৱজ্ঞা কৰি ন-বিজেপিক লগত লৈ সভা অনুষ্ঠিত কৰাক লৈ ক্ষুণ্ণ হৈ পৰে তৃণমূল দলীয় কৰ্মীসকল। ফলস্বৰূপে ক্ষুব্ধ দলীয় কৰ্মীসকলে 'অজন্তা নেওগ গ' বেক', 'অজন্তা নেওগ মুৰ্দাবাদ' আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। ইয়াৰ সমান্তৰালকৈ বিধায়িকাগৰাকীৰ লগত যোৱা একাংশ দলীয় কৰ্মীয়েও 'অজন্তা নেওগ জিন্দাবাদ' ধ্বনি দিয়াত পৰিস্থিতি অধিক উত্তপ্ত হৈ পৰে। ফলত সভা আধৰুৱাকৈ এৰি আঁতৰি আহে ন-বিজেপি নেওগে। উল্লেখ্য যে সুদীৰ্ঘ ২০ বছৰে কংগ্ৰেছৰ পৰা বিধায়িকা-মন্ত্ৰী নিৰ্বাচিত হৈ অহা নেওগে শেহতীয়াকৈ বিজেপিত যোগদানৰ পাছত ক্ষুব্ধ হৈ পৰিছে সমষ্টিটোৰ প্ৰবীণ বিজেপি কৰ্মীসকল। তদুপৰি কংগ্ৰেছৰ পৰা ন-বিজেপি হোৱা একাংশক লৈ বিধায়িকাগৰাকীয়ে ব্যস্ত হৈ প্ৰবীণ তৃণমূল বিজেপি কৰ্মীসকলক গুৰুত্ব নিদিয়াৰো অভিযোগ উঠিছে।

# বিশিষ্ট শিক্ষাবিদ-নীৰৱ সমাজকৰ্মী বন্তি

*এক পৃষ্ঠাৰ পৰা* ব্যক্তিগত খণ্ডৰ ফেকাল্টী হায়াৰ ছেকেণ্ডাৰী স্কুলৰ অন্যতম স্বত্বাধিকাৰী আছিল বন্তি ভূএগ। উল্লেখ্য যে ৰাজ্যৰ শিক্ষা আৰু সামাজিক ক্ষেত্ৰখনলৈ স্বামী প্ৰদীপ ভূএগৰ লগত নীৰৱে অৱদান আগবঢ়াই অহা প্ৰয়াত বন্তি ভূএগৰ নাম বিশেষভাৱে চৰ্চালৈ আহে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এন আৰ চি) উন্নীতকৰণৰ প্ৰসংগত। অসমত এন আৰ চিৰ দাবীৰে আছাম পাব্লিক ৱৰ্কছ নামৰ সংগঠনটোৱে উচ্চতম ন্যায়ালয়ত দীৰ্ঘদিন আইনী যুঁজ চলাই অহাৰ পাছত ৰাজ্যত এই নাগৰিকপঞ্জীখন প্ৰস্তুতৰ নিৰ্দেশ দিয়ে ন্যায়ালয়ে। সংগঠনটোক আইনী যুঁজত লোকচক্ষুৰ আঁৰত থাকি সম্পূৰ্ণ আৰ্থিক সাহায্য আগবঢ়াইছিল ভূএগ দম্পতীয়ে। এন আৰ চি উন্নীতকৰণৰ ক্ষেত্ৰত লোৱা এনে উদ্যোগৰ বাবে অসম চৰকাৰে তেওঁলোকক লাচিত বৰফুকন বঁটা আগবঢ়াইছিল। ১৯৪১ত জন্মগ্ৰহণ কৰা ভূএগই ইহসংসাৰত স্বামীৰ লগতে পুত্ৰ জয়দীপ ভূএগ আৰু জীয়ৰী ল'ৱা সিংহসহ অজস্ৰ গুণমুগ্ধক এৰি যায়। শেষ শ্ৰদ্ধা নিবেদনৰ বাবে তেওঁৰ নশ্বৰদেহ ফেকাল্টী স্কুললৈ নিয়াৰ পাছত মহানগৰীৰ নৱগ্ৰহ শ্মশানত অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়।

বন্তি ভূএগৰ মৃত্যুত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গভীৰ শোক প্ৰকাশ কৰিছে। এক শোকবাৰ্তাত মুখ্যমন্ত্ৰীয়ে তেওঁ আগবঢ়াই যোৱা শৈক্ষিক আৰু সামাজিক অৱদানক স্মৰণ কৰে। ভূএগৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ মুখ্যমন্ত্ৰীয়ে গভীৰ সমবেদনা জ্ঞাপন কৰে।

# মোদীৰ সভালৈ বাছত মানুহ কঢ়িওৱাত

*এক পৃষ্ঠাৰ পৰা* প্ৰতিবাদ সাব্যস্ত কৰে। আটছাৰ সমৰ্থকসকলে পুৱাৰে পৰা ৰঙাপৰাৰ বিভিন্ন চাহ বাগিচাৰ ৰাইজক প্ৰধানমন্ত্ৰীয়ে অংশগ্ৰহণ কৰা জনসভালৈ যোৱাত বাধা প্ৰদান কৰে। পুৱা প্ৰায় ছয় বজাৰ পৰা এই সভালৈ মানুহ যাবলৈ চাহ বাগিচাৰ লগতে বিভিন্ন অঞ্চলত বাছৰ ব্যৱস্থা কৰা হৈছিল। আনকি প্ৰতিখন পঞ্চায়তৰ অন্তৰ্গত অঞ্চলৰ পৰা কমেও এহেজাৰ মানুহ এই সভালৈ নিয়াৰ লক্ষ্য আছিল যদিও ৰঙাপৰাকে ধৰি শোণিতপুৰৰ জিলাৰ বহুকেইখন চাহ বাগিচালৈ যোৱা বাছসমূহ ওভতাই পঠিয়ায় আটছাই। সোণাজুলি, ধেন্দাই, নাহৰণি, বৰজুলি, ঢোলকোবা আদি চাহ বাগিচাৰ মানুহ এই সভালৈ যাব নোৱাৰিলে। আটছাৰ এনে প্ৰতিবাদৰ ফলত আনকি বহু চাহ বাগিচাৰ পৰা মোদীৰ সভালৈ মানুহ নিবলৈ বাছ নগ'ল।

চাহ শ্ৰমিক ৰাইজক কৰা প্ৰৱঞ্চনা আৰু প্ৰতাৰণাৰ বিৰুদ্ধে আটছাই প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৩৫১ টকা নিৰ্ধাৰণৰ উপৰি মাটিৰ পট্টা প্ৰদান আৰু আদিবাসীসকলক জনজাতিকৰণৰ প্ৰতিশ্ৰুতি পূৰণত বিজেপি নেতৃত্বাধীন চৰকাৰ ব্যৰ্থ হোৱাৰ অভিযোগ তুলি 'সৰ্বানন্দ সোণোৱাল মুৰ্দাবাদ', 'সৰ্বানন্দ সোণাৱাল হুচিয়াৰ', 'আটছা জিন্দাবাদ', 'চাহ শ্ৰমিক ৰাইজক ৩৫১ টকা মজুৰি প্ৰদান কৰক', 'চাহ শ্ৰমিক ৰাইজক প্ৰাপ্য মজুৰি দিব নোৱাৰা বিজেপি চৰকাৰ হুচিয়াৰ', 'পল্লৱ লোচন দাস মুৰ্দাবাদ, 'নৰেন্দ্ৰ মোদী হায় হায়' আদি বিভিন্ন শ্ল'গানেৰে চাহ বাগিচাৰ পৰিৱেশ উত্তাল কৰি তোলে।

# চৰকাৰ হ'লে এনআৰচিত কৰ্তন হোৱা

*এক পৃষ্ঠাৰ পৰা* হ'লে সকলোৱে মাজত মিলাপ্ৰীতি ঘূৰাই আনিব।' দৰঙৰ দলগাঁও টাউন খেলপথাৰত আজি অনুষ্ঠিত এ আই ইউ ডি এফৰ এখন সভাত দলৰ মুৰব্বী তথা সাংসদ বদৰুদ্দিন আজমলে এইদৰে মন্তব্য কৰে। তেওঁ পুনৰ কয়, 'স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চৰকাৰে ছখন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা বুলি দাবী কৰিছে। পুনৰ চৰকাৰ গঠন কৰিলে অহাবাৰ আৰু ছখন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ কৰিব; কিন্তু অহাবাৰ ৰাইজে মহাজোঁটবন্ধনক চৰকাৰ গঠনৰ সুযোগ দিলে প্ৰতিখন জিলাত একোখনকৈ চিকিৎসা মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব।' তেওঁ মন্ত্ৰী শৰ্মাক কটাক্ষ কৰি কয়, 'চাৰিবাৰ মন্ত্ৰী হোৱাৰ পাছত তেওঁ পথত নৃত্য কৰে। সম্ভৱতঃ ঘৰত ব্যায়াম কৰিবলৈ পাহৰি যোৱা বাবেই তেনে কৰে। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহেতো নৃত্য নকৰে। তেনেহ'লে তেওঁ এই নৃত্য ক'ৰ পৰা শিকিলে?' মহাজোঁটৰ চৰকাৰ হ'লে এন আৰ চিৰ পৰা কৰ্তন হোৱা ১৯ লাখ লোকৰ নামসমূহ পুনৰ অন্তৰ্ভুক্ত কৰা হ'ব বুলিও আজমলে প্ৰতিশ্ৰুতি দিয়ে। তেওঁ কয় যে ভাৰতৰ ক'তো চৰকাৰী মাদ্ৰাছাসমূহ বন্ধ কৰা হোৱা নাই যদিও অসমত সেয়া কৰা হৈছে। সম্প্ৰতি কৌমি মাদ্ৰাছাসমূহত হাত দিছে। সকলোৱে এই কাৰ্যত বেয়া পাইছে। সংখ্যালঘু ৰাইজ শিক্ষিত হ'লেহে জাতিটোৰ উন্নতি হ'ব বুলি তেওঁ কয়। আজমলে পুনৰ কয় যে দলগাঁও, বেছিমাৰীৰ কৃষকে কোনো পাচলিতে বিহ প্ৰয়োগ নকৰে। এয়া কৃষকসকলক বিপদত পেলোৱাৰ ফন্দিহে। তেওঁ মন্ত্ৰী শৰ্মাৰ মালিকানাধীন চেনেল নাচাবলৈ ৰাইজক আহ্বান জনায়। আজমলৰ এখন হাস্পতাল বন্ধ কৰিলে ১০খন হাস্পতাল স্থাপন কৰিব বুলিও তেওঁ কয়। দলৰ বিধায়ক বছিৰ আহমেদ কাছিমীয়ে কয়, 'এসময়ত আমাক বুঢ়া আঙুলি দেখুওৱা প্ৰয়াত তৰুণ গগৈয়েও আমাৰ দলক তিনিমাহ পূৰ্বে ধৰ্মনিৰপেক্ষ দল বুলি ক'বলৈ বাধ্য হৈছিল। আমি চৰকাৰ গঠন কৰিব পাৰো আৰু চৰকাৰ ভাঙিবও পাৰো, এই অধিকাৰ আমাক সংবিধানে দিছে। আমাৰ অধিকাৰ আমি সাব্যস্ত কৰিব পাৰিব লাগিব।' সভাত দলৰ বিধায়ক ইমদাদুল হুছেইনে কয় যে বিজেপিয়ে ভিজন ডকুমেণ্টত দিয়া প্ৰতিশ্ৰুতিৰ মাত্ৰ ১.০৯ শতাংশহে পূৰণ কৰিছে। সভাত বিধায়ক আমিনুল ইছলাম আৰু দলৰ কেন্দ্ৰীয় সম্পাদক মজিবৰ ৰহমানেও ভাষণ দিয়ে।

# বিগত দুটা দশকত দুগুণলৈ বৃদ্ধি পালে

*এক পৃষ্ঠাৰ পৰা* বৃদ্ধিৰ ফলত প্ৰতিবছৰে হিমবাহে নিজৰ দৃঢ়তা হেৰুৱাই পেলোৱাৰ সমানে বৰফো গলি আছে। ইয়াৰ ফলতে ভাৰতসহ একাধিক দেশৰ কে'বাশ নিযুত লোকলৈ পানী সৰবৰাহৰ ক্ষেত্ৰতো ভাবুকিৰ সৃষ্টি হৈছে। ২০১৯ত প্ৰকাশিত এখন গৱেষণা পত্ৰ আজি পুনৰ আলোচনালৈ আহে। এদল পৰিৱেশ বিজ্ঞানীৰ উক্ত প্ৰতিবেদনত গোলকীয় উষ্ণতাকে হিমালয়ৰ বৰফ দ্ৰুতগতিৰে গলাৰ কাৰণ বুলি উল্লেখ কৰা হৈছে। প্ৰতিবেদনত কোৱা হৈছে যে জলবায়ুৰ পৰিৱৰ্তনে হিমালয়ৰ হিমবাহক গোগ্ৰাসে গিলিবলৈ আৰম্ভ কৰিছে।

বিজ্ঞানীৰ দলটোৱে প্ৰকাশ কৰা প্ৰতিবেদনত উল্লেখ কৰিছে যে বিগত শতিকাৰ তুলনাত হিমালয়ৰ হিমবাহ এতিয়া দুগুণ হাৰত গলিবলৈ ধৰিছে। দুহেজাৰৰ পৰাই প্ৰতি বছৰে শতকৰা এভাগকৈ বৰফ গলি আছে। বছৰি চাৰে পাঁচ ফুটৰ অধিক পৰিমাণে বৰফ গলাৰ পৰিণাম ভয়াৱহ হ'বলৈ গৈ আছে। ১৯৭৫ৰ পৰা ২০০০ৰ তুলনাত দুগুণ হাৰত বৰফ গলি থকা বাবে ভাৰত, চীন, নেপাল, ভূটানসহ এছিয়াৰ কে'বাখনো দেশৰ কমেও এশ কোটি লোকৰ বাবে অদূৰ ভৱিষ্যতে প্ৰবল পানীৰ সংকটে দেখা দিব পাৰে বুলিয়ে বিজ্ঞানীসকলে আশংকা কৰিছে। বিগত ৪০ বছৰে মহাকাশ পৰ্যবেক্ষণ কেন্দ্ৰৰ পৰা সংগ্ৰহ কৰা এইবোৰ দেশৰ ফটো পৰ্যবেক্ষণ কৰিয়ে বিজ্ঞানীসকল এই বিষয়ত নিশ্চিত হৈছে। আমেৰিকাৰ কলম্বিয়া বিশ্ববিদ্যালয়ৰ গৱেষক জ'ছুৱা মাউৰাৰে এই প্ৰসংগত কয়, 'এই সময়ত কেনেকৈ আৰু কিয় হিমালয়ৰ হিমবাহ গলি আছে তাৰ এখন পৰিষ্কাৰ ছবি সন্মুখলৈ আহিছে।' বিজ্ঞানীজনে লগতে কয় যে গৱেষণাত সুনিৰ্দিষ্টভাৱে গণনা কৰিব পৰা নগ'লেও এটা কথা ক'ব পাৰি যে হিমবাহসমূহে বিগত চাৰি দশকধৰি নিজৰ বিশাল ভৰসমূহৰ এক চতুৰ্থাংশৰো বেছি হেৰুৱাইছে। তথ্যসমূহে সূচাইছে যে সময় আৰু স্থানৰ স'তে সামঞ্জস্য ৰাখি ক্ৰমে বৃদ্ধি পাই থকা তাপমাত্ৰাই এই বৰফ গলাৰ বাবে দায়ী। বিজ্ঞানীসকলে লগতে কয় যে তাপমাত্ৰা স্থানভেদে পৰিৱৰ্তিত হ'লেও ১৯৭৫-২০০০ৰ তুলনাত ২০০০-২০১৬ পৰ্যন্ত গড়ে এক ডিগ্ৰীকৈ বাঢ়িছে।

উল্লেখ্য যে গৱেষকসকলে হিমালয়ৰ পশ্চিমৰ পৰা পূব পৰ্যন্ত দুহেজাৰ কিলোমিটাৰ জুৰি বিস্তৃত ৬৫০টা হিমবাহৰ উপগ্ৰহ চিত্ৰ বিশ্লেষণ কৰি এই প্ৰতিবেদন প্ৰস্তুত কৰিছে। গৱেষকসকলে লক্ষ্য কৰিছে যে এছিয়াৰ দেশসমূহে জ্বলোৱা জীৱাশ্ম ইন্ধন আৰু জ্বলন্ত জৈৱবস্তুৰ ধোঁৱা আকাশলৈ উৰি গৈছে। ইয়াৰে বেছিভাগ অংশ তুষাৰাবৃত হিমবাহৰ পৃষ্ঠত অৱতৰণ কৰিছে আৰু তাত সেইবোৰে সৌৰশক্তি শোষণ কৰি দ্ৰুতগতিৰে গলি আছে। পৰ্যবেক্ষকসকলে গ্ৰাউণ্ড ষ্টেচনত অধ্যয়ন কৰাৰ সময়তে তাপমাত্ৰাৰ তথ্য সংগ্ৰহ কৰি হিমালয় গলনৰ পৰিমাণ নিৰ্ধাৰণ কৰিয়ে তাপমাত্ৰা বৃদ্ধিৰ ক্ষেত্ৰত নিশ্চিত হৈছে। গোলকীয় উষ্ণতাই দ্ৰুতগতিৰে হিমবাহ গলাৰ সবাতোকৈ ডাঙৰ কাৰণ বুলিও গৱেষকসকলে দাবী কৰিছে।

দৈনিক অগ্ৰদূত
গুৱাহাটী, ৮ ফেব্ৰুৱাৰী, ২০২১ সোমবাৰ পৃষ্ঠা তিনি

## আগমনীৰ মইশাত নটাকৈ পৰিয়ালৰ গৃহ ভস্মীভূত ঃ ক্ষুব্ধ ৰাইজৰ পথ অৱৰোধ

অগ্ৰদূত বাৰ্তা
**আগমনী, ৭ ফেব্ৰুৱাৰী ঃ** ধুবুৰী জিলাৰ আগমনী আৰক্ষী থানাৰ অন্তৰ্গত মইশা গাঁৱত আজি সংঘটিত অগ্নিকাণ্ডত নটাকৈ পৰিয়ালৰ গৃহ ভস্মীভূত হোৱাত কে'বা লাখ টকাৰ সম্পত্তিৰ ক্ষতিসাধন হয়। আজি দুপৰীয়া হঠাৎ বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ কাৰণে জুইৰ সূত্ৰপাত ঘটাত জুইৰ লেলিহান শিখাই নিমিষতে নটাকৈ পৰিয়ালৰ গৃহ আৱৰি ধৰে। ছয় পৃষ্ঠাত চাওক

# এবছৰে অনাদৃত হৈ বালিচৰত পৰি ৰ'ল গুৰু আসন



### অসম সাহিত্য সভাৰ শুৱালকুছি অধিবেশন উপসমিতিৰ কাণ্ডজ্ঞানহীনতা

অগ্ৰদূত বাৰ্তা
**শুৱালকুছি, ৭ ফেব্ৰুৱাৰী ঃ** অসম সাহিত্য সভাৰ শুৱালকুছি অধিবেশনৰ নামঘৰ উপ-সমিতিয়ে বালিচৰত নিৰ্মাণ কৰা অস্থায়ী নামঘৰত আজি এবছৰে অনাদৃত হৈ পৰি ৰ'ল গুৰু আসন। এই ঘটনাই মৰ্মাহত কৰিছে সুধী সমাজক। ২০২০ৰ ৩১ জানুৱাৰীৰ পৰা চাৰি ফেব্ৰুৱাৰীলৈ অসম সাহিত্য সভাৰ শুৱালকুছি অধিবেশন হৈছিল। আন আন উপ-সমিতিৰ দৰে নামঘৰ উপ-সমিতিয়ে কলিতা মন্দিৰ বালিচৰত আটক ধুনীয়াকৈ নামঘৰ নিৰ্মাণ কৰি গুৰু আসন প্ৰতিষ্ঠা কৰিছিল। গুৰু আসনৰ সন্মুখত প্ৰতিদিন শংকৰী সংস্কৃতি প্ৰদৰ্শন কৰিছিল। অধিৱেশন শেষ হোৱা দিন ধৰি নামঘৰটোলৈ উভতি চোৱা নাই আদৰণি সমিতি কিম্বা নামঘৰ উপ-সমিতিয়ে। যাৰ ফলত আজি এবছৰে অনাদৃত হৈ বালিচৰত পৰি ৰ'ল গুৰু আসন। প্ৰথমাৱস্থাত কেইজনমান যুৱকে গুৰু আসনৰ সন্মুখত পুৱা-গধূলি বন্তি জ্বলাইছিল যদিও পিছলৈ বন্তি জ্বলোৱা বন্ধ কৰি দিয়ে। ধৰ্ম আৰু কৰ্মৰ মিলনভূমি শুৱালকুছিত প্ৰায় ৪০ টাতকৈও অধিক নামঘৰ থকাৰ পাছত গুৰু আসন এখন এবছৰে বালিচৰত পৰি থকা কাৰ্যক একেমুখে গৰিহণা দিছে সচেতন মহলে।




## ধিং গেটৰ উৰণীয়া সেতু দুৰ্ঘটনাত নিহত এক

বিশেষ সংবাদদাতা
**নগাঁও, ৭ ফেব্ৰুৱাৰী ঃ** উদণ্ড ট্ৰাক চালকৰ বাবে আজি বিয়লি ৪-৩০ বজাত নগাঁও চহৰৰ ধিং গেটৰ উৰণীয়া সেতুৰ ওপৰত সংঘটিত হয় এক দুৰ্ঘটনাত ৰাজীৱ বৰা (২৮) নামৰ এজন স্কুটী আৰোহী থিতাতে নিহত হোৱাৰ উপৰি এটি শিশুও আহত হয়। নগাঁও-ধিং গড়কাপ্টানী পথৰে মাটি কঢ়িওৱা এ এছ এন-২৯১৭ নম্বৰৰ এখন ট্ৰাকে ন' এন্ট্ৰিকো উপেক্ষা কৰি যানবাহন নিয়ন্ত্ৰণ শাখাৰ আৰক্ষীৰ সন্মুখদেয়িই হুজ গাঁও দিশৰ পৰা নগাঁও চহৰ অভিমুখে আহি আছিল। ট্ৰাকখন আহি নগাঁও চহৰৰ ধিং গেটৰ উৰণীয়া সেতুৰ ওপৰ পাওঁতেই একে সময়তে হুজ গাঁৱৰ পৰা নগাঁও চহৰলৈ গৈ থকা এ এছ-০২ জেদ-৫৯৪৬ নম্বৰৰ এখন স্কুটীক খুন্দিওৱাত দুৰ্ঘটনাটো ছয় পৃষ্ঠাত চাওক

## বৰমপুৰত সেৱাস্থলীতে ভকতৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**কলাইগাও, ৭ ফেব্ৰুৱাৰী ঃ** দৰং জিলাৰ বৰমপুৰ গাঁৱত বৈষ্ণৱসকলৰ একন ভকত সেৱাৰ স্থলীতে আজি এজন ভকতৰ মৃত্যু হয়। গাঁওখনৰ কানিয়া চুবাৰ সন্তোৰাম বড়ো নামৰ লোকজনৰ ঘৰত ভকত সেৱাৰ আয়োজন কৰিছিল। উক্ত অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ গৈ নাম প্ৰসংগ কৰি থকা অৱস্থাত উচ্চ ৰক্তচাপত আক্ৰান্ত হৈ সেৱাৰ স্থলীতে নিৰন বৰা নামৰ ভকতজনৰ মৃত্যু হয়। চৈবাৰী গাঁৱৰ নিবাসী বৰা ব্যাসৰ ওজাপালি শিল্পী আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ চাৰিজন পুত্ৰ এৰি যায়।

### কৰ্দৈগুৰিত ভৱানীপুৰ সমষ্টি বিজেপিৰ পৃষ্ঠাপ্ৰমুখ সন্মিলনত মনোজ বৰুৱা

## নতুন ৰাজনৈতিক দলসমূহ হাৱাত আহিছে হাৱাত উৰি যাব

অগ্ৰদূত বাৰ্তা
**সৰুপেটা, ৭ ফেব্ৰুৱাৰী ঃ** 'একমাত্ৰ চৰকাৰ গঠন কৰি ৰাজভোগ খাবলৈকে নতুন নতুনকৈ গঠন কৰা ৰাজনৈতিক দলসমূহ হাৱাত আহিছে হাৱাত উৰি যাব। এই দলসমূহৰ ৰাইজৰ প্ৰতি কোনো সৃষ্টি বা স্থিতি বোলা কোনো বস্তুৱে নাই।' এইদৰে বিৰোধী দলসমূহক তীব্ৰ সমালোচনা কৰি এই মন্তব্য কৰে ৰাজ্যিক বিজেপিৰ কাৰ্যনিৰ্বাহক তথা অসম কৃষি বিপণন পৰিষদৰ উপাধ্যক্ষ মনোজ বৰুৱাই। আজি ভৱানীপুৰৰ কৰ্দৈগুৰিত বিজেপিৰ বজালী জিলা সমিতিৰ সভাপতি নগেন চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত বিজেপিৰ ভৱানীপুৰ সমষ্টিৰ পৃষ্ঠাপ্ৰমুখ সন্মিলনত অংশগ্ৰহণ কৰি বৰুৱাই বিৰোধী দলসমূহক সমালোচনা কৰি পুনৰ কয় যে বিগত কংগ্ৰেছ চৰকাৰৰ দিনত এনেকুৱা অৱস্থা এটাৰ সৃষ্টি হৈছিল যে সৰ্বসাধাৰণ ৰাইজে কিবা এটা চৰকাৰী আঁচনি লাভ কৰিবলৈ হ'লে দালাল ধৰিব লগা হৈছিল। কিন্তু বৰ্তমান বিজেপি চৰকাৰৰ দিনত সকলো ৰাইজে খুব পদ্ধতিগত প্ৰক্ৰিয়াৰে এক নিকা ব্যৱস্থাৰে সকলো চৰকাৰী আঁচনি লাভ কৰিবলৈ সক্ষম হৈছিল। তদুপৰি তেওঁ পুনৰ কয় যে বিজেপি চৰকাৰে এটা শিশু মাতৃৰ গৰ্ভত ছয় পৃষ্ঠাত চাওক

### কলিয়াবৰ প্ৰেছ ক্লাবৰ কাৰ্যালয়ৰ দ্বাৰ উন্মোচন মন্ত্ৰী মহন্তৰ

## সংবাদকৰ্মীয়ে সমাজ সংস্কাৰৰ ভূমিকা পালন কৰে



অগ্ৰদূত বাৰ্তা
**কলিয়াবৰ, ৭ ফেব্ৰুৱাৰী ঃ** এগৰাকী সংবাদকৰ্মীয়ে এখন সমাজত সংস্কাৰৰ ভূমিকা পালন কৰে। এই ক্ষেত্ৰত সংবাদকৰ্মীৰ প্ৰকৃত ভূমিকা পালন কৰিছে কলিয়াবৰ সংবাদকৰ্মীসকলে। কলিয়াবৰৰ সমাজ জীৱনত এওঁলোকৰ ভূমিকা প্ৰশংসনীয়। কলিয়াবৰ প্ৰেছ ক্লাবৰ আজি নৱনিৰ্মিত কাৰ্যালয়ৰ দ্বাৰ উদঘাটন কৰি মন্ত্ৰী কেশৱ মহন্তই এইদৰে মন্তব্য কৰে। তেওঁ কলিয়াবৰত সাংবাদিকসকলে মৰ্যাদা অক্ষুণ্ণ ৰাখি সমাজত সেৱা আগবঢ়াই আহিছে আৰু অনাগত দিনবোৰত কলিয়াবৰ প্ৰেছ ক্লাবে নিজস্বতা বৰ্তাই ৰাখিব বুলি কয়। উল্লেখ্য যে ১৯৯৭তে প্ৰতিষ্ঠা হোৱা কলিয়াবৰ প্ৰেছ ক্লাবে সংবাদ ক্ষেত্ৰত বিশেষ সেৱা আগবঢ়াই আহিছে। পুৰা কলিয়াবৰ প্ৰেছ ক্লাবৰ সম্পাদক জয়ন্ত কুমাৰ শৰ্মাই আঁত ধৰা অনুষ্ঠানত ছয় পৃষ্ঠাত

## মিঞা পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ শপত গ্ৰহণ

**গুৱাহাটী, ৭ ফেব্ৰুৱাৰী ঃ** নৱগঠিত অসম-মিঞা (অসমীয়া) পৰিষদৰ নৱগঠিত কেন্দ্ৰীয় সমিতিখনে আজি শপতগ্ৰহণ কৰে। দিছপুৰ প্ৰেছ ক্লাবত আজি নৱগঠিত কেন্দ্ৰীয় পৰিষদখনৰ বিষয়ববীয়াসকলক জাতিক সঠিক দিশত আগবঢ়াই নিয়াৰ লক্ষ্যত আপোচবিহীন সংগ্ৰামী পদক্ষেপ লোৱাৰ সংকল্পৰে শপত বাক্য পাঠ কৰায় অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাংবাদিক কনকসেন ডেকাই। যোৱা ২৯ আৰু ৩০ নৱেম্বৰত গোৱালপাৰা জিলাৰ ধুমেৰঘাট কাজিমবাবা ক্ষেত্ৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অসম-মিঞা (অসমীয়া) পৰিষদৰ দশম ছয় পৃষ্ঠাত চাওক

## তিনিচুকীয়াৰ বালুগদাত আলকতৰাৰ গুদামত অগ্নিকাণ্ড



অগ্ৰদূত বাৰ্তা
**তিনিচুকীয়া, ৭ ফেব্ৰুৱাৰী ঃ** তিনিচুকীয়া চহৰৰ কাষৰীয়া বালুগদাত আজি পুৱা প্ৰায় ১১ বজাত এটা আলকতৰাৰ গুদামত অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। অগ্নিকাণ্ডৰ সময়ত স্থানীয় লোকৰ তৎপৰতাত কথমপি ৰক্ষা পৰে কাষৰীয়া লোকসকল। প্ৰথম পৰ্যায়ত তিনিচুকীয়া অগ্নিনিৰ্বাপক বাহিনীৰ তিনিখনকৈ বাহনে প্ৰায় এক ঘণ্টাকৈ অহৰহভাৱে চেষ্টা কৰে আৰু পৰৱৰ্তী সময়ত অইল ইণ্ডিয়া লিমিটেডৰ পৰা অহা এখন উন্নত পৰ্যায়ৰ বাহনৰ তৎপৰতাত জুই নিৰ্বাপণ কৰিবলৈ সক্ষম হয় যদিও প্ৰায় সকলো জুইত ভস্মীভূত হয়। গুদামটোৰ স্বত্বাধিকাৰী পৱন চামাৰিয়াই জানিব দিয়া অনুসৰি, পূৰ্বতে আলকতাৰ গুদাম আছিল যদিও ছয় পৃষ্ঠাত চাওক

## ৰঙিয়াত শহুৰেকৰ ঘৰতে প্ৰহৃত শাহুৰেক-জোঁৱায়েক পলাতক

অগ্ৰদূত বাৰ্তা
**ৰঙিয়া, ৭ ফেব্ৰুৱাৰী ঃ** পতি-পত্নীৰ সংঘাত কোনো নতুন ঘটনা নহয়। পৰস্পৰক মাৰধৰ কৰা ঘটনাও একাংশ পৰিয়ালৰ বাবে সাধাৰণ ঘটনা; কিন্তু ৰঙিয়াত সংঘটিত হৈছে এক আজব ঘটনা। পতি-পত্নীৰ কাজিয়াৰ মাজতেই শাহুৰেকক গুৰুলা-গুৰুলকৈ প্ৰহাৰ কৰি চিকিৎসাধীন কৰা ঘটনা নিচেই কম। এই ধৰণৰ এত ঘটনা ৰঙিয়াত সংঘটিত হোৱাত ব্যাপক চৰ্চা লাভ কৰিছে। ঘটনাটো ৰঙিয়া চহৰৰ এন টি পথৰ। নিজৰ শহুৰেকৰ ঘৰতে এজন জোঁৱায়ে সামান্য কথাক কেন্দ্ৰ কৰি হোৱা সংঘাতৰ পৰিণতিত শাহুৰেকৰ লগতে পত্নীকো গুৰুলা-গুৰুলকৈ প্ৰহাৰ কৰি আহত কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই ঘটনাৰ পাছতেই শহুৰেকৰ পৰিয়ালে ৰঙিয়া আৰক্ষী থানাত এক গোচৰ ৰুজু কৰে। ইপিনে, জোঁৱাইৰ প্ৰহাৰত আহত হোৱা শাহুৰেকক চিকিৎসাধীন কৰিব লগা হৈছে। এই ছয় পৃষ্ঠাত চাওক

## সংগীত শিল্পী মঞ্চ, নগাঁৱৰ স্থায়ী গৃহৰ উদ্বোধন

বিশেষ সংবাদদাতা
**নগাঁও, ৭ ফেব্ৰুৱাৰী ঃ** নগএগ শিল্পীসকলৰ অন্যতম অগ্ৰণী অনুষ্ঠান সংগীত শিল্পী মঞ্চ, নগাঁৱৰ স্থায়ী গৃহ আজি উদ্বোধন কৰা হয়। বিধায়ক তথা সংগীত শিল্পী মঞ্চৰ প্ৰাক্তন সম্পাদক ৰূপক শৰ্মাই স্থায়ী গৃহৰ উদ্বোধন কৰাৰ পাছত নগএগ শিল্পী তথা সংগীত অনুৰাগীসকলৰ এখন সভা অনুষ্ঠিত হয়। সভাখনৰ আঁত ধৰে আলিবাট প্ৰকাশনৰ স্বত্বাধিকাৰ প্ৰাঞ্জল কুমাৰ মহন্তই। সভাখনত সভাপতিত্ব কৰে সংগীত শিল্পী মঞ্চৰ সভাপতি পংকজ বেজবৰুৱাই। আনহাতে, সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সংগীত শিল্পী মঞ্চৰ সম্পাদক ৰঞ্জিত বৰাই। উক্ত সভাত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি শিল্পী ভূপেন উজীৰে কয়, 'স্থায়ী গৃহৰে জাতিস্কাৰ হৈ পৰা সংগীত শিল্পী মঞ্চ, নগাঁৱৰ দৰে অনুষ্ঠান বিৰল। সম্ভৱতঃ এনে প্ৰকল্প অসমত ছয় পৃষ্ঠাত চাওক

## নকছাৰীত দুৰ্ঘটনাত এজন নগা লোকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**মৰিয়নি, ৭ ফেব্ৰুৱাৰী ঃ** মৰিয়নিৰ সমীপৰ দেবেৰাপাৰ আৰক্ষী চকীৰ অন্তৰ্গত দেবেৰাপাৰ গাঁৱৰ সমীপত কালি সন্ধিয়া সংঘটিত এক পথ দুৰ্ঘটনাত এজন নগালোকৰ মৃত্যু হয়। নগালেণ্ডৰ মোককচাং জিলাৰ অন্তৰ্গত অসম-নগালেণ্ড সীমান্তৱৰ্তী চাৰিং বস্তিৰ চেনটি নাংটি আও নামৰ এজন অৱসৰপ্ৰাপ্ত সেনা জোৱানক এখন তীব্ৰ বেগী মটৰ চাইকেলে খুন্দিয়ায়। দুৰ্ঘটনাটোত চেণ্টি নাংটি আও গুৰুতৰভাৱে আহত হয়। স্থানীয় ৰাইজে ততাতৈয়াকৈ আহত নগা লোকজনক নকছাৰীৰ মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়লৈ লৈ যায় যদিও পথতে তেওঁৰ মৃত্যু হয়। পাছত দেবেৰাপাৰ আৰক্ষীয়ে মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে

## বংশৰত যুৱকৰ আত্মহত্যা

অগ্ৰদূত বাৰ্তা
**শুৱালকুছি, ৭ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ শুৱালকুছি আৰক্ষী থানাৰ অন্তৰ্গত বংশৰ চাৰিআলিৰ পানীৰাম বৈশ্যৰ পুত্ৰ অপূৰ্ব বৈশ্য (৩৬) নামৰ এজন সাংস্কৃতিক কৰ্মীয়ে আত্মহত্যা কৰা ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। ভাৰতীয় ডাক বিভাগ শুৱালকুছি শাখাৰ ঠিকাভিত্তিক কৰ্মচাৰী বৈশ্যই আজি পুৱাৰ পৰা নিজ শুৱনি কোঠাৰ পৰা বাহিৰ নোলোৱাত পৰিয়ালৰ লোকে দৰ্জা ভাঙি ভিতৰলৈ প্ৰৱেশ কৰাত চিপ লৈ থকা অৱস্থাত উদ্ধাৰ কৰে। পাছত আৰক্ষীক খবৰ দিয়াত শুৱালকুছি আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। উল্লেখ্য যে পিতৃ বাৰ্ধক্যজনিত কাৰণত দীৰ্ঘদিনৰ পৰা শয্যাশায়ী হৈ থকাৰ লগতে সৰুতেই মাতৃক হেৰুওৱা বৈশ্যৰো বৃক্কথলীত পাথৰ হোৱাত মানসিকভাৱে অশান্তিত ভুগি আছিল। যাৰ বাবে আত্মহত্যাৰ দৰে চৰম পন্থা লয় বুলি প্ৰতিবেশীয়ে মন্তব্য কৰিছে। মৃত্যুৰ আগমুহূৰ্তলৈকে বৃহত্তৰ বংশৰ অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল বৈশ্য। বৈশ্যৰ মৃত্যুত পূব বংশৰ আঞ্চলিক ছাত্ৰ সন্থা, বংশৰ প্ৰগতি সংঘ-পুথিভঁৰাল, সদৌ বংশৰ ৰঙালী বিহু সন্মিলন আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে যুৱকজনৰ অকাল মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে।

## নগাঁও জিলা অন্যান্য পিছপৰা শ্ৰেণী সন্মিলনত সংঘাত

### দুখন কমিটী গঠনক লৈ সৃষ্টি হৈছে সংঘাত

বিশেষ সংবাদদাতা
**নগাঁও, ৭ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলা অন্যান্য পিছপৰা শ্ৰেণী সন্মিলনৰ বাৰ্ষিক অধিৱেশনক কেন্দ্ৰ কৰি সংঘাতৰ সৃষ্টি হৈছে। উল্লেখ্য যে ২০১৭-২০ৰ নগাঁও জিলা সন্মিলনৰ কাৰ্যকাল অন্ত পৰাত যোৱা ২০ ডিচেম্বৰত নগাঁও জিলাৰ চাপানালাত নগাঁও জিলা অন্যান্য পিছপাৰ শ্ৰেণী সন্মিলনৰ জিলা অধিৱেশন অনুষ্ঠিত হয়। অধিৱেশনৰ সাধাৰণ সভাই সোণাৰাম বৰাক সভাপতি হিচাপে লৈ নগাঁও জিলা অন্যান্য পিছপৰা শ্ৰেণী সন্মিলনৰ নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। ইপিনে, এই অধিৱেশন সংবিধান সন্মত নহয় বুলি সন্মিলনৰ কে'বাজনো ব্যক্তিয়ে সদৌ অসম অন্যান্য পিছপৰা শ্ৰেণী সন্মিলনৰ ছয় পৃষ্ঠাত চাওক

## সদৌ কোচ-ৰাজবংশী সন্মিলনীৰ অধিৱেশনৰ লাইখুটা স্থাপন



অগ্ৰদূত বাৰ্তা
**টংলা, ৭ ফেব্ৰুৱাৰী ঃ** অহা ২০ আৰু ২১ ফেব্ৰুৱাৰীত টংলা চিলাৰায় ভৱন প্ৰাংগণত অনুষ্ঠিত হ'বলগীয়া সদৌ কোচ ৰাজবংশী সন্মিলনীৰ ৩০ সংখ্যক দ্বি-বাৰ্ষিক টংলা অধিৱেশনৰ আজি টংলা চিৰালায় ভৱন প্ৰাংগণত লাইখুটা স্থাপন কৰা হয়। ভেৰগাঁও জিলা কোচ ৰাজবংশী মূল, যুৱ, মহিলা সন্মিলনী আৰু ওদালগুৰি জিলা আক্ৰাছু (পশ্চিম)ৰ উদ্যোগত অনুষ্ঠিতব্য উক্ত টংলা অধিৱেশনৰ আজি লাইখুটা স্থাপন কৰে পানেৰী সমষ্টিৰ বিধায়িকা কমলী বসুমতাৰীয়ে। উক্ত অনুষ্ঠানত অংশগ্ৰহণ কৰে ওদালগুৰি জিলা আক্ৰাছু (পশ্চিম)ৰ সভাপতি হেমন্ত বৰা কোচ, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক মুকুন্দ ডেকা, মুখ্য উপদেষ্টা নীলধৰ ডেকা, জ্যেষ্ঠ নাগৰিক ললিত চন্দ্ৰ ডেকাৰ লগতে ভেৰগাঁও জিলা কোচ ৰাজবংশী সন্মিলনীৰ বিষয়ববীয়াসকল।

## ৰেছন কাৰ্ডৰ জালিয়াতিত সুলভ মূল্যৰ দোকানী ঃ কাৰ্ডৰ বিনিময়ত দাবী ১৫ হেজাৰ

অগ্ৰদূত বাৰ্তা
**গোসাঁইগাঁও, ৭ ফেব্ৰুৱাৰী ঃ** সাধাৰণ শ্ৰেণীৰ মানুহৰ দৈনন্দিন জীৱনত এবিধ গুৰুত্বপূৰ্ণ নথি হিচাপে বিবেচিত হোৱা ৰেছন কাৰ্ড জালিয়াতিত খোদ সুলভ মূল্যৰ দোকানী জড়িত থকাৰ এক ঘটনা পোহৰলৈ আহিছে। তামাৰহাট আৰক্ষী থানাৰ অধীনৰ পলাশকান্দি গাঁৱৰ বাসিন্দা আব্দুল ছামাদ শ্বেখে একেখন গাঁৱৰ সুলভ মূল্যৰ দোকানী তথা গাঁওখনৰ বাসিন্দা জামাল খানৰ ওচৰলৈ দীৰ্ঘদিনৰ পৰা তেওঁৰ পৰিয়ালৰ ৰেছন কাৰ্ডখনৰ বাবে তাঁতবাটি কাঢ়ি আহিছে। সুলভ মূল্যৰ দোকানী জামাল খানৰ ওচৰত দিন ধৰি কাকুতি-মিনতি কৰিও ৰেছন কাৰ্ডখন লাভৰ পৰা বঞ্চিত হৈ আছিল দুৰ্ভগীয়া আব্দুল ছামাদ শেখৰ পৰিয়ালটো। চৰকাৰে যোগান ধৰা খাদ্য সামগ্ৰী নিজে আত্মসাৎ কৰি সুলভ মূল্যৰ দোকানী জামালে প্ৰকাৰান্তৰে ছামাদৰ পৰিয়ালটোক ন্যায্য প্ৰাপৰ পৰা বঞ্চিত কৰাৰ অভিযোগ উত্থাপন কৰিছে ভুক্তভোগী ছামাদৰ পৰিয়ালে। দোকানী জামালৰ ওচৰত বহুবাৰ অনুনয়-বিনয় কৰাৰ অন্তত ছামাদক ৰেছন কাৰ্ড প্ৰস্তুত কৰি দিয়াৰ বাবদ ১৫ হেজাৰ টকা দাবী কৰে বুলি অভিযোগ উঠিছে। ৰেছন কাৰ্ডৰ বাবে দাবী কৰা ১৫ হেজাৰ টকা ছামাদে দিবলৈ অমান্তি হোৱাত সুলভ মূল্যৰ দোকানী জামালে ৰেছন ছয় পৃষ্ঠাত চাওক

## লিখিত পৰীক্ষা দিবলৈ আহি উভতিবলগীয়া হ'ল চাকৰি প্ৰাৰ্থী

বিশেষ সংবাদদাতা
**নগাঁও, ৭ ফেব্ৰুৱাৰী ঃ** চাকৰি বিচাৰি শিক্ষিত নিবনুৱা যুৱক-যুৱতীয়ে হাহাকাৰ কৰাৰ সময়ত নগাঁৱত চাকৰিৰ লিখিত পৰীক্ষা দিবলৈ আহি হতাশ হবলগীয়া হ'ল একাংশ চাকৰি প্ৰাৰ্থী। ২০১৮তে নগাঁও আইন সেৱা প্ৰাধিকৰণে প্ৰকাশ কৰা নিযুক্তিৰ বিজ্ঞাপন মতে, আবেদন কৰিছিল বহু শিক্ষিত নিবনুৱা যুৱক-যুৱতীয়ে। আবেদন কৰা যুৱক-যুৱতীয়ে ইতিমধ্যে এই নিযুক্তিৰ লিখিত পৰীক্ষাৰ বাবে লাভ কৰিছিল 'কলিং লেটাৰ'। নগাঁও আইন সেৱা প্ৰাধিকৰণৰ সহায়ক পদৰ বাবে আবেদন কৰা প্ৰাৰ্থীয়ে 'কলিং লেটাৰ'ত উল্লেখ কৰা অনুযায়ী আজি লিখিত পৰীক্ষা দিবলৈ নগাঁও চৰকাৰী বালক বিদ্যালয়ত উপস্থিত হয় যদিও বিদ্যালয়ত আইন সেৱা ছয় পৃষ্ঠাত চাওক

## ৰাভা হাছঙৰ অপ্ৰাদেশিকীকৃত ১২১খন শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণৰ দাবী

### বকোত সংবাদমেলত শিক্ষক সন্থা

অগ্ৰদূত বাৰ্তা
**বকো, ৭ ফেব্ৰুৱাৰী ঃ** ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ প্ৰায় ১২১ খন শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণৰ দাবী জনাইছে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদ অপ্ৰাদেশিকীকৃত শিক্ষানুষ্ঠান সন্থাই। ৫৫০ গৰাকী শিক্ষক থকা সন্থাটোৰ বকোস্থ কামৰূপ জিলা ৰাভা সাহিত্য সভাৰ কাৰ্যালয়ত আজি সন্থাৰ সভাপতি ৰঞ্জন ৰাভা, সম্পাদক শান্তৰাম ৰাভাৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ উপস্থিতিত এক সংবাদমেল অনুষ্ঠিত কৰে। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ অন্তৰ্গত দুখন মহাবিদ্যালয়, দুখন জুনিয়ৰ কলেজ, দুখন হায়াৰ ছেকেণ্ডাৰী স্কুল, ১৮ খন হাইস্কুল, ১৭ খন ইউ পি স্কুল, ৮০ খন প্ৰাথমিক বিদ্যালয়সহ ১২১ খন অপ্ৰাদেশিকীকৃত শিক্ষকসকলৰ চাকৰি প্ৰাদেশিকীকৰণ কৰাৰ মূল দাবী হিচাপে লৈ এই সংবাদমেলৰ আয়োজন কৰে। সংবাদমেলখনত শিক্ষকসকলে অৱগত কৰে যে শিক্ষানুষ্ঠানৰ সংখ্যা আৰু বাঢ়িব। বিগত ৩০-৩৫ বছৰ পূৰ্বৰে পৰা বৰ্তমানলৈকে স্থানীয় কৰ্তৃপক্ষৰ তত্ত্বাৱধানত আৰু শিক্ষাৰ মান উন্নতকৰণৰ প্ৰয়োজনীয়তাৰ স্বাৰ্থত ৰাভা হাছং স্বায়ত্ত পৰিষদৰ অঞ্চলত প্ৰাথমিক পৰ্যায়ৰ পৰা আৰম্ভ কৰি উচ্চ শিক্ষানুষ্ঠান গঢ়ি উঠিছিল। কিন্তু প্ৰাদেশিকীকৰণ আইনৰ মেৰপেছত বৰ্তমানলৈকে বিদ্যালয় আৰু মহাবিদ্যালয়সমূহ সদ্যঘোষিত প্ৰাদেশিকীকৰণ প্ৰক্ৰিয়াৰ পৰা বঞ্চিত হ'ব লগা হৈছে। ৰাভা হাছং স্বায়ত্ত পৰিষদ অপ্ৰাদেশিকীকৃত শিক্ষানুষ্ঠান সন্থাই অসমৰ শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণ আইনৰ অন্তৰ্ভুক্ত চৰ্তসমূহ শিথিল কৰি পৰিষদৰ অন্তৰ্গত জনজাতীয় অঞ্চলৰ শিক্ষাগত মান উন্নত কৰাৰ স্বাৰ্থত শিক্ষানুষ্ঠানসমূহত কৰ্মৰত শিক্ষক-কৰ্মচাৰীসকলৰ চাকৰি নিয়মীয়া কৰাৰ দাবী জনায় সন্থাৰ সভাপতি-সম্পাদকে।

## ২০২১ত উৎখাত হ'ব বিজেপি ঃ লুৰীণজ্যোতি



### তেজপুৰত জাতীয় মহিলা শক্তিৰ অভিৱৰ্তন

অগ্ৰদূত বাৰ্তা
**তেজপুৰ, ৭ ফেব্ৰুৱাৰী ঃ** 'ৰাজ্যৰ বিজেপি চৰকাৰ আৰু বিজেপি নেতৃত্বই আত্মবিশ্বাস হেৰুৱাই পেলাইছে। সেয়ে এতিয়া তেওঁলোকে বাৰে বাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, অমিত শ্বাহ আদিক আনিবলগীয়া হৈছে। তেজপুৰৰ এই জ্যোতি-বিষ্ণু ক্ষেত্ৰৰ পৰাই এক নতুন সপোনৰ ৰচনা কৰিছো। এটা জাতি বা এখন সমাজত নাৰী শক্তিৰ যি ভূমিকা তথা নতুন সৃষ্টি আৰু নতুন সমাজ গঢ়াত নাৰীৰ ভূমিকা সমগ্ৰ বিশ্বত উল্লেখযোগ্য। এইখন মহিলা অভিৱৰ্তনৰ তাৰিখ ডেৰ মাহ পূৰ্বেই নিশ্চিত কৰিছিল। কিন্তু এই কথা জানিও অসমীয়া জাতীয় চেতনা, সংস্কৃতি আৰু গণতান্ত্ৰিক ব্যৱস্থাক সন্মান জনাব নজনা শক্তিয়ে এই সভাক বাদ দি ঢেকিয়াজুলিত এখন সভা অনুষ্ঠিত কৰিলে।' তেজপুৰত আজি এই মন্তব্য কৰে অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে। তেজপুৰৰ বামপৰ্বতীয়াৰ জ্যোতিবিষ্ণু ক্ষেত্ৰৰ ছহিদ বৈজয়ন্তী দেৱী মঞ্চত অনুষ্ঠিত অসম জাতীয় পৰিষদৰ ভগ্নী সংগঠনৰ জাতীয় মহিলা শক্তিৰ কালিৰ পৰা দুদিনীয়াকৈ অনুষ্ঠিত প্ৰথমখন ৰাজনৈতিক অভিৱৰ্তনত অংশ লৈ তেওঁ লগতে কয় যে ছয় পৃষ্ঠাত চাওক

দৈনিক
অগ্ৰদূত

গুৱাহাটী, সোমবাৰ ২৫ মাঘ ১৪২৭ ভাস্কৰাব্দ ৮ ফেব্ৰুৱাৰী, ২০২১




# স্মাৰ্ট চিটিৰ ৰেহৰূপ

**উত্তৰ-পূৰ্বাঞ্চলৰ** বাণিজ্যিক কেন্দ্ৰ তথা দুৱাৰমুখ হিচাপে খ্যাত গুৱাহাটী মহানগৰীক সজাই পৰাই স্মাৰ্ট চিটি হিচাপে গঢ়ি তুলিবলৈ চৰকাৰে প্ৰচেষ্টা চলালেও, বাস্তৱ ক্ষেত্ৰত গুৱাহাটী স্মাৰ্ট চিটি হ'বলৈ বহু বাকী। যাতায়াত ব্যৱস্থা আৰু আন্তঃগাঁথনি হ'ল স্মাৰ্ট চিটিৰ প্ৰাণ। পিছে গুৱাহাটী মহানগৰীত যাতায়াত তথা পৰিবহণ ব্যৱস্থা বিশৃংখল আৰু ত্ৰুটিপূৰ্ণ।

গুৱাহাটী মহানগৰীৰ এঠাইৰ পৰা আন ঠাইলৈ যাবলৈ পোনপটীয়া বাছ সেৱাৰ যথেষ্ট অভাৱ। গুৱাহাটী মহানগৰীৰ ভালেমান পথত আজিও চিটিবাছ সেৱা নাই। ফলত মহানগৰবাসীয়ে অট'ৰিক্সা, টেক্সি আদিৰে যাতায়াত কৰিবলগীয়া হয়। বাছসেৱা যিবোৰ পথত নাই তাত অট'ৰিক্সাই সুযোগ চাই উচ্চ ভাড়া দাবী কৰা দেখা যায়। গুৱাহাটী মহানগৰীত সম্প্ৰতি চলি থকা উবেৰ-ওলা আদি টেক্সি সেৱাও নিয়মীয়া নহয় আৰু নিয়মীয়া হ'লেও প্ৰয়োজনৰ সময়ত এইবোৰ টেক্সিসেৱাই মাত্ৰাধিক ভাড়া দাবী কৰা পৰিলক্ষিত হৈছে। কেতবোৰ অঞ্চলৰ মাজত ট্ৰেকাৰ, মেজিক আদি গাড়ী সেৱা আছে যদিও সেইবোৰৰ চলাচলৰ ক্ষেত্ৰত কোনো চৰকাৰী তথা কৰ্তৃপক্ষৰ নিয়ন্ত্ৰণ নথকাত এইবোৰ গাড়ীৰ সেৱা নিশ্চিত নহয়।

সাতগাঁও, গীতানগৰ হৈ জু-নাৰেংগী আদি পথত বাছসেৱা প্ৰৱৰ্তন কৰিব বুলি চৰকাৰে কাহানিবাই ঘোষণা কৰিছিল যদিও আজিলৈকে এই পথছোৱাত চিটিবাছ সেৱা আৰম্ভ নহ'ল। গুৱাহাটীৰ এনে বহু অঞ্চল আছে য'ত চিটিবাছ সেৱা এতিয়াও নাই। মহানগৰীখনৰ কেউদিশে সম্প্ৰসাৰণ হৈছে যদিও পৰিবহণ ব্যৱস্থা অতি শোচনীয় হৈয়ে আছে। স্মাৰ্ট চিটি গুৱাহাটীত চিটি বাছ, মিনি বাছ আৰু টেক্সিসেৱাত বাদে আন পৰিবহণৰ ব্যৱস্থা নাই। গুৱাহাটী মহানগৰীত মেট্ৰ'ৰেল এতিয়াও সপোন হৈয়েই আছে। সম্প্ৰতি চৰকাৰে গুৱাহাটীৰ জি এছ ৰোডকে ধৰি কে'বাটাও স্থানত কাৰিকৰী দিশবোৰ বিবেচনা নকৰাকৈয়ে কেইখনমান পদসেতু নিৰ্মাণ কৰাৰ পাছত জি এছ ৰোড দিনটোৰ আটাইতকৈ ব্যস্ত সময়ত যান-জঁটৰ কেন্দ্ৰবিন্দুত পৰিণত হোৱা দেখা গৈছে। দুয়োফালে মূল ৰাস্তাৰ একোটালৈ লেন দখল কৰি পদসেতু নিৰ্মাণ কৰাৰ ফলত ৰাইজৰ সুবিধা হওক চাৰি অসুবিধাহে বাঢ়িছে। আনহাতে, কোটি কোটি টকা ব্যয় কৰি নিৰ্মাণ কৰা এইবোৰ পদসেতুৱে পথচাৰীৰ প্ৰয়োজনীয়তা কিমান পূৰণ কৰিব তাকে লৈও প্ৰশ্ন উত্থাপিত হৈছে।

একেদৰেই আঁসোৱাহযুক্ত কাৰিকৰী পদ্ধতিৰে গুৱাহাটীৰ গণেশগুৰিত থকা উৰণীয়া সেতুখনক চিৰিয়াখানা পথ অথবা ৰাধাগোবিন্দ বৰুৱা পথৰ স'তে সংযোজন কৰাৰ পাছতো এই উৰণীয়া সেতুৰ ওপৰত যান-জঁট নিয়মীয়া হৈ পৰিছে। গুৱাহাটী স্মাৰ্ট চিটিৰ অন্যতম বিড়ম্বনা এয়ে যে এইখন মহানগৰীত জাবৰ-জোঁথৰ আঁতৰোৱা, ৰাস্তা-ঘাট মেৰামতি, মাটিৰ তলত বিজুলী আৰু অন্যান্য কেবল বহুওৱাৰ কাম দিনৰ ব্যস্ত সময়ত কৰাৰ ফলত মহানগৰীত তীব্ৰ যান-জঁটৰ সৃষ্টি হয়। ইফালে ৰাজহুৱা পৰিবহণৰ অভাৱৰ বাবেই আজিকালি নিম্ন মধ্যবিত্ত লোকসকলেও নিজাকৈ গাড়ী মটৰ আদি চাৰিচকীয়া তথা দুচকীয়া বাহন ক্ৰয় কৰে। আজিকালি গাড়ী মটৰ, মটৰ চাইকেল আদি কিনিবলৈ বেংকে সহজ কিস্তিত ঋণ দিয়াৰ বাবে সকলোৱে এনে ধৰণৰ নিজা বাহন কিনিবলৈ লৈছে। ফলত মহানগৰীৰ ৰাজপথত গাড়ী মটৰ-স্কুটাৰ আদিৰ পৰিমাণ বৃহৎ পৰিমাণে বাঢ়ি যাবলৈ ধৰিছে। গতিকে এনে অৱস্থাত এহাতে যান-জঁট বাঢ়িছে, আনহাতে দুৰ্ঘটনা আৰু প্ৰদূষণো বৃদ্ধি পাবলৈ ধৰিছে।

গুৱাহাটীক সুন্দৰ কৰি তুলিবলৈ হ'লে চৰকাৰে পোনতে ৰাজহুৱা পৰিবহণ ব্যৱস্থা উন্নত কৰিব লাগিব আৰু বিশ্বৰ উন্নত মহানগৰীৰ আৰ্হি অনুসৰণ কৰি ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

## খো লা ম ঞ্চ

# নতুন বছৰত আপুনি কেনেকুৱা এখন অসম বিচাৰে?



**মাৰাত্মক** কৰ'না ভাইৰাছৰ বিষাক্ত জীৱাণুৱে বিভীষিকাৰ সৃষ্টি কৰা ২০২০ বৰ্ষটো অসমবাসীৰ বাবে আছিল এক অভিশপ্ত বৰ্ষ। সমগ্ৰ বিশ্বতে কৰ'না ভাইৰাছৰ মহাসংক্ৰমণে কিদৰে আতংকময় তথা ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰিলে তাক আৰু নতুনকৈ কোৱাৰ প্ৰয়োজন নাই। তথাপি আমি আশাবাদী। আশা-আকাংক্ষাৰ বাবেই মানুহ জীয়াই থকাৰ সপোন দেখে। আমি ভাবো নতুন বছৰে নিশ্চিতভাৱে কঢ়িয়াই আনিব মানৱ জীৱনলৈ সুখ আৰু শান্তিৰ সঁফুৰা। সময়ৰ গতিশীলতাই কেতিয়াবা কেতিয়াবা মানুহৰ জীৱনলৈ বিপৰ্যয়ৰ আকস্মিক বাৰ্তা লৈ আহে। তেনেকুৱা অশুভ পৰিস্থিতিত আমি নিৰাশ অথবা হতাশ নহৈ ইয়াক প্ৰাত্যহিক জীৱনৰ এক অংশ হিচাপে লৈ যোগাত্মক চিন্তাধাৰাৰে সাহসেৰে সকলো আপদ-বিপদ তথা বিপৰ্যয়ৰ লগত মোকাবিলা কৰাৰ দৃঢ় পদক্ষেপ লোৱাটোহে বুদ্ধিমানৰ কাম। পুৰণি বৰ্ষৰ সকলো দুখ-দৈন্য, অৱসাদ আঁতৰাই নতুন বছৰত নৱচেতনা আৰু নৱ প্ৰেৰণাৰে আমাৰ জীৱনটো নতুনকৈ সজোৱাৰ বাবে প্ৰত্যেকে নিজ নিজ কৰ্মত

**কুলেন বৰ্মন**, *লেখক*


হাতে-কামে লাগিব লাগিব। এখন সুস্থ, সবল সুশৃংখল আৰু সমৃদ্ধিশালী অসম গঢ়িবলৈ হ'লে আমি সকলোৱে ভেদা-ভেদ পাহৰি একত্ৰিত হৈ ইজনে-সিজনৰ হাতত হাত ধৰি মিলা-প্ৰীতিৰে নিজৰ মন-মগজুত কৰ্মসংস্কৃতিৰ প্ৰৱণতা জগাই তুলিবলৈ দৃঢ় সংকল্প ল'ব লাগিব। সকলো সময়তে আন্দোলন, প্ৰতিবাদ তথা বিদ্ৰোহে মানুহৰ সজ চিন্তা-ভাৱনাত আউল লগাই দিয়ে আৰু উন্নতিও ব্যাহত হয়। অসমত ধাৰাবাহিকভাৱে চলি থকা আন্দোলনৰ কাৰ্যসূচীয়ে ধনে ধানে উভৈনদী হৈ থকা শস্য-শ্যামলা অসমক এখন দেউলীয়া ভিক্ষাৰীৰ ৰাজ্যলৈ অৱনমিত কৰিলে। গতিকে অতীতৰ শিক্ষা লৈ সময় থাকোতেই কৰ'নাই বিধ্বস্ত কৰা দেশৰ অৰ্থনীতিৰ উন্নয়ন সাধিবলৈ হ'লে অসমীয়া জাতিয়ে, অসমীয়া সকলে ধ্বংসমুখী মানসিকতা সলনি কৰি কৰ্মসংস্কৃতিৰ আন্দোলনত প্ৰাধান্য দিয়ক। এখন সুন্দৰ আৰু মননশীল সমাজ তথা দেশ গঢ়ি তুলিবলৈ হ'লে আমি দেশৰ প্ৰত্যেকজন মানুহে সৃষ্টিশীলতাৰে কাম কৰিব লাগিব। সৃষ্টিশীল মনে এটা জাতিক, এখন সমাজক গতি দিব পাৰে। বৰ্তমান ৰাজ্যখনত বিৰাজ কৰি থকা অস্থিৰ আৰু চূড়ান্ত উচ্ছৃংখল পৰিৱেশৰ অৱসান হওক আৰু তাৰ পৰিৱৰ্তে ৰাজ্যখনত সকলো সম্প্ৰদায়ৰ লোকৰ মাজত শান্তি-সম্প্ৰীতিৰ বাতাবৰণ গঢ় লৈ উঠে যেন। নৱবৰ্ষত ন সুৰুজৰ প্ৰৱাহিত জ্যোতিৰ পৰশত জিলিকি উঠক মানুহৰ দেহ-মন, যাতে আমি বিগত বছৰত সংঘটিত অপকৰ্ম-অপযশ, কুসংস্কাৰ, হিংসা-বিদ্বেষ, খাম-খিয়ালি, গোষ্ঠী সংঘৰ্ষ আৰু অপ-সংস্কৃতিবোৰ নিৰাময় কৰি নৱবৰ্ষত এখন নতুন অসম গঢ়াত সৰ্বান্তকৰণে আত্মনিয়োগ কৰিব পাৰো। ২০২১ত আমাৰ ৰাজ্যৰ সাধাৰণ নিৰ্বাচন আৰু মাত্ৰ মাজতে দুমাহ। আমি আশা কৰিম যি দলেই ৰাজ্যখনৰ শাসনলৈ নাহক কিয় তেওঁলোকে যেন নিৰ্বাচনৰ পূৰ্বে সৰ্বসাধাৰণ ৰাইজক দিয়া প্ৰতিশ্ৰুতি শ্ল'গানৰ ওপৰতে সীমাবদ্ধ নাৰাখি বাস্তৱায়িত কৰাত গুৰুত্ব প্ৰদান কৰে। অসমৰ নিবনুৱা সমস্যা, বান-গৰাখহনীয়া সমস্যা তথা কৃষক ৰাইজৰ সমস্যাসমূহ সমাধান কৰাৰ ক্ষেত্ৰত চৰকাৰে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰক। তদুপৰি সম্প্ৰতি ৰাজ্যখনৰ হিন্দুস্তান কাগজ কল, ৰঙিয়াৰ পলিয়েষ্টাৰ, যোগীঘোপাৰ অশোক কাগজ কল আৰু নামৰূপৰ সাৰ কাৰখানাকে ধৰি ৰাজ্য চৰকাৰৰ কৰ্তৃত্বত থকা দুকুৰিতকৈ অধিক বন্ধ হৈ থকা উদ্যোগ চৰকাৰে তৎকালে পুনৰ জীৱিত তথা খোলাৰ ব্যৱস্থা কৰক, যাতে ৰাজ্যখনৰ লাখ লাখ নিবনুৱা যুৱক-যুৱতীয়ে কৰ্মসংস্থান বিচাৰি বহিঃৰাজ্যলৈ ঢাপলি মেলিবলগীয়া নহয়। নতুনৰ নতুনত্বই সকলোৰে জীৱনলৈ সুখ, সমৃদ্ধি, যশ, কীৰ্তি, কঢ়িয়াই আনক। সকলোৰে অন্তৰত সজোৰে প্ৰতিধ্বনিত হওক এখন সমৃদ্ধিশালী অসম গঢ়াৰ দৃঢ় সংকল্প।

*ফোন : ৯৪৩৫৩৩৮৪১৯*



# দিশাহীন বাজেট

## বৰ্তমান দেশৰ অৰ্থনীতিৰ মূল সমস্যাই হ'ল মানুহৰ আয় কৰাৰ সুযোগ নাই



**দৃষ্টিপাত**

**অনন্ত কলিতা**

**বিত্তমন্ত্ৰী** নিৰ্মলা সীতাৰমণে যোৱা পহিলা ফেব্ৰুৱাৰীত এন-ডি-এ চৰকাৰৰ নৱমখন বাজেট সংসদত দাখিল কৰিলে। ২০১৬ৰ পৰা দেশৰ অৰ্থনীতিৰ বিকাশ সংকুচিত হৈ আহিছিল। ক'ভিড-১৯এ হলা গছত কুঠাৰ মাৰিছিল। ২০২০-২১ বিত্তীয় বৰ্ষত দেশৰ অৰ্থনীতি অভূতপূৰ্ব মন্দাত নিমজ্জিত হৈছিল। বৰ্তমান ভাৰতৰ অৰ্থনীতিৰ মুখ্য সমস্যা হ'ল বজাৰ চাহিদা তীব্ৰ হাৰত হ্ৰাস পাইছে যি কাৰণে বিনিয়োগো অৰ্থনীতিত ন্যূনতম হৈছিল। এই পটভূমিত বাজেটৰ মুখ্য উদ্দেশ্য হোৱাটো জৰুৰী। জনসাধাৰণৰ হাতত ধন যোৱাৰ ব্যৱস্থা কৰা, তেওঁলোকৰ আয় কৰা সুযোগ সৃষ্টি কৰা, যাতে তেওঁলোকৰ ক্ৰয় ক্ষমতা বৃদ্ধি হয় আৰু সমস্ত উৎপাদিত সামগ্ৰী আৰু সেৱাৰ বজাৰ চাহিদা বৃদ্ধি হয়। সেয়ে হ'লে দেশৰ অৰ্থনীতি পুনৰুজ্জীৱিত হৈ উঠিলেহেঁতেন।

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ২০২১-২২ বিত্তীয় বৰ্ষৰ বাবে মুঠ ৩৪.৮৩ লাখ কোটি টকাৰ বাজেট দাখিল কৰিলে। ২০২০-২১ বিত্তীয় বৰ্ষৰ বাজেটো ৩৪.৫০ লাখ কোটি টকাৰ আছিল। প্ৰকৃততে মুদ্ৰাস্ফীতিৰ হিচাপ কৰিলে ২০২১-২২ বিত্তীয় বৰ্ষৰ ধন ২০২০-২১ বিত্তীয় বৰ্ষতকৈ কমহে হয়। বাজেটখন সম্পূৰ্ণৰূপে সংস্কাৰমুখী বাজেট। প্ৰত্যক্ষভাৱে চৰকাৰী খৰচতকৈ নিৰ্ভৰ কৰা হৈছে ব্যক্তিগত খণ্ডৰ ওপৰত। তদুপৰি অনেক ৰাজহুৱা সম্পত্তি বিক্ৰীৰ প্ৰস্তাৱ ৰাখিছে আৰু বহু আঁচনি ৰূপায়ণেই ব্যক্তিগত খণ্ডক অৰ্পণ কৰিছে। দেশৰ অৰ্থনীতিত বিত্তীয় ঘাটিও তীব্ৰ হাৰত বৃদ্ধি পাবলৈ ধৰিছে, ২০২১-২২ বৰ্ষত ৯.৫ বিত্তীয় পৰিস্থিতিৰ উক্ত পটভূমিত আমি কেইটামান গুৰুত্বপূৰ্ণ খণ্ডৰ পৰ্যালোচনা আগবঢ়ালো। ভাৰতৰ কৃষি খণ্ডই প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে প্ৰায় ৭৫ শতাংশ জনসাধাৰণৰ জীৱন নিৰ্বাহৰ পথ দিয়ে। যোৱা দুমাহ ধৰি লাখ লাখ কৃষকে আন্দোলন কৰি আছে, তিনিখন কৃষি আইন বাতিলৰ দাবীত। বাজেট দাখিলৰ সময়ত প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰিছে দেশৰ আত্মনিৰ্ভৰশীল অৰ্থনীতিৰ অন্তৰত আছে দেশৰ গাঁওবোৰ আৰু কৃষকসকল। কৃষি খণ্ডৰ উন্নতি কৰিবলৈ হ'লে বাজেটৰ এক বুজন অংশ কৃষি আঁচনিত আবণ্টন কৰিব লাগে। দুৰ্ভাগ্যজনক যে কৃষিত আবণ্টন হ্ৰাসহে কৰিছে। ২০২০-২১ বিত্তীয় বৰ্ষত কৃষিত আবণ্টন আছিল ১,৩৪,৩৪৯ কোটি টকা, ২০২১-২২ বৰ্ষৰ বাজেটত হ্ৰাস কৰি আবণ্টন কৰিছে ১,২২,৯৬১ কোটি টকা। চৰকাৰে ঘোষণা কৰিছে ন্যূনতম সহায়ক মূল্য (এম-এছ-পি) উৎপাদন খৰচৰ ওপৰত ৫০ শতাংশ লাভ দি ঠিক কৰিব। আনহাতে, এই শিতানত আবণ্টন হ্ৰাস কৰিছে। তদুপৰি জলসিঞ্চনকে ধৰি কৃষিৰ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে উপযুক্ত ধন নাথাকিব। গ্ৰামীণ ক্ষেত্ৰৰ বাজেট আবণ্টনো অপ্ৰতুল। প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা আৰু প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ আবণ্টন দুই বছৰ ধৰি বৃদ্ধি ঘটা নাই, একেই আছে। কৃষি উন্নয়নৰ বাবে নতুন কোনো প্ৰকল্প লোৱা নাই।

এই বিত্তীয় বৰ্ষত বিত্তমন্ত্ৰী সীতাৰমণে স্বাস্থ্যখণ্ডত ২,২৩,৮৪৬ কোটি আবণ্টন কৰি গৌৰৱেৰে কৈছে যে স্বাস্থ্য শিতানত আবণ্টন যোৱা বছৰৰ তুলনাত ১৩৭ শতাংশ বৃদ্ধি কৰিছে; কিন্তু স্বাস্থ্য শিতানৰ ভিতৰত এনেকুৱা কিছুমান আঁচনি অন্তৰ্ভুক্ত কৰিছে যিবোৰ আন শিতানৰ আৰু আগৰ বছৰবোৰত এইবোৰ আঁচনি স্বস্ব শিতান থাকে, যেনে— খোৱাপানী সৰবৰাহ, চহৰাঞ্চলৰ আৱৰ্জনা নিষ্কাসন, বায়ুদূষণ হ্ৰাস কৰণ ইত্যাদি। এইবোৰ আঁচনিৰ ৫০ হেজাৰ কোটি টকা স্বাস্থ্য আঁচনিত সোমাই দিছে। আশাকৰ্মী অংগনৱাড়ী কৰ্মী আৰু সহায়িকাৰ (আই-চি-ডি-এছ আঁচনি) আঁচনিৰ ধন ৩০ শতাংশ কৰ্তন কৰিছে। যোৱা বছৰত আবণ্টন আছিল ২৮,৫৫৭.৩৮ কোটি টকা। এই বছৰত ৮,৪৫২.৩৮ কোটি কমাই ২০,১০৫ কোটি আবণ্টন দিছে। ক'ভিড প্ৰতিষেধকৰ বাবেও ৩৫,০০০ কোটিৰ আবণ্টন ২,৮৩,৮৪৫ কোটি টকাৰ ভিতৰত আছে। কোভিড ভেক্‌চিনৰ লগত জড়িত বিশেষজ্ঞসকলে কৈছে যে এই প্ৰতিষেধকৰ বাবে অতি কমেও ৫২,০০০ কোটি টকা লাগিব। উক্ত স্বাস্থ্যখণ্ডৰ আবণ্টনৰ ভিতৰত অন্তৰ্ভুক্ত কৰিছে 'পি-এম আত্মনিৰ্ভৰ স্বাস্থ্য ভাৰত যোজনা' এখন নতুন আঁচনি ৬৪,১৮০ কোটি টকাৰ। এই আঁচনিখন অকল ২০২১-২২ বৰ্ষৰ বাবে নহয় অহা ছয় বছৰৰ বাবেহে, অৰ্থাৎ এই বৰ্ষৰ অংশ হ'ল ১০,৬৯৬ কোটি টকা। ২০২০-২১ বিত্তীয় বৰ্ষত স্বাস্থ্য আৰু পৰিয়াল কল্যাণত মুঠ খৰচ হৈছিল ৭৮,৮৬৬ কোটি টকা, ২০২১-২২ বৰ্ষত আবণ্টন কৰিছে ৭১,২৬৮.৭৭ কোটি; স্বাস্থ্যখণ্ডত ১৩৭ শতাংশ আবণ্টনৰ ৰহস্যটো হ'ল উক্ত ধৰণৰ।

প্ৰধানমন্ত্ৰীয়ে নতুন শিক্ষা নীতি তথা শিক্ষা প্ৰসাৰৰ কথা কৈছে, কিন্তু এই বছৰত শিক্ষা শিতানত আবণ্টন হ্ৰাস কৰিছে। শিক্ষা শিতানত ২০২০-২১ বিত্তীয় বৰ্ষত ৯৯,৩১২ কোটি টকা আছিল। এই বছৰত শিক্ষা শিতানত আবণ্টন কৰিছে ৯৩,২২৪ কোটি টকা। ছয় শতাংশ কমাই দিছে। ১০০খন সৈনিক স্কুলৰ কথা কোৱা হৈছে, সেইটো এক 'জুমলা'। প্ৰকৃততে এই স্কুলবোৰ বেচৰকাৰী হ'ব।

বৰ্তমান দেশৰ অৰ্থনীৰি মূল সমস্যাই হ'ল মানুহৰ আয় কৰাৰ সুযোগ নাই। কোটি কোটি লোক কৰ্মহীন, যি কাৰণে অধিক সংখ্যক লোকৰে ক্ৰয় ক্ষমতা নাই পৰিণতিত দেশৰ উৎপাদিত সামগ্ৰী সেৱা আদিৰ বজাৰ চাহিদা তীব্ৰ আকাৰত হ্ৰাস পাইছে। মহাত্মা গান্ধী জাতীয় গ্ৰামীণ কৰ্মসংস্থান নিশ্চয়তা আঁচনিৰ দ্বাৰা অন্ততঃ নিম্ন মজুৰিত বহু কোটি লোকক বছৰত ১০০ দিনৰ কৰ্মসংস্থান দিব পাৰিছিল। ২০২০-২১ বিত্তীয় বছৰত এই এম-জি-এন-আৰ-ই-জিএ আঁচনিত খৰচ কৰিছিল ১,১১,৫০০ কোটি টকা; কিন্তু পৰিতাপৰ কথা যে এই বছৰৰ বাজেটত এই আবণ্টন হ্ৰাস কৰিছে ৭৩,০০০ কোটি টকালৈ। বিত্তমন্ত্ৰীয়ে বাজেটত কৈছে যে কৰ্মসংস্থাপনৰ কাৰণে যুৱক-যুৱতীসকলক আৰু অধিক দক্ষ কৰাৰ প্ৰয়োজন; কিন্তু পুনৰাই তেওঁ স্ববিৰোধিতা কৰিছে দক্ষতা উন্নয়ন সংশ্লিষ্ট প্ৰকল্পত আবণ্টন যোৱা বছৰত আছিল ৫,৩৭২ কোটি টকা। এই বছৰৰ বাজেটত হ্ৰাস কৰি আবণ্টন কৰিছে ৩,৪৮২ কোটি টকা। খাদ্য শিতানত ৰাজ-সাহায্য ২০২০-২১ বৰ্ষত আছিল ৩,৪৪,০৭৭ কোটি টকা এই বছৰত হ্ৰাস কৰি আবণ্টন কৰিছে ২,০২,৬১৬ কোটি টকা। ঠিক সেইদৰে সামগ্ৰিকভাৱে কৃষিৰ আবণ্টন যোৱা বছৰত (২০২০-২১) আছিল ১,৫৪,৭৭৫ কোটি টকা, এই বছৰত হ্ৰাস কৰি আবণ্টন কৰিছে ১,৪৮,৩০০ কোটি টকা।

দেশ বিদেশৰ বিখ্যাত অৰ্থনীতিবিদসকলে বাৰম্বাৰ পৰামৰ্শ দিছিল ভাৰতৰ অৰ্থনীতি এনেকুৱা এক জটিল পৰিস্থিতিত অৰ্থনীতিক জীয়াই তুলিবলৈ হ'লে যিধৰণেই হওক দেশৰ নাগৰিকৰ হাতত ধন যোৱাৰ ব্যৱস্থা কৰক, যাতে তেওঁলোকে পণ্য-পৰিসেৱা ক্ৰয় কৰিব পাৰে আৰু বজাৰত সেইসমূহৰ চাহিদা বঢ়াব পাৰে। অৰ্থাৎ অৰ্থনীতিৰ গতি ঘূৰাই অনাৰ গৃহীত পদক্ষেপৰ কেন্দ্ৰবিন্দুত থাকিব লাগিব সাধাৰণ মানুহবোৰ। বিশেষকৈ মহামাৰীৰ আৰু অৰ্থনীতিৰ বিপৰ্যয়ৰ ফলত বহু কোটি পৰিয়াল কৰ্মহাৰা, খাদ্যহাৰা, সম্পদহাৰা নিঃস্ব হৈ গৈছে। সেয়ে সামাজিক শিতানত তথা কৰ্মসংস্থান সৃষ্টিৰ শিতানবোৰত চৰকাৰী আবণ্টন বৃদ্ধি কৰি বিপন্ন লোকসকলৰ পাছত থিয় হোৱাটো অতি জৰুৰী আছিল চৰকাৰৰ। ইয়াৰ বাবে বিত্তীয় ঘাটি বৃদ্ধি হ'লেও সমস্যা নহ'লহেঁতেন। অৰ্থনীতি মূৰ দাঙি উঠিলে ঘাটিৰ মোকাবিলা কৰিব পৰা গ'লহেঁতেন। ধনকুবেৰসকলৰ আয়ৰ ওপৰত অধিক কৰ বহুৱাইয়ো সম্পদ আহৰণ কৰিব পাৰিলেহেঁতেন। বিপৰীতে বিভিন্ন আঁচনিৰ দ্বাৰা ধনকুবেৰসকলক সকাহ দিছে, ৰাজসাহায্য দিছেহে।

চৰকাৰে অৰ্থনীতি পুনৰুজ্জীৱিত হোৱাৰ কাৰ্যসূচীবোৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰা নাই। বৰং বাজেটৰ মুঠ ধন হ্ৰাসহে হৈছে। মুদ্ৰাস্ফীতিৰে হিচাপ কৰিলে বাজেটৰ মুঠ ধন যোৱা বছৰতকৈ কম। আনফালে চৰকাৰখনে অত্মনিৰ্ভৰশীল অৰ্থনীতিৰ শ্ল'গান দি জাতীয় সম্পদবোৰ দেশী-বিদেশী কৰ্প'ৰেটৰ হাতত তুলি দিয়াৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। ১.৭৫ লাখ কোটি টকা বিনিয়োজনৰ কাৰ্যসূচী লৈছে। ৰাজহুৱা খণ্ডৰ দুটা বেংক, জীৱন বীমা নিগম, বন্দৰ, বিমানবন্দৰ, জাতীয় পথ, ৰে'লৱে, গেছ, তেল, পাইপলাইন, বিদ্যুৎ, কয়লাখনি সকলো বিক্ৰী কৰি দিব দেশী-বিদেশী পুঁজিপতিৰ ওচৰত। ছটা স্তম্ভৰ ওপৰত থিয় কৰাই বাজেটখনে দেশৰ সম্পদ দেশী-বিদেশী পুঁজিপতিক অৰ্পণ কৰি আত্মনিৰ্ভৰ অৰ্থনীতি গঢ়ি তোলাৰ ঘোষণা কৰিছে। এই ধৰণৰ অৰ্থনৈতিক নীতিৰ পৰিণতিত দেশৰ সমস্ত অৰ্থনীতিৰ পৰিচালনাৰ অধিকাৰ তথা মালিকানা দেশী-বিদেশী পুঁজিপতিৰ হাতলৈ গুচি যাব আৰু দেশৰ জনগণ নিশকতীয়া হৈ পৰিব।

অসমত নিৰ্বাচন আহিছে, গতিকে কৈছে অহা তিনি বছৰৰ ভিতৰত ১৩০০ কিলোমিটাৰ ৰাষ্ট্ৰীয় পথ নিৰ্মাণ কৰিব। ৰেলৰ সেৱাৰ উন্নয়নৰ বাবে একো কোৱা নাই। ৰেলৰ দ্বৈত লাইন নিৰ্মাণৰো একো উল্লেখ নাই। নতুন ৰেলৱে লাইন নিৰ্মাণ ঘোষণাত অসমৰ নাম নাই। বান-গৰাখহনীয়া নিয়ন্ত্ৰণৰো বিশেষ ঘোষণা নাই। অহা তিনি বছৰত সাতখন মেগা টে'টাইল পাৰ্ক খুলিব। অসমক অন্তৰ্ভুক্ত কৰে নে নাই ঘোষণা নাই। অতি সম্প্ৰতি নিৰ্বাচন অনুষ্ঠিত হ'বলগা ৰাজ্যকেইখনত ৰাষ্ট্ৰীয় পথ নিৰ্মাণৰ ঘোষণা কৰিছে।

*(লেখক ষ্টেট বেংক অৱ ইণ্ডিয়াৰ কেন্দ্ৰীয় ব'ৰ্ডৰ প্ৰাক্তন সঞ্চালক।) ফোন : ৯৪৩৫০৪১২০৩*

# সংবাদ মাধ্যমেই সন্দেহৰ আৱৰ্তত

**অভিমত**

**'দৈনিক অগ্ৰদূত'**ত প্ৰকাশিত 'সোমবাৰৰ কলম' শিতানত কনকসেন ডেকাই লিখা 'সংবাদ মাধ্যমেই সন্দেহৰ আৱৰ্তত' শীৰ্ষক লিখনিটোৱে মোৰ হৃদয় স্পৰ্শ কৰিছে। এই লিখনিটোৱে বৰ্তমানৰ সংবাদ জগতৰ এখন বাস্তৱ চিত্ৰ অংকন কৰিছে।

সত্যনিষ্ঠ, নিৰপেক্ষ আৰু সমাজৰ মংগলকাৰক বাতৰি পৰিৱেশন কৰি সমাজত ঘটি থকা ঘটনাবোৰৰ ভুলবোৰ আঙুলিয়াই সমাজখন সংস্কাৰমুক্ত কৰাই বাতৰি কাকতৰ মূল উদ্দেশ্য। কিন্তু সংকীৰ্ণতাবাদী, স্বাৰ্থান্বেষী, দুষ্ট ভাৱনাসম্পন্ন ৰাজনৈতিক নেতা, দালাল, চেকগেট, ছিণ্ডিকেট মহলৰ হাতোৰাত বন্দী হৈ অসত্যক সত্য সাজি, প্ৰকৃত সত্য লুকাই ৰাখি, নিৰপেক্ষতাৰ পৰিৱৰ্তে কোনোবা পক্ষৰ স্বাৰ্থত সংবাদ পৰিৱেশন কৰি সমাজ সংস্কাৰৰ পৰিৱৰ্তে সমাজ বিৰোধী চক্ৰক উদগনি দিয়া পৰিলক্ষিত হৈছে। ফলত বাতৰি পঢ়ি সত্য, অসত্যৰ বিচাৰ কৰোতে পাঠকসকল দোমোজাত পৰিব লগা হৈছে।

বক্ৰপথেৰে ধন ঘটি, সমাজসেৱাৰ ভাও দি, বগলীভকতৰ মুখা পিন্ধি বাতৰি কাকতৰ স্বত্বাধিকাৰীৰ আসন অলংকৃত কৰি নিজকে সৰ্বময়কৰ্তা হিচাপে প্ৰতিষ্ঠা কৰিব বিচাৰে। সমাজৰ সমাদৃত, আগশাৰীৰ উজ্জ্বল ভাৱমূৰ্তিৰ বুদ্ধিজীৱীক টকাৰ মোহত বন্দী কৰি মুখ্য সম্পাদকৰ আসনত বহুৱাই নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে নিজৰ খেয়ালখুচি মতে বাতৰি পৰিৱেশন কৰি নিজক ধোৱা তুলসীৰ পাত সজাবলৈ প্ৰয়াস কৰে।

কেইটামান টেলিভিছন চেনেলে পুৱাৰ পৰা সন্ধিয়ালৈ কেইজনমান বছা বছা মন্ত্ৰী-বিধায়কৰ গুণানুকীৰ্তন কৰি জনমানসত দক্ষতাৰ নিৰ্দৰ্শন দাঙি ধৰিব বিচাৰে। আন কেইটামান চেনেলে তাৰ বিপৰীত ছবি দাঙি ধৰে। ফলত কোন সঁচা, কোন মিছা বিচাৰ কৰিবলৈ টান হয়। সত্য নিষ্ঠ আৰু নিৰপেক্ষ বাতৰি পৰিৱেশন কৰিলে আৰু শ্ৰোতা উপকৃত হ'ব। সমাজৰ অমংগল হ'ব পৰা বাতৰি পৰিৱেশন কৰাৰ পৰা সংবাদ মাধ্যম আঁতৰি থকাতো উচিত। নহ'লে হিতেই বিপৰীত হ'ব।

'পাঠকৰ মতামত' শিতান এটা বাতৰি কাকতত থাকিব লাগে। বাতৰি কাকতৰ প্ৰচলন, প্ৰসাৰণ নিৰ্ভৰ কৰে পাঠকৰ চাহিদাৰ ওপৰত। গতিকে ভাল— বেয়াৰ বিচাৰ পাঠকৰ হাতত।

লেখকক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। এনে ধৰণৰ গঠনমূলক লেখা ভৱিষ্যতেও আশা কৰিছো আৰু তেওঁৰ দীৰ্ঘায়ু কামনা কৰিছো।

**জ্যোতিষ চন্দ্ৰ দত্ত**
হাতীগাঁও, গুৱাহাটী, *ফোন : ৯৮৫৪০৪১৮১৫*

# সপোন মধুৰ, বাস্তৱ গধুৰ

**শিৰোনামৰ** বাক্যটো সিদিনা দূৰদৰ্শনত অসমীয়া চেনেল এটাৰ কথোপকথনত ৰাজনৈতিক দল এটাৰ (দলটো মনত নাই) কাৰ্যকৰ্তা এজনে কোৱা শুনিলো— তেওঁলোকৰ সপোন, সপোন হৈয়েই থাকিব, বাস্তৱ কেতিয়াও নহয়। এতিয়া নিৰ্বাচনী বতৰ। বিভিন্ন দলৰ ১২৬খন আসনৰ ভিতৰত কোনে কিমান পাব; তাৰ হিচাপ-নিকাচ চলি আছে। বিজেপিৰ মিত্ৰগোটে কৈছে ১০০ প্লাছত জয়ী হৈ চৰকাৰ পুনৰ গঠন কৰিব। কংগ্ৰেছ দলৰ জোঁটবন্ধনে কৈছে প্ৰায় ৮০খন আসনত জয়ী হৈ এইবাৰ ২০২১ৰ নিৰ্বাচনত তেওঁলোকৰ নেতৃত্বত চৰকাৰ গঠন হ'ব। নতুন দল, অসম জাতীয় দল আৰু ৰাইজৰ দলেও আজিৰ তাৰিখলৈকে সুকীয়া সুকীয়াভাৱে চৰকাৰ গঠন কৰিব বুলি আশা কৰিছে।

আমাৰ অনুভৱ যদি এয়াই হয় চৰকাৰ কোনে কৰিব ধুঁৱলি-কুঁৱলি হৈ আছে। সেই কাৰণেই নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। অংক জটিল। সেই কাৰণেই আমি 'সপোন মধুৰ, বাস্তৱ গধুৰ' এই শিৰোনামত কিছু চিন্তা প্ৰকট কৰিব বিচাৰো। এই চিন্তাৰ অন্তঃপ্ৰকাশ অনুমানৰ আধাৰত লোৱা হৈছে। ইও এক সপোন। ওলোমা চৰকাৰৰ সম্ভাৱনা একেবাৰেই নাকচ কৰিব নোৱাৰি। তেতিয়া যিকোনো দলৰে বিধায়কৰ গুৰুত্ব বাঢ়িব।

ৰাইজ বিমোৰত পৰিছে। লগে লগে ভোটাৰ ৰাইজেও সপোন দেখিবলৈ আৰম্ভ কৰিছে।

কোনেও আকৌ চৰকাৰ পোৱাৰ আশা কৰিলেও উপযুক্ত প্ৰাৰ্থীজনক জিকোৱাৰ চিন্তা কৰিছে। কোনো ভোটাৰে অতীতক সুঁৱৰিবলৈ লৈছে। কোনোবা ভোটাৰে অসমৰ কলা-সংস্কৃতিৰ কথা ভাবিছে। লগে লগে কৰ্মসংস্কৃতিৰ কথাও নভবা নহয়। কোনোবা ভোটাৰে শংকৰ-আজানৰ দেশত শান্তি-সম্প্ৰীতিৰ কথা ভাবিছে। কোনোবা ভোটাৰে এনেকৈয়ো কৈছে— মানুহ মৰণশীল, জীয়াই থাকোতে সকলোৰে লগত মিলিজুলি থকাটোৱেই মংগল।

সপোন এই শব্দটোক কেন্দ্ৰ কৰিয়েই ওপৰৰ কথাখিনি অলপ বিশ্লেষণ কৰা হ'ল। বাৰে বাৰে সপোন সপোন বুলি কৈ থাকোতেই মনত পৰি গ'ল ড° আব্দুল কালামৰ কথা। কালাম যেতিয়া ভাৰতৰ ৰাষ্ট্ৰপতি হৈছিল, তেতিয়া তেওঁ পাঁচ বছৰীয়া কাৰ্যকালত দেশৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক সম্বোধন কৰি কৈছিল— 'তোমালোকে সপোন দেখিবলৈ শিকা।' বাৰে বাৰে তেওঁ সপোনৰ কথাখিনি কৈ কৈ ছাত্ৰ সমাজৰ লগতে জনসাধাৰণক হয়তো ক'ব বিচাৰিছিল জনসাধৰণে 'ৰাম ৰাজ্য' আৰু 'মহাত্মা গান্ধীৰ সপোনৰ দেশ'খন পাবলৈ হ'লে মানৱতাবোধ আৰু ভ্ৰাতৃত্ববোধৰ মানসিকতা অতিকৈ প্ৰয়োজন। আজিৰ ছাত্ৰ সমাজ, কালিলৈ ভোটাৰ নাগৰিক।

লেখাটোৰ শেষৰ অনুভৱ প্ৰকাশ এনেকৈ ক'ৰো যে গণতান্ত্ৰিক অসমৰ আহি থকা নিৰ্বাচন সুকলমে পাৰ হওক আৰু যি দলৰেই চৰকাৰ নহওক কিয়, আমি অসমবাসী শান্তি আৰু মিলাপ্ৰীতিৰে জীয়াই থাকিব পাৰো। নিৰ্বাচনত জয়-পৰাজয় অৱধাৰিত।

**আবুল হুছেইন**
চলচলি, নগাঁও
*ফোন : ৯৯৫৪৩-১৫১৬০*

# কৃতজ্ঞতা প্ৰকাশেই সৌজন্যতাৰ মাপকাঠি

**সুৰেন্দ্ৰ মোহন নাথ**

**একোটা** শব্দই মানুহৰ মনৰ ওপৰত গভীৰভাৱে ৰেখাপাত কৰে। কৃতজ্ঞতা শব্দটোও সকলোৰে পৰিচিত শব্দ। কৃতজ্ঞতা শব্দটোৰ সাধাৰণ অৰ্থ হ'ল উপকাৰীৰ উপকাৰ স্বীকাৰ, শলাগ লোৱা, উপকাৰ স্মৰণ অথবা গুণ স্বীকাৰ। আকৌ উপকাৰী লোক বুলিলে সেইসকলক বুজোৱা হয় যিসকলে অন্তঃকৰণেৰে আনৰ হিতাৰ্থে আৰু কল্যাণাৰ্থে সহায়ৰ হাত আগবঢ়ায় অথবা নিঃসহায়জনৰ প্ৰতি দয়াশীল হয়। আনৰ মংগলাৰ্থে আৰু শুভ কামনাৰে যিসকলে স্বইচ্ছাই আগবাঢ়ি যায় প্ৰকৃতাৰ্থত তেনে লোকেই উপকাৰীলোক। সংবেদনশীল তেনে ব্যক্তিৰ উপকাৰ স্বীকাৰ কৰি কৃতজ্ঞ হোৱাটো মানুহৰ প্ৰবৃত্তি বুলিয়েই ক'ব পাৰি। কৃতজ্ঞতা জ্ঞাপন একোগৰাকী ব্যক্তিৰ উন্নত মানসিকতাৰ উৎকৃষ্ট নিদৰ্শন। এনে প্ৰৱণতাই ব্যক্তিৰ জীৱন অধিক আলোকিত কৰি তোলে।

মানৱ সভ্যতা-সংস্কৃতিৰ ইতিহাস সংগ্ৰাম, সংঘাত আৰু অভিজ্ঞতাৰ দীঘলীয়া ইতিহাস। সেই সংগ্ৰাম আৰু সংঘাতৰ অভিজ্ঞতাৰ পৰা মানৱ সমাজ নানা ধৰণৰ শিক্ষা লাভ কৰিবলৈ সক্ষম হৈছে। অভিজ্ঞতাই মানুহক জ্ঞানী কৰে। জ্ঞান জীৱনৰ পাথেয় হ'লে জীৱন সুন্দৰ হয়। অভিজ্ঞতাই মানুহৰ মনত ধ্যান-ধাৰণাৰ সৃষ্টি কৰে। ইয়াৰ প্ৰভাৱ পৰে আচৰণত, কৰ্ম কাণ্ডত, পাৰস্পৰিক আদান-প্ৰদান আৰু জীৱনশৈলীত। মানৱ সভ্যতা-সংস্কৃতিৰ আজিৰ যি নৱৰূপ, সিয়ো এনে অজস্ৰ অভিজ্ঞতাৰ ফলশ্ৰুতি। কৃতজ্ঞতা প্ৰকাশ কৰাও এক সদাচৰণ, এক সংস্কৃতি।

আদান-প্ৰদান অৰ্থাৎ বিনিময়ৰ ফলত পৰস্পৰৰ মাজত সহমৰ্মিতাৰ উদয় হয়। সহমৰ্মিতাই জীৱনক ইতিবাচক দৃষ্টিভংগীৰে গ্ৰহণ কৰাত প্ৰভুত্ত পৰিমাণে সহায় কৰে। সাধাৰণতে মানুহ ঘাইকৈ আৱেগ-অনুভূতিৰ দ্বাৰা পৰিচালিত হয় আৰু চিন্তা-চেতনাক সজাগ কৰি তোলে বিবেকে; কিন্তু জীৱনক উজ্জীৱিত কৰিব পৰা মহৎ গুণৰাজিয়েহে মানুহৰ হৃদয় সমৃদ্ধ কৰি তুলিব পাৰে। সেই গুণৰাজিৰ ভিতৰত কৃতজ্ঞতাও অন্য এক মহৎ গুণ। যিকোনো প্ৰতিকূল আৰু বিপদসংকুল পৰিস্থিতিত সহায় প্ৰদান কৰা ব্যক্তিক সৰ্বান্তকৰণেৰে শ্ৰদ্ধাজ্ঞাপন কৰা কাৰ্যও কৃতজ্ঞতাই।

উপকাৰৰ লগত সততাৰ সম্বন্ধ অতি নিবিড়। মুক্ত মন আৰু মুক্ত হৃদয়ৰে আগবঢ়োৱা সহায়হে প্ৰকৃতাৰ্থত পৰোপকাৰ। পৰোপকাৰে উপকৃত কৰা ব্যক্তিজনতকৈ উপকাৰীজনকহে অধিক আহ্লাদিত কৰে আৰু মনত প্ৰশান্তি লাভ কৰে। মানসিক প্ৰশান্তিতকৈ শ্ৰেষ্ঠ অপাৰ্থিৱ সম্পদ মানুহৰ বাবে আৰু একো থাকিব নোৱাৰে। এয়াই মাটিৰ মানুহৰ কাৰণে স্বৰ্গীয় আনন্দ। হৃদয় উদাৰ আৰু বিশাল নহ'লে কোনো ব্যক্তিয়ে আনৰ হিত সাধনৰ কথা ভাবিব নোৱাৰে। আনৰ প্ৰতি থকা দায়বদ্ধতাক হৃদয়বান ব্যক্তিয়েহে স্বধৰ্মৰূপে গণ্য কৰে। নিজ ধৰ্ম পালন কৰি অৰ্থাৎ পৰোপকাৰ লাভ কৰা সন্তুষ্টি তেওঁলোকৰ বাবে তুলনাবিহীন।

ধন-ঐশ্বৰ্যৰ বিনিময়তকৈ ভাবানুভূতিৰ বিনিময়েহে মানুহৰ হৃদয় ওচৰ চপাই নিয়ে। ইয়াত জন্ম হয় আত্মীয়তাবোধ। জীৱনৰ বাবে ই অমূল্য সম্পদ। কৃতজ্ঞতাই এনে আত্মিক সম্পৰ্কৰ গাঢ়তা বৃদ্ধি কৰে। হৃদয় আৰু বিবেকৰ নিৰ্দেশত যিকোনো প্ৰকাৰৰ সহায় আগবঢ়োৱা ব্যক্তিয়ে বিনিময়ত কোনো প্ৰতিদান নিবিচাৰে। দান আৰু ঋণ কেতিয়াও একো হ'ব নোৱাৰে। দান দিয়া মানুহে কোনো প্ৰতিদান নিবিচাৰে। কাৰণ প্ৰতিদান বিচাৰিলে দানৰ মহত্ত্ব তেনেই লোপ পায়। ঋণ পৰিশোধে ঋণীৰ দুঃচিন্তা দূৰ কৰে, কিন্তু কৃতজ্ঞতাই উপকাৰ কৰা আৰু উপকৃত হোৱা দুয়োৰে মনৰ মিলন ঘটায়। লগতে কৃতজ্ঞতা জ্ঞাপনত লাভ কৰা মানসিক আৰু আত্মিক পৰিতুষ্টিয়ে দুয়োৰে মন-প্ৰাণত শান্তি বিলায়।

> হৃদয় উদাৰ আৰু বিশাল নহ'লে কোনো ব্যক্তিয়ে আনৰ হিত সাধনৰ কথা ভাবিব নোৱাৰে। আনৰ প্ৰতি থকা দায়বদ্ধতাক হৃদয়বান ব্যক্তিয়েহে স্বধৰ্মৰূপে গণ্য কৰে।

উপকাৰৰ দৰে মহৎ কৰ্মৰ বদান্যতাক স্মৰণ কৰাটো নিশ্চিতভাৱে ধৰ্ম। কোনো লোকৰ উপকাৰক মনৰ গোপন মণিকোঠত বিস্মৃতিৰ গৰ্ভত হেৰাই যাবলৈ নিদিয়াটোৱেই সৰ্বোত্তম কৃতজ্ঞতা। ধন-সম্পদেৰে ঐশ্বৰ্যশালী হ'ব নোৱাৰিলেও মনক ঐশ্বৰ্যশালী কৰি ৰাখিব পৰা মানসিক শক্তি জীৱশ্ৰেষ্ঠ মানুহৰ নিশ্চয় আছে। মানৱীয় গুণৰাজিৰ অধিকাৰী হ'ব পৰা মানুহৰ মন-প্ৰাণ সদায় স্বৰ্গীয় জ্যোতিৰে জ্যোতিৰ্মান। আনৰ উদাৰতাক অন্তৰেৰে শ্ৰদ্ধা নিবেদন কৰাটো কৃতজ্ঞতাৰ অন্য এক নাম।

জ্ঞানীজনে সৰ্বদা জ্ঞানৰ অন্বেষণ আৰু অনুশীলন কৰে। জ্ঞানৰ পোহৰত তেওঁলোকে জীৱন আৰু জগৎ নিৰীক্ষণ কৰে। সুখ-শান্তি অথবা বিপদ-আপদে কোনো ক্ষেত্ৰতে জ্ঞানীজনৰ দৃষ্টিৰ তাৰতম্য ঘটিব নোৱাৰে। জীৱনৰ সকলো ঘটনা-পৰিঘটনা তেওঁলোকৰ দৃষ্টিত জীৱনৰ অবিচ্ছেদ্য অংগ। বিপদ যিকোনো মানুহৰ জীৱনলৈকে অহাটো অস্বাভাৱিক নহয়। জীৱন সংগ্ৰামত অগ্ৰসৰ হওঁতে কোনো ব্যক্তিৰ পৰা সামান্যতম উপকাৰ লভিলেও বা সাহস পালেও সিবোৰক আত্মজ্ঞানীলোকে দেৱতাৰ পৱিত্ৰ নিৰ্মালি বুলি গণ্য কৰে। উপকাৰ স্মৰণে কৃতজ্ঞলোকক জ্ঞানী ব্যক্তিলৈ পৰ্যবসিত কৰে।

অন্যৰ দুখ-দৈন্য আৰু বিপদ-আপদ দৃষ্টিগোচৰ হ'লে সহানুভূতিশীল মানুহৰ হৃদয়ত অনুকম্পাৰ জন্ম হয়। সেই অনুকম্পাৰ তাড়নাতেই স্বতঃস্ফুৰ্তভাৱে ভুক্তভোগীৰ অথবা তাপিতজনৰ অভাৱ-অনাটন আৰু দুখ-শোকৰ সমভোগী হৈ আংশিকভাৱে হ'লেও উপশমৰ বাবে যথাসাধ্যে সাহায্যৰ হাত আগবঢ়ায়। এনে সহায় বিপদগ্ৰস্তলোকৰ মনোবল বৃদ্ধি কৰাৰ লগতে বিপদসংকুল পৰিস্থিতিৰ পৰা নিজকে উদ্ধাৰ কৰিবলৈ মানুহ সক্ষম হয়। এনে উপকাৰৰ মূল্যায়ন পাৰ্থিৱ সম্পদৰে কৰাটো অসম্ভৱ। উপকাৰৰ প্ৰতিদানৰ সৰ্বশ্ৰেষ্ঠ উপায় তেওঁলোকৰ কৰ্মৰ মহত্ত্বৰ শলাগ লোৱাৰ অৰ্থাৎ কৃতজ্ঞতা জ্ঞাপন।

দৃষ্টিৰ বিশালতাইহে ব্যক্তিক কল্যাণমুখী কৰ্মত ব্ৰতী হ'বলৈ প্ৰেৰণা যোগায়। মানৱীয় গুণসমূহৰ ভিতৰত ইয়ো এক উল্লেখযোগ্য আৰু প্ৰশংসনীয় গুণ। এনে প্ৰৱণতাই মানুহৰ চিন্তা-চেতনাক সমৃদ্ধ কৰি তোলে। নিস্বাৰ্থ সেৱাত লাভ কৰা আনন্দ স্বৰ্গীয় আনন্দ। নৈতিকভাৱে চহকী মানুহ মানসিক দিশত অতিকৈ শক্তিশালী। যিবোৰ নৈতিক কৰ্ম-সংস্কৃতিয়ে মানুহক জীৱশ্ৰেষ্ঠ প্ৰাণীত পৰিণত কৰিছে আৰু সভ্যতা-সংস্কৃতিৰ সম্প্ৰসাৰণত প্ৰচুৰভাৱে সহায় কৰিছে তাৰ ভিতৰত উপকাৰীৰ উপকাৰক শ্ৰদ্ধাসহকাৰে স্বীকাৰ কৰাটোও অন্য এক নৈতিক কৰ্ম-সংস্কৃতি, যাৰ নাম কৃতজ্ঞতা। নৈতিক দায়িত্বক অৱধাৰিতভাৱে কৰণীয় বুলি সমাজে সদায় গ্ৰহণ কৰি আহিছে।

কৃতজ্ঞতা জ্ঞাপন অতিকে আৱশ্যকীয় কৰ্ম। ই সংকীৰ্ণ গণ্ডীৰ মাজতেই সীমাবদ্ধ নহয়। ক্ষুদ্ৰ পৰিসৰ অতিক্ৰমি ইয়াৰ বিস্তৃতি বিশ্বজোৰা। মানৱ সভ্যতা-সংস্কৃতি একে দিনাই গঢ় লৈ উঠা নাই। ই গঢ় লৈ উঠিছে হেজাৰ হেজাৰ বছৰীয়া বিবৰ্তন আৰু বিকাশৰ ফলত। যুগে যুগে মানৱ সমাজত এনে কিছু সংখ্যক মহান ব্যক্তিৰ জন্ম হৈছে যিসকল বৰেণ্য ব্যক্তিৰ মহৎ অৱদানে সমস্ত মানৱ সমাজকে অভাৱনীয়ভাৱে উপকৃত কৰিছে। সেই কালজয়ী ব্যক্তিসকলৰ ওচৰত মানৱ সমাজ চিৰঋণী। সাহিত্য, কলা-সংস্কৃতি, বিজ্ঞান প্ৰযুক্তি বিদ্যা, শিক্ষা, ধৰ্ম, দৰ্শন আদি সাধনালব্ধ জ্ঞানৰ বৰ্ত্তিৰ শিখাৰে যিসকল প্ৰাতঃস্মৰণীয় ব্যক্তিয়ে মহৎ অৱদানেৰে পৰৱৰ্তী কালৰ মানৱসমাজৰ যাত্ৰাপথ আলোকিত কৰি ৰাখিছে, সেই মহামান্যসকলৰ প্ৰতি কৃতজ্ঞ হৈ থকাটো কেৱল কৰ্তব্যই নহয়, নৈতিক দায়িত্বও।

*ফোন : ৮৪৮৬৫১৬৬৩৩*


দৈনিক অগ্ৰদূত

# সাহিত্য আৰু জীৱন



## হাৰ্ডিৰ চুটি গল্প 'এ মিয়েৰ ইণ্টাৰলুড'ত

# নৰ-নাৰীৰ অগতানুগতিক সম্পৰ্কৰ চিত্ৰণ




**জীৱনটো** বৰ অদ্ভুত। ধীৰ-স্থিৰ গতিৰে প্ৰৱহমান নৈ এখনৰ দৰে জীৱন প্ৰৱাহ চলি থাকে। কেতিয়াবা সেই ধীৰ প্ৰৱাহৰ অটল গভীৰতাত তুমুল পকনীয়াৰ সৃষ্টি হয় অথচ মানুহে সেই কথা গম নাপায় আৰু স্বাভাৱিক গতিৰ জীৱন প্ৰৱাহকে সাৰ কৰি আগবাঢ়ি যায়। কিন্তু আকস্মিকভাৱে সেই পকনীয়াত পৰি কক্‌বকালেহে নিজৰ জীৱনৰ কিছু অসাৱধান মুহূৰ্তলৈ মনত পৰে। পিছে সময়ৰ তীব্ৰ গতিয়ে ব্যক্তিক অনুশোচনা কৰিবলৈকো অৱকাশ নিদিয়ে। জীৱনৰ এনে এক প্ৰসংগ লৈয়েই যেন থমাছ হাৰ্ডিৰ চুটি গল্প A Mere Interlude (এ মিয়েৰ ইণ্টাৰলুড) সৃষ্টি হৈছে। বেপ্তিষ্টা ট্ৰিউথেন (Baptista Trewthen) নামৰ যুৱতীগৰাকীৰ জীৱন তেনেই গতানুগতিক আছিল। এজন সাধাৰণ কৃষকৰ কন্যা যদিও দেউতাকে বেপ্তিষ্টাক লৈ ডাঙৰ সপোন ৰচিছিল। তেওঁ জীয়াৰীৰ পঢ়াৰ নামত যথেষ্ট ধন ব্যয় কৰিছিল। ফলস্বৰূপে উনৈশ বছৰ বয়সত বেপ্তিষ্টাই শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ত নামভৰ্তি কৰে আৰু একৈশ বছৰ বয়সত শিক্ষয়িত্ৰী হিচাপে এখন বিদ্যালয়ত যোগদান কৰিছিল। পিছে শিক্ষয়িত্ৰী হিচাপে যি উৎসাহ-উদ্যম বেপ্তিষ্টাৰ স্বভাৱ বা আচাৰ-আচৰণত মুঠেও ফুটি উঠা নাছিল।

উচ্চাকাংক্ষী লোকে জীৱনৰ কোনো নহয় কোনো এটা বিশেষ সময়ত যথেষ্ট কষ্ট স্বীকাৰ কৰে। সেই কষ্ট শাৰীৰিকো হ'ব পাৰে অথবা মানসিকো হ'ব পাৰে। আকৌ বিশেষ এচাম ব্যক্তিয়ে কোনো ধৰণৰ কষ্ট স্বীকাৰ নকৰাকৈয়েই জীৱনত সফলতা লাভ কৰে অথবা অযাচিতভাৱে সৌভাগ্য-সমৃদ্ধিৰ অধিকাৰী হয়। বেপ্তিষ্টা ইয়াৰ এটাৰ ভিতৰতো নপৰে যদিও এগৰাকী সাধাৰণ কৃষকৰ কন্যা হিচাপে বহুত কিবা-কিবি লাভ কৰিবলৈ সক্ষম হৈছিল। পিছে সেই প্ৰাপ্তিয়ে বেপ্তিষ্টাৰ মনত বিশেষভাৱে ৰেখাপাত কৰিব পৰা নাছিল। নিজৰ বৰ্তমানক লৈ যুৱতীগৰাকীয়ে স্বাভাৱিক উৎসাহ অনুভৱ কৰা নাছিল। নিজৰ বৰ্তমানক লৈ যুৱতীগৰাকীয়ে স্বাভাৱিক উৎসাহ অনুভৱ কৰা নাছিল। সেয়া তেওঁৰ স্বভাৱজাত প্ৰকৃতি নে অন্য কিবা সেই বিষয়ে লেখকে কোনো ধৰণৰ ইংগিত দিয়া নাই।

বেপ্তিষ্টা মিছেছ ৰেক্‌ নামৰ মহিলা এগৰাকীৰ ঘৰত ভাড়াতীয়া হিচাপে বাস কৰিছিল। মাক-দেউতাকে বেপ্তিষ্টাৰ বিয়া মিষ্টাৰ হেডেগান নামৰ প্ৰৌঢ় ব্যক্তিজনৰ লগত স্থিৰ কৰা বুলি গম পাই বৰ বিশেষ উৎসাহ অনুভৱ কৰা নাছিল। তথাপিতো, গতানুগতিকভাৱে বেপ্তিষ্টাই ঘৰৰ মালিকনীক এইটো জনালে যে যিগৰাকী ব্যক্তিয়ে এসময়ত তাইক কোলাত লৈ মৰম কৰি ধেমালিতে কৈছিল যে এদিন মই তোমাক বিয়া কৰাম - সেই পঞ্চাশোৰ্ধৰ ব্যক্তি গৰাকীয়েই এতিয়া তাইৰ জীৱনসংগী হোৱাৰ যো-জা চলাইছে আৰু তাত তাইৰ পিতৃ-মাতৃৰো মত আছে। পৰৱৰ্তী সপ্তাহটোৰ বুধবাৰৰ দিনা তাইৰ শুভ পৰিণয়ৰ দিন ধাৰ্য কৰা হৈছিল। তাই বয়-বস্তুসহ মিছেছ ৰেকৰ ঘৰ ত্যাগ কৰি এটা নতুন জীৱনত ভৰি দিবলৈ আগবাঢ়িল। তাইৰ সেই, গৃহাভিমুখী যাত্ৰা জলপথেৰে, গতিকে তাই পে'ঙেফায়াৰ বন্দৰ চহৰত আহি উঠিছিলহি। কিন্তু সিদিনা ভাটিবেলা চেইণ্ট মাৰিয়ালৈ যাবলগীয়া জাহাজখন বেয়া বতৰৰ বাবে সময়তকৈ বহুত আগতেই বন্দৰ ত্যাগ কৰিছিল। পিছৰ জাহাজখনৰ বাবে তাই মঙলবাৰলৈ পে'নজেফায়াৰতে ৰ'বলগীয়া হৈছিল। সেই স্থানতে বেপ্তিষ্টাৰ পূৰ্বৰ প্ৰেমিক চাৰ্লছ ষ্টোৰ আৱিৰ্ভাৱ ঘটিল।

সাহিত্যৰ ৰূপৰেখা
ড° নিভাৰাণী ফুকন



কেতিয়াবা কিছুমান আকস্মিক সংযোগ আৰু ঘটনাই ব্যক্তিৰ জীৱন সম্পূৰ্ণৰূপে সলনি কৰি দিয়ে। সেয়া ভাগ্যৰ খেলাই বোলক বা ব্যক্তিয়ে লোৱা তাৎক্ষণিক সিদ্ধান্তই নহওক কিয়, ব্যক্তিৰ জীৱনলৈ ব্যাপক পৰিৱৰ্তন নামি আহে। তেনে এক আকস্মিক সংযোগ আৰু তাৎক্ষণিকভাৱে লোৱা সিদ্ধান্তই চাৰ্লছ ষ্টোৰ লগত বেপ্তিষ্টাক বিবাহপাশত আৱদ্ধ হ'বলৈ সুযোগ দিছিল। সেই বিবাহকাৰ্য সম্পন্ন হৈছিল মঙলবাৰৰ পুৱা বেলা। এইটো সিদ্ধান্ত হৈছিল যে সিদিনা ভাটিবেলা নৱ বিবাহিতা বেপ্তিষ্টা আৰু চাৰ্লছ চেইণ্ট মাৰিয়া গৈ পোৱাৰ পিছত বেপ্তিষ্টাই পিতৃ-মাতৃৰ আগত আকস্মিকভাৱে সম্পন্ন হোৱা বিয়াখনৰ কথা ক'ব আৰু জীৱনসংগী চাৰ্লছে সাগৰত নামি প্ৰচণ্ড ৰ'দৰ তাপৰ পৰা কিছু সকাহ পাবলৈ স্থিৰ কৰিলে। কিন্তু চাৰ্লছ ঘূৰি নাহিল। দুৰ্ভাগ্যজনকভাৱে সাগৰতে তেওঁৰ সলিল সমাধি ঘটিল। বেপ্তিষ্টাৰ জীৱনৰ সেই আকস্মিক সংযোগটোৰ তেনে এক কৰুণ পৰিণতি হ'ব বুলি তাই ভবা নাছিল। তাই নিজৰ কৰ্তব্য স্থিৰ কৰি ভাটিবেলা নিজৰ গৃহাভিমুখী যাত্ৰা আৰম্ভ কৰিলে। যথাসময়ত তাইৰ বিবাহ সম্পন্ন হৈ গৈছিল। অথচ তাই তাইৰ জীৱনৰ সেই বিশেষ মঙলবাৰটোৰ কথা প্ৰকাশ কৰিবলৈ সাহস গোটাব নোৱাৰিলে। যথা সময়ত তাই মিষ্টাৰ হেডেগানৰ বিবাহিতা পত্নী হৈছিল। কিন্তু তাইৰ অতীত জীৱনৰ সেই গোপন অধ্যায়টো প্ৰত্যক্ষ কৰা এজন কুটিলমনা ব্যক্তিয়ে তাইক ব্যতিব্যস্ত কৰিবলৈ আৰম্ভ কৰিছিল। সেই ব্যক্তি চাৰ্লছ ষ্টোৰ লগত হোৱা গোপন বিবাহৰ সাক্ষী আছিল। সেই কুটিলমনা ব্যক্তিয়ে যাতে তাইৰ জীৱনৰ সেই গোপন পৃষ্ঠা উন্মোচন নকৰে, তাৰ বাবে সেই ব্যক্তিক ধন দিবলগীয়া হৈছিল। এটা সময়ত সেই ব্যক্তিৰ দাবী বহুত বাঢ়ি গৈছিল। তেতিয়া বেপ্তিষ্টাই নিজৰ স্বামীৰ আগত নিজৰ গোপন বিবাহৰ কথা ব্যক্ত কৰিলে। হেডেগানেও তেতিয়া জনালে যে দৰাচলতে তেওঁৰো এগৰাকী পত্নী আৰু চাৰি কন্যা আছিল। পত্নীৰ মৃত্যু ঘটিছিল। চাৰি কন্যাক তেওঁৰ তত্ত্বাৱধানলৈ আনিব খুজিলে। বেপ্তিষ্টাই তেওঁৰ কথা শুনি কিছু সচকিত হৈছিল যদিও সতীয়া জীয়েক কেইগৰাকীক আনিবলৈ অনুমতি প্ৰদান কৰিছিল। সময়ত বেপ্তিষ্টাই পৰিস্থিতিক লৈ এক বুজাবুজিলৈ আহিছিল। জীৱনৰ বহুত জটিল সমস্যা সৰল হৈ পৰিছিল।

নৰ-নাৰীৰ 'অগতানুগতিক' সম্পৰ্কৰ চিত্ৰণত থমাছ হাৰ্ডিৰ দক্ষতা অতুলনীয়। তেওঁৰ কথা সৃষ্টিসমূহৰ প্ৰায় আটাইকেইখনতে সেই বিশেষ লক্ষণটো বিদ্যমান। নৰ-নাৰী সমানে আগবাঢ়ি যাব পাৰিলেহে সমাজত সমতা প্ৰতিষ্ঠা হোৱাৰ অৱকাশ আছে। ইয়াত চাৰ্লছ ষ্টো আৰু বেপ্তিষ্টা দুয়ো শিক্ষক-শিক্ষয়িত্ৰী আছিল। অথচ চাৰ্লছৰ মনৰ পৰা দম্ভ-অহংকাৰ, শোষণৰ মনোবৃত্তি আদি কুঅভ্যাসসমূহৰ গ্ৰাসত পৰিছিল বেপ্তিষ্টা। চাৰ্লছৰ আকস্মিক মৃত্যুৱে বেপ্তিষ্টাক সেই কু-গ্ৰাসৰ পৰা মুক্তি দিছিল সঁচা, কিন্তু আকস্মিকভাৱে লোৱা সেই গুৰুতৰ সিদ্ধান্তটোৱে বেপ্তিষ্টাৰ জীৱন জটিল কৰি তুলিছিল। মানসিক সংঘাতে বেপ্তিষ্টাক জুৰুলা কৰিছিল। কিন্তু নিজৰ সমাজ স্বীকৃত স্বামী হেডেগানৰ জীৱনৰ গোপন অধ্যায়ৰ বিষয়ে জনাৰ পিছত বেপ্তিষ্টাৰ বাবে নিজৰ জীৱনত কৰি অহা ভুলটোৰ ভাৰ বহন কৰা সহজ হৈ পৰিছিল। নৰ-নাৰীৰ জীৱনৰ জটিল সমীকৰণৰ এটা দিশ এইদৰে থমাছ হাৰ্ডিয়ে তেওঁৰ চুটিগল্প 'এ মিয়েৰ ইণ্টাৰলুড'ত মনোজ্ঞ ৰূপত প্ৰকাশ কৰিছে। *(আগলৈ)*

neevarani11@gmail.com

## বিজয় যাত্ৰা

ৰঞ্জনা শৰ্মা



কৰ'না । ভাবিছিলি নেকি তই
ইচ্ছা মৃত্যুৰ বৰেৰে বলিয়ান?
অথবা নিজ মৃত্যুৰ গুপুত
ৰহস্যধাৰী বুলি?

কিন্তু.....
দেখিলিনে...
জিজ্ঞাসু জীৱশ্ৰেষ্ঠ মানৱে
নকৰে স্বীকাৰ পৰাজয়।
সহস্ৰজনক কৰিলে মুক্ত
তোৰ কৰাল গ্ৰাসৰ পৰা।
বৰআই, কলেৰা, যক্ষ্মা,
মেলেৰিয়া...
জানো হোৱা নাই পৰাস্ত
মানৱৰ হাতত?

কৰ'না—
কৰিলে তোৰ দৰ্পচূৰ্ণ
সদৰী কৰি মৃত্যু ৰহস্য
বিজ্ঞান বিভীষণে।

সুসজ্জিত হৈ নানান দিব্যাস্ত্ৰৰে
চৰক্-সুশ্ৰুত-বিজ্ঞানপুষ্ট
বিজ্ঞ চিকিৎসাবিদে
বিদীৰ্ণ কৰিলে তোৰ
আজন্ম সুৰক্ষা-বেহু
কৱচ-কুণ্ডল।

কৰিলে তোক দুৰ্বল, অসহায়;
বিধ্বংস কৰিব তোক সমূলঞ্চে,
দধিচীৰূপী দেহত্যাগী সহস্ৰজনৰ
অস্থি-নিৰ্মিত ঔষধ-বজ্ৰাস্ত্ৰেৰে।

বিলাব আৰোগ্যামৃত
ধন্বন্তৰী আশিসধন্য চিকিৎসাবিদে
হিপ'ক্ৰেতিক প্ৰতিজ্ঞা সুঁৱৰি।
বাজিব বিজয়ৰ দেৱদুন্দুভি
সুদৰ্শন চক্ৰধাৰীৰ
সুমধুৰ বংশীবাদনত।



## প্ৰাপ্তি

নিভাৰাণী ডেকা

প্ৰাপ্তিৰ আশাত গজে
সন্দেহৰ কালিমা
অপ্ৰাপ্তিৰ অসীম বেদনা আঁজুৰি
সন্ত্ৰাস্ত হ'ব খোজা
কল্পনা বিলাসী মনে
নামানে ফাকতি।
নাটনিৰ জীৱনলৈ
নাহে কোনো দিনে
আশাৰ গজালি,
তথাপি নুবুজো
পাতি লোৱা সম্পৰ্কৰ
মনবিৰুদ্ধ ফাকতি
মনৰ খু-দুৱনিতো নহয় ঠাৰৰ
জটিল আহুক'লীয়া সন্ধি !

# দ° দেৱব্ৰত শৰ্মাৰ মোৱামৰীয়া মহাবিদ্ৰোহ

দ° শৰ্মাৰ এই গ্ৰন্থখন মোৱামৰীয়া বিদ্ৰোহৰ বুৰঞ্জী নহয়। বিদ্ৰোহৰ ধাৰাবিৱৰণী বিচৰাসকলে ইয়াত নিৰাশাত ভুগিব। কিন্তু এই গ্ৰন্থত এই বিদ্ৰোহৰ পূৰ্বে আৱিষ্কাৰ নোহোৱা বহুতো দিশত আলোকপাত কৰা হৈছে। তথ্য জিজ্ঞাসু গ্ৰন্থকাৰে আনুবীক্ষণিক দৃষ্টিৰে বিদ্ৰোহৰ ৰেহ-ৰূপ, বিদ্ৰোহী আৰু ৰজাঘৰীয়া প্ৰতিৰোধী বাহিনীৰ কাৰ্যকলাপ নিৰীক্ষণ কৰি কে'বাটাও নতুন সিদ্ধান্তত উপনীত হৈছে।

যতীন মৰাণ

**মোৱামৰীয়া** বিদ্ৰোহৰ প্ৰসংগই অসমৰ ইতিহাসত অতি গুৰুত্বপূৰ্ণ স্থান লাভ কৰি আহিছে। বিদ্ৰোহ সংঘটিত হোৱাৰ সময়ৰ পৰা আজিলৈকে বহুজনে বিভিন্ন দৃষ্টিকোণৰ পৰা এই বিদ্ৰোহৰ সম্পৰ্কে আলোচনা কৰিছে। এহাতে এই বিদ্ৰোহৰ দীৰ্ঘদিনীয়া স্থায়িত্ব, আনহাতে অসমৰ প্ৰায় সকলো অঞ্চললৈকে বিয়পি পৰা ইয়াৰ বৃহৎ পৰিসৰে অসমৰ ইতিহাসৰ আন সকলো ঘটনা পৰিঘটনাকে চেৰাই যায়। আকৌ অসমৰ বহুতো জাতি-বৰ্ণ-সম্প্ৰদায়ৰ লোক এই বিদ্ৰোহৰ বিদ্ৰোহী পক্ষত সন্মিলিত হোৱা দিশটো অনন্য পৰিঘটনা বুলি ক'ব পাৰি। লগতে লোক পৰম্পৰা কথিত ছশ বছৰীয়া আহোম ৰাজবংশৰ শাসনৰ ধাৰাবাহিকতা এই বিদ্ৰোহে ছিঙি পেলাবলৈ সক্ষম হোৱাটো আন এটা গুৰুত্বপূৰ্ণ বিষয়।

তাহানিৰ আহোম ৰজাঘৰীয়া বুৰঞ্জীবিদসকলে এই বিদ্ৰোহক ৰাজদ্ৰোহ, জাতি ধ্বংসী কাৰ্য হিচাপে চিহ্নিত কৰিছিল। তাৰো বহুকাল পিছতো বহিঃ আক্ৰমণকাৰী মানসকলৰ স'তে বিদ্ৰোহীসকলক একে শাৰীতে আসন দিবলৈকো অসমৰ কে'বাজনো স্বনামধন্য সাহিত্যিকে কুণ্ঠাবোধ কৰা নাছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৰম্ভণিতে প্ৰৱেশিকা পৰীক্ষাৰ্থীসকলৰ পাঠ্য অসমীয়া গদ্য বাছনি এখন প্ৰস্তুত কৰোতে অসমৰ তিনিজন বিদ্বান দ° বাণীকান্ত কাকতি, দ° বিৰিঞ্চি কুমাৰ বৰুৱা আৰু দ° মহেশ্বৰ নেওগে লগ হৈ গুণাভিৰাম বৰুৱাৰ 'আসাম বুৰঞ্জী'ৰ পৰা 'মৰাণ বিদ্ৰোহ' অধ্যায়টো সংযোগ কৰাৰ সময়ত সেই সময়ৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য পণ্ডিত কৃষ্ণকান্ত সন্দিকৈই সেই পাঠটি ফৰাচী বিপ্লৱৰ দৰেই চিত্তাকৰ্ষক বুলি কৈছিল। আকৌ আনহাতে আন এচাম পণ্ডিতে এই পাঠটিৰ সংকলন সম্বন্ধে বিৰূপ মনোভাৱো পোষণ কৰিছিল। এয়া আচৰিত কথা নহয়। এনেদৰে মোৱামৰীয়া বিদ্ৰোহক হীন চকুৰে চোৱা লোক বিদ্ৰোহৰ সময়ৰে পৰা আৰম্ভ কৰি আজিলৈকে দেখা যায়। অৱশ্যে তাৰ মাজতো ডিম্বেশ্বৰ নেওগ, দণ্ডিনাথ কলিতাকে ধৰি এচাম লেখকে সহমৰ্মিতাৰে বিদ্ৰোহৰ প্ৰসংগ আলোচনা কৰিছিল। পিছলৈ দ° অমলেন্দু গুহ, দ° হীৰেন গোহাঁই, ডাঃ ধ্ৰুৱজ্যোতি বৰাকে ধৰি এচাম গৱেষক-পণ্ডিতে মোৱামৰীয়া বিদ্ৰোহৰ সম্পৰ্কে যথাযথ আলোচনা কৰি ইয়াৰ গুৰুত্ব প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছে। এই ধাৰাতে সম্প্ৰতি অসমীয়া ভাষা-সাহিত্যৰ এগৰাকী সাধক, জাতীয় অভিধানৰ মুখ্য সম্পাদক আৰু অসমৰ ইতিহাসৰ এগৰাকী নিষ্ঠাবান গৱেষক দ° দেৱব্ৰত শৰ্মাই এখনি মূল্যবান গ্ৰন্থ প্ৰণয়ন কৰি প্ৰশংসনীয় কাৰ্য কৰিছে। দ° দেৱব্ৰত শৰ্মাৰ প্ৰায় দুবছৰৰ পূৰ্বে প্ৰকাশ হোৱা গ্ৰন্থখনৰ উপ-শিৰোনামা 'এক ত্ৰি-মাত্ৰিক গণ-অভ্যুত্থান'। তেওঁ পোনতে মোৱামৰীয়া বিদ্ৰোহক এক সাধাৰণ বিদ্ৰোহৰ স্তৰৰ পৰা তুলি ধৰি এক মহাবিদ্ৰোহ হিচাপে স্বীকৃতি দিছে। তাৰপিছতে এই বিদ্ৰোহৰ পৰিমণ্ডল এটা বা দুটা জনগোটৰ মাজতে সীমিত নাথাকি এক গণ-অভ্যুত্থানৰ ৰূপ পৰিগ্ৰহ কৰিছিল বুলি স্বীকাৰ কৰিছে। তাতোকৈ গুৰুত্বপূৰ্ণ কথা হ'লে বহুতে ভবাৰ দৰে এই বিদ্ৰোহৰ চৰিত্ৰ কেৱল ৰক্ষা কৰাই নহয়, দ° শৰ্মাৰ সূক্ষ্ম বিশ্লেষণত বিদ্ৰোহৰ ত্ৰি-মাত্ৰিক ৰূপ পৰিস্ফুট হৈছে।

পাঠকৰ এই গ্ৰন্থখনৰ মূল অংশৰ স'তে এক অতিৰিক্ত, মহাপ্ৰাপ্তি হ'ল অসমৰ বৌদ্ধিক জগতৰ এগৰাকী কাণ্ডাৰী, মোৱামৰীয়া বিদ্ৰোহক উচিত মূল্যায়ন কৰা পণ্ডিতসকলৰ অন্যতম দ° হীৰেন গোহাঁইৰ অতি মূল্যবান 'আগকথা'ৰ সংযোজন। এই গ্ৰন্থখনো দ° গোহাঁইৰ নামত উছৰ্গা কৰা হৈছে।

দ° শৰ্মাৰ এই গ্ৰন্থখন মোৱামৰীয়া বিদ্ৰোহৰ বুৰঞ্জী নহয়। বিদ্ৰোহৰ ধাৰাবিৱৰণী বিচৰাসকলে ইয়াত নিৰাশাত ভুগিব। কিন্তু এই গ্ৰন্থত এই বিদ্ৰোহৰ পূৰ্বে আৱিষ্কাৰ নোহোৱা বহুতো দিশত আলোকপাত কৰা হৈছে। তথ্য জিজ্ঞাসু গ্ৰন্থকাৰে আনুবীক্ষণিক দৃষ্টিৰে বিদ্ৰোহৰ ৰেহ-ৰূপ, বিদ্ৰোহী আৰু ৰজাঘৰীয়া প্ৰতিৰোধী বাহিনীৰ কাৰ্যকলাপ নিৰীক্ষণ কৰি কে'বাটাও নতুন সিদ্ধান্তত উপনীত হৈছে। তেওঁ গ্ৰন্থখনৰ প্ৰস্তাৱনা অংশতে উল্লেখ কৰিছে- 'মোৱামৰীয়া বিদ্ৰোহ বিশুদ্ধ বা কেৱল শ্ৰেণীসংগ্ৰাম নহয়। ইয়াৰ লগতে জাত-পাত-অস্পৃশ্যতাবিৰোধী এটা প্ৰবল ধাৰাও সম্পৃক্ত হৈ আছিল।' তেওঁ লগতে ইয়াকো উল্লেখ কৰিছে- 'জাতি-বৰ্ণগত কাৰণৰ লগতে সম্পৃক্ত হৈ আছে বিদ্ৰোহৰ ধৰ্মীয় কাৰণো।' এনে তিনিটা মূল কাৰকে মোৱামৰীয়া বিদ্ৰোহৰ সূচনা কৰিছিল বুলি গ্ৰন্থকাৰে সিদ্ধান্ত কৰিছে।

লেখকে মোৱামৰীয়া বিদ্ৰোহক বিদ্ৰোহ সংঘটিত কালৰ ঘটনা-পৰিঘটনাৰ অধ্যয়নৰ পৰিসীমাতে আৱদ্ধ নাথাকি অসম তথা ভাৰতৰ বিশাল প্ৰেক্ষাপটত দৃষ্টিনিবদ্ধ কৰিছে। লেখকৰ কথাৰে- 'এই বিদ্ৰোহক কোনো বিচ্ছিন্ন ঘটনা হিচাপে নহয়, আমি চাব বিচাৰিম অসম তথা ভাৰতৰ সমসাময়িক ইতিহাসৰ অংগাংগী অংশ, ধাৰাবাহিকতা তথা তাৰ সমালোচনা সম্পৰ্কে।' গ্ৰন্থকাৰে মুকলিকৈ ঘোষণা কৰিছে- 'এই লেখাত আমাৰ লক্ষ্য হ'ব বস্তুনিষ্ঠ আৰু সমালোচনামূলকভাৱে ইয়াৰ সম্পৰ্কে প্ৰাপ্ত তথ্য পৰীক্ষা কৰা আৰু এই মহাবিদ্ৰোহৰ সম্পৰ্কে এক সামগ্ৰিক ব্যাখ্যা আগবঢ়োৱা।'

লেখকে আহোম ৰাজশাসনৰ পূৰ্বৰ জনজাতীয় সৰলতাৰ পৰিৱৰ্তে পিছলৈ সামন্তবাদী চৰিত্ৰ আৰু এই চৰিত্ৰৰ অৱক্ষয়ী ৰূপ, ব্ৰাহ্মণ্যবাদীসকলৰ সংস্পৰ্শলৈ অহাৰ পাছত জাতি-বৰ্ণ-অস্পৃশ্যতাৰ প্ৰৱল ৰূপ ধাৰণ সম্পৰ্কে বিস্তাৰিতভাৱে আলোচনা আগবঢ়াইছে। ৰজাঘৰীয়াৰ মন্দিৰ-সত্ৰৰ প্ৰতি প্ৰয়োজনাধিক দৰদ, বংগৰ নদীয়াৰ পৰা অনা কৃষ্ণৰাম ভট্টাচাৰ্যৰ দৰে দুৰ্ঘোৰ বৰ্ণবাদী গুৰুত শৰণ লোৱা কাৰ্যই অসমৰ এচাম নিম্নশ্ৰেণীৰ লোকলৈ কেনে দুৰ্যোগ নমাই আনিছিল- সেই কথাও আলোচনা কৰিছে। তেওঁ তথ্য সহ দেখুৱাইছে এই কাৰকবোৰে বিদ্ৰোহৰ জুই জ্বলি উঠাত প্ৰজ্বালকৰ ভূমিকা লৈছিল। এই বিদ্ৰোহত মোৱামৰীয়া সত্ৰক ভকতসকলৰ ভূমিকাৰ কথাহে কৈ অহা হয় যদিও অগণন মৰাণ, মটক, কৈৱৰ্তৰ লগতে কলিতা, আহোম, ব্ৰাহ্মণ লোকেও ৰজা ঘৰৰ বিৰুদ্ধে অস্ত্ৰ তুলি লৈছিল। পাইক প্ৰথাৰ কেঁকোৰা চেপাত মৃতপ্ৰায় হোৱা সকলো জাতি-বৰ্ণৰ লোক একে উদ্দেশ্যত শ্ৰেণী শত্ৰুৰ নিপাত বিচাৰি বিদ্ৰোহী হৈ উঠিছিল। আকৌ ৰাজপাট দখল এই বিদ্ৰোহৰ মুখ্য উদ্দেশ্যও নাছিল। ঘূণে ধৰা সামন্তবাদী শাসন প্ৰণালীৰ বিৰুদ্ধেহে এই জনযুদ্ধ সংঘটিত হৈছিল।

গ্ৰন্থখনৰ দ্বিতীয় অধ্যায়ত 'মোৱামৰীয়া বিদ্ৰোহৰ সপক্ষে-বিপক্ষে সমালোচনা আৰু সাহিত্য' শিতানত বিদ্ৰোহকালীন আৰু তাৰ পৰৱৰ্তী সময়ত সৃষ্ট মৌখিক আৰু লিখিত গীত-নাট-পদ কথাৰ সম্পৰ্কে বিস্তৃতভাৱে আলোচনা আগবঢ়াইছে।

দ° শৰ্মাই গ্ৰন্থখনত 'নৃশংসতাৰ প্ৰসংগ-ৰজাঘৰীয়া বনাম মোৱামৰীয়াৰ' শিতানত প্ৰমাণ কৰিছে যে 'প্ৰজাঘৰীয়া হিংসাতকৈ দহগুণ বেছি আছিল ৰজাঘৰীয়া হিংসা'। দেখা যায় জনমানসত মোৱামৰীয়াৰ নিষ্ঠুৰতাৰ কথা এনেকৈ প্ৰতিষ্ঠা কৰা হৈছিল যে 'হেমকোষ'ৰ পৰা লক্ষ্মীনাথ বেজবৰুৱা, দ° লীলা গগৈৰ গ্ৰন্থতো নিষ্ঠুৰ মানৰ স'তেহে মৰাণসকলক আসন দিয়া হৈছে। ৰজাঘৰীয়া নিষ্ঠুৰতাৰ কথা সদায় তল পৰি থাকে। দ° শৰ্মাৰ আলোচনা এই বিষয়ত অধিক বিস্তৃত হোৱাৰ অৱকাশ ৰৈ গ'ল।

গ্ৰন্থখনত 'বিদ্ৰোহত বিভিন্ন সম্প্ৰদায়ৰ অংশগ্ৰহণ' অধ্যায়ৰ আলোচনাই বিদ্ৰোহত মৰাণ, মটক, কৈৱৰ্ত, যোগী সম্প্ৰদায়ৰ লগতে ব্ৰাহ্মণসম্প্ৰদায়ে অংশ লোৱাৰ তথ্য সদৰী কৰিছে। বিদ্ৰোহত নাৰী বাহিনীৰ গুৰুত্বপূৰ্ণ অৱদানৰ কথা গ্ৰন্থকাৰে বিস্তাৰিতভাৱে আলোচনা কৰিছে। ওঠৰ শতিকাৰ মাজভাগতে নাৰীসকলে বিদ্ৰোহী বাহিনীত চামিল হোৱাটো অতি তাৎপৰ্যপূৰ্ণ বিষয়।

গ্ৰন্থখনৰ শেহলৈ ডেভিড স্কট, ফ্ৰান্সিচ বুকানন হেমিল্টন, জন বাটলাৰ আৰু গোলাপ চন্দ্ৰ বৰুৱাৰ লিখা সংযোগ কৰাটো অতি প্ৰয়োজনীয় কাৰ্য বুলি ক'ব লাগিব। 'মোৱামৰীয়া মহাবিদ্ৰোহ'ৰ নিচিনা এখন তথ্যপূৰ্ণ আৰু অতি প্ৰয়োজনীয় গ্ৰন্থ আগবঢ়োৱাৰ বাবে দ° শৰ্মা আৰু একলব্য প্ৰকাশন ধন্যবাদৰ পাত্ৰ হৈছে।

*ফোন ঃ ৯১৫৭৩৫৭০৩৩*

# সৰস্বতী সুন্দৰী


মমী নাথ

ঃ 'য়াহু'।

কুঁৱৰীয়ে ম'বাইল ফোনটো কাটি দি চিঞৰি দিলে। তাইৰ চিঞৰত জয়ন্তীয়ে পাক ঘৰৰ পৰা উধাতু খাই আহিল।

ঃ অ' মা আমি লোনটো পালো। আমাক কালি ১১টা বজাত অফিচলৈ মাতিছে। কুঁৱৰীয়ে উৎসাহেৰে ক'লে।

ঃ হে ভগৱান বচালা ! জয়ন্তীয়ে



ওপৰলৈ হাত দুখন নমস্কাৰৰ ভংগীৰে ক'লে।

ঃ মা ভগৱানক ধন্যবাদ দিয়াতকৈ মোক ধন্যবাদ দিয়া। মইহে মাইক্ৰ'ফাইনেন্সৰ অফিচলৈ অহা যোৱা কৰি ঋণটো পোৱাৰ ব্যৱস্থা কৰি দিলো। ক্ষেত্ৰ বিষয়া শৰ্মাক কম তেল মৰা নাই! কুঁৱৰীয়ে ক'লে। হয় কুঁৱৰীয়ে ঠিকেই কৈছে। এই ঋণটো পাবলৈ কুঁৱৰীয়ে বৰ কষ্ট কৰিলে। তাইক মাকে কোনো কথাতে না কৰিবলৈ নোৱাৰে। মাকে নিজৰ ইচ্ছাৰ বিৰুদ্ধে গৈ ঋণটোৰ বাবে আবেদন কৰিছিল।

কুঁৱৰীৰ মাক জয়ন্তীৰ এখন সৰু টেইলৰিঙৰ দোকান আছে। গিৰিয়েকৰ মৃত্যুৰ পাছত জয়ন্তীয়ে গিৰিয়েকৰ সৰু দোকানখন নিজে চলাই জীয়েকক লৈ জীৱনটো চলাই নিছে।

জয়ন্তীৰ একেবাৰে মন নাছিল ঋণ লোৱাৰ। তাই দেখিছে মাইক্ৰ'ফাইনেন্স কোম্পানীৰ ঋণ লৈ ধাৰ মাৰিবলৈ নোৱাৰা কাৰণে গোটৰ মানুহবোৰে কেনেকুৱা অসভ্যালি কৰে। অৱশ্যে এতিয়া চৰকাৰে এইবোৰত চকু দিয়াত ঋণ লোৱা মানুহবোৰৰ মুখলৈ পানী আহিছে।

জয়ন্তীয়ে কুঁৱৰীৰ বাবেই এই ঋণটো ল'বলৈ বাধ্য হ'ল। হায়াৰ ছেকেণ্ডাৰী পাছ কৰাৰ পাছত চহৰৰ নাম কৰা কলেজখনত তাই ইংৰাজী মেজৰ লৈ বি এ পঢ়িছে।

কলেজত ভৰি থোৱাৰ পাছতেই জয়ন্তীয়ে ভতিজাক অৰূপৰ দোকানৰ পৰা এটা এনড্ৰইড ম'বাইল কিস্তিত লৈ কিনি দিছিল। কলেজত ভৰি থোৱাৰ পাছত কুঁৱৰীৰ চাল-চলন, কথা-বতৰা সলনি হৈছে। তাই আজি কালি দামী দামী কাপোৰ বিচাৰি মাকক আমনি কৰি থাকে।

কুঁৱৰীহঁতৰ কলেজত হ'ব লগা সৰস্বতী পূজাত বোলে টিভিৰ মানুহ আহিব। তাত সাজি-কাজি অহা ছাত্ৰীবোৰৰ পৰা সৰস্বতী সুন্দৰী বাছনি কৰিব। যোৱাবাৰ তাইৰ লগৰ বিৰিণা এটা টিভি চেনেলৰ সৰস্বতী সুন্দৰী হৈছিল। কথাটো জনাৰে পৰা কুঁৱৰীয়ে মাকক এযোৰ দামী কাপোৰ বিচাৰি হায়ৰাণ কৰি দিছে।

দামী কাপোৰ কিনিবলৈ জয়ন্তীৰ টকা নাই বুলি ক'লে। কুঁৱৰীয়ে দুদিনলৈ মাকক নামাতাকৈ থাকিল। কিন্তু তিনিদিনৰ দিনা কলেজৰ পৰা আহোতে কুঁৱৰীয়ে মাকক মাইক্ৰ'ফাইনেন্স কোম্পানীৰ ঋণৰ কথা ক'লে।

প্ৰথমতে জয়ন্তীয়ে কুঁৱৰীক গালিয়ে পাৰিছিল। মাকৰ গালি শুনি তায়ো মাকক ফেপেৰি পাতি ধৰিছিল, 'যদি মোক লাগতিয়াল বস্তুবোৰ দিবই নোৱাৰা দেউতাৰ চিতাখনতে মোকো জ্বলাই নিদিলা কিয়? লগৰবোৰৰ আগত লাজত পৰাতকৈ মই মৰি যোৱাই ভাল।'

জয়ন্তীয়ে জীয়েকৰ কথাষাৰ শুনি ভয় খাইছিল। কাৰণ অলপ দিনৰ আগতে গাঁৱৰে ৰবীন মাষ্টৰৰ ল'ৰাটোৱে বিচৰা মটৰ চাইকেলখন নোপোৱাৰ কাৰণে আত্মহত্যা কৰিছিল। যদি কুঁৱৰীয়েও তেনেকৈ কিবা এটা কৰে কি হ'ব? তাইৰ অন্তৰ আত্মা কঁপি উঠিছিল।

জীয়েকক হেৰুৱাৰ ভয়ত জয়ন্তীয়ে পাছদিনাই ঋণৰ বাবে আবেদন কৰিছিল। ফিল্ড অফিচাৰ শৰ্মাই জয়ন্তীৰ সৰু দোকানখন চাই ৩০ হেজাৰ টকাৰ ঋণ মঞ্জুৰ কৰি দিয়ালে। টকাখিনি বেংকৰ পৰা উঠাই আনি জীয়েক কুঁৱৰীক লৈ টাউনলৈ গ'ল। জীয়েকক সৰস্বতী পূজাত পিন্ধিবলৈ ধুনীয়া পাটৰ কাপোৰ এযোৰ কিনি দিলে। কাপোৰযোৰৰ লগত মিলাকৈ কেঁচা সোণৰ অসমীয়া গহনা কিনিলে। হেণ্ডবেগ, ছেণ্ডেল আদি কিনি লৈ বিউটি পাৰ্লাৰত সোমাল। পেডিকিউৰ, মেনিকিউৰ, ফেচিয়েল কৰাৰ উপৰি বেঁকা চুলিখিনি পোন কৰি ল'লে।

ঋণত লোৱা টকাখিনিৰ ৮০ শতাংশ জীয়েকৰ বাবেই জয়ন্তীয়ে খৰচ কৰিলে। তথাপি তাইৰ বেয়া লগা নাই। জীয়েকৰ মনৰ আশা পূৰণ কৰিব পাৰি ভাল লাগিল। এতিয়া অন্ততঃ কুঁৱৰীয়ে লাজ পাব নালাগে।

কুঁৱৰীৰো মনটো ভাল লাগি আছে। কালিলৈ তাইৰ ফেচবুকৰ বন্ধু ৰাজনীশ আহিব। ৰাজনীশৰ লগত তাইৰ ফেচবুকতে চিনাকি। আজি কালি সিহঁতে ফোনতে কথা পাতে। কালিলৈ ৰাজনীশে তাইক লগ কৰিবলৈ আহিব। তাই প্ৰথমবাৰৰ বাবে ৰাজনীশক সৰস্বতী পূজাৰ দিনা লগ পাব। এক অজান আৱেগত তাইৰ বুকুখন ভৰি উঠিল। সুন্দৰীৰ খিতাপটো পাবলৈও তাই মনে প্ৰাণে চেষ্টা কৰিছে। তাই ভবা মতে যদি সকলো হৈ যায় তেতিয়া তাই বুঢ়াগোসাঁই থানত চাকি এগচি দিব।

তাইক দেখি বান্ধৱী বিৰিণা আগবাঢ়ি আহিল। বিৰিণাও সাজি-কাচি আহিছে। বিৰিণাক দেখি কুঁৱৰীৰ অলপ মনে মনে ঈৰ্ষাও জাগিল। দুয়োজনী দেৱীৰ প্ৰতিমাৰ ওচৰত সেৱা কৰিবলৈ আগবাঢ়ি আহিল। দুয়োজনীয়ে সেৱা কৰিলে।

কুঁৱৰীয়ে বিৰিণাই গম নোপোৱাকৈ কলেজৰ চৌহদত থকা টিভি চেনেলৰ কেমেৰামেন কেইটালৈ চালে। বিৰিণাক তাতে এৰি তাই কেমেৰামেন আৰু সাংবাদিক কেইজনৰ কাষলৈ আগবাঢ়িল। কিন্তু সেই সময়ত তাইৰ ম'বাইলটো বাজি উঠিল। ৰাজনীশে ফোন কৰিছে। টিভিৰ সাংবাদিক আৰু কেমেৰামেন কেইজনৰ ওচৰলৈ নগৈ আঁতৰি আহিল। ফোনটো ৰিচিভ কৰিলে।

ঃ হেল্ল'..

ঃ ক'ত আছা ? মই গেটৰ বাহিৰত আছো।

ঃ মই ভিতৰত আছো । গৈ আছো মই।

ঃ মই বগা গাড়ী এখনত বহি আছো। তুমি আহা। গাড়ীতে বহি কথা পাতিম।

ঃ গৈছো ৰ'বা।

ঃ অক'লে আহিবা দেই।

কথাষাৰ কৈ ৰাজনীশে ফোনটো কাটি দিলে।

কুঁৱৰীয়ে বিৰিণাই দেখে বুলি দৌৰা-দৌৰিকৈ গেটৰ বাহিৰলৈ আহিল। তাইক তেনেকৈ যোৱা দেখি বিৰিণাও তাইৰ পিছে পিছে আহিল। কুঁৱৰীয়ে সেৱা কৰোতে নিজৰ বেগটো এৰি থৈ আহিল। সেইটোকে দিবলৈ বিৰিণাই তাইৰ পিছে পিছে আহিল।

বিৰিণাই দেখিলে কুঁৱৰী গেটৰ বাহিৰত এখন বগা গাড়ীৰ কাষত থিয় হৈছেগৈ। কোনোবাই ভিতৰৰ পৰা দৰ্জাখন খুলি দিছে। বিৰিণাই দৌৰা-দৌৰিকৈ গাড়ীখনৰ কাষলৈ আহিল। কিন্তু কুঁৱৰী গাড়ীত উঠিল। বিৰিণাই মাত দিলে কুঁৱৰীয়ে নুশুনিলে। ৰাজনীশৰ গাড়ীৰ চাইলেঞ্চাৰৰ ক'লা ধোঁৱাই বিৰিণাৰ বগা গাড়ীখন ক'লাহে কৰি পেলালে।

সন্ধিয়ালৈকে কুঁৱৰী ঘৰলৈ নহাত জয়ন্তীৰ চিন্তা বাঢ়িল। তাই জীয়েকলৈ ফোন কৰি আছে। কুঁৱৰীৰ ফোনটো বন্ধ হৈ আছে। যিমান দেৰি হৈ আহিছে সিমান জয়ন্তীৰ মনলৈ বেয়া ভাবটো আহিছে।

ৰাতি ১০ বজালৈ নহা খবৰটো গোটেই গাঁওখনতে বিয়পি পৰিল। এটা দুটাকৈ খবৰ লোৱা মানুহে জয়ন্তীৰ ঘৰখন ভৰি পৰিল। ভতিজাক অৰূপে থানালৈ গৈ কুঁৱৰীৰ নিৰুদ্দেশৰ কথাটো জনালে।

গোটেই ৰাতিটো জয়ন্তীয়ে উজাগৰে কটালে। কান্দি-কাটি তাই বাউলী হৈ পৰিল।

ৰাতিপুৱা অৰূপে আহি জয়ন্তীক থানালৈ লগ ধৰিলে। জয়ন্তী থানালৈ যাবলৈ ওলাওতেই গোটৰ সম্পাদিকাজনী আহিল।

ঃ বৌ আজিৰ কিস্তিটো নিবলৈ আহিলো। আপুনি লোন লোৱা এসপ্তাহ হ'ল নহয়। আজি আপোনাৰ প্ৰথম কিস্তিটো দিব লাগিব। অফিচে আপোনাৰ বিপদৰ কথা নুশুনিব নহয়। সম্পাদিকা ৰাখীয়ে ক'লে।

জয়ন্তীয়ে ৰাখীক কিস্তিৰ টকাটো দি অৰূপৰ বাইকতে থানালৈ বুলি আহিল। থানালৈ আহি থাকোতে মাইক্ৰ'ফাইনেন্স কোম্পানীৰ ক্ষেত্ৰ বিষয়া শৰ্মাই জয়ন্তীক ফোন কৰিলে। জয়ন্তীয়ে ফোনটো ৰিচিভ কৰিলে। শৰ্মাই জয়ন্তীক কুঁৱৰীৰ খবৰটো দিলে।

ঃ অৰূপ হাইৱেৰ ফাললৈ ব'ল। শৰ্মাই মাতিছে। মাজনীৰ কিবা খবৰ পাইছে বোলে। জয়ন্তীয়ে কঁপা কঁপা মাতেৰে ক'লে।

অৰূপে বাইকখন হাইৱেৰ ফাললৈ গ'ল। হাইৱেৰ কাষত মানুহৰ জুম এটাৰ মাজত শৰ্মাক দেখি জয়ন্তীয়ে অৰূপক বাইকখন ৰখাবলৈ ক'লে। এক অজান আশংকাত জয়ন্তীৰ বুকুখন কঁপি উঠিল। মানুহৰ জুমৰ মাজত জয়ন্তী সোমাল। প্ৰায় ১৮-১৯ বছৰীয়া ছোৱালী এজনী উবুৰি খাই পৰি আছে। ফালি যোৱা পাটৰ কাপোৰ এযোৰ ছোৱালীজনীয়ে পিন্ধি আছে। ছোৱালীজনী অৰ্ধনগ্ন হৈ আছে। উবুৰি খাই পৰি থকা ছোৱালীজনীৰ গাত থকা কাপোৰযোৰ জয়ন্তীৰ খুবেই চিনাকি। কুঁৱৰীয়ে বৰ হেঁপাহেৰে কিনিছিল। জয়ন্তী মূৰ ঘূৰাই পৰি গ'ল।

ঃ কুঁৱৰীক চাগৈ ৰেপ কৰি মাৰি পেলালে। শৰ্মাই অৰূপক উদ্দেশি ক'লে।

*ফোন ঃ ৯৩৬৫০৮১৬১৫*

# সপোনৰ স্বাৱলম্বী অসম


দৰ্শনা বৰুৱা

**ভাৰতত** নিবনুৱা সমস্যা এক গুৰুতৰ সমস্যা। আমাৰ অসমতো নিবনুৱা সমস্যাই ভয়ংকৰ ৰূপ লৈছে। কেৱল চৰকাৰী বা বেচৰকাৰী কাৰ্যালয়ত গৈ কাম বা চাকৰি কৰিলেহে যে উপাৰ্জনশীল হ'ব পাৰি সেই ধাৰণা ভুল। স্বনিৰ্ভৰশীলতা আৰু স্বনিয়োজনৰ গুৰুত্ব যথেষ্ট বেছি। কৰ্মঠ লোকেহে এটা সুসংস্কৃতিবান জাতি গঢ়িব পাৰে। পুথিগত শিক্ষাৰ লগতে দৈনন্দিন জীৱন-যাপনত ব্যৱহাৰিক আৰু বৃত্তিমুখী শিক্ষাৰ প্ৰয়োজন আছে।

'সপোনৰ স্বাৱলম্বী অসম' গ্ৰন্থখন লেখিকা পল্লৱী নেওগ বৰাৰ এনে ধৰণৰ ইতিবাচক চিন্তাৰেই ফচল। গ্ৰন্থখনক স্বনিয়োজিত হ'ব বিচৰাসকলৰ বাবে প্ৰয়োজনীয় হাতপুথি হিচাপেও স্বীকৃতি দিব পাৰি। সময় আৰু মূলধনৰ অপচয় নোহোৱাকৈ স্বাৱলম্বী হ'বলৈ হ'লে প্ৰশিক্ষণ আৰু দক্ষতা বৃদ্ধিৰ শিক্ষাৰ অতিকৈ প্ৰয়োজন। যি শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ দক্ষতা বৃদ্ধি কৰিব নোৱাৰে সেই শিক্ষাৰ প্ৰকৃত মূল্য আছেনে? জীৱন যুঁজত জয়ী হ'বলৈ আচলতে বৃত্তিমুখী শিক্ষাৰ যথেষ্ট প্ৰয়োজন আছে। গতিকে শিক্ষা প্ৰতিষ্ঠানসমূহতো কিছুমান বৃত্তিমুখী পাঠ্যক্ৰমৰ প্ৰচলন কৰা হৈছে যদিও সেয়া পৰ্যাপ্ত নহয়। বৃত্তিত

শিক্ষয়িত্ৰী হ'লেও স্বেচ্ছাসেৱী সংগঠনৰ লগত জড়িত হৈ থাকি সমাজৰ উন্নয়নমূলক কাম কৰি থকা লেখিকাৰ সম্পূৰ্ণ নিজস্ব প্ৰচেষ্টাৰে বিশ্বনাথ জিলাৰ ভিতৰুৱা অঞ্চলৰ মহিলাসকলৰ দক্ষতা বিকাশ আৰু আত্মনিৰ্ভৰশীলতাৰ প্ৰশিক্ষণ প্ৰদানৰে বহুলোকক স্বাৱলম্বী হ'বলৈ অনুপ্ৰাণিত কৰিছে।

'সপোনৰ স্বাৱলম্বী অসম' গ্ৰন্থখনৰ লেখাসমূহত নৱপ্ৰজন্মই কিদৰে কিছুমান কৰ্মৰ জৰিয়তে স্বাৱলম্বীভাৱে নিজকে প্ৰতিষ্ঠিত কৰিব পাৰে তাৰেই কিছুমান তথ্যসমৃদ্ধ আলোচনা আগবঢ়াইছে। লেখিকাই এনেধৰণৰ লেখাৰ জৰিয়তে ক'ভিড-১৯ৰ গ্ৰাসত পৰি বিশ্বৰ বহু লোকে কৰ্মসংস্থাপন হেৰুওৱাৰ সময়ত নিবনুৱা হৈ পৰা সকলৰ মনত আশাৰ সঞ্চাৰ কৰিবলৈ প্ৰয়াস কৰিছে।





স্বনিয়োজনৰ তথ্য সম্বলিত কিতাপখনত উদ্যমিতা বিকাশৰ ক্ষেত্ৰত চৰকাৰৰ ভূমিকা, স্বাৱলম্বী অসমৰ ঔদ্যোগিক বিকাশত চৰকাৰৰ পদক্ষেপ, আত্মনিৰ্ভৰ ভাৰত অভিযান, অসম দক্ষতা বিকাশ অভিযান, স্বনিৰ্ভৰ নাৰী আত্মনিৰ্ভৰ অসম আঁচনি আদিৰ কথাখিনিও সাধাৰণ পাঠকে বুজি পোৱাকৈ উপস্থাপন কৰিছে। চাকৰিলৈ বাট নাচাই স্বাৱলম্বী হোৱাৰ সপোন দেখা অসমৰ প্ৰতিগৰাকী যুৱক-যুৱতীৰ বাবে সৰল ভাষাত লিখা এখন অৱশ্য পঠনীয় গ্ৰন্থ বুলি এই কিতাপখনক স্বীকৃতি দিব পাৰি।

স্বগৃহতে থাকি চাকৰিৰ পৰিৱৰ্তে নতুন প্ৰজন্মই কিহত আত্মনিয়োগ কৰিব পাৰিব সেয়া চিন্তা কৰাৰ যথেষ্ট অৱকাশ আছে। উৎসাহ, অনুপ্ৰেৰণা, পথ প্ৰদৰ্শন, প্ৰশিক্ষণ আৰু বৃত্তিগত শিক্ষাই একোটা ব্যক্তিসত্তাক আত্মনিৰ্ভৰশীল কৰি গঢ়ি তুলিব পাৰে। পুথিগত শিক্ষাৰে অতিশয় মেধাৱী নোহোৱাকৈয়ো সুকৰ্মৰে নিজৰ ভৱিষ্যৎ গঢ়িব পাৰি। গ্ৰন্থখনৰ আন এক ভাল লগা বিষয় হ'ল কেইগৰাকীমান স্বনিৰ্ভৰশীল ব্যক্তি তথা স্বনিয়োজনৰে উপাৰ্জনশীল হৈ পৰা কিছুমান অনুষ্ঠানৰ বিষয়ে কৰা উল্লেখ আৰু তেওঁলোকৰ কৰ্মৰ খতিয়ান। সীতাজখলা দুগ্ধ উৎপাদক, থলগিৰি, পাভৈ গ্ৰীণছ, ভোগালী জলপান, কন্যকা বহুমুখী পাম, ৰিপোজ, ব্ৰহ্মপুত্ৰ জাংগল ৰিজৰ্ট, সূৰুযমুখী কোম্পানী অসম, দি আছাম কম্পিউটাৰ্ছ ছপাশাল, মাইনা অট'মেটিক তাঁতশাল আদিৰ লগতে বহুকেইগৰাকী স্বনিৰ্ভৰশীল ব্যক্তিৰ কথা আৰু কৰ্মৰ বিষয়ে লেখিকাই এই কিতাপখনত কিছু কথাৰ অৱতাৰণা কৰিছে যাতে পাঠকে ইয়াৰ পৰা অনুপ্ৰেৰণা লাভ কৰিব পাৰে। 'খোজ' পাব্লিকেছনে প্ৰকাশ কৰা নতুন গ্ৰন্থখনে পঢুৱৈৰ আদৰ লাভ কৰক আমিও তাৰেই কামনা কৰিলো।

*ফোন ঃ ৭০৮৬৫২১৩০৭*

# মাতৃসকলে প্ৰহ্লাদৰ দৰে সন্তান জন্ম দিয়ক

## শেনচোৱা শংকৰদেৱ বিদ্যা নিকেতনৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**বিশেষ সংবাদদাতা**

**নগাঁও, ৭ ফেব্ৰুৱাৰী ঃ** 'বৰ্তমান সময়ত শিশুসকলক মানুহ হিচাপে গঢ় দিবলৈ হ'লে মাতৃসকলেই বিশেষ ভূমিকা গ্ৰহণ কৰিব লাগিব। মাতৃসকলে প্ৰহ্লাদৰ দৰে শিশু জন্ম দিয়ক।' এই মন্তব্য বিশিষ্ট সমাজ সংগঠক জগন্নাথ মহন্তৰ। ১৯৯৯ৰ সাত ফেব্ৰুৱাৰীৰ দিনটোতে কেইগৰাকীমান সমাজহিতৈষী লোকৰ একান্ত প্ৰচেষ্টাত নগাঁৰৰ বেবেজীয়াৰ সমীপত স্থাপিত 'শেনচোৱা শংকৰদেৱৰ শিশু বিদ্যা নিকেতন'ৰ ২৩ সংখ্যক প্ৰতিষ্ঠা দিৱস'ৰ মুকলি সভাত সমাজ সংগঠক মহন্তই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি পুনৰ কয়, 'শিশুসকলক মাতৃসকলে গৰ্ভত থাকোতেই কেনেকুৱা শিশু জন্ম দিব সেই কথা স্থিৰ কৰা উচিত। গতিকে মাতৃসকলে শিশুসকলক মানৱ সম্পদৰূপে গঢ় দিয়াৰ ক্ষেত্ৰত বিশেষ ভূমিকা লোৱাৰ সময় আহি পৰিছে।' নিকেতনৰ ভাৰপ্ৰাপ্ত উপ-সভাপতি জ্ঞানজিৎ কুমাৰ নাথে পতাকা উত্তোলন কৰা অনুষ্ঠানত স্মৃতি তৰ্পণ কৰে নিকেতনৰ কোষাধ্যক্ষ কেশৰাম নাথে। বন্তি প্ৰজ্বলন কৰে নিকেতনৰ প্ৰধান আচাৰ্য দেৱেন চন্দ্ৰ বৰাই। বৃক্ষৰোপণ কাৰ্যসূচীৰ মুকলি কৰে সমাজকৰ্মী কুঞ্জ বৰাই। মুকলি সভাত সভাপতিত্ব কৰে নিকেতনৰ ভাৰপ্ৰাপ্ত উপ-সভাপতি জ্ঞানজিৎ কুমাৰ নাথে। উপস্থিত থাকে ক্ৰমে সমাজ সংগঠক জগন্নাথ মহন্ত, তৰুণ চন্দ্ৰ মহন্ত, পুষ্পেন্দ্ৰ হাজৰিকা, ক্ৰীড়া সংগঠক শশীন্দ্ৰ দেৱ মহন্ত, অধিবক্তা মুকুল বৰঠাকুৰ আৰু সাংবাদিক দেৱজিৎ হাজৰিকাই। অনুষ্ঠানত গোলাপ বৰা, পুষ্পানন্দ মুদৈ, ৰাজীৱ বৰা, ৰাজু বৰা, তৰুণ বৰা, দেৱ শইকীয়া, অজিত শইকীয়া, দ্বীপেন কাকতি সহিতে নিকেতনৰ আচাৰ্য-আৰ্চাৰ্যী, ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অভিভাৱকসকল উপস্থিত থাকে। উল্লেখ্য যে ২০২০ত শেনচোৱা শংকৰদেৱৰ শিশু বিদ্যা নিকেতনৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে ডিষ্টিংছন-ষ্টাৰমাৰ্ক লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক আৰু প্ৰতিষ্ঠা দিৱস উপলক্ষে অনুষ্ঠিত মুকলি কুইজ তথা চিত্ৰাংকন প্ৰতিযোগিতাত স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক মানপত্ৰৰ লগতে বিভিন্ন পুৰস্কাৰসমূহ প্ৰদান কৰা হয়। আনহাতে, শেনচোৱা শিশু নিকেতনৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি স্থানীয় শেনচোৱাৰ স্বেচ্ছাসেৱী অনুষ্ঠান 'সৰ্বোন্নয়ন সমিতি'য়ে এটি কম্পিউটাৰ ছেটৰ আন আন সামগ্ৰীসমূহ প্ৰদান কৰে। প্ৰায় চাৰি শতাধিক ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকলৰ উপস্থিতিত অনুষ্ঠিত প্ৰতিষ্ঠা দিৱসৰ মুকলি সভা অনুষ্ঠানৰ আঁত ধৰে নিকেতনৰ পৰিচালনা সমিতিৰ সাধাৰণ সম্পাদক ৰাজু বৰাই।

# ছিপাঝাৰত ঝুমুইৰ নৃত্যৰ কৰ্মশালা আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ৭ ফেব্ৰুৱাৰী ঃ** দৰং জিলাৰ ছিপাঝাৰত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত আৰু ছিপাঝাৰ বন্দনা ডেঞ্চ একাডেমীৰ সহযোগত আজিৰে পৰা আৰম্ভ হৈছে সাদিনীয়াকৈ ঝুমুইৰ নৃত্যৰ কৰ্মশালা। ইয়াৰ কদমতলি যুৱক সংঘত প্ৰায় ৩০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা কৰ্মশালা বন্তি প্ৰজ্বলন কৰে দৰঙী লোক শিল্পী জীৱন চন্দ্ৰ নাথ ওজাই। বন্দনা ডেঞ্চ একাডেমীৰ সঞ্চালিকা বন্দনা বৰুৱাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত সাংবাদিক ক্ৰমে জয়দেৱ ডেকা আৰু নৱ কুমাৰ শইকীয়াই শিক্ষাৰ্থীসকলক উৎসাহিত কৰে। কৰ্মশালাত মাজবাট বেটিবাৰী চাহ বাগিচাৰ আচমান মানকি আৰু অমিত বিভাৰ প্ৰশিক্ষক হিচাপে উপস্থিত থাকে।

# বৰভাগত ১১০ সংখ্যক বাৰনগৰীয়া সেৱাৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**বৰভাগ, ৭ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ বৰভাগৰ উলাবড়ী গাঁৱৰ বাৰনগৰীয়া সেৱা আজি উলাবড়ী নৱনিৰ্মিত নামঘৰ প্ৰাংগণত অনুষ্ঠিত হয়। পুৱা বন্তি প্ৰজ্বলন কাৰ্যসূচী অনুষ্ঠিত হোৱাৰ পাছত সাত বজাত মূল ভকতক আদৰণি জনাই উলাবড়ী গাঁও পৰিচালনা সমিতিৰ সদস্য বিনয় তালুকদাৰে। ইয়াৰ পাছত ৭-৩০ বজাত সদাচাৰ স্থাপন কৰা হয়। পুৱা আঠ বজাত স্থানীয় বিধায়ক নাৰায়ণ ডেকাই ভাগৱত ভ্ৰমণ কাৰ্যসূচী আৰম্ভ কৰে। ইয়াৰ পাছতে অসংখ্য ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিত সমগ্ৰ অঞ্চলটো ভাগৱত লৈ ভ্ৰমণ কৰি পুনৰ নামঘৰত উপস্থিত হয়। ইয়াৰ পাছত ভাগৱত পাঠ, ভকত বৃন্দৰ নাম-প্ৰসংগ, গোসাঁই আদৰণি, নাগাৰা নাম প্ৰদৰ্শন কৰা হয়। বাৰা নগৰীয়া সেৱা অনুষ্ঠানত প্ৰাক্তন বিধায়ক পুলকেশ বৰুৱা, নলবাৰী কংগ্ৰেছৰ প্ৰাক্তন সভাপতি দিগন্ত বৰ্মন প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# বুৰঞ্জীমূলক চলচ্চিত্ৰ 'চিজৌ' কানাডা চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শন




**গুৱাহাটী, ৭ ফেব্ৰুৱাৰী ঃ** কানাডাত অনুষ্ঠিত মন্ট্ৰিয়েল ইণ্ডিপেণ্ডেণ্ট চলচ্চিত্ৰ মহোৎসৱলৈ নিৰ্বাচিত হৈছে বুৰঞ্জীমূলক চলচ্চিত্ৰ 'চিজৌ'। ভাৰত-ভূটান সীমান্ত (বিশেষকৈ অসম)ত বসবাস কৰা এক কাহিনী মূলতঃ দাসত্বৰ পটভূমিত চলচ্চিত্ৰখন নিৰ্মাণ কৰা হৈছে। চলচ্চিত্ৰখনৰ কাহিনী আৰু পৰিচালনা বিশাল পি চলিহাৰ ছবিয়েও প্ৰযোজনা কৰিছে। ওম প্ৰকাশ খেৰকটাৰী আদিয়ে। চলচ্চিত্ৰখনৰ চিনেমেটোগ্ৰাফী কৰিছে আশুতোষ কাশ্যপে, সংগীত পৰিচালনা ধ্ৰুৱজ্যোতি পাটগিৰিৰ, চাউণ্ড ডিজাইন কৰিছে দেৱজিৎ চাংমাই। চলচ্চিত্ৰখনৰ দৃশ্যগ্ৰহণ কৰা হৈছে অৰুণাচল প্ৰদেশ, অসমৰ মানৰ ৰাষ্ট্ৰীয় উদ্যান আৰু বাস্কাৰ চাইখংগুৰিত। এই চলচ্চিত্ৰখন ইউ এছ এৰ টেলিভিছন নেটৱৰ্ক ছিনেমৈয়ে প্ৰ'মচনৰ বাবে নিৰ্বাচন কৰিছে। এই চলচ্চিত্ৰখন ৩০ জানুৱাৰীত কানাডাৰ মন্ট্ৰিয়েল ইণ্ডিপেণ্ডেণ্ট চলচ্চিত্ৰ মহোৎসৱ আৰু দুই ফেব্ৰুৱাৰীত লছ এঞ্জেলছত অনুষ্ঠিত প্ৰতিযোগিতাত নিৰ্বাচিত হৈছে।

# হোজাই জিলা কৰ্মচাৰী পৰিষদৰ অধিবেশন সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**লংকা, ৭ ফেব্ৰুৱাৰী ঃ** লংকা আঞ্চলিক কৰ্মচাৰী পৰিষদৰ আতিথ্যত হোজাই জিলাৰ ২৭ সংখ্যক বাৰ্ষিক অধিবেশন আৰু মুকলি সভা আজি দিনজোৱা কাৰ্যসূচীৰে লংকা হাইস্কুল প্ৰাংগণত অনুষ্ঠিত হয়। হোজাই জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি ফাইজ মহম্মদ বৰভূঞাৰ সভাপতিত্বত অনুষ্ঠিত সভাত উপস্থিত থাকে সদৌ অসম কৰ্মচাৰী পৰিষদৰ উপদেষ্টা অনুপ কুমাৰ বৰঠাকুৰ, সভাপতি প্ৰদীপ দত্ত আৰু মৃনাল দাসৰ লগতে আন বহুকেইজনে। উক্ত সভাতে কৰ্মচাৰীসকলক সমস্যাৰ সম্পৰ্কে আলোচনা কৰি আগন্তুক দিনত সেয়া সমাধানৰ উদ্দেশ্যে বহুকেইটা প্ৰস্তাৱ লোৱা হয়। লগতে হোজাই জিলা আৰু লংকা আঞ্চলিক সমিতিৰ লগত জড়িত অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীক মানপত্ৰ, জাপি আৰু গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। সভাত বিনামূলীয়া চিকিৎসা সেৱা আঁচনি, এন পি এছ কৰ্মচাৰীক পুৰণি পেঞ্চন আঁচনিৰ অধীনত নিয়া, সপ্তম দৰমহা আয়োগৰ, প্ৰতিটো বিভাগৰ কৰ্মচাৰীৰ চাকৰিৰ বিধি প্ৰৱৰ্তন, টেট, ঠিকা ভিত্তিত আৰু অস্থায়ী কৰ্মচাৰীৰ চাকৰি নিয়মীয়াকৰণ, মুখ্য সহায়কৰ পদ সৃষ্টি, কৰ্মচাৰীসকলক ভৱিষ্যৎ নিৰাপত্তা, মৰগীয়া বানচ, চাকৰি কাল ৬০ৰ পৰা ৬২ বছৰ কৰা, ঘৰ ভাড়া বানচ আদি বিভিন্ন বিষয়সমূহ পূৰণ কৰা ক্ষেত্ৰত চৰকাৰৰ লগতে আলোচনা কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে।

# হোজাইত নিবনুৱা শ্ৰমিক সন্থাৰ যোগদান সমাৰোহ

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ৭ ফেব্ৰুৱাৰী ঃ** হোজাই জিলাৰ নিবনুৱা শ্ৰমিক সন্থাৰ উদ্যোগত আজি হোজাইৰ পদুমণিত এক যোগদান সমাৰোহ অনুষ্ঠিত হয়। শ্ৰমিক সন্থাৰ সভাপতি বদৰুল ইছলামৰ সভাপতিত্বত অনুষ্ঠিত হয় যোগদান সমাৰোহ। উক্ত সভাত অৰ্ধ শতাধিক লোকে যোগদান কৰি কাম কৰাৰ সংকল্প গ্ৰহণ কৰে। শ্ৰমিক সন্থাৰ উপদেষ্টা ড° ফৰিদ খানে বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি সংগঠনৰ কাম-কাজ সম্পৰ্কে আলোকপাত কৰি শ্ৰমিক শ্ৰেণীৰ সাধাৰণ ৰাইজৰ কল্যাণৰ হকে কাম কৰাৰ বাবে ৰাইজ আগবাঢ়ি অহা বুলি কয়।

# জুৰীয়াত প্ৰচলিত অন্ধবিশ্বাস-কুসংস্কাৰৰ বিৰুদ্ধে 'ৰাইজ মেল'

**অগ্ৰদূত বাৰ্তা**

**জুৰীয়া, ৭ ফেব্ৰুৱাৰী ঃ** অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদৰ দ্বাৰা পৰিচালিত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ জুৰীয়া খণ্ডৰ উদ্যোগত আজি জুৰীয়া থানা সমিতিৰ কাৰ্যালয়ত প্ৰচলিত অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে এখন ৰাইজ মেল অনুষ্ঠিত হয়। থানা সমিতিৰ সভাপতি আশ্বাদ আলী মড়লৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিশিষ্ট চিকিৎসক তফাজ্জুল হুছেইনে কয়, 'আমাৰ সমাজত অন্ধবিশ্বাস আৰু কুসংস্কাৰে গ্ৰাস কৰি পেলাইছে। অকল অশিক্ষিত লোকৰ মাজত নহয়, শিক্ষিত লোকৰ মাজতো কেতবোৰ অন্ধবিশ্বাসজনিত ঘটনা সংঘটিত হৈছে। যিটো শিক্ষিত সমাজৰ কাৰণে এক লজ্জাজনক ঘটনা হিচাপে বিবেচিত হৈছে। এইবোৰ সমাজৰ পৰা ৰোধ কৰিব নোৱাৰিলে, এখন সমাজ কেতিয়াও আগবাঢ়ি নাযায়।' তেওঁ এই ক্ষেত্ৰত সুশিক্ষাৰ প্ৰয়োজন আছে বুলি মন্তব্য কৰি কয় যে জ্ঞান মানসিকতাক বৈজ্ঞানিকভাৱে বিশ্লেষণ কৰাৰ বোধশক্তি গঢ়ি তোলাৰ সময় আহি পৰিছে। 'মানুহে মানুহৰ বাবে' আঁচনিৰ বিষয়বস্তুৰ আধাৰত অনুষ্ঠিত সভাত জুৰীয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মৃগেন শইকীয়াই কয় যে বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগত যি সময়ত মানুহে মংগল গ্ৰহত অৱতাৰণ কৰি বসবাস কৰাৰ চিন্তা-চৰ্চা চলাইছে, সেই সময়ত চিকিৎসা বিজ্ঞানক সম্পূৰ্ণ নস্যাৎ কৰি একাংশ লোকে বেমাৰ হ'লেই বেজৰ ওচৰত শৰণাপন্ন হোৱাটো খুবেই দুৰ্ভাগ্যজনক। তেওঁ নৱ প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলক অন্ধবিশ্বাস আৰু কুসংস্কাৰমুক্ত এখন সমাজ গঢ়াত আগভাগ ল'বলৈ আহ্বান জনায়। বিশিষ্ট শিক্ষাবিদ ফজুলল হক মৰলে কয় যে সমাজৰ পৰা কুপ্ৰথা আঁতৰাবলৈ ৰাইজ আগবাঢ়ি আহিব লাগিব। বিজ্ঞান কেন্দ্ৰৰ সমন্বয়ক নাছিম উদ্দিন আহমেদে বিষয়বস্তু উপস্থাপন কৰা সভাত স্থানীয় আৰক্ষী বিভাগৰ চক্ৰ পৰিদৰ্শক শংকৰ মণ্ডল, থানা সমিতিৰ সহকাৰী সম্পাদক এমৰান হুছেইন, সংখ্যালঘু সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সম্পাদক আৰু বক্কৰ ছিদ্দিক, জুৰীয়া প্ৰেছ ক্লাবৰ সভাপতি বাবুল শইকীয়া, গাঁওৰক্ষী বাহিনীৰ সভাপতি-সম্পাদক, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে।

# লিখিত পৰীক্ষা দিবলৈ আহি

*তিনি পৃষ্ঠাৰ পৰা* প্ৰাধিকৰণৰ কোনো বিষয়ববীয়া পৰীক্ষক উপস্থিত নাছিল বুলি অভিযোগ উঠিছে। আনকি বিদ্যালয়খনো খুলি দিয়া হোৱা নাছিল বুলিও ভুক্তভোগীয়ে অভিযোগ উত্থাপন কৰিছে। ফলত পৰীক্ষা নিদিয়াকৈয়ে প্ৰাৰ্থীসকল উভতি যাব লগা হয়। নগাঁও আইন সেৱা প্ৰাধিকৰণৰ এনে কাৰ্যৰ বাবে প্ৰাৰ্থীসকলে ক্ষোভ প্ৰকাশ কৰে।

# ৰেছন কাৰ্ডৰ জালিয়াতিত সুলভ

*তিনি পৃষ্ঠাৰ পৰা* কাৰ্ডখন বলপূৰ্বক নিজৰ হাতত ৰাখে। ইপিনে, ছামাদে ৰেছন কাৰ্ডখন পাবলৈ বাৰম্বাৰ অনুৰোধ কৰে যদিও জামালে কাৰ্ডখন প্ৰদান কৰাৰ সলনি ছামাদক ওলোটাই প্ৰচণ্ড ধমকি আৰু ভাবুকি প্ৰদান কৰা বুলি অভিযোগ কৰিছে। ইপিনে, চতুৰ সুলভ মূল্যৰ দোকানীগৰাকীয়ে ছামাদৰ পৰিয়ালৰ নামত থকা ০০৪৫৯৬ নম্বৰৰ ৰেছন কাৰ্ডখন ধনৰ লালসাত কাৰ্ডখনৰ পৰা ছামাদৰ পৰিয়ালৰ নাম কৰ্তন কৰি জনৈক হাফিজা খাতুনৰ পৰিয়ালৰ নাম অন্তৰ্ভুক্ত কৰে বুলি ছামাদে অভিযোগ কৰিছে। ইতিমধ্যে সমগ্ৰ ঘটনা সন্দৰ্ভত ছামাদে তামাৰহাট আৰক্ষী থানাত এজাহাৰ দাখিল কৰাত আৰক্ষীয়ে ৫৪৩/২১ নম্বৰত এটা গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে। ভুক্তভোগী ছামাদে সুলভ মূল্যৰ দোকানী জামালৰ জালিয়াতিৰ বিৰুদ্ধে তদন্ত আৰু শাস্তিৰ দাবী কৰি গোসাঁইগাঁৱৰ মহকুমাধিপতিৰ কাৰ্যালয়ত লিখিতভাৱে অভিযোগ দাখিল কৰিছে। ইপিনে, খাদ্য আৰু অসামৰিক যোগান বিভাগ সমগ্ৰ ঘটনা সন্দৰ্ভত জানি-বুজিও নিধিৰাম চৰ্দাৰৰ ভূমিকাত অৱতীৰ্ণ হৈছে বুলিও অভিযোগ আহিছে।

# তিনিচুকীয়াৰ বালুগদাত

*তিনি পৃষ্ঠাৰ পৰা* এতিয়া গুদামটোত খোৱা পানী তৈয়াৰ কৰাৰ লগতে ইন্দ্ৰকোট তৈয়াৰ কৰা হয়। বৈদ্যুতিক বিজুতিৰ কাৰণে এই অগ্নিকাণ্ড সংঘটিত হোৱাৰ সন্দেহ প্ৰকাশ কৰিছে। অগ্নিকাণ্ড সংঘটিত হৈ থকাৰ সময়তে উক্ত স্থানত তিনিচুকীয়া সদৰ আৰক্ষী থানাৰ চহৰ পৰিদৰ্শক ভাস্কৰজ্যোতি ফুকনৰ লগতে অতিৰিক্ত কাৰ্যবাহী দণ্ডাধীশ নীলুৰাম শৰ্মা উপস্থিত হয় আৰু অগ্নিকাণ্ডৰ সন্দৰ্ভত প্ৰাথমিক তদন্ত আৰম্ভ কৰে। স্থানীয় লোকৰ অভিযোগ অনুসৰি উক্ত আৱাসিক অঞ্চলত থকা গুদামটোত অবৈধভাৱে পেট্ৰ'লজাতীয় সামগ্ৰী মজুত ৰখাৰ লগতে বিভিন্ন কেমিকেলজাতীয় দ্ৰব্য তৈয়াৰ কৰে। এই পৰ্যন্ত অগ্নিকাণ্ডৰ ফলত কিমান টকাৰ সম্পত্তিৰ ক্ষয়-ক্ষতি হ'ল জানিব দিয়া নাই যদিও লক্ষাধিক টকাৰ সম্পত্তি জুইত জাহ গৈছে। ইয়াৰ পূৰ্বেও যিহেতু উক্ত গুদামটোত অগ্নিকাণ্ড সংঘটিত হৈছে। সেই হেতুকে স্থানীয় লোকৰ বহু অভিযোগ আছে যদিও অগ্নিকাণ্ড সংঘটিত হোৱাৰ কাৰণ বা আৱাসিক অঞ্চলত কেনেদৰে এনে এটা গুদাম নিৰ্মাণ কৰিব পাৰিলে সেয়া পৰৱৰ্তী সময়ত সম্পূৰ্ণ আৰক্ষী প্ৰশাসনৰ তদন্তত স্পষ্ট হ'ব।

# মিঞা পৰিষদৰ কেন্দ্ৰীয়

*তিনি পৃষ্ঠাৰ পৰা* ত্ৰি-বাৰ্ষিক খিলঞ্জীয়া মিঞা কেন্দ্ৰীয় অভিৱৰ্তনত গঠন কৰা ৩১ জনীয়া পৰিষদখনক আজি শপতগ্ৰহণ কৰায় বিশিষ্ট সাংবাদিকগৰাকীয়ে। উল্লেখ্য যে এম মহৰ আলীক সভাপতি, অধ্যাপক এম আব্দুল বাতেন আৰু শিক্ষাবিদ-সমাজকৰ্মী এম মজিবুৰ ৰহমানক উপ-সভাপতি, অধিবক্তা এম মুক্তাৰ মণ্ডল, এম ৰফিকুল ইছলাম হাজৰিকা, এম আনিছুৰ ৰহমানক সাধাৰণ সম্পাদকৰূপে লৈ গঠিত সমিতিখনে আগন্তুক দিনত জাতিক সঠিক দিশত আগবঢ়াই নিয়াৰ লক্ষ্যত আপোচবিহীন সংগ্ৰামী কাৰ্যসূচী ৰূপায়ণ কৰিব বুলি নৱগঠিত কেন্দ্ৰীয় সমিতিখনে ঘোষণা কৰে। তদুপৰি ২০২১ৰ লোকপিয়লত অসমীয়া ভাষিক সংখ্যা ৫০ শতাংশৰ ওপৰলৈ নিয়া, অসমৰ অখণ্ডতা ৰক্ষাৰ স্বাৰ্থত প্ৰাকস্বাধীনতাৰ উত্তৰ-পুৰুষ কামৰূপ-কমতাপুৰী জনজাতিমূলীয় মিঞা জনগোষ্ঠীকে আদি কৰি অতিকৈ পিছপৰা জনগোষ্ঠীসমূহৰ সাৰ্বিক উন্নয়ন কৰিবলৈ জনগোষ্ঠী পৰিসীমিত স্বায়ত্ত পৰিষদ গঠন, ব্ৰহ্মপুত্ৰৰ মাজভাগ খনন কৰি দুয়োপাৰে আৰ চি চি মথাউৰি নিৰ্মাণৰে বান-খহনীয়াৰ স্থায়ী সমাধান, এন আৰ চিৰ সমতুল্য মিঞা পৰিষদৰ সদস্য চিনাক্তপত্ৰ অভিযান, সাম্প্ৰদায়িক মেৰু বিভাজনৰ ৰাজনীতি উৎখাত কৰাৰ লক্ষ্য লোৱা বুলিও কেন্দ্ৰীয় সমিতিয়ে ঘোষণা কৰে।

# আগমনীৰ মইশাত নটাকৈ

*তিনি পৃষ্ঠাৰ পৰা* স্থানীয় ৰাইজে জুই নুমুৱাৰ বাবে আপ্ৰাণ চেষ্টা চলায় যদিও তিনিটাকৈ গেছৰ ছিলিণ্ডাৰ ব্লাষ্ট হোৱাত অগ্নিয়ে ভয়ংকৰ ৰূপ লয়। উক্ত অগ্নিকাণ্ডত হাছেন আলী, আমিনুৰ ৰহমান, কোবাদ আলী, হামিদুৰ ৰহমান, কুদৰত আলী, হাজিৰন বেওৱা, আমজাদ আলী, নাজিৰ আলী, কফিৰুদ্দিন আলীকে ধৰি নটাকৈ পৰিয়ালৰ গৃহৰ লগতে সা-সামগ্ৰী, গুৰুত্বপূৰ্ণ নথিপত্ৰ পুৰি চাই হৈ যায়। অগ্নিকাণ্ড সংঘটিত হোৱাৰ দুঘণ্টাক পাছত অগ্নিনিৰ্বাকপ বাহিনীৰ গাড়ী উপস্থিত হোৱাত ৰাইজে আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনীক আক্ৰমণ কৰিবলৈ উদ্যত হয়। পাছত ক্ষুব্ধ ৰাইজে মইশাৰ ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰাত তীব্ৰ যান-জঁটৰ সৃষ্টি হোৱাত প্ৰায় এক ঘণ্টা ধৰি ৰাষ্ট্ৰীয় ঘাইপথত যানবাহনৰ চলাচল বন্ধ হৈ পৰে। পাছত একাংশ স্থানীয় ৰাইজৰ বুজনিত পথছোৱা মুকলি কৰি দিয়ে ক্ষুব্ধ ৰাইজে। অগ্নিকাণ্ডত প্ৰায় ৩০ লাখ টকাৰ সম্পত্তিৰ ক্ষতিসাধন হোৱা বুলি জানিব ক্ষতিগ্ৰস্ত ৰাইজে জানিবলৈ দিছে।

# সংবাদকৰ্মীয়ে সমাজ

*তিনি পৃষ্ঠাৰ পৰা* সভাপতি তপন শইকীয়াই পতাকা উত্তোলন, প্ৰাক্তন বিষয়ববীয়া কৃষ্ণ ৰাম বৰুৱাই স্মৃতি তৰ্পণ আৰু ডিম্বেশ্বৰ হাজৰিকাই পুষ্পাঞ্জলি অৰ্পণ কৰে। কলিয়াবৰ প্ৰেছ ক্লাবৰ মুখ্য উপদেষ্টা নৃপেন চন্দ্ৰ কেওঁটে আঁত ধৰা অনুষ্ঠানত মহকুমাধিপতি বিতোপন নেওগ, কলিয়াবৰ জিলা সত্ৰ মহাসভাৰ সভাপতি হীৰু প্ৰসাদ মহন্ত, শিল্পী ৰামেশ্বৰ হাজৰিকাই ভাষণ আগবঢ়ায়। শিল্পী যোগেন বৰদলৈৰ পৰিচালনাত শিল্পীসকলে এটি সমবেত সংগীত পৰিৱেশন কৰা অনুষ্ঠানত কলিয়াবৰ লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী ৰেখা দেৱী, সম্পাদিকা ৰাণু নেওগ ভূঞা, নগাঁও আঞ্চলিক সাহিত্য সভাৰ সম্পাদক মৃণাল হাজৰিকা, কলিয়াবৰ শাখা সাহিত্য সভাৰ সম্পাদক বিৰাজ ভূষণ বৰা, মিছা মিলন সংঘৰ সম্পাদক জগত মেধি, জ্যেষ্ঠ সাংবাদিক নৰেন্দ্ৰ নাথ হাজৰিকা, গোপাল শইকীয়া, কলিয়াবৰ প্ৰেছ ক্লাবৰ প্ৰাক্তন বিষয়ববীয়া কৃষ্ণৰাম বৰুৱা, ডিম্বেশ্বৰ হাজৰিৰকা, প্ৰণৱ মহন্ত, দামোদৰ শইকীয়া, সিদ্ধাৰ্থ শংকৰ গোস্বামী, জখলাবন্ধা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ চূড়ামণি বৰঠাকুৰ, কলিয়াবৰ খণ্ড উন্নয়ন বিষয়া দোলেন চন্দ্ৰ পাটৰ, কলিয়াবৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি যতীন বৰা, জখলাবন্ধা গাঁও পঞ্চায়তৰ সভানেত্ৰী তৃষ্ণা ৰাণী শইকীয়া, শিল্পী ৰামেশ্বৰ হাজৰিকা, নাট্যকৰ্মী ভূপেন্দ্ৰ নাথ হাজৰিকা, পৰেশ নাথ ভূঞাকে প্ৰমুখ্য কৰি কাজিৰঙা প্ৰেছ ক্লাবৰ সংবাদ কৰ্মীসকল, কলিয়াবৰ নবীন-প্ৰবীণ সংবাদ কৰ্মীৰ লগতে কৰিয়াবৰ প্ৰেছ ক্লাবৰ সদস্যসকল উপস্থিত থাকি বক্তব্য আগবঢ়ায়।

# নকছাৰীত দুৰ্ঘটনাত এজন

*তিনি পৃষ্ঠাৰ পৰা* যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। মৃত নগা সেনা জোৱানজনৰ মৰণোত্তৰ পৰীক্ষাৰ লগতে যাৱতীয় কাম-কাজত নকছাৰী আঞ্চলিক ছাত্ৰ সন্থাই সম্পূৰ্ণ সহযোগিতা আগবঢ়ায়। নকছাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা তথা সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক পঞ্চানন দুৱৰাৰ নেতৃত্বত নকছাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক মাধুৰ্য গগৈ, উপ-সভাপতি দেৱজিত গগৈসহ ছাত্ৰ সন্থাৰ এটা দলে চাৰিং নগা বস্তিৰ প্ৰয়াত চেন্টি নাংটি আওৰ ঘৰত উপস্থিত হোৱাৰ লগতে অন্ত্যেষ্টিক্ৰিয়া অনুষ্ঠানতো ভাগ লয়। ছাত্ৰ সন্থাৰ এনে কাৰ্যক নগা লোকসকলে শলাগ লোৱাৰ উপৰি বিপদে-আপদে সমিলমিলেৰে সকলো সমস্যা সমাধান কৰাৰ লগতে অসমীয়া আৰু নগালোকৰ মাজত অনাগত দিনত সম্প্ৰীতি গঢ়ি লোৱাৰ পোষকতা কৰে।

# ৰঙিয়াত শহুৰেকৰ ঘৰতে প্ৰহৃত

*তিনি পৃষ্ঠাৰ পৰা* সন্দৰ্ভত আহত মহিলাগৰাকীৰ স্বামী মতলেৱ আলীয়ে জানিবলৈ দিয়া মতে, ৰঙিয়া চিৰাখুন্দিৰ আমিন চৌধুৰীৰ প্ৰথমা পত্নী থকাৰ পাছতো তেওঁৰ কন্যাক বিভিন্ন প্ৰলোভন দি প্ৰেমৰ সম্পৰ্ক গঢ়ি তোলে। পাছত চেগ বুজি তেওঁ পলুৱাই লৈ যায়। কিছুদিন ঘৰ ভাড়াত থাকি দুয়ো সংসাৰ কৰে যদিও শেহতীয়াভাৱে তেওঁৰ কন্যা মাতৃগৃহলৈ উভতি আহে। কিন্তু কালি শহুৰেকৰ ঘৰত হঠাৎ উপস্থিত হৈ জোঁৱায়েকে পত্নীৰ লগত কাজিয়াত লিপ্ত হয়। কাজিয়াৰ মাজতেই তেওঁ পত্নী আৰু শাহুৰেকক প্ৰহাৰ কৰে। ফলত পত্নী আৰু শাহু আহত হয়। ইপিনে, ঘটনা সংঘটিত কৰিয়েই জোঁৱায়েক আমিন চৌধুৰীয়ে পলায়ন কৰে। লগে লগে মতলেৱ আলীয়ে পত্নী আৰু কন্যাক ৰঙিয়া অসামৰিক চিকিৎসালয়লৈ নি চিকিৎসা কৰোৱাৰ লগতে জোঁৱায়েকৰ বিৰুদ্ধে ৰঙিয়া থানাত এক গোচৰ ৰুজু কৰে।

# ধিং গেটৰ উৰণীয়া সেতু দুৰ্ঘটনাত

*তিনি পৃষ্ঠাৰ পৰা* সংঘটিত হয়। ট্ৰাকৰ খুন্দাত ঘটনাস্থলীতে স্কুটী আৰোহীজনৰ মৃত্যু হয়। স্কুটীখনত এটি কণমানি ছোৱালীও আছিল যদিও দৈৱক্ৰমে শিশুটি ৰক্ষা পৰে। নিহত লোকজনৰ ঘৰ চহৰখনৰ পাৰ্শ্বৱৰ্তী হুজগাঁৱত। ট্ৰেফিক কনিষ্টবলৰ স্বামী বৰাই বিয়া কৰোৱা দুমাহহে হৈছিল। আত শিশুটি তেওঁৰ আত্মীয়। ইপিনে, দুৰ্ঘটনাটো সংঘটিত কৰিয়েই ট্ৰাকখন পলানৰ চেষ্টা কৰে যদিও পাছত স্থানীয় লোকে জব্দ কৰে। উল্লেখ্য যে দুৰ্ঘটনাটোত নিহত বৰাৰ ৰক্তাক্ত মৃতদেহটো উৰণীয়া সেতুৰ ওপৰত স্কুটীখনৰ কাষতে পৰি থকাৰ সময়ত কণমানি ছোৱালীজনীয়ে মৃতদেহটো লিৰিকি বিচাৰি ফেকুৰি ফেকুৰি কান্দি আছিল যদিও বহু পৰলৈকে কোনো পথচাৰীয়ে সহায়ৰ বাবে আগবাঢ়ি যোৱা নাছিল। আনকি একাংশ লোকে বাহন চলাই কাষদিয়েই পাৰ হৈহে যায়। অৱশ্যে পাছত একাংশ লোকে শিশুটোৰ ওচৰলৈ আগবাঢ়ি যায়।

# নগাঁও জিলা অন্যান্য পিছপৰা শ্ৰেণী

*তিনি পৃষ্ঠাৰ পৰা* ওচৰত অভিযোগ দাখিল কৰিছিল। এই অভিযোগৰ ভিত্তিত ৰাজ্যিক সন্মিলনীৰ পৰামৰ্শৰ ভিত্তিত নগাঁও ছহিদ ভৱনত আজি এখন সভা অনুষ্ঠিত হয়। এই সভালৈ যোৱা ২০ ডিচেম্বৰত গঠন হোৱা কমিটীখনক আলোচনাৰ বাবে আমন্ত্ৰণ জনায়। সেই মৰ্মে সোণাৰাম বৰা নেতৃত্বাধীন কমিটীখনৰ বিষয়ববীয়াসকল ছহিদ ভৱনত অনুষ্ঠিত হয় যদিও ছহিদ ভৱনৰ গেটত সাধাৰণ সভাৰ বেনাৰ দেখা পাই তেওঁলোক স্তম্ভিত হয়। আজিৰ সভাখনত সদৌ অসম অন্যান্য পিছপৰা শ্ৰেণী সন্মিলনৰ সভাপতি অমৰ গগৈয়ে অংশগ্ৰহণ কৰে। সোণাৰাম বৰা নেতৃত্বাধীন কমিটীখনৰ বিষয়ববীয়াসকলে সভাস্থলীতে সন্মিলনৰ ৰাজ্যিক সভাপতিৰ হাতত এখন স্মাৰকপত্ৰ প্ৰদান কৰি উল্লেখ কৰে যে একে সময়ত দুখন কমিটী হ'ব নোৱাৰে। একে বিষয়তে দুখন সাধাৰণ সভা অনুষ্ঠিত কৰাতো সংবিধান সন্মত নহয়। সেয়ে ২০ ডিচেম্বৰত গঠিত নগাঁও জিলা অন্যান্য পিছপৰা শ্ৰেণী সন্মিলনৰ কমিটীখনক মান্যতা প্ৰদান কৰিবলৈ ৰাজ্যিক সভাপতিক আহ্বান জনায়। ইপিনে, আজি ছহিদ ভৱনত অনুষ্ঠিত নগাঁও জিলা অন্যান্য পিছ পৰা শ্ৰেণী সন্মিলনৰ আনটো গোটৰ সভাই হেমৰাম শইকীয়াক সভাপতি হিচাপে লৈ নগাঁও জিলা অন্যান্য পিছপৰা শ্ৰেণী সন্মিলনৰ জিলা কমিটী গঠন কৰে। ২০ ডিচেম্বৰত গঠিত কমিটীখন বৈধ নহয় বুলি আজি অনুষ্ঠিত সাধাৰণ সভাই মত পোষণ কৰে। সংবাদ মাধ্যমৰ আগত আজি গঠিত সমিতিৰ বিষয়ববীয়াই জানিবলৈ দিয়ে যে আজি গঠন হোৱা কমিটীখন নগাঁও জিলা অন্যান্য পিছপৰা শ্ৰেণী সন্মিলনৰ প্ৰকৃত কমিটী। ইপিনে, সোণাৰাম বৰা নেতৃত্বাধীন কমিটীখনৰ বিষয়ববীয়াই সংবাদ মাধ্যমৰ আগত অভিযোগ কৰি কয় যে আজি অনুষ্ঠিত সাধাৰণ সভাখন বৈধ নহয়। নিজ খেয়াল খুচি মতে একাংশই আজি সাধাৰণ সভা অনুষ্ঠিত কৰি নগাঁও জিলা অন্যান্য পিছপৰা শ্ৰেণী সন্মিলনৰ জিলা কমিটীখন বৈঠ কমিটী। নগাঁও জিলা অন্যান্য পিছপৰা শ্ৰেণী সন্মিলনৰ এই সংঘাতে অনাগত দিনত কি ৰূপ লয় সেয়া লক্ষ্যণীয় হ'ব।

# সংগীত শিল্পী মঞ্চ, নগাঁৱৰ স্থায়ী গৃহৰ

*তিনি পৃষ্ঠাৰ পৰা* এয়ে প্ৰথম। সংগীত শিল্পী মঞ্চই ডাঙৰ আদৰ্শ দাঙি ধৰিছে। আজি অনুভৱ হৈছে ইয়াত আমাৰো যেন এখন ঘৰ হ'ল। সভাত বিধায়ক শৰ্মাই কয়, 'শিল্পীসকল পেছাগতভাৱে ধনী নহয়। সংগীত শিল্পী মঞ্চ, নগাঁৱৰ 'শিল্পীসকলে প্ৰথমে এটকা, দুটকাকৈ গোটাই, কাঠ-বাঁহ আনি এটা সৰু ঘৰ নিৰ্মাণ কৰিছিল। ২০০০ তে স্থাপন হোৱা উক্ত অনুষ্ঠানটোৰ দীৰ্ঘ প্ৰতীক্ষাৰ অন্তত সপোন বাস্তৱায়িত হ'ল। বিধায়ক শৰ্মাই নগাঁৱৰ সকলো শিল্পীক একেখন মঞ্চত থাকিবলৈ অনুৰোধ জনাই কয় যে নগাঁৱৰ সমূহ শিল্পীৰ এইখন আছুতীয়া মঞ্চ হ'ব লাগিব। আমি পুৰণি জ্যেষ্ঠ শিল্পী সন্মান দিব লাগিব আৰু নতুন শিল্পীসকল আদৰিব লাগিব। সংগীত শিল্পী মঞ্চত শিল্পীসকলৰ গৌৰৱ, আৱেগ আৰু আনন্দ সংপৃক্ত হৈ আছে।' উক্ত অনুষ্ঠানটোত বিশিষ্ট শিল্পী শান্তা উজীৰ, কুইন দাস, সন্ধ্যা মেননৰ লগতে জ্যেষ্ঠ সাংবাদিক ৰাজেন বৰকাকতি, বিশিষ্ট সমাজসেৱী ৰঞ্জিত তামুলী ফুকন, দেৱেন্দ্ৰ সিং চেহমী, নগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰতিমোহন নাথ উপস্থিত থাকে। সংগীত শিল্পী মঞ্চৰ তৰফৰ পৰা এই বিশিষ্ট ব্যক্তিসকলক গামোচা, চেলেং, জাপি আদিৰে সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ লগতে নগাঁৱৰ বহুকেইজন শিল্পী, সাংবাদিক, ক্ৰীড়াবিদকো সংগীত শিল্পী মঞ্চৰ উদ্যোক্তাসকলে সম্বৰ্ধনা জনায়। সেইসকলৰ ভিতৰত সংগীত শিল্পী দীগেন মহন্ত, সূৰ্য ৰাজা, তাৰিণী শৰ্মা, মোহিনী দাস, চিত্ৰদেৱ মহন্ত, জীয়েন্স বৰদলৈ, স্বৰাজ নাথ, আৰিফুল হক, অঞ্জলি কটকী, বিশিষ্ট সমাজসেৱিকা নিৰু দেৱী, ৰাজ্যিক পৰ্যায়ৰ খেলুৱৈ শৰ্মিলা বৰা, নগাঁও প্ৰেছ ক্লাবৰ সভাপতি-সম্পাদক ক্ৰমে কনক হাজৰিকা আৰু চন্দনজ্যোতি বৰা।

# নতুন ৰাজনৈতিক দলসমূহ হাৰত

*তিনি পৃষ্ঠাৰ পৰা* স্থিতি লোৱাৰে পৰা বৃদ্ধকাললৈকে বিভিন্ন চৰকাৰী আঁচনিৰে যিমান উপকৃত কৰিছে সেই উপলব্ধি কৰি ৰাইজ আজি বিজেপিৰ প্ৰতি প্ৰশংসিত হৈ পৰিছে। লগতে তেওঁ কংগ্ৰেছে আৰু অনাগত প্ৰায় ৫০ বছৰ কাল চৰকাৰ গঠন কৰিব নোৱাৰে বুলিও মন্তব্য কৰে। তদুপৰি কংগ্ৰেছৰ দিনত মানুহৰ বেমাৰ হ'লে মাটি বিক্ৰী কৰি চিকিৎসা কৰিব লগা পৰিস্থিতিৰ বৰ্তমান অৱসান ঘটাই বিজেপি চৰকাৰে অটল অমৃত আৰু আয়ুষ্মান ভাৰত আঁচনিৰে মানুহক যি উপকাৰ সাধিছে সেয়া অসমৰ ৰাইজে পাহৰি গৈ কেতিয়াও অন্য ৰাজনৈতিক দলৰ প্ৰলোভনৰ ৰাজনীতিত ভোল নাযায় বুলিও দৃঢ় মন্তব্য কৰে। আনহাতে, পৃষ্ঠাপ্ৰমুখ সন্মিলনতে ৰাজ্যিক বিজেপিৰ সম্পাদক বেনুধৰ নাথে বিজেপিৰ পৃষ্ঠাপ্ৰমুখৰ উদ্দেশ্য আৰু লক্ষ্যৰ বিষয়ে কয় যে বিজেপিৰ পৃষ্ঠাপ্ৰমুখ কাৰ্যাৱলীখনক বিজেপি কৰ্মীসকলে ইমানেই ভাল পাইছে যে এতিয়া পৃষ্ঠাপ্ৰমুখৰ উপৰি পৰিয়াল প্ৰমুখ কাৰ্যাৱলী গ্ৰহণ কৰিবলৈও দলীয় নেতৃত্বক আহ্বান জনায়। লগতে তেওঁ বিৰোধী দলসমূহক সমালোচনা কৰি কয় যে তিহাৰ জেলৰ ভাত খোৱা বা আগৰৰ বেপাৰীৰ নেতৃত্বত থকা ৰাজনৈতিক দলসমূহৰ পৰা ৰাইজে আৰু কি সুস্থ ৰাজনৈতিক বাতাবৰণ বা ভাল আঁচনি লাভ কৰিব সেই কথা বৰ্তমান ৰাইজে বুজি উঠিছে। সমগ্ৰ ৰাজ্যখনতে বিজেপিয়ে তিনি লাখ ২০ হেজাৰ পৃষ্ঠাপ্ৰমুখ নিযুক্তি দিয়া বুলিও সদৰী কৰে। পৃষ্ঠাপ্ৰমুখ সন্মিলনখনত আদৰণি ভাষণ দিয়ে বিজেপিৰ বজালী জিলা সমিতিৰ সভাপতি নগেন চৌধুৰীয়ে। সমগ্ৰ অনুষ্ঠানৰ আঁত ধৰে ধ্ৰুৱজিৎ মেধিয়ে। আনহাতে, সন্মিলনখনত অংশগ্ৰহণ কৰে গোপীৰাম নাথ, বিজেপিৰ বজালী জিলা সমিতিৰ উপ-সভাপতি নিপন ডেকা, সম্পাদক ক্ৰমে সুৰজিৎ পাটগিৰি আৰু প্ৰশান্ত বৰ্মন, এছ চি মৰ্চাৰ বজালী জিলা সমিতিৰ সভাপতি নৱ ভৰালী, ভৱানীপুৰ মণ্ডল সমিতিৰ সভাপতি মামণি পাটগিৰি, ভৱানীপুৰ উত্তৰ মণ্ডলৰ সভাপতি সঞ্জীৱ নাথৰ উপৰি আন কে'বাগৰাকীও দলীয় নেতা-কৰ্মীয়ে।

# ২০২১ত উৎখাত হ'ব বিজেপি ঃ লুৰীণজ্যোতি

*তিনি পৃষ্ঠাৰ পৰা* সমগ্ৰ চৰকাৰ, প্ৰশাসন ব্যৱহাৰ কৰি ভয়-ভাবুকিৰে যানবাহন অধিগ্ৰহণ কৰিও তেজপুৰৰ জাতীয় নাৰী শক্তিৰ প্ৰথমখন ৰাজনৈতিক মহিলা অভিৱৰ্তনক বাধা দিব নোৱাৰিলে। জয়মতী, মূলা গাভৰু, কনকলতা, সতীসাধিনীৰ ৰাজ্যত নাৰীক আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অপমান কৰিছে। তেওঁ লগতে কয়, 'যোৱা ১৫ বছৰে ড° হিমন্ত বিশ্ব শৰ্মা জালুকবাৰীৰ বিধায়ক হৈ থকা অৱস্থাত শুৱালকুছিত ৪০ শতাংশ তাঁতশাল হ্ৰাস পাইছে।' লুৰীণজ্যোতিয়ে ২০১৬ৰ ১৬ মে'ৰ পাছত ৰাজ্যৰ পৰা কিমান বাংলাদেশী গ'ল তাৰ হিচাপ দাখিল কৰিবলৈ প্ৰত্যাহ্বান জনাই কয় যে আজি ঢেকিয়াজুলিত ৰাজ্যৰ বান-খহনীয়া, অসম চুক্তি, বিদেশী বহিষ্কাৰ, বৃহৎ নদীবান্ধৰ কথা ক'বলৈ সাহস নহ'ল। আনহাতে, মুখ্যমন্ত্ৰী সোণোৱালে নাগৰিকত্ব আইন আন্দোলনত গুলীয়াই হত্যা কৰা পাঁচজন ছহিদৰ নাম ল'বলৈ সাহস নকৰিলে। মোদীক সপোনৰ সদাগৰ বুলি কৈ লুৰীণজ্যোতিয়ে সোণ, স্কুটী, ৮৩০ টকাৰে জাতীয় স্বাভিমানক হত্যা কৰিব বুলিও উল্লেখ কৰি অসমীয়া জাতিৰ মেৰুদণ্ড ভাঙি অসমীয়াক দ্বিতীয় শ্ৰেণীৰ নাগৰিক কৰিবলৈ ষড়যন্ত্ৰ কৰা বুলিও কয়। বিজেপি চৰকাৰে ৰাজ্যৰ নাৰীক সুৰক্ষা দিয়াত ব্যৰ্থ হোৱা বুলি মন্তব্য কৰি তেওঁ লগতে কয় যে অসম বিশ্ববিদ্যালয়ৰ মৰ্যাদা নোহোৱা কৰিবলৈ শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উঠিপৰি লাগিল। ইয়াৰ কাৰণ হ'ল এইখন বিশ্ববিদ্যালয় স্থাপন কৰিছিল প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈয়ে আৰু তেওঁৰ লগত মন্ত্ৰী শৰ্মাৰ ব্যক্তিগত আঁৰিয়াআঁৰিৰ বাবেই বিশ্ববিদ্যালয়খনক বিত্তীয় অনুমোদন নিদিলে। বৰ্তমান নতুন পেঞ্চন আঁচনি, মূল্যবৃদ্ধি আদিয়ে পৰিৱেশ ভয়াৱহ কৰা বুলিও অজাপৰ সভাপতিজনে অভিযোগ কৰে। ২০২১ত ইয়াৰ প্ৰত্যুত্তৰ ৰাইজে দিব বুলি মন্তব্য কৰি তেওঁ কয় যে ২০১৬ৰ পৰা বৰ্তমানলৈকে ৩০০৯টা ধৰ্ষণ, নগৰাকী মহিলা-যুৱতীক ধৰ্ষণ কৰি হত্যা, ১৬ হেজাৰৰ অধিক নাৰী নিৰ্যাতনৰ ঘটনা ঘটিছে। দেশত নাৰী নিৰ্যাতনৰ গড় ৫৩ শতাংশৰ বিপৰীতে অসমত এই সংখ্যা ১৩১ শতাংশ বুলি পৰিসংখ্যা দাঙি ধৰি কয় যে দেশৰ ভিতৰতে ৰাজ্যত প্ৰসূতি আৰু নৱজাতকৰ মৃত্যুৰ সংখ্যা সৰ্বাধিক। ইয়াৰ পাছতো ৰাজ্যৰ আটাইতকৈ মিছলীয়া স্বাস্থ্যমন্ত্ৰীজনে নিজকে সফল বুলি প্ৰচাৰ কৰে। অসমীয়া মহিলাই অতীজৰে পৰা যুঁজ, বয়ন, শিল্প, কৃষি সকলো কৰে বুলি উল্লেখ কৰি এতিয়া চৰকাৰে মহিলাসকলৰ স্বাভিমানক হত্যা কৰিবলৈ বিচাৰিছে। বৰ্তমান ধৰ্মীয় বিভাজনৰে হিন্দু-মুছলমানৰ ৰাজনীতি কৰা বিজেপিয়ে জাতীয়তাবাদৰ কথা নুবুজে বুলি উল্লেখ কৰি লুৰীণজ্যোতিয়ে সাম্প্ৰদায়িক আৰু মৌলবাদী শক্তিক প্ৰতিহত কৰিবলৈ আহ্বান জনায়। দুখন চাৰ্টাৰ্ড প্লেন, হেলিকপ্টাৰত ঘূৰি ফুৰা মন্ত্ৰীয়ে এতিয়া চাইকেল চলাই ফুৰা মন্ত্ৰীয়ে হেলিকপ্টাৰ উৰুৱাৰ নামত কিমান ৰাজহুৱা ধন ব্যয় কৰিলে তাৰ হিচাপ দিবলৈ দাবী জনায়। উল্লেখ্য যে সভাপতিজনক তেজপুৰৰ মিছন চাৰিআলিৰ পৰা এক বৃহৎ সমদল কৰি আগবঢ়াই অনা হয় এই সভাস্থলীলৈ। আনহাতে, জাতীয় মহিলা শক্তিৰ প্ৰথমখন ৰাজনৈতিক অভিৱৰ্তনৰ মুকলি সভাত সভাপতিত্ব কৰি অজাপৰ নেত্ৰী পুতুলী কায়স্থই কয় যে মাত্ৰ তিনিমাহ পূৰ্বে জন্ম লাভ কৰা এটা ৰাজনৈতিক দলৰ স'তে দেশৰ প্ৰধানমন্ত্ৰীয়ে যুঁজ দিবলগীয়া হৈছে তথা বৰ্তমান ৰাজ্যৰ সকলো স্বাভিমানী অসমীয়া আৰু প্ৰগতিশীল নাৰী সমাজ ওলাই আহিছে অসম জাতীয় পৰিষদৰ পতাকাৰ তললৈ। ইপিনে, এই মুকলি সভা উন্মোচন কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপিকা ড° পল্লৱীকা ডেকা বৰুৱাই জাতীয় মহিলা শক্তিৰ এই ৰাজনৈতিক অভিৱৰ্তনখনক এটা ঐতিহাসিক ক্ষণ বুলি অভিহিত কৰি কয় যে মহিলা শক্তিয়ে ৰাজ্যৰ নাৰী শক্তিক একত্ৰিত কৰাৰ পাছত ৰাজ্যত আঞ্চলিকতাবাদী শক্তিৰ যে মৰণ নহয় সেয়া নিশ্চিত কৰে। তেওঁ লগতে কয় যে ডিব্ৰুগড়ৰ পৰা ৰাজ্যৰ সকলো জিলাৰ পৰাই সকলো যানবাহন ভাড়াত লৈ ঢেকিয়াজুলিৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাড়াতীয়া সভালৈ মানুহ অনা হৈছিল। ১৮২৬ৰ পৰাই এমুঠি মানুহে অসমৰ জনতাক প্ৰতাৰণা কৰি আহিছে বুলি উল্লেখ কৰি কয় যে এই ধাৰাবাহিকতা অব্যাহত ৰাখি ২০১৬ত বিদেশীয়ে টালি টোপোলা বান্ধিব লাগিব বুলি কৈ ২০১৯ত বিদেশীকে পুনৰ সংস্থাপিত কৰিলে। তেওঁ লগতে কয় যে যিজন প্ৰধানমন্ত্ৰীয়ে পথত গজাল মাৰি কৃষকৰ শৰশয্যা তৈয়াৰ কৰিছে তেৱেঁই আকৌ ৰাজ্যত আহি ধৰিত্ৰী আইৰ গীত গায়। ভূমি পট্টা প্ৰদানৰ নামত আভুৱা ভাঁৰা তথা ধৰ্মৰ নামত বিভাজন কৰা এইখন চৰকাৰে ছ্যুকাফা, লাচিত বৰফুকন, নৰনাৰায়ণৰ পৰা শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, জ্যোতি-বিষ্ণুৰ পৰা ভূপেন হাজৰিকালৈকে যিসকলে এটা জাতি গঢ় দিছিল সেইসকলৰ চিন্তা-আদৰ্শৰ পৰা এতিয়া ফালৰি কাটি নিছে। কে'বা হেজাৰ লোকে অংশগ্ৰহণ কৰা সভাখনত প্ৰাধ্যাপিকাগৰাকীয়ে অসম জাতীয় পৰিষদক ৰাজ্যৰ আঞ্চলিক শক্তিৰ শেষ আশা বুলি মন্তব্য কৰে। এই অনুষ্ঠানতে অসম জাতীয় পৰিষদৰ কাৰ্যকৰী সভাপতি পৰিন্দ্ৰ ডেকাই এই মহিলা অভিৱৰ্তনৰ স্মৃতিগ্ৰন্থ 'স্ৰোতস্বিনী' উন্মোচন কৰি কয় যে নিজৰ পকেটৰ টকা খৰচ কৰি এই সভালৈ স্বাভিমানী ৰাইজসকল আহিছে অসমীয়া জাতি-সংস্কৃতিৰ ৰক্ষাৰ বাবেই। তেওঁ ঢেকিয়াজুলিত পাঁচ লাখ মানুহৰ ঠাইত মাত্ৰ টানি-টুনি এক লাখ মানুহহে সমগ্ৰ অসমৰ পৰা গোটাব পাৰিলে বুলি উল্লেখ কৰে। আনহাতে, অসম জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক জগদীশ ভূঞাই কয় যে পৃথিৱীৰ কোনো মাতৃয়েই নিজৰ সন্তানে মেৰুদণ্ড বেঁকা কৰি থকাটো নতুবা কাৰো ওচৰতে দাসত্ব মানি লোৱাটো নিবিচাৰে। তেওঁ লগতে কয় যে বৰ্তমান ৰাজ্যৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কাকো লাচিত হ'বলৈ ক'ব নালাগে। তেওঁ কয় যে সোণোৱালে নিজে লাচিত হোৱাটো বাদেই প্ৰথমে আলেকজেণ্ডাৰৰ ওচৰত স্বাভিমান প্ৰকাশ কৰিছিল তেওঁৰ দৰে হৈ লওক। আঁঠু কাঢ়ি নাইবা মেৰুদণ্ডহীন লোকে লাচিত হ'ব নোৱাৰে। সত্ৰীয়া, বিহু, ঝুমুৰ আদিকে ধৰি বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী প্ৰদৰ্শিত মুকলি সভাত কে'বা সহস্ৰাধিক লোকৰ উপস্থিতিত আঞ্চলিক দলটোৰ ভগ্নী সংগঠনটোৰ সভানেত্ৰী হিচাপে গোলাঘাটৰ ৰঞ্জু বৰা, সম্পাদিকা হিচাপে গুৱাহাটীৰ অপৰাজিতা দাস বৰা আৰু ধেমাজিৰ মিতালী দিহিঙীয়া বৰুৱা, কোষাধ্যক্ষ অজন্তা বৰুৱা আৰু প্ৰচাৰ সম্পাদিকা ডেইজী য়েনসহ মুঠ ৬৩জনীয়া জাতীয় মহিলা শক্তিৰ ৰাজ্যিক সমিতিখন ঘোষণা কৰা হয়।

## আম্বানীক ভাৰতত টেলিকম খণ্ডত প্ৰত্যাহ্বান জনাব বিচাৰে এলন মাস্কে




**নিউজ ব্যুৰ', নতুন দিল্লী, ৭ ফেব্ৰুৱাৰী ঃ** টেছলা আৰু স্পেচ এক্সৰ স্বত্বাধিকাৰী তথা অৰ্বুদপতি ব্যৱসায়ী এলন মাস্কে এইবাৰ ভাৰতত ব্যৱসায় কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিলে। ষ্টাৰলিংক প্ৰজেক্টৰ আধাৰত এলনে ভাৰতত ব্যৱসায় কৰাৰ বাবে চৰকাৰৰ পৰা অনুমতি বিচাৰিছে। অৱশ্যে বিশ্বৰ অন্যতম ধনাঢ্য ব্যক্তিজনক ভাৰত চৰকাৰে এই সন্দৰ্ভত প্ৰয়োজনীয় অনুমতি দিয়ে নে নিদিয়ে সেয়া এতিয়াও স্পষ্ট হোৱা নাই। প্ৰকাশিত বাতৰি অনুসৰি মাস্কৰ মালিকানাধীন স্পেচ এক্স প্ৰতিষ্ঠানটোৱে ভাৰতত ব্যৱসায় আৰম্ভ কৰাৰ বাবে অনুমতি বিচাৰিছে। স্পেচ এক্সৰ বিষয়া পেট্ৰিচিয়া কোপাৰে এই কথা প্ৰকাশ কৰি জনোৱা মতে, ষ্টাৰলিংকৰ হাইস্পীডৰ ছেটেলাইট নেটৱৰ্কৰ জৰিয়তে ভাৰতত সকলো লোকক ব্ৰ'ডবেণ্ড ইণ্টাৰনেটৰে সংযোগ কৰাটো সম্ভৱ হ'ব। স্পেচ এক্সৰ ষ্টাৰলিংকে ইণ্টাৰনেট সেৱাৰ বাবে এহেজাৰৰো অধিক কৃত্ৰিম উপগ্ৰহ মহাকাশত স্থাপন কৰিছে। ভাৰতত ইণ্টাৰনেট সেৱা প্ৰদানৰ বাবে ষ্টাৰলিংকে অনুমতি লাভ কৰিলে ৰিলায়েন্স জিঅ'ৰ স্বত্বাধিকাৰী মুকেশ আম্বানীৰ স'তে এলনৰ প্ৰতিদ্বন্দ্বিতা হোৱাটো নিশ্চিত। জিঅ'ই সম্প্ৰতি দেশত ৫-জি ম'বাইল সেৱা প্ৰৱৰ্তনৰ যো-জা চলাই আছে।

## হঠাৎ টুইটাৰ ইণ্ডিয়াৰ মুৰব্বী বিষয়াৰ পদ ত্যাগ মহিমাৰ




**নিউজ ব্যুৰ', নতুন দিল্লী, ৭ ফেব্ৰুৱাৰী ঃ** টুইটাৰ ইণ্ডিয়াৰ পাব্লিক পলিচিৰ মুৰব্বী মহিমা কৌলে হঠাতে পদত্যাগ কৰাক লৈ চাঞ্চল্যৰ সৃষ্টি হৈছে। অৱশ্যে কৌলে ব্যক্তিগত কাৰণত মাইক্ৰ' ব্ল'গিং ছাইটটোৰ ভাৰতৰ পাব্লিক পলিচিৰ মুৰব্বী পদৰ পৰা অব্যাহতি লোৱা বুলি দাবী কৰিছে। টুইটাৰৰ এজন জ্যেষ্ঠ কাৰ্যবাহী বিষয়াই মহিমাৰ পদত্যাগৰ কথা ৰাজহুৱা কৰি যোৱা নিশা এক বিবৃতিত এইদৰে কয়, 'চলিত বৰ্ষৰ আৰম্ভণিতে মহিমা কৌলে ভাৰত আৰু দক্ষিণ এছিয়াৰ বাবে টুইটাৰৰ পাব্লিক পলিচি বিভাগৰ অধ্যক্ষৰ দায়িত্বৰ পৰা অব্যাহতি ল'বলৈ সিদ্ধান্ত লৈছিল। মহিমাই মাৰ্চৰ অন্তিমভাগলৈকে এই দায়িত্ব পালন কৰিব। ব্যক্তিগত কাৰণত তেওঁ এতিয়া টুইটাৰ ত্যাগ কৰিব বিচাৰিছে।' কৃষকৰ আন্দোলনক লৈ টুইটাৰক সাঙুৰি দেশজুৰি এক বিতৰ্ক অব্যাহত থকাৰ সময়তে টুইটাৰ ইণ্ডিয়াৰ গুৰুত্বপূৰ্ণ পদ মহিমাই ত্যাগ কৰাটো তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে।

## ক্ষমতা লাভ কৰিলে সবৰীমালাৰ বাবে নতুন আইনৰ প্ৰতিশ্ৰুতি কংগ্ৰেছৰ



**নিউজ ব্যুৰ', তিৰুঅনন্তপুৰম, ৭ ফেব্ৰুৱাৰী ঃ** লোকসভাৰ বিগত নিৰ্বাচনত কেৰালাত মুঠ ২০ সমষ্টিৰ ১৯টা দখল কৰিছিল কংগ্ৰেছ নেতৃত্বাধীন ইউ ডি এফ মৰ্চাই। ৰাজ্যখনৰ কংগ্ৰেছৰ সভাপতি ৰমেশ চেন্নিথালাই পূৰ্বে কৈছিল যে সবৰীমালা প্ৰসংগত কংগ্ৰেছৰ অৱস্থানৰ প্ৰতি সাধাৰণ মানুহৰ সমৰ্থন আছে আৰু এই ৰাজ্যত কংগ্ৰেছৰ বিপুল জয়ৰ কাৰণে হৈছে সবৰীমালাৰ প্ৰতি কংগ্ৰেছৰ দৃষ্টিভংগী। কংগ্ৰেছ সভাপতিজনে শেহতীয়াভাৱে মন্তব্য কৰি কয় যে ঋতুমতী মহিলাৰ সবৰীমালাত প্ৰৱেশত বিধি নিষেধৰ সন্দৰ্ভত কংগ্ৰেছে ক্ষমতা লাভ কৰিলে নতুন আইন প্ৰৱৰ্তন কৰিব। প্ৰস্তাৱিত আইনৰ খচৰাও ইতিমধ্যে কংগ্ৰেছ নেতৃত্বাধীন এল ডি এফে প্ৰকাশ কৰিছিল। কালি ৰাজ্য কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তিৰুভানচুৰ ৰাধাকৃষ্ণণে এই সন্দৰ্ভত মন্তব্য কৰি কয়, 'কংগ্ৰেছে উক্ত মন্দিৰৰ পুৰণি ঐতিহ্য ৰক্ষাৰ স্বাৰ্থত আইন বিচাৰে। প্ৰস্তাৱিত আইন অনুসৰি ঐতিহ্য লংঘন বা ঐতিহ্যক প্ৰত্যাহ্বান জনোৱা যিকোনো আইনকে বোধগম্য অপৰাধ হিচাপে গণ্য কৰা হ'ব। কেন্দ্ৰ আৰু ৰাজ্য উভয়ে এই বিষয়ত আইন প্ৰণয়নৰ অধিকাৰ আছে। যদি আমি ক্ষমতা পুনৰ লাভ কৰো তেন্তে কেৰালাত কংগ্ৰেছে মন্দিৰৰ ৰীতি-নীতি ৰক্ষাৰ বাবে এক আইন প্ৰৱৰ্তন কৰিব। আইন লংঘন কৰা ব্যক্তিক দুবছৰৰ কাৰাদণ্ড বিহাৰ ব্যৱস্থা থাকিব।'



## কাশ্মীৰত প্ৰথমবাৰ জিলা পৰিষদৰ সভাপতি হ'ল চি পি এম প্ৰাৰ্থী

**নিউজ ব্যুৰ'
শ্ৰীনগৰ, ৭ ফেব্ৰুৱাৰী ঃ** সম্পূৰ্ণ অপ্ৰত্যাশিতভাৱে কাশ্মীৰ উপত্যকাত সফলতা লাভ কৰিলে বামপন্থীয়ে। প্ৰথমবাৰৰ বাবে কাশ্মীৰত কোনো জিলা পৰিষদৰ সভাপতি নিযুক্ত হ'ল বামপন্থী প্ৰাৰ্থী। দক্ষিণ কাশ্মীৰত নৱগঠিত কুলগাম জিলা পৰিষদৰ সভাপতি নিযুক্ত হ'ল চি পি এমৰ মহম্মদ আফজল। উল্লেখ্য যে আফজল কুলগাম জিলাৰ চি পি এমৰ সম্পাদক। কুলগাম জিলা পৰিষদত নিৰ্বাচিত ১৩ সদস্যই আফজলক অধ্যক্ষ হিচাপে নিৰ্বাচিত কৰে। নেচনেল কনফাৰেন্সৰ সমৰ্থনত কুলগামত বামপন্থীয়ে পৰিষদ গঠন কৰিলে।


# বাইডেনক সকীয়নি ইৰানৰ ঃ আমেৰিকাই শীঘ্ৰে পাৰমাণৱিক বুজাবুজি কৰক, অন্যথা হ'ব ক্ষতি




**নিউজ ব্যুৰ'
তেহৰান, ৭ ফেব্ৰুৱাৰী ঃ** ইৰানৰ বৈদেশিক মন্ত্ৰী মহম্মদ জভাদ জাৰিফে অচিৰে আমেৰিকাত ২০১৫ৰ ইৰান পৰমাণু চুক্তিলৈ প্ৰত্যাৱৰ্তন কৰিবলৈ আহ্বান জনালে। বৈদেশিক মন্ত্ৰীজনে কয় যে আমেৰিকাই ২১ ফেব্ৰুৱাৰীৰ ভিতৰত ইৰানৰ বিৰুদ্ধে পূৰ্বে আৰোপ কৰা নিষেধাজ্ঞাসমূহ আঁতৰ নকৰিলে এই ক্ষেত্ৰত ইৰানৰ সংসদত বিধেয়ক গৃহীত হ'লে আমেৰিকাই পাছত পস্তাব লাগিব। অহা জুনত ইৰানত ৰাষ্ট্ৰপতিৰ নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি উল্লেখ কৰি জাৰিফে কয় যে আমেৰিকাই যথাসম্ভৱ শীঘ্ৰে ইৰানৰ স'তে পাৰমাণৱিক প্ৰসংগত বুজাবুজিত উপনীত হ'ব লাগিব। এক সাক্ষাৎকাৰত সংবাদ মাধ্যমৰ আগত ইৰানৰ বৈদেশিক মন্ত্ৰীজনে কয় যে নতুন ইৰানী বৰ্ষৰ পূৰ্বে দেশখনৰ সংসদত পৰমাণু বিষয়ক এখন বিধেয়ক দাখিল কৰা হ'ব আৰু ৰাষ্ট্ৰপতিৰ নিৰ্বাচনো সন্মুখত আছে, সেয়েহে আমেৰিকাই ইৰান পৰমাণু চুক্তিলৈ প্ৰত্যাৱৰ্তন কৰিব বিচাৰিলে ৰাষ্ট্ৰপতি জ' বাইডেনৰ প্ৰশাসনে শীঘ্ৰে সিদ্ধান্ত ল'ব লাগিব। উল্লেখ্য যে আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হোৱাৰ পাছতে বাইডেনে আমেৰিকাই ইৰান পৰমাণু চুক্তিলৈ উভতি যাব বুলি ঘোষণা কৰিছিল। স্মৰ্তব্য যে ২০১৮ত তদানীন্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে আমেৰিকাই ইৰান পৰমাণু চুক্তি ত্যাগ কৰাৰ কথা ঘোষণা কৰিছিল।

## কৃষকক লৈ নীৰৱ বলিউডক প্ৰশ্ন নাছিৰুদ্দিনৰ 'সাত প্ৰজন্মলৈ ধন জমা ৰাখি কি হেৰুওৱাৰ ভয় কৰিছে?'





**নিউজ ব্যুৰ', মুম্বাই, ৭ ফেব্ৰুৱাৰী ঃ** কেন্দ্ৰীয় চৰকাৰে তিনিখন বিতৰ্কিত কৃষি আইনৰ বিৰুদ্ধে দেশৰ কৃষকে অব্যাহত ৰখা প্ৰতিবাদী আন্দোলনৰ প্ৰতি এক প্ৰকাশ 'নীৰৱ' হৈ আছে বলিউড। কৃষকলৈ সমৰ্থন প্ৰদানৰ পৰিৱৰ্তে অক্ষয় কুমাৰ, অজয় দেৱগন, কৰণ জোহৰ, একতা কপুৰ, লতা মংগেশকাৰৰ দৰে বিখ্যাত তাৰকাসকলে এই বিষয়ত কেন্দ্ৰৰ চৰকাৰৰ পক্ষতহে থিয় দিলে। এই ঘটনাৰ সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বলিউডৰ প্ৰবীণ অভিনেতা নাছিৰুদ্দিন শ্বাহে ছ'চিয়েল মিডিয়াত কয়, 'যেতিয়া আপোনালোকে সাত প্ৰজন্মৰ বাবে ধন জমা কৰি ৰাখিছে, তেতিয়া কি হেৰাব বুলি আপোনালোকে শংকাবোধ কৰিছে? অন্যায় দেখিও যিসকলে মনে মনে থাকে, সেয়া এক ডাঙৰ অন্যায়।' নাম উল্লেখ নকৰাকৈ কেন্দ্ৰীয় চৰকাৰক কটাক্ষ কৰি নাছিৰুদ্দিনে আন এক টুইটত কয়, 'তলাবন্ধৰ সময়ত শ্ৰমিকৰ কষ্ট দেখি হৃদয় ভাৰাক্ৰান্ত হৈছিল। তেওঁলোকক মৰিয়াই খেদাই দিয়া আৰক্ষীৰো কেতিয়াবা একে দশা হ'ব পাৰে। চলচ্চিত্ৰ উদ্যোগত নিৰ্দেশনা জাৰি কৰা হ'ল যে ৬৫ বছৰৰ ঊৰ্ধ্বৰ ব্যক্তিসকলে কাম কৰিব নোৱাৰিব। কেতিয়াবা ভাবি চাইছে নে, সেই বয়স্ক লোকজনৰ পৰিয়ালৰ কি অৱস্থা হ'ব?'




## প্ৰয়াত অস্কাৰজয়ী অভিনেতা ক্ৰিষ্ট'ফাৰ প্লামাৰ

**নিউজ ব্যুৰ'
লছ এঞ্জেলছ, ৭ ফেব্ৰুৱাৰী ঃ** ৯১ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰিলে হলিউডৰ অস্কাৰজয়ী অভিনেতা ক্ৰিষ্ট'ফাৰ প্লামাৰে। যোৱা নিশা কানেটিকাটত থকা নিজ বাসগৃহত অভিনেতাজনে শেষ নিশ্বাস ত্যাগ কৰে। ২০১১ত 'বিগিনাৰ্ছ' ছবিখনত কৰা অভিনয়ৰ বাবে ক্ৰিষ্ট'ফাৰে অস্কাৰ বঁটা লাভ কৰিছিল। ইয়াৰ পূৰ্বে ২০০৯ তো অভিনেতাজনে 'দ্য লাষ্ট ষ্টেচন' ছবিখনত কৰা অভিনয়ৰ জৰিয়তে তেওঁ অস্কাৰৰ মনোনয়ন লাভ কৰিছিল। হলিউডৰ বহু বিখ্যাত ছবিত অভিনয় কৰি অভিনয়ৰ দক্ষতাৰ প্ৰমাণ দাঙি ধৰা ক্ৰিষ্ট'ফাৰৰ কেইখনমান উল্লেখনীয় ছবি হৈছে 'দ্য মেন হু উড বি কিং', 'অল দ্য মানি ইন দ্য ৱ'ৰ্ল্ড', 'দ্য ইনচাইডাৰ', 'এ বিউটিফুল মাইণ্ড', 'দ্য ছাউণ্ড অৱ মিউজিক'।

## পশ্চিমবংগ কংগ্ৰেছৰ সভাপতিক লৈ ব্যাপক চাঞ্চল্য ঃ অধীৰক লৈ প'ষ্টাৰত বিজেপি গমনৰ ইংগিত





**নিউজ ব্যুৰ', কলকাতা, ৭ ফেব্ৰুৱাৰী ঃ** পশ্চিমবংগৰ ৰাজনীতিত বিধানসভাৰ নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত দল-বদলৰ ঘটনাই ব্যাপক চাঞ্চল্য অব্যাহত ৰাখিছে। এইবাৰ ৰাজ্যিক কংগ্ৰেছৰ সভাপতি অধীৰৰঞ্জন চৌধুৰীৰ দুৰ্গ হিচাপে পৰিচিত মুৰ্ছিদাবাদত নতুন চাঞ্চল্যৰ সৃষ্টি কৰিলে। এই ঘটনাক লৈ বাম দল আৰু কংগ্ৰেছে পৰস্পৰক দোষাৰোপ কৰিছে যদিও প্ৰকৃততে অধীৰৰ নামত কোনে প'ষ্টাৰৰে প্ৰচাৰ চলালে সেয়া এতিয়াও স্পষ্ট হোৱা নাই। আজি পুৱাতে মুৰ্ছিদাবাদৰ ছামছেৰগঞ্জ অঞ্চলত অধীৰৰঞ্জন চৌধুৰীৰ নামত একাধিক প'ষ্টাৰ দৃষ্টিগোচৰ হয়। এইসমূহ প'ষ্টাৰত অধীৰৰ নাম উল্লেখ কৰি এইদৰে বাংলা ভাষাত লিখা আছিল, 'খবৰ এটাই তলে তলে, অধীৰ এখন পদ্মেৰ দলে' (খবৰ এটিয়ে তলে তলে, অধীৰ এতিয়া পদ্মৰ (বিজেপি) দলত)। এই প'ষ্টাৰত কংগ্ৰেছৰ প্ৰতীক হাতৰ ওপৰত দিয়া আছে বিজেপিৰ প্ৰতীক। এনে প'ষ্টাৰৰ জৰিয়তে পশ্চিমবংগ কংগ্ৰেছৰ সভাপতি অধীৰে বিজেপি গমনৰ দিশত অগ্ৰসৰ হোৱা বুলি ইংগিত দিয়া হৈছে। কংগ্ৰেছে এনে প'ষ্টাৰৰ বাবে বাম দলক দোষাৰোপ কৰিছে যদিও বাম দলে এনে অপকৰ্মৰ কথা অস্বীকাৰ কৰিছে। প'ষ্টাৰৰ প্ৰসংগত অধীৰে এতিয়ালৈকে ৰাজহুৱাভাৱে কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। উল্লেখ্য যে শেহতীয়াভাৱে তৃণমূল কংগ্ৰেছৰ কে'বাজনো আগশাৰীৰ নেতাই দল ত্যাগ কৰি বিজেপিত যোগদান কৰিছে। কংগ্ৰেছৰো কে'বাজনো নেতাই বিজেপিৰ স'তে যোগাযোগ কৰা বুলি গেৰুৱা দলে দাবী কৰি আহিছে। এনে সময়তে ৰাজ্যিক কংগ্ৰেছৰ সভাপতিৰ নাম উল্লেখ কৰি বিজেপি গমনৰ ইংগিতৰে প'ষ্টাৰ অঁৰা ঘটনাই পশ্চিমবংগত ৰাজনৈতিক উত্তেজনা বৃদ্ধি কৰিলে।

## কৰ্মহীন হোৱাৰ ভয়তে তৃণমূলত যোগদান শিল্পীৰ ঃ কটাক্ষ দিলীপৰ



**নিউজ ব্যুৰ', কলকাতা, ৭ ফেব্ৰুৱাৰী ঃ** বিধানসভা নিৰ্বাচনৰ পূৰ্বে যোৱা শুকুৰ আৰু শনিবাৰে পশ্চিমবংগৰ কে'বাজনো জনপ্ৰিয় শিল্পীয়ে শাসকীয় কংগ্ৰেছত যোগদান কৰিলে। বৰ্ষীয়ান অভিনেতা দীপাংকৰ দে, ভাৰত কৌল, চাওনা খান, লাভলি মিত্ৰ, ৰনিতা দাস, সৌপ্তিক চক্ৰৱৰ্তী, শ্ৰীতমা ভট্টাচাৰ্য, দীশা ৰায় চৌধুৰীয়ে বিগত দুদিনত মমতা বেনাৰ্জী নেতৃত্বাধীন তৃণমূল কংগ্ৰেছ দলত যোগদান কৰে। ৰাজ্যখনৰ শাসকীয় দলৰ এই তাৰকা চমকৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ ঘোষে স্বভাৱসিদ্ধ ভংগীমাৰে কয় যে একাংশ শিল্পীয়ে কৰ্মহীন হোৱাৰ শংকাত ভুগি শাসকীয় দলত যোগদান কৰিলে। আজি এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত মন্তব্য কৰি ঘোষে কয়, 'একাংশ শিল্পীয়ে কৰ্মহীন হোৱাৰ শংকাত ভুগিছে। তেওঁলোকক এঘৰীয়া কৰা হৈছে, সেয়েহে তেওঁলোকে তৃণমূলত যোগ দিছে।'

## খালিস্তান সমৰ্থকৰ 'টুলকিট' ব্যৱহাৰ কৰিছিল গ্ৰেটা থুনবাৰ্গে




**নিউজ ব্যুৰ', নতুন দিল্লী, ৭ ফেব্ৰুৱাৰী ঃ** ছুইডেনৰ পৰিৱেশ কৰ্মী গ্ৰেটা থুনবাৰ্গে ভাৰতৰ কৃষকৰ আন্দোলনৰ সন্দৰ্ভত প্ৰকাশ কৰা মন্তব্যক লৈ বিশ্বজুৰি প্ৰতিক্ৰিয়া অব্যাহত থকাৰ সময়তে এক চাঞ্চল্যকৰ তথ্য পোহৰলৈ আহিল। গ্ৰেটাই টুইট কৰাৰ লগতে এক 'টুলকিট'ৰ ডকুমেণ্ট শ্বেয়াৰ কৰিছিল। গ্ৰেটাই শ্বেয়াৰ কৰা উক্ত 'টুলকিট' তৈয়াৰ কৰিছিল প'য়টিক জাষ্টিচ ফাউণ্ডেচন (পি জে এফ) -এ। পি জে এফৰ সহ প্ৰতিষ্ঠাপক হৈছে ম' ধালিৱাল। প্ৰকাশিত বাতৰি অনুসৰি ধালিৱাল এজন খালিস্তান সমৰ্থক আৰু কানাডাত তেওঁ ভাৰতবিৰোধী বিভিন্ন অভিযান চলাই আহিছে। ধালিৱালে কানাডাৰ ভেংকোভাৰত বাস কৰে আৰু তেওঁ স্কাইৰকেট প্ৰতিষ্ঠানৰ সহ প্ৰতিষ্ঠাপক। ২০২০ৰ ছেপ্টেম্বৰত ধালিৱালে ছ'চিয়েল মিডিয়াৰ এক প'ষ্টত কৈছিল, 'মই খালিস্তানী। আপোনালোকে মোৰ বিষয়ে হয়তো নাজানে। কিয়নো খালিস্তান হৈছে এক মতাদৰ্শ। খালিস্তান এক জীৱন্ত, সতেজ আন্দোলন।' নিজকে খালিস্তানী বুলি দাবী কৰা ধালিৱালৰ ছ'চিয়েল মিডিয়াৰ 'টুলকিট' আন্তৰ্জাতিক পৰিৱেশ কৰ্মী গ্ৰেটাই টুইটাৰত শ্বেয়াৰ কৰাক লৈ সেয়েহে নতুন বিতৰ্কৰ সৃষ্টি হৈছে।

## বিজেপি নেতাৰ অভিযোগ, বিতৰ্কিত টুইটৰ বাবে ৰিহানাক দিয়া হৈছিল ১৮ কোটি টকা



**নিউজ ব্যুৰ', মুম্বাই, ৭ ফেব্ৰুৱাৰী ঃ** কৃষকৰ আন্দোলনৰ সন্দৰ্ভত আমেৰিকাৰ জনপ্ৰিয় পপ শিল্পী ৰিহানাই কৰা টুইটক লৈ প্ৰতিক্ৰিয়া অব্যাহত আছে। এইবাৰ মহাৰাষ্ট্ৰৰ বিজেপিৰ সভাপতি চন্দ্ৰকান্ত পাটিলে দাবী কৰি ক'লে যে ৰিহানাক বিতৰ্কিত টুইটৰ বিনিময়ত ১৮ কোটি টকা আদায় দিয়া হৈছিল। কৃষকৰ আন্দোলনৰ জৰিয়তে দেশৰ বদনাম কৰিবলৈ আন্তৰ্জাতিক খ্যাতিসম্পন্ন শিল্পীগৰাকীক ধনৰ বিনিময়ত ভাড়াত লোৱা হৈছিল বুলি অভিযোগ কৰি বিজেপিৰ নেতাজনে কোনে উক্ত ধন ৰিহানাক আদায় দিছিল সেই সন্দৰ্ভত অনুসন্ধান চলোৱাৰ দাবী জনায়। 'পপ তাৰকা ৰিহানাক এটা টুইটৰ বাবদ ১৮ কোটি টকা দিয়া হৈছিল। অন্যথা ভাৰতৰ স'তে তেওঁৰ কি সম্পৰ্ক আছে? এই ধন তেওঁক কোনে আদায় দিছিল, ইয়াৰ অনুসন্ধান হ'ব লাগে।' পাটিলে এইদৰে দাবী জনায়।

## ৰিহানাৰ 'ফেণ্টি বিউটি'ৰ বিৰুদ্ধে শিশুশ্ৰম ব্যৱহাৰৰ অভিযোগ



**নিউজ ব্যুৰ', মুম্বাই, ৭ ফেব্ৰুৱাৰী ঃ** ভাৰতৰ কৃষক আন্দোলনৰ পক্ষত থিয় দিয়াৰ পাছত আকৌ এবাৰ বিতৰ্কৰ স'তে সাঙোৰ খালে আমেৰিকাৰ পপ তাৰকা ৰিহানা। জনপ্ৰিয় শিল্পীগৰাকীৰ স্কিনকেয়াৰ ব্ৰেণ্ড 'ফেণ্টি বিউটি'ৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিলে ভাৰতৰ এটি স্বেচ্ছাসেৱী সংগঠনে। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংগঠন (আৰ এছ এছ)ৰ স'তে জড়িত উক্ত স্বেচ্ছাসেৱী সংগঠনৰ অভিযোগ অনুসৰি ঝাৰখণ্ডৰ যিসমূহ খনিত শিশু শ্ৰমিক নিয়োগ কৰা হয়, সেই খনিৰ অভ্ৰ ৰিহানাৰ 'ফেণ্টি বিউটি' সামগ্ৰীত ব্যৱহাৰ কৰা হয়। ৰিহানাৰ হাতত এই বিষয়ত প্ৰয়োজনীয় অনুমোদনো নাই বুলি সংগঠনটোৱে দাবী কৰিছে। বিষয়টোৰ সন্দৰ্ভত হস্তক্ষেপ কৰিবলৈ সংগঠনটোৱে কেন্দ্ৰীয় শিশু সুৰক্ষা আয়োগৰ দ্বাৰস্থ হৈছে। যোৱা শুকুৰবাৰে ৰিহানাৰ বিৰুদ্ধে আয়োগত আৰ এছ এছৰ প্ৰাক্তন কৰ্মী তথা লিগেল ৰাইটছ অবজাৰভেটৰী নামৰ সংস্থাটোৰ মুৰব্বী বিনয় যোশীয়ে গোচৰ দিয়ে। উল্লেখ্য যে নতুন কৃষি আইনৰ বিৰুদ্ধে আন্দোলনৰত ভাৰতীয় কৃষকৰ কাষত থিয় দি টুইট কৰাৰ পাছৰে পৰা আমেৰিকাৰ জনপ্ৰিয় শিল্পীগৰাকীৰ বিৰুদ্ধে একাধিক অভিযোগ উত্থাপিত হৈ আহিছে।

## গাড়ী চলোৱাৰ পৰীক্ষা অবিহনে লাভ কৰিব পাৰিব চালকৰ অনুজ্ঞাপত্ৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৭ ফেব্ৰুৱাৰী ঃ** প্ৰশিক্ষিত চালকৰ জৰিয়তে গাড়ী চলোৱাৰ ব্যৱস্থাৰে পথ দুৰ্ঘটনা হ্ৰাস কৰাৰ এক পৰিকল্পনা গ্ৰহণ কৰিছে কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰণালয়ে। এই সন্দৰ্ভত নিয়ম-নীতি বলৱৎ কৰাৰ উদ্দেশ্যেৰে মন্ত্ৰণালয়ে ইতিমধ্যে এখন খচৰাও প্ৰস্তুত কৰিলে। মন্ত্ৰণালয়ে চালক প্ৰশিক্ষণ কেন্দ্ৰসমূহক অনুমোদন প্ৰদানৰ ক্ষেত্ৰত এক নতুন নিৰ্দেশনা জাৰি কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ এই পদক্ষেপৰ মূল লক্ষ্য হৈছে আগন্তুক দিনত দেশত দক্ষ বাহন চালকৰ সংখ্যা বৃদ্ধি কৰা। ইয়াৰ বাবে কি পদ্ধতি গ্ৰহণ কৰা হ'ব সেই সন্দৰ্ভতো বিভাগটোৱে পৰিকল্পনা যুগুত কৰিছে। মন্ত্ৰণালয়ে স্পষ্ট কৰি কয় যে যিসকল ব্যক্তিয়ে ইতিমধ্যে অনুমোদিত কেন্দ্ৰৰ পৰা গাড়ীচালনাৰ প্ৰশিক্ষণ সম্পূৰ্ণ কৰিছে আৰু অনুজ্ঞাপত্ৰ লাভ কৰিছে তেওঁলোকক নতুন নিয়মৰ অধীনত সাঙুৰি লোৱা নহ'ব। অৰ্থাৎ এইসকল ব্যক্তিয়ে নতুনকৈ গাড়ীচালকৰ প্ৰমাণপত্ৰৰ বাবে আবেদন কৰিব নালাগিব। কেন্দ্ৰীয় চৰকাৰে যানবাহন চালনাৰ ক্ষেত্ৰত এনে এক নিয়ম প্ৰৱৰ্তন কৰিব বিচাৰিছে যাৰ জৰিয়তে আগন্তুক দিনত দেশৰ যানবাহনৰ ষ্টিয়াৰিং কেৱল দক্ষ চালকৰ হাতত অৰ্পণ কৰাটো সম্ভৱ হৈ উঠে। ইয়াৰ ফলত দেশত পথ দুৰ্ঘটনা হ্ৰাস পাব বুলিও মন্ত্ৰণালয়ে আশা কৰিছে। কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰণালয়ে ২০২৫ৰ ভিতৰত দেশৰ পথ দুৰ্ঘটনাৰ সংখ্যা অৰ্ধেক হ্ৰাস কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। চৰকাৰে গাড়ীচালনাৰ পৰীক্ষাত অৱতীৰ্ণ নোহোৱাকৈ কোনো ব্যক্তিক অতি কম সময়ৰ ভিতৰত বাহনচালকৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰিবলৈ যো-জা চলাইছে। এই পদ্ধতি প্ৰৱৰ্তিত হ'লে বাহনচালকৰ অনুজ্ঞাপত্ৰ লাভৰ বাবে আবেদনকাৰীয়ে দীৰ্ঘ সময় অপেক্ষা কৰাৰ প্ৰয়োজন নহ'ব। অনুমোদিত চালক প্ৰশিক্ষণ কেন্দ্ৰৰ পৰা প্ৰমাণপত্ৰ লাভৰ পাছত যিকোনো ব্যক্তিয়ে নিৰ্দিষ্ট সময়ৰ ভিতৰত চালকৰ অনুজ্ঞাপত্ৰ সংশ্লিষ্ট কাৰ্যালয়ৰ পৰা সংগ্ৰহ কৰিব পাৰিব।

## উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ ফোনৰ পাছত জামিনত মুক্তি কমেডিয়ান ফাৰুকীৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৭ ফেব্ৰুৱাৰী ঃ** যোৱা শুকুৰবাৰেই অন্তৰ্বৰ্তী জামিন লাভ কৰিছিল ষ্টেণ্ডআপ কমেডিয়ান মুনাৱাৰ ফাৰুকীয়ে। কিন্তু ফাৰুকীক কাৰাগাৰৰ পৰা মুক্তি দিয়াৰ ক্ষেত্ৰত কৰ্তৃপক্ষই বিলম্ব কৰাত সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশে ফোন কৰিবলৈ বাধ্য হয়। যোৱা নিশা ইণ্ডোৰৰ মুখ্য বিচাৰ বিভাগীয় দণ্ডাধীশলৈ উচ্চতম ন্যায়ালয়ৰ এজন ন্যায়াধীশে এই বিষয়ত ফোনৰে কথা পতাৰ পাছতে নিশা ১১ বজাত ইণ্ডোৰ কাৰাগাৰৰ পৰা মুক্তি লাভ কৰিলে বিতৰ্কিত কমেডিয়ানজনে। উল্লেখ্য যে শুকুৰবাৰে পুৱাতে ফাৰুকীৰ অন্তৰ্বৰ্তীকালীন জামিন মঞ্জুৰ কৰিছিল আৰ এফ নৰিমান নেতৃত্বাধীন উচ্চতম ন্যায়ালয়ৰ বিচাৰপীঠে।

## কংগনাৰ পৰা ৰক্ষাৰ বাবে কোনে প্ৰতিষেধক উদ্ভাৱন কৰিব ঃ উত্তৰ দিলে সোণাই



**নিউজ ব্যুৰ', মুম্বাই, ৭ ফেব্ৰুৱাৰী ঃ** যোৱা বছৰৰ আগষ্টত প্ৰথমবাৰৰ বাবে ছ'চিয়েল মিডিয়াৰ স'তে বলিউডৰ অভিনেত্ৰী কংগনা ৰণৌট প্ৰত্যক্ষভাৱে জড়িত হৈছিল। ইয়াৰ পূৰ্বে অভিনেত্ৰীগৰাকীৰ হৈ ছ'চিয়েল মিডিয়াৰ বিভিন্ন প্লেটফৰ্ম নিয়ন্ত্ৰণ কৰিছিল টীম কংগনা ৰণৌটে। টুইটাৰত নিজৰ একাউণ্ট আৰম্ভ কৰাৰ পাছৰে পৰা প্ৰায় প্ৰতিদিনে নানা বিতৰ্কিত মন্তব্যৰে এইগৰাকী বলিউড অভিনেত্ৰীয়ে সংবাদ শিৰোনাম দখল কৰি আহিছে। ৰাজনৈতিক, অৰ্থনৈতিক, চলচ্চিত্ৰ, ক্ৰীড়া— সকলো বিষয়তে কংগনা সদায়ে ছ'চিয়েল মিডিয়াত সৰৱ। কিন্তু এইদৰে প্ৰতিটো বিষয়ত মাত মাতিবলৈ গৈ বহু সময়ত অভিনেত্ৰীগৰাকীয়ে অনাকাংক্ষিত বিতৰ্কৰ সৃষ্টি কৰিছে। অলপতে এজন ব্যক্তিয়ে টুইটাৰত কংগনাক কটাক্ষ কৰি কৈছিল, 'কোনে প্ৰতিষেধক উদ্ভাৱন কৰি কংগনা ৰণৌটৰ পৰা আমাক ৰক্ষা কৰিব?' এই টুইটৰ প্ৰত্যুত্তৰ দি সংগীত শিল্পী সোণা মহাপাত্ৰই কয়, 'তু কৌন, মেই আইকন'। লগতে সোণাই কয়, 'দিনটো এইমাত্ৰ আৰম্ভ হৈছে, সেয়েহে আমাৰ ৰসবোধ সতেজ হৈ আছে।' ৰাজস্থানৰ প্ৰাক্তন ডিজিপি হৰিশ চন্দ্ৰা মীনাই টুইট কৰি কংগনাক প্ৰশ্ন কৰিছিল যে কোন অধিকাৰত তেওঁ কৃষকৰ আন্দোলনৰ সন্দৰ্ভত মন্তব্য প্ৰকাশ কৰি আহিছে। উত্তৰ দি আজি কংগনাই কয়, 'মোক প্ৰশংসাপত্ৰ... হা হা, মই নিজকে এজন অতি সাধাৰণ মানুহ বুলি বিশ্বাস কৰো, কিন্তু ছ'চিয়েল মিডিয়াৰ মূৰ্খ লোকসমূহৰ মাজত নেতৃত্বদানৰ বাবে মই শ্ৰেষ্ঠ... সেয়েহে তোমালোকে ৰাণীৰ সন্মুখত শিৰনত কৰা।'

# গোসাঁইগাঁৱত অবৈধভাৱে সৰবৰাহ কৰা

*এক পৃষ্ঠাৰ পৰা* প্ৰৱেশদ্বাৰ হৈ পৰিছে কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্ত। বিশেষকৈ অসম-বংগ সীমান্তৰ শ্ৰীৰামপুৰ, গ্ৰাহামপুৰকে ধৰি সীমান্ত অঞ্চলৰ ভিতৰেৰে অঞ্চলসমূহত আনি মজুত কৰি ৰাখে অবৈধভাৱে অনা গৰু-ম'হসমূহ। নিশাৰ ভাগত সুযোগ বুজি পশুধন সৰবৰাহকাৰীয়ে ধুবুৰী জিলাৰ বিভিন্ন অঞ্চলৰ মাজেৰে বাংলাদেশ সীমান্তলৈ প্ৰেৰণ কৰে। অবৈধ গৰু-ম'হ সৰবৰাহকাৰী চক্ৰটোৱে এনেদৰে অনা উন্নত জাতৰ প্ৰায় ১৯টা গৰু আৰু ১১ টা ম'হ গ্ৰাহামপুৰ আৰক্ষীয়ে জব্দ কৰে। গ্ৰাহামপুৰ আৰক্ষী চকীৰ অন্তৰ্গত বংছুপুৰৰ আৰক্ষীয়ে অভিযান চলাই পশুধনসমূহ জব্দ কৰে। অবৈধ সৰবৰাহকাৰী চক্ৰটোৱে পশুধনসমূহ আনি আদিবাসী অধ্যুষিত বংছুপুৰৰ নিৰ্জন ঠাইত লুকুৱাই ৰাখিছিল।

# আগন্তুক বিধানসভা নিৰ্বাচনক স্বাধীনতাৰ

*এক পৃষ্ঠাৰ পৰা* থকা এই সমাৰোহ দুখনত জেষ্ঠ কংগ্ৰেছ নেতা তথা ছত্তিছগড়ৰ মুখ্যমন্ত্ৰী ভূপেশ বাঘেল, প্ৰদেশ কংগ্ৰেছৰ সভাপতি ৰিপুন বৰা, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা অসম চাহ মজদুৰ সংঘৰ সমিতিৰ সভাপতি পৱন সিং ঘাটোৱাৰ প্ৰমুখ্যে দলীয় নেতাসকলে অংশগ্ৰহণ কৰি বিজেপি চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰে।

শিৱসাগৰ জিলাৰ আমগুৰি বিধানসভা সমষ্টিৰ অন্তৰ্গত আমগুৰি আউনীআটী হেমচন্দ্ৰ দেৱগোস্বামী উচ্চতৰ মাধ্যমিক খেলপথাৰত আমগুৰি গ্ৰাম্য কংগ্ৰেছ কমিটীৰ উদ্যোগত অনুষ্ঠিত হয় 'জাগো অসম' শীৰ্ষক গণসমাবেশ। প্ৰদেশ কংগ্ৰেছৰ উপ-সভানেত্ৰী তথা প্ৰয়াত মন্ত্ৰী অঞ্জন দত্তৰ কন্যা অংকিতা দত্তই আদৰণি ভাষণ দিয়া গণসমাৱেশত কে'বা সহস্ৰাধিক দলীয় কৰ্মীক উদ্দেশি ছত্তিছগড়ৰ মুখ্যমন্ত্ৰী বাঘেলে কয়, 'জাতি, ধৰ্ম, বৰ্ণৰ নামত নিকৃষ্ট ৰাজনীতি কৰা বিজেপিক ২০২১ৰ নিৰ্বাচনত উৎখাত কৰা সময় সমাগত। নহ'লে বিভেদকামী বিজেপিয়ে অসম ধ্বংস কৰিব।' আমগুৰি সমষ্টিৰ জাঁজী তিনিআলিৰ পৰা সহস্ৰাধিক কংগ্ৰেছ কৰ্মীয়ে মটৰ চাইকেল সমদলেৰে আদৰি নিয়া বাঘেলে ভাষণত পুনৰ কয়, 'বিজেপি চৰকাৰে নিৰ্বাচনৰ আগতে প্ৰতিশ্ৰুতি দিয়া এটাও পূৰণ কৰা নাই। কৃষকৰ সুবিধা নাই, চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধি হোৱা নাই, মূল্যবৃদ্ধি কমা নাই, মুঠতে বিজেপি চৰকাৰ সৰ্বক্ষেত্ৰতে ব্যৰ্থ হৈছে। বিজেপিৰ দিনত আম্বানী, আদানী আদি ধনী শ্ৰেণীৰহে সুবিধা হৈছে। দুখীয়া ৰাইজৰ একো সুবিধা হোৱা নাই।' জনপ্ৰিয় কণ্ঠশিল্পী বাবু বৰুৱাৰ গীতেৰে আৰম্ভ হোৱা গণসমাৱেশত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ৰিপুন বৰাই কয় যে এসময়ত ইংৰাজ আৰু মোগলে অসম আক্ৰমণ কৰিছিল, সেইদৰে শাসন কৰাৰ ছলেৰে বিজেপিয়েও অসমৰ ওপৰত আক্ৰমণ কৰিছে। অসমীয়া ভাষা-সংস্কৃতিক নিঃশেষ কৰিবলৈ জঁপিয়াই পৰিছে। এপদ-দুপদকৈ অসমৰ সম্পদ বিক্ৰী কৰি আছিছে। এইবাৰৰ নিৰ্বাচন স্বাধীনতাৰ দ্বিতীয় যুঁজৰূপে ল'ব লাগিব বুলি দলীয় কৰ্মীসকলক আহ্বান জনায় সভাপতি বৰাই। জিলা পৰিষদৰ সদস্যা লিপি দত্তই আঁত ধৰা সভাত যুৱ কংগ্ৰেছৰ সভাপতি প্ৰীতম কৰ্মকাৰে তৰাবন্দৰ সময়ত আমগুৰিৰ কংগ্ৰেছ নেতা অংকিতা দত্তই লিখিত ভাষা অসমীয়াক যিমান সহায় কৰিছে সেয়া আন কোনেও কৰা নাই বুলি কয়। এই সভাত সাংসদ প্ৰদ্যুৎ বৰদলৈ, প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইন, ৰায়পুৰৰ বিধায়ক বিকাশ উপাধ্যায়, প্ৰাক্তন বিধায়ক সুশান্ত বুঢ়াগোহাঁই আদিও উপস্থিত থাকে।

ইফালে, চৰাইদেউ জিলাৰ মাহমৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত ডোমৰ দলং চাহ বাগিচাৰ বকৰাহোলাত 'জাগো অসম' শীৰ্ষক গণসমাবেশ অনুষ্ঠিত হয়। জিলা কংগ্ৰেছৰ সভাপতি পবিত্ৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত তথা প্ৰদেশ কংগ্ৰেছৰ সম্পাদক সুৰুষ দিহিঙীয়াই আদৰণি ভাষণ দিয়া গণসমাৱেশত ছত্তিছগড়ৰ মুখ্যমন্ত্ৰী বাঘেলে বিজেপি চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰে। তেওঁ কয় যে বিজেপি চৰকাৰে দেশৰ ক'লা ধন ঘূৰাই আনিব বুলি যি প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল সেয়া আজিও কাৰ্যকৰী নকৰিলে। কৃষকৰ আন্দোলনক মমিমুৰ কৰিবলৈ চৰকাৰে যি নীতি গ্ৰহণ কৰিছে সেয়া অতি দুৰ্ভাগ্যজনক। ফাকিবাজ কথাৰে অভিলেখ ভংগ কৰা দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পুনৰ অসমৰ জনসাধাৰণক নিৰ্বাচনৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিবলৈ সঘনে অসমলৈ আহিছে বুলি তেওঁ কয়। বিজেপি চৰকাৰে বৰ্তমান কেইটিমান পুঁজিপতি গোষ্ঠীক ধনী কৰা প্ৰধানমন্ত্ৰী মোদীয়ে সমগ্ৰ দেশতে নিবনুৱাৰ সংখ্যা বৃদ্ধি কৰা বুলি তেওঁ উল্লেখ কৰে। ধৰ্মৰ নামত বিভাজনৰ ৰাজনীতিৰ সূচনা কৰা বিজেপি চৰকাৰৰ কাৰ্যকালত সাধাৰণ জনসাধাৰণৰ কোনো ধৰণৰ উন্নয়ন হোৱা নাই বুলিও ছত্তিছগড়ৰ মুখ্যমন্ত্ৰীজনে অভিযোগ কৰে। সভাত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ৰিপুন বৰাই বিজেপি চৰকাৰে কেৱল ক্ষমতা দখলৰ স্বাৰ্থতে চাহ শ্ৰমিকসকলক ভোট বেংকৰূপে ব্যৱহাৰ কৰি আহিছে বুলি অভিযোগ কৰে। তেওঁ কয় যে বিগত কংগ্ৰেছ চৰকাৰৰ দিনত প্ৰদান কৰা আঁচনিক বিজেপি চৰকাৰে নিজৰ বুলি ঘোষণা কৰি আহিছে। চাহ শ্ৰমিকসকলৰ দৈনিক মজুৰি, জনজাতিকৰণকে ধৰি বহু সমস্যা থকাৰ পাছতো সেয়া সমাধানত চৰকাৰ ব্যৰ্থ হৈছে বুলি তেওঁ অভিযোগ কৰে।

আনহাতে, অসম চাহ মজদুৰ সংঘৰ সভাপতি তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী পৱন সিং ঘাটোৱাৰে বিজেপি চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰে। সভাত নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সম্পাদক বিকাশ উপাধ্যায়, যুৱ নেতা প্ৰাঞ্জল ঘাটোৱাৰ, চাহ মজদুৰ সংঘৰ নেতা লক্ষ্মণৰ তাঁতী আদি উপস্থিত থাকে। উল্লেখ্য যে কে'বা সহস্ৰাধিক দলীয় কৰ্মী উপস্থিত থকা সভাৰ পূৰ্বে ছত্তিছগড়ৰ মুখ্যমন্ত্ৰীজনক কুমুৰ দলৰ সাংস্কৃতিক শোভাযাত্ৰাৰে আদৰি নিয়ে।

# মোদীৰ সভাত মুখ্যমন্ত্ৰী পদৰ অডিছন

*এক পৃষ্ঠাৰ পৰা* প্ৰতিক্ৰিয়া ব্যক্ত কৰিবলৈ ৰাজীৱ ভৱনত আয়োজিত এক সংবাদমেলত সাংসদ গগৈয়ে কয় যে যিদৰে মোদীৰ ভাষণত অসমৰ মূল সমস্যাবোৰে স্থান নাপালে তেনেদৰে মুখ্যমন্ত্ৰী আৰু স্বাস্থ্যমন্ত্ৰীৰ ভাষণত সেই বিষয়বোৰৰ পৰা আঁতৰি থাকে। দুয়োৰে প্ৰধানমন্ত্ৰীৰ গুণ-গৰিমা গোৱাতহে ব্যস্ত থকা বুলি মন্তব্য কৰি গগৈয়ে কয়, 'ইণ্ডিয়ান আইড'লত অডিছন দিয়াৰ দৰে তেওঁলোক ব্যস্ত থাকিল কেৱল মুখ্যমন্ত্ৰীৰ প্ৰাৰ্থিত্ব নিশ্চিত কৰাতহে। সেই প্ৰতিযোগিতাত কোন উত্তীৰ্ণ হ'ল তাৰ ইংগিতো প্ৰধানমন্ত্ৰীয়ে দি গ'ল। মই সেই কথা ৰাজহুৱা কৰিব নিবিচাৰো; কিন্তু প্ৰধানমন্ত্ৰীৰ ভাষণত থকা ইংগিত ধৰিব পাৰিছো।' আনহাতে, প্ৰধানমন্ত্ৰীয়ে অসমৰ সমস্যাবোৰক এৰি আকৌ এবাৰ ৰাজ্যবাসীক ৰঙীন চছমা পিন্ধাবলৈ অহা বুলি সাংসদ গগৈয়ে কটাক্ষ কৰে। তেওঁ কয় যে অসমৰ আজিৰ মূল সমস্যা হ'ল নিবনুৱা সমস্যা। সেই সমস্যাৰ সমাধানৰ প্ৰতিশ্ৰুতি দি দুবাৰ তেওঁ ভোট ল'লে; কিন্তু সমস্যা সমাধান হোৱাৰ সলনি বাঢ়িছেহে। বিগত ৫০ বছৰৰ ভিতৰত সমগ্ৰ ভাৰতত সৰ্বাধিক নিবনুৱাৰ সৃষ্টি হৈছে বৰ্তমানৰ চৰকাৰৰ দিনত। অসমৰ বিকাশৰ পৰিবৰ্তে প্ৰধানমন্ত্ৰী আৰু অসম চৰকাৰে মিলি গুজৰাটি বণিয়াৰ হাতত অৰ্পণৰ প্ৰক্ৰিয়াহে চলাই আহিছে বুলি গগৈয়ে মন্তব্য কৰে।

দুৰ্নীতি আন এটা মূল সমস্যা বুলি উল্লেখ কৰি সাংসদজনে অভিযোগ কৰে যে অসমত দুৰ্নীতি-অনিয়মে তুংগত আৰোহণ কৰিছে। সেইবাবে গৰু, কয়লাৰ অবৈধ ব্যৱসায়ত দিনক দিনে বাঢ়িছে। অৰুণাচলৰ প্ৰধানমন্ত্ৰী কিষাণ সন্মান আঁচনিতো কেলেংকাৰিৰে পাহাৰৰ সৃষ্টি কৰিছে। চাহ বাগিচাৰ চাহ চৰকাৰৰ ভাড়া নীতি অবলম্বন কৰা বুলি গগৈ সৰৱ হৈ পৰে। তেওঁ কয়, 'প্ৰধানমন্ত্ৰীয়ে কৈছে যে বাগানৰ শ্ৰমিকৰ কথা হেনো যথেষ্ট চিন্তা কৰে। অসমৰ চাহ উদ্যোগ বিকাশত তেওঁ হেনো গুৰুত্ব দি আহিছে। যদি ইমানেই গৌৰৱবোধ কৰে তেনেহ'লে অসমৰ উৎপাদিত চাহক জি আই টেগ দিয়াৰ পদক্ষেপ কিয় নলয়? আচলতে অসমৰ চাহক সদায় অৱহেলা কৰি আহিছে।' প্ৰধানমন্ত্ৰীয়ে আজিৰ ভাষণত চাহ উদ্যোগক লৈ কৰা মন্তব্যক সাংসদজনে সমালোচনা কৰে।

তেওঁ কয় যে যি দুখন জিলাত প্ৰধানমন্ত্ৰীয়ে চিকিৎসা মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে সেই বিশ্বনাথ আৰু চৰাইদেউ জিলা কংগ্ৰেছ চৰকাৰৰ দিনতহে গঠন হৈছিল। একেদৰে ধুবুৰী আৰু নগাঁও জিলাৰ চিকিৎসা মহাবিদ্যালয় কংগ্ৰেছৰ দিনতে হৈছিল। বিজেপিয়ে কংগ্ৰেছ চৰকাৰৰ কামক সন্মান দিব নিবিচাৰে বুলি মন্তব্য কৰি সাংসদ গগৈয়ে লগতে কয়, 'আমাৰ দলৰ চৰকাৰৰ কথাটো বাদেই, প্ৰয়াত প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ অৱদানো মোদীয়ে স্বীকৃতি দিব নিবিচাৰে। তেওঁৰ ভাষণতো স্পষ্ট হৈছে। বিচিত্ৰিত শান্তি স্থাপনত বাজপেয়ীৰ অৱদান নাছিল নেকি? ভাৰতত উন্নয়নমূলক কাম প্ৰয়াত প্ৰধানমন্ত্ৰীজনৰ দিনত হোৱা নাছিল নেকি? সেই উত্তৰ দিয়ক মোদীয়ে।' বৰ্তমান চৰকাৰখনে আনৰ কামক স্বীকৃতি নিদিয়াৰ লগতে চৰকাৰৰ কাম-কাজক সমালোচনা কৰিলে দেশদ্ৰোহিতাৰ গোচৰহে ৰুজু কৰে বুলি সাংসদজনে মন্তব্য কৰে। গগৈয়ে দাবী কৰে যে ৰাইজৰ পৰৱৰ্তী চৰকাৰ কংগ্ৰেছৰ নেতৃত্বত মহাজোটৰ গঠন কৰাটো খাটাং। অসমৰ ৰাইজে সেয়াই বিচাৰিছে বুলি দাবী কৰি কংগ্ৰেছ নেতাজনে ৰাইজৰ দাবীক সন্মান জনাবলৈ অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলক আহ্বান জনায়। দল দুটাৰ সভাপতিদ্বয় লুৰীণজ্যোতি গগৈ আৰু অখিল গগৈয়ে সমগ্ৰ অসম মটৰ চাইকেলেৰে ভ্ৰমণ কৰাৰ ইচ্ছা হৈছে বুলিও সদৰী কৰে। আকৌ মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা সদায় বিজেপিতে থাকিব নে বুলি প্ৰশ্ন কৰি তাৰো উত্তৰ বিচাৰে মন্ত্ৰীজনৰ পৰা।

সংবাদমেলত মৰিয়ানিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে কটাক্ষ কৰি কয় যে প্ৰধানমন্ত্ৰী মোদীৰ মিছা কথাৰ ওজন ইমানেই বাঢ়িছে যে মাইকে হয়তো তেনে কথা শুনিব নিবিচাৰে। সেই কাৰণে বিশ্বনাথৰ সভাত প্ৰধানমন্ত্ৰীৰ দৰে আটাই বিশিষ্ট ব্যক্তিৰ মাইকো বন্ধ হৈ গৈছিল। চাহ শ্ৰমিকৰ ৩৫১ টকাৰ মজুৰি প্ৰদানৰ নামত প্ৰধানমন্ত্ৰী আৰু তেওঁৰ দলৰ আটাইবোৰ বুলি কুৰ্মীয়ে সমালোচনা কৰে। তেনে ব্যৰ্থতাৰ কাৰণে ৰাইজক বিজেপিৰ মন্ত্ৰীয়ে মোগল-হিন্দু-মুছলমান আদিৰ প্ৰসংগৰেহে গুৰুত্ব দি পৰিৱেশ সলনিৰ চেষ্টা চলাই আহিছে বুলি কুৰ্মীয়ে কয়।

# বৃহৎ হিমস্খলনত মৃত্যু ডেৰ শতাধিকৰ

*এক পৃষ্ঠাৰ পৰা* কৰি যোৱাত ডেৰ শতাধিক লোকৰ মৃত্যুৰ আশংকা কৰা হৈছে। এই আকস্মিক বানৰ ফলত এটা জলবিদ্যুৎ প্ৰকল্প আৰু এখন দলং সম্পূৰ্ণৰূপে পানীত উটি যায়। জলবিদ্যুৎ প্ৰকল্পত আবদ্ধ হৈ পৰা শতাধিক শ্ৰমিকক উদ্ধাৰৰ অভিযান অব্যাহত আছে। এই পৰ্যন্ত ১০জন লোকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে।

ৰাজ্য প্ৰশাসনে জনোৱা মতে, আজি পুৱাৰ ভাগত প্ৰচণ্ড গৰ্জন কৰি অকস্মাতে তপোবনৰ কাষত থকা নন্দাদেৱী হিমবাহ ভাঙি পৰে। ফলত যোশীমঠৰ ওচৰত হিমবাহৰ পৰা ধ্বংসমূৰ্তি ধৰি নামি আহে উন্মত্ত জলৰাশি। এই উন্মত্ত জলৰাশিৰ বাবেই প্ৰথমে ধৌলিগংগা আৰু তাৰ পাছত অলকানন্দা নদীৰ দুয়োপাৰ ভাঙি পানীয়ে দাঁতিকাষৰীয়া গাঁওসমূহত ব্যাপক ক্ষতিসাধন কৰে। পানীৰ প্ৰবল সোঁতে বহু ঘৰদুৱাৰ ভাঙি নিয়ে। ফলত ২০১৩ চনৰ কেদাৰনাথত হোৱা প্ৰলয়ৰ ভয়াবহ দুৰ্যোগ পৰিস্থিতিৰ স্মৃতি জাগ্ৰত কৰে স্থানীয় লোকৰ লগতে স্থানীয় প্ৰশাসনৰ মনত। প্ৰায় সাত বছৰৰ আগৰ ঘটনাত কেদাৰত কেইবা হেজাৰ লোকৰ মৃত্যু হৈছিল। সেয়ে সকলোৱে আতংকিত হৈ পৰে।

স্থানীয় প্ৰশাসনে জনোৱা মতে, এইবাৰ প্ৰবল জলপ্ৰলয়ৰ ফলত নদীৰ পাৰৰ কে'বাখনো গাঁও ভাহি যায়। বিশেষকৈ ধৌলিগংগা নদীৰ পাৰৰ ৰৈণী গাঁও ব্যাপকভাৱে ক্ষতিগ্ৰস্ত হয়। ৰৈণী গাঁৱৰ দলংখন পানীয়ে ভাঙি নিয়াত যোগাযোগো ব্যাহত হৈ পৰে। উক্ত গাঁৱত থকা ঋষিগংগা জলবিদ্যুৎ প্ৰকল্পটোও সম্পূৰ্ণৰূপে বানত ভাহি যায়। উত্তৰাখণ্ডৰ মুখ্যসচিৱ ওম প্ৰকাশে সদৰী কৰা মতে, যোশীমঠৰ ওচৰত হোৱা প্ৰাকৃতিক দুৰ্যোগত কমেও ডেৰশ লোক এই পৰ্যন্ত সন্ধানহীন হৈ আছে। সন্ধানহীন হৈ থকাসকল জীৱিত অৱস্থাত নাই বুলিয়ে প্ৰশাসনে আশংকা কৰিছে। স্থানীয় সূত্ৰই জনোৱা মতে, ঋষিগংগা জলবিদ্যুৎ প্ৰকল্প পানীত উটি যোৱাৰ উপৰি তপোবন বিষ্ণুগড় প্ৰকল্পৰ নিৰ্মাণস্থলী সুৰংগ এটাত অসংখ্য শ্ৰমিক আবদ্ধ হৈ পৰিছিল। ইয়াৰে অধিকাংশই এতিয়াও সন্ধানহীন হৈ আছে। এই ঘটনাৰ লগে লগে ভাৰত-তিব্বত সীমান্তৰক্ষী বাহিনী (আইটিবিপি)ৰ দুশজনীয়া উদ্ধাৰকাৰী দল এটাই ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰকাৰ্য আৰম্ভ কৰে। উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী ত্ৰিবেন্দ্ৰ সিং ৰাৱাতে ততাতৈয়াকৈ ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি বুজ লোৱাৰ লগতে স্থানীয় প্ৰশাসনক প্ৰয়োজনীয় দিহা দিয়ে। ইফালে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফোনযোগে উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰীৰ পৰা পৰিস্থিতিৰ বুজ লয়। ইয়াৰ পাছতে এই ঘটনাত উদ্বেগ প্ৰকাশ কৰি টুইটাৰত প্ৰধানমন্ত্ৰীয়ে লিখে, 'সমগ্ৰ দেশ উত্তৰাখণ্ডৰ লগত আছে। উত্তৰাখণ্ডত বিপৰ্যস্ত সকলৰ বাবে দেশবাসীয়ে প্ৰাৰ্থনা কৰিছে। মই নিজে দুৰ্যোগ প্ৰশাসনৰ উৰ্ধ্বতন কৰ্তৃপক্ষৰ লগত অনবৰতে কথা পাতিছো। উদ্ধাৰৰ প্ৰতিটো মুহূৰ্তৰ খবৰ মই ৰাখিছো।' আনহাতে, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে টুইট কৰি জনাইছে যে ইতিমধ্যে দুৰ্যোগ প্ৰশমন বাহিনী যোশীমঠলৈ ৰাওনা হৈছে। এই সংকটকালত দেৱভূমি উত্তৰাখণ্ডক সকলো ধৰণৰ সহায় কৰা হ'ব বুলি জানিবলৈ দি শ্বাহে লগতে লিখিছে যে দিল্লীৰ পৰা বিমানযোগে কে'বাটাও উদ্ধাৰকাৰী দল ঘটনাস্থলীলৈ প্ৰেৰণ কৰা হৈছে। ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দও এই ঘটনাত বাৰুকৈয়ে উদ্বিগ্ন হৈ পৰে। ৰাষ্ট্ৰপতিয়ে টুইটত লিখিছে, 'উদ্বিগ্ন হৈ পৰিছো। যোশীমঠত এই প্ৰাকৃতিক দুৰ্যোগত বিপদগ্ৰস্ত হোৱাসকলৰ বাবে প্ৰাৰ্থনা কৰিছো।'

জলপ্ৰলয়ৰ বাবেই ধৌলিগংগা নদীৰ দুয়োপাৰৰ গাঁওসমূহ তৎকালে খালী কৰাৰ নিৰ্দেশ দিছে স্থানীয় প্ৰশাসনে। অধিকাংশ লোকে ইতিমধ্যে ঘৰ-বাৰী এৰি নিৰাপদ স্থানত আশ্ৰয় লৈছে। অলকানন্দা নদীৰ তীৰত বাস কৰা লোকসকলকো নিৰাপদ স্থানলৈ আঁতৰাই পঠোৱা হৈছে। সেইদৰে বহু কেশ বান্ধৰ সংলগ্ন অঞ্চলসমূহ খালী কৰা হৈছে। ইয়াৰ সমান্তৰালকৈ উত্তৰপ্ৰদেশৰ গংগা নদীৰ দুয়োপাৰতো সতৰ্কতা জাৰি কৰা হৈছে। উত্তৰাখণ্ডত বহু পৰ্যটক আবদ্ধ হৈ পৰাৰো তথ্য পোৱা গৈছে। আইটিবিপিৰ উপৰি বায়ুসেনাৰ সহযোগত দুৰ্যোগ ব্যৱস্থাপনা বাহিনীৰ লোকে যুদ্ধকালীন তৎপৰতাৰে উদ্ধাৰকাৰ্যত ব্যস্ত হৈ আছে। ইয়াৰ উপৰি ভাৰতীয় সেনাৰ ছশজনীয়া দল এটায়ো উদ্ধাৰ অভিযানত সহযোগ কৰিছে। উদ্ধাৰকাৰ্যৰ বাবে ব্যৱহাৰ কৰা হৈছে সেনাবাহিনী আৰু বায়ুসেনাৰ হেলিকপ্টাৰ। ইয়াৰ উপৰি সাজু কৰা হৈছে চিকিৎসকৰ দল। আনহাতে পৰিস্থিতিৰ বাবে যোশীমঠত সাজু কৰা হৈছে ৩০খন বিছনাযুক্ত এখন হাস্পতাল। শ্ৰীনগৰ, ঋষিকেশ, জলিগ্ৰান্ট আৰু ডেৰাডুনতো হাস্পতাল সাজু কৰি ৰখা হৈছে। আইটিবিপিৰ তৰফৰ পৰা জনোৱা হৈছে যে দিনৰ শেষলৈকে এটা সুৰংগৰ পৰা ১৬ গৰাকী লোকক জীৱিত অৱস্থাত উদ্ধাৰ কৰা হৈছে। এতিয়াও বহু কাম বাকী আছে। মৃত লোকসকলৰ পৰিয়ালৰ বাবে চাৰি লাখকৈ টকাৰ সাহায্য ঘোষণা কৰিছে উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰীয়ে।

# শিক্ষা বিভাগৰ উদাসীনতাত

*এক পৃষ্ঠাৰ পৰা* সভাই আংশিক অসহযোগৰ কাৰ্যসূচী পূৰ্ণ অসহযোগলৈ ৰূপান্তৰ কৰিছে। ১০ ফেব্ৰুৱাৰী পৰ্যন্ত আংশিক অসহযোগ অৰ্থাৎ বিত্তীয় লেনদেন আৰু তথ্য আদান-প্ৰদানৰ পৰা বিৰত থাকি শৈক্ষিক সূচী চলাই নিব আৰু যদিহে এই সময়ৰ ভিতৰত প্ৰধান শিক্ষকৰ পদ সৃষ্টি আৰু কৰ্তন কৰা ৮৭০০ টকাৰ গ্ৰেড পে' ঘূৰাই দিয়াৰ আদেশ প্ৰকাশ নহয় তেন্তে বিধানসভাৰ বাজেট অধিবেশনৰ তিনিওদিন পূৰ্ণ অসহযোগ পালন কৰিব। তাৰ পাছতো দাবী পূৰণ নহ'লে ২০ ফেব্ৰুৱাৰীৰ দিনা সকলো জিলা শিক্ষা বিষয়াৰ কাৰ্যালয় ঘেৰাও কৰি অৱস্থান ধৰ্মঘট পালন কৰিব। উল্লেখ্য যে যোৱা ২২ জানুৱাৰীত ৪০ সহস্ৰাধিক শিক্ষকৰ উপস্থিতিৰে মুখ্যমন্ত্ৰীৰ বাসভৱন ঘেৰাও কাৰ্যসূচী ৰূপায়ণৰ বাবে যাত্ৰা আৰম্ভ কৰাৰ প্ৰাকমুহূৰ্তত বিত্তীয় লেনদেন আৰু তথ্য আদান-প্ৰদানৰ পৰা বিৰত থকাৰ বাবে সংকল্প গ্ৰহণ কৰিছিল। উক্ত দিনাৰ পৰা ৰাজ্যখনৰ ৩৬ হেজাৰ প্ৰাথমিক বিদ্যালয়ত বিত্তীয় দিশৰ স'তে জড়িত সকলো আঁচনি বিঘ্নিত হোৱাৰ পাছতো ৰাজ্যৰ শিক্ষা বিভাগৰ কোনো তৎপৰতা পৰিলক্ষিত নহ'ল। শৈক্ষিক দিশৰ ক্ষতি নকৰাকৈ কৰা আন্দোলনক গুৰুত্ব নিদি ৰাজ্য চৰকাৰে শিক্ষকসকলক পূৰ্ণ অসহযোগৰ কাৰ্যসূচীলৈ যাবলৈ বাধ্য কৰিছে। পূৰ্ণ অসহযোগৰ তিনিওদিন পাঠদানৰ পৰাও বিৰত থাকিব। মুখ্যমন্ত্ৰীৰ নিৰ্দেশো যিখন ৰাজ্য চৰকাৰৰ শিক্ষা, বিত্ত বিভাগে কাৰ্যকৰী নকৰে, তাত আন্দোলনৰ বিকল্প পথ নাথাকে বুলি উল্লেখ কৰি প্ৰধান সম্পাদক গোস্বামীয়ে কাৰ্যসূচীসমূহ সফল কৰাৰ বাবে সমূহ শিক্ষক-শিক্ষয়িত্ৰীকে আহ্বান জনাইছে।

# ৰাজনৈতিক নেতাৰে ভৰি পৰিছে

*এক পৃষ্ঠাৰ পৰা* সাহিত্য বিষয়ত এক ভাষণ প্ৰদান কৰি কয় যে সাহিত্যক শাসক শ্ৰেণীয়ে সদায় গচকি ৰাখিব বিচাৰে। লগতে তেওঁ কয় যে সাহিত্য অনুষ্ঠান ৰাজনৈতিক নেতাৰে ভৰি পৰিছে, সেয়ে এই ক্ষেত্ৰত নৱ প্ৰজন্মক সচেতনতাৰে সাহিত্য চৰ্চা আৰু অধ্যয়নপুষ্ট হ'ব পৰাকৈ সাহিত্যৰ দিশত মনোনিৱেশ কৰিবলৈ তেওঁ আহ্বান জনায়। সভাত সাংবাদিক বেদব্ৰত বৰাই অধিবেশনৰ লগত সংগতি প্ৰকাশ কৰি উলিওৱা 'বৰলুইত' নামৰ স্মাৰকগ্ৰন্থ উন্মোচন কৰি দৈয়াংবাসীক ভূমি পট্টা দিব পৰাকৈ তীব্ৰ আন্দোলন গঢ়ি তোলাৰ কথা উল্লেখ কৰি ৰাজ্য চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰে। সাহিত্য সন্মিলনীৰ নৱ নিৰ্বাচিত সভাপতি ড° সাগৰ বৰুৱাৰ সঞ্চালনাত অনুষ্ঠিত মুকলি সভাত উদ্বোধনী ভাষণ প্ৰদান কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষাৰ অধ্যাপক ড° দিলীপ বৰাই। আদৰণি ভাষণ প্ৰদান কৰে আদৰণি সমিতিৰ সভাপতি বাবুল শইকীয়াই।

সভাত বিদায়ী সভাপতি লোকনাথ গোস্বামী, আপকুৰ মুখ্য সাংগঠনিক সম্পাদক প্ৰিয়ংদীপ কাকতিৰ লগতে কে'বাজনো বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। অসমীয়া সাহিত্য সন্মিলনীৰ সম্পাদক মিকু কলিতা আৰু উদ্‌যাপন সমিতিৰ সম্পাদক দীপক বৰাই আঁত ধৰা অনুষ্ঠানত অসমীয়া সাহিত্য সন্মিলনীৰ তৰফৰ যোৰহাটৰ বিশিষ্ট চিকিৎসক দেৱীচৰণ ঠাকুৰ আৰু গোলাঘাটৰ গণ কবি অশোক দাসক 'সদস্য বৰেণ্য' সন্মান প্ৰদান কৰে। সভাত অসমীয়া সাহিত্য সন্মিলনী 'বাৰ্ষিক আলোচনী' 'প্ৰাগজ্যোতিকা', দৈয়াং শাখা সন্মিলনীৰ দ্বাৰা প্ৰকাশিত কবিতা পুথি 'স্বাগত সতীৰ্থ'সহ ১০খনৰো অধিক গ্ৰন্থ উন্মোচন কৰা হয়।

# প্ৰধানমন্ত্ৰীক নেদেখিলে বহু

*এক পৃষ্ঠাৰ পৰা* আবদ্ধ হৈ পৰিল শ শ যানবাহন। বিয়লি পৰ্যন্ত প্ৰায় চাৰিশ যানবাহন এনেদৰে আবদ্ধ হৈ পৰা প্ৰধানমন্ত্ৰী মোদীৰ জনসভালৈ অহা হেজাৰ হেজাৰ লোকে দিনটো লঘোনে-ভোকে অতিবাহিত কৰিবলগীয়া হয়। বহুতে চাৰি-পাঁচ কিলোমিটাৰ খোজকাঢ়ি সভাস্থলীত উপস্থিত হয় যদিও তেতিয়ালৈ সভাস্থলী ত্যাগ কৰিছিল প্ৰধানমন্ত্ৰী মোদীয়ে। তেজপুৰ, জামুগুৰি, বিশ্বনাথ, গহপুৰৰ পৰা জনসভালৈ অহা বহু সংখ্যক লোক এনেদৰেই আবদ্ধ হৈ পৰাত ক্ষোভ ব্যক্ত কৰি তেজপুৰৰ তৰুণ বৰা নামৰ লোকজনে কয়, 'ইমান বিশাল জনসভাখনলৈ বিভিন্ন প্ৰান্তৰ পৰা যাবলগীয়া যানবাহনসমূহৰ বাবে যাতে কোনো সমস্যাৰ উদ্ভৱ নহয় তাৰ বাবে আগতীয়া ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল; কিন্তু যানবাহনৰ বাবেই যানজঁট সৃষ্টি হোৱা এনেবোৰ স্থানত এনে অৱস্থা নিয়ন্ত্ৰণ কৰিবলৈ কোনো যানবাহন আৰক্ষী নাছিল।' এই যানজঁটত আবদ্ধ হৈ মোদীৰ সভাস্থলীলৈ খোজকঢ়া মাইনি বৰা নামৰ এগৰাকী মহিলাই কয় যে তেওঁলোকে সভাস্থলীলৈ প্ৰকৃততে কিমান দূৰ বাট নাজানে। বাটত তেওঁলোকক কোনোবাই সভাস্থলীলৈ এক কিলোমিটাৰ, কোনোবাই তিনি কিলোমিটাৰ বুলি কৈছে যদিও খোজকাঢ়ি গৈ থকা সত্ত্বেও তেওঁলোকে সভাস্থলী পোৱাগৈ নাই বুলি মন্তব্য কৰি কেৱল প্ৰধানমন্ত্ৰীক চাবলৈহে তেওঁ আৰু তেওঁৰ লগত একাংশ মানুহ সভাখনলৈ আহিছিল বুলি মহিলাগৰাকীয়ে কয়। প্ৰণতি শইকীয়া নামৰ আন এগৰাকী মহিলাই দিনটো অথলে যোৱা বুলি উল্লেখ কৰি কয়, 'এনে হ'ব বুলি জনা হ'লে তেওঁ কেতিয়াও সভাখনলৈ নাহিলহেঁতেন।' তেজপুৰৰ মিছন চাৰিআলিৰ পৰাই আজি পুৱাৰে পৰা তীব্ৰ যানজঁটৰ সৃষ্টি হয়। ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথৰ দাঁতিত ন আলিমূৰত মোদীৰ সভালৈ যোৱা লোকসকলৰ বাবে খাদ্যৰ ব্যৱস্থা কৰা হৈছিল। ইয়াত বহুসংখ্যক বাছ ৰখাই খোৱা-বোৱা কৰাৰ পাছৰ পৰাই ক্ৰমান্বয়ে যানজঁট বাঢ়ি যায় আৰু শেষত কেহেৰুখন্দাৰ পৰা মিঠা আমলৈকে বহু হেজাৰ লোক আবদ্ধ হৈ পৰে। এনে অৱস্থাত আনকি বহু লোকে বিয়লি চাৰি বজালৈকে লঘোনে-ভোকে থাকিবলগীয়া হয় বুলি মন্তব্য কৰে।

# পুৱাৰে পৰা জনতাৰ লানি

*এক পৃষ্ঠাৰ পৰা* হৈ আহিছে। সেয়েহে ঢেকিয়াজুলিৰ সভাখনত যাতে কোনো সুৰুঙা নৰৈ নাযায় তাৰ প্ৰতি সকলো সতৰ্ক হৈ থাকে।

এই সভাৰ বাবে মানুহ অহাটো কোনো ত্ৰুটি ৰাখিব বিচৰা নাছিল। সেইবাবে পুৱাৰে পৰা আলিছিঙা পথাৰলৈ হিলদল ভাঙি বয় জনতাৰ সোঁত। আনকি ঘন ধূলিয়ৰি পৰিৱেশকো নেওচি কোলাত কেঁচুৱা পৰ্যন্ত লৈ সভালৈ আহে বহু মহিলা। ঢেকিয়াজুলিৰ সমীপৱৰ্তী তথা শোণিতপুৰৰ আটাইকেইটা বিধানসভা সমষ্টিৰ লগতে বিটিএডিৰ অন্তৰ্গত অঞ্চলৰ পৰাও সভালৈ মানুহ আহে। বাছৰ উপৰি বিভিন্ন প্ৰকাৰৰ বাহনেৰে দায়িত্বপ্ৰাপ্তসকলে সভালৈ মানুহ অনাত কোনো কাৰ্পণ্য কৰা নাছিল। জনসমাগম বৃদ্ধিৰ লগে লগে সমগ্ৰ সভাস্থলী বিজেপি আৰু প্ৰধানমন্ত্ৰী মোদীৰ জয়গানৰ ধ্বনিৰে উত্তাল হ'বলৈ ধৰে।

এনে পৰিৱেশ সভাস্থলীত বিৰাজ কৰি থকাৰ মাজতে পুৱা ১১ বজাত তেজপুৰৰ শালনী বিমানকোঠত বিশেষ বিমানেৰে আহি অৱতৰণ কৰে প্ৰধানমন্ত্ৰী মোদীয়ে। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপৰি অসম চৰকাৰৰ কে'বাজনো আমোলা-বিষয়াই বিমানকোঠত আদৰণি জনায়। বিমানকোঠৰ পৰা প্ৰধানমন্ত্ৰীসহ মুখ্যমন্ত্ৰী সোণোৱাল, মন্ত্ৰী ড° শৰ্মাকে ধৰি তিনিখন হেলিকপ্টাৰৰ আহি ১১-৪৫ বজাত আলিছিঙা পথাৰত অস্থায়ীভাৱে নিৰ্মাণ কৰা হেলিপেডত উপস্থিত হয়। প্ৰধানমন্ত্ৰীৰ হেলিকপ্টাৰ অৱতৰণৰ লগে লগে ইতিমধ্যে বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকেৰে বিৰ দি বাট নোপোৱা পৰিৱেশ সৃষ্টি হোৱা সমগ্ৰ সভাস্থলী 'নৰেন্দ্ৰ মোদী জিন্দাবাদ', 'বিজেপি জিন্দাবাদ', 'হৰ হৰ মোদী' আদি ধ্বনিৰে উত্তাল হৈ পৰে।

প্ৰধানমন্ত্ৰীৰ আগমনক লৈ তেজপুৰৰ পৰিৱেশো আজি লক্ষ্যণীয় হৈ পৰে। বিজেপিয়ে সমগ্ৰ তেজপুৰ চহৰখন দলীয় পতাকাৰে নিশাৰ ভিতৰতে ভৰাই তোলে। বিজেপিৰ সমান্তৰালকৈ পতাকা উৰে অসম জাতীয় পৰিষদৰো। তাৰ মাজতে উৰে কংগ্ৰেছৰ পতাকাও।

আজিৰ জনসভাত আদৰণি ভাষণ দিয়ে মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। তেওঁ ভাষণত ক'ভিডৰ সময়ত প্ৰধানমন্ত্ৰীয়ে অসমক আগবঢ়োৱা সহায়-সহযোগিতাৰ কথা বিশেষভাৱে উল্লেখ কৰে। তেওঁ কয় যে অসমৰ পৰিস্থিতিৰ লগত মোকাবিলা কৰিবলৈ প্ৰধানমন্ত্ৰীয়ে তেওঁৰ সুৰক্ষা নিধিৰ পৰা ৯৪৭টা ভেন্টিলেটৰ, ১৩শ অক্সিজেন কন্টেনলেটৰ, ৩৫৪১টা অক্সিজেন চিলিণ্ডাৰ, ১০ লাখ মাস্ক আৰু দুই লাখ পিপিই কিটৰ উপৰি ২৫০ কোটি টকা আগবঢ়াইছিল। তাৰ ফলত ক'ভিডৰ বিৰুদ্ধে যুঁজখনত অসমে শক্তিশালী ৰূপত অৱতীৰ্ণ হ'বলৈ সক্ষম হৈছিল। এইবাৰ ছয় লাখ প্ৰতিষেধকো যোগান ধৰিছে। ৰাজ্যৰ পথ, স্বাস্থ্য আদিৰ উপৰি অন্যান্য যিবোৰ আঁচনিৰ ৰূপায়ণ হৈছে সেয়াও একমাত্ৰ প্ৰধানমন্ত্ৰীৰ বাবেহে সম্ভৱ হৈছে বুলি ড° শৰ্মাই উল্লেখ কৰে। তদুপৰি তেওঁ কয় যে প্ৰধানমন্ত্ৰীৰ সহযোগিতাৰ বাবেই অসমে আজি দেশৰ পাঁচখন শক্তিশালী ৰাজ্যৰ ভিতৰত থিয় দিব পাৰিছে। অসমৰ বিভিন্ন স্থানত নিৰ্মাণ কৰি থকা প্ৰতিখন চিকিৎসা মহাবিদ্যালয়ৰ বাবে ১৮০ কোটি টকাকৈ আগবঢ়োৱাৰ তথ্যও মন্ত্ৰীজনে দাঙি ধৰে।

সন্মানীয় অতিথিৰ ভাষণত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, 'বৰ্তমানৰ ৰাজ্য চৰকাৰখনে ৰাইজক যি প্ৰতিশ্ৰুতি দি শাসনলৈ আহিছিল সেইবোৰ পূৰণৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী মোদীয়ে আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবেহে আজি অসমে দেশৰ ভিতৰত এক সুকীয়া পৰিচয় লাভ কৰিবলৈ সক্ষম হৈছে। স্বাধীনতাৰ ৭৪ বছৰৰ ভিতৰত অসমক ৰাষ্ট্ৰীয় কাৰ্যসূচীত যদি কোনো প্ৰধানমন্ত্ৰীয়ে শক্তিশালী স্থান দিছে, সেইগৰাকী হ'ল নৰেন্দ্ৰ মোদী। সেয়েহে অসমৰ ৰাইজে তেওঁৰ নামত যিমানে জয়ধ্বনি নকৰক কিয় সেয়া কম হ'ব।' মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰে বিভিন্ন আঁচনিৰ অধীনত আগবঢ়াই অহা সাহায্য পুঁজিৰ বিষয়েও ভাষণত উল্লেখ কৰে। তদুপৰি তেওঁ কয় যে সন্ত্ৰাসবাদমুক্ত অসম গঢ়াৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে আগবঢ়োৱা সহযোগিতাৰ বাবে আজি হেজাৰ হেজাৰ উগ্ৰপন্থী মূলসুঁতিলৈ উভতি আহিছে।

# জলবিদ্যুৎ প্ৰকল্পত কৰ্মৰত কামপুৰৰ দুই

*এক পৃষ্ঠাৰ পৰা* ভয়াৱহ পৰিস্থিতিৰ উদ্ভৱ হোৱাৰ লগতে ব্যাপক ক্ষতিসাধন হয়। এই ঘটনাত এটা জলবিদ্যুৎ প্ৰকল্পত কাম কৰা শতাধিক শ্ৰমিকসহ ডেৰশৰ অধিক লোক সন্ধানহীন হৈ পৰে। ইয়াৰ ভিতৰত ১০জনৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে যদিও বাকীসকলৰ সন্ধান এতিয়াও ওলোৱা নাই। এই সন্ধানহীনসকলৰ মাজতে আছে কামপুৰ আৰক্ষী থানাৰ অন্তৰ্গত উত্তৰ চাংচকী গাঁৱৰ দুই ভ্ৰাতৃ। তেওঁলোক হৈছে গাঁওখনৰ প্ৰয়াত নিৰ্মল দাস আৰু দিপালী দাসৰ পুত্ৰ কমল দাস (২৮) আৰু অমৰজ্যোতি দাস (১৯)।

উল্লেখ্য যে দুই ভ্ৰাতৃয়ে বিগত প্ৰায় ছবছৰৰ পূৰ্বে উত্তৰাখণ্ডলৈ কামৰ সন্ধানত গৈছিল। এটা জলবিদ্যুৎ প্ৰকল্পত দুয়ো নিৰাপত্তা কৰ্মীৰূপে নিয়োজিত হৈ আছিল। আজি দুই ভ্ৰাতৃ সন্ধানহীন হোৱাৰ পাছত তেওঁলোকৰ সতীৰ্থই ফোনযোগে পৰিয়ালক এই কথা অৱগত কৰে। লগে লগে পৰিয়ালৰ লগতে হাহাকাৰ সৃষ্টি হয় গাঁওখনত।

# অসমৰ বিকাশেই মন্ত্ৰ মোদীৰ

*এক পৃষ্ঠাৰ পৰা* ঢেকিয়াজুলিৰ এখন বিশাল সভাত এনেদৰে বক্তব্য আগবঢ়ায় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ৰাজ্যৰ সমাগত বিধানসভা নিৰ্বাচনৰ আগমুহূৰ্তত কে'বাখনো আঁচনি উদ্বোধনৰ কাৰ্যসূচী লৈ প্ৰকাৰান্তৰে নিৰ্বাচনী প্ৰচাৰ চলাবলৈ অহা মোদীয়ে তেওঁৰ ভাষণত একাধিক ঘোষণা কৰে। তাৰ ভিতৰত অন্যতম হ'ল স্থানীয় ভাষাত শিক্ষা গ্ৰহণ কৰিব পৰা চিকিৎসা মহাবিদ্যালয় আৰু কাৰিকৰী মহাবিদ্যালয় স্থাপন। প্ৰধানমন্ত্ৰীয়ে কয়, 'মোৰ এটা সপোন আছে, সেইটো হ'ল দেশৰ প্ৰত্যেকখন ৰাজ্যত অন্ততঃ এখনকৈ চিকিৎসা মহাবিদ্যালয় আৰু কাৰিকৰী মহাবিদ্যালয় স্থাপন হ'ব য'ত ৰাজ্যখনৰ মাতৃভাষাত ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰিব পাৰিব। কিয় এজন ছাত্ৰ বা এগৰাকী ছাত্ৰীয়ে মাতৃভাষাত শিক্ষা গ্ৰহণ কৰি চিকিৎসক হ'ব নোৱাৰিব? মই ভাবো অসমত নিৰ্বাচনৰ পাছত গঠন হ'বলগীয়া চৰকাৰে এই কাম আৰম্ভ কৰিব। নতুন চৰকাৰে মাতৃভাষাত শিক্ষা গ্ৰহণ কৰিব পৰা অন্ততঃ এখনকৈ চিকিৎসা মহাবিদ্যালয় আৰু কাৰিকৰী মহাবিদ্যালয় অসমত স্থাপন কৰিব। তাত শিক্ষা গ্ৰহণ কৰা চিকিৎসকে অসমৰ গাঁৱে-ভূঞে চিকিৎসা সেৱা আগবঢ়াব। এই ক্ষেত্ৰত আমাক কোনেও ৰখাব নোৱাৰে।' প্ৰসংগক্ৰমে প্ৰধানমন্ত্ৰীয়ে অসমৰ স্বাস্থ্য খণ্ডটোৰ বিকাশৰ গতিক প্ৰশংসা কৰি মন্তব্য কৰে যে অতিশীঘ্ৰে গুৱাহাটী আধুনিক চিকিৎসা ব্যৱস্থাৰ ঘাটি হৈ উঠিব। এই ক্ষেত্ৰত তেওঁ উল্লেখ কৰে যে এই বছৰতে আৰম্ভ হ'বলগীয়া চাংসাৰিৰ এইমছে উত্তৰ-পূৰ্বাঞ্চলৰে চিকিৎসা ব্যৱস্থাত পৰিৱৰ্তন আনিব। এই ক্ষেত্ৰতো পূৰ্বৰ চৰকাৰক সমালোচনা কৰি তেওঁ কয়, 'গুৱাহাটীত যে এইমছ হ'ব পাৰে দেশৰ আগৰ চৰকাৰে কিয় বুজি নাপালে? আচলতে চৰকাৰ পূৰ্বোত্তৰৰ পৰা ইমানেই দূৰত আছিল যে তেওঁলোকে ইয়াৰ মানুহৰ কথা ভবাই নাছিল। সেই দূৰত্ব আমি নোহোৱা কৰিছো। ফলস্বৰূপে আজি অসমেও দেশৰ আগশাৰীৰ ৰাজ্যবোৰৰ কান্ধত কান্ধ মিলাই আগবাঢ়িছে। কেন্দ্ৰীয় চৰকাৰৰ আঁচনিবোৰ অসমত সফলভাৱে ৰূপায়ণ হৈছে। দেশত যি পৰিৱৰ্তন হৈছে অসমতো সেই তাৰ প্ৰতিফলন ঘটিছে। অসম চৰকাৰে দক্ষতাৰে বিকাশৰ কামবোৰ কৰিছে। মোক জানিবলৈ দিয়া মতে অসমৰ ডেৰ লাখ দুখীয়া লোকে আয়ুষ্মান ভাৰতৰ জৰিয়তে বিনামূলীয়া চিকিৎসা লাভ কৰিছে, অটল অমৃত যোজনাতো লাখ লাখ সাধাৰণ লোক উপকৃত হৈছে। অসমৰ চুকে-কোণে স্বাস্থ্য আৰু সুজীৱন কেন্দ্ৰ স্থাপন হৈছে। সেইবোৰত ৫৫ লাখ লোকে চিকিৎসাৰ প্ৰাথমিক সুবিধা লাভ কৰিছে বুলি মোক জনোৱা হৈছে। এনেদৰে অসম আগবাঢ়িছে। কৰ'নাৰ সময়ত ভাৰতবৰ্ষই দুটা দিশত ভাল অভিজ্ঞতা অৰ্জন কৰে। তাৰ আধাৰত দেশৰ স্বাস্থ্য খণ্ডটোৰ বিকাশ আৰু আন্তঃগাঁথনি নিৰ্মাণত আমি সৰ্বাধিক গুৰুত্ব দিছো। ভাৰতে আজি প্ৰতিষেধক প্ৰদান অভিযান যি সফলভাৱে অব্যাহত ৰাখিছে, সমগ্ৰ বিশ্বই তাৰ বাবে আমাৰ দেশক ধন্যবাদ দিছে। কৰ'নাৰ অভিজ্ঞতাৰে আমি ভাৰতৰ ছশখন জিলাত প্ৰথম পৰ্যায়ত সংহত স্বাস্থ্য পৰীক্ষাগাৰ স্থাপন কৰিবলৈ আগবাঢ়িছো। ইয়াৰ ফলত ৰাইজে স্বাস্থ্য পৰীক্ষাৰ বাবে দূৰদূৰণিলৈ যোৱাৰ প্ৰয়োজনীয়তা নোহোৱা হ'ব।'

উল্লেখ্য যে প্ৰধানমন্ত্ৰীয়ে আজি ঢেকিয়াজুলিৰ জনসভাৰ মঞ্চৰ পৰাই বিশ্বনাথ আৰু চৰাইদেউত স্থাপন হ'বলগীয়া চিকিৎসা মহাবিদ্যালয় হাস্পতাল দুখনৰ আধাৰশিলা স্থাপন কৰে। তাৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ ভাৰত মালা আঁচনিৰ অনুকৰণত অসম চৰকাৰে নিজাববীয়াকৈ পাঁচ হেজাৰ কোটি টকা ব্যয়েৰে ৰূপায়ণ কৰিবলৈ আগবঢ়া অসম মালা নামৰ আঁচনিখন উদ্বোধন কৰে। এই আঁচনিখনৰ জৰিয়তে ৰাজ্যিক ঘাইপথ আৰু জিলাসমূহত গুৰুত্বপূৰ্ণ পথ নিৰ্মাণ-পুনৰ্নিৰ্মাণ কৰা হ'ব। 'মোৰ ভাই-ভনীসকল, কি খবৰ? ভালেইতো?' এইদৰে আৰম্ভ কৰা প্ৰায় ৩৫ মিনিট জোৱা ভাষণত প্ৰধানমন্ত্ৰীয়ে আধাৰশিলা স্থাপন আৰু অসম মালা উদ্বোধন কৰি গৌৰৱান্বিত হোৱা বুলি মন্তব্য কৰে। অসমৰ বিকাশৰ গতি ত্বৰান্বিত হোৱাৰ বাবে মাত্ৰ কেইদিনমানৰ ভিতৰতে অসমলৈ দুবাৰ আহিবলগীয়া কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে অসমৰ ৰাইজে দি অহা মৰম আৰু আশীৰ্বাদৰ বাবেও তেওঁ বাৰে বাৰে ৰাজ্যখনলৈ আহি আছে। ৰাইজলৈ কৃতজ্ঞতা প্ৰদৰ্শন কৰি মোদীয়ে তেওঁৰ আগমন উপলক্ষে কালি ঢেকিয়াজুলিত চাকি জ্বলোৱাক লৈয়ো ৰাইজক নমস্কাৰ জনায়। আনহাতে, ঢেকিয়াজুলি আৰু শোণিতপুৰৰ প্ৰসংগ কৰি তেওঁ কয় যে দুয়োখন ঠাইৰ ভূমি অতি পবিত্ৰ। এই ভূমিত আছে সংগ্ৰামৰ ইতিহাস আৰু সেই সংগ্ৰাম হ'ল দেশৰ স্বাভিমান ৰক্ষা কৰাৰ। এই ভূমিয়ে অসমৰ গৌৰৱৰ বৰপেৰা ভৰাই ৰাখিছে বুলি মোদীয়ে মন্তব্য কৰে। সেইখন অসমৰ বিকাশৰ ধাৰা ক্ষিপ্ৰতৰ হ'বই লাগিব বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে ভঙা-ভঙা অসমীয়াত কয়, 'অসমৰ বিকাশৰ যাত্ৰাত আজি এটা উল্লেখযোগ্য দিন। মেডিকেল কলেজ আৰু অসম মালাৰ জৰিয়তে আধুনিক অসমৰ বিকাশৰ যাত্ৰাত আজিৰ দিনটো উল্লেখযোগ্য হৈ ৰ'ব। এই বিশেষ দিনটোত মই অসমবাসী ৰাইজক আন্তৰিক অভিনন্দন জনাইছো।' তদুপৰি তেওঁ কয় যে স্বাধীনতাৰ ৭০ বছৰ পাছত অসমত ছখন চিকিৎসা মহাবিদ্যালয় স্থাপন হৈছিল। তাৰ বিপৰীতে যোৱা পাঁচ বছৰতে আৰু ছখন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ কাম আগবাঢ়িছে। আগতে সাতশ এম বি বি এছ চিকিৎসক অসমৰ চিকিৎসা মহাবিদ্যালয়কেইখনৰ পৰা ওলাইছিল। সেই সংখ্যা ১৬ শ লৈ বৃদ্ধি পাব। এই প্ৰসংগতে অসমতো অসমীয়া ভাষাত এখন চিকিৎসা মহাবিদ্যালয় আৰু এখন কাৰিকৰী মহাবিদ্যালয় স্থাপনৰ প্ৰসংগও প্ৰধানমন্ত্ৰীয়ে উত্থাপন কৰে। আনহাতে, অসম মালা আঁচনিখনৰ সন্দৰ্ভত তেওঁ কয় যে নতুন নতুন ৰাস্তা হ'লে অসমৰ যোগাযোগ ব্যৱস্থা আৰু পৰ্যটন খণ্ডৰ ব্যাপক বিকাশ হ'ব। ইয়াৰ ফলত নিবনুৱাই সংস্থাপন পাব, ব্যৱসায় ভাল হ'ব। এই প্ৰসংগত ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ কবিতাৰ পংক্তি 'মোৰ নতুন ভাৰত, এয়া নতুন ছবি, জাগাহে জাগাহে' আওৰাই প্ৰধানমন্ত্ৰীয়ে কয়, 'আমি নতুন ভাৰত গঢ়িব লাগিব। আমি গঢ়িব লাগিব আত্মনিৰ্ভৰ ভাৰত।'

অসমৰ চাহ উদ্যোগ আৰু শ্ৰমিকৰ প্ৰসংগয়ো প্ৰধানমন্ত্ৰীৰ ভাষণত স্থান পায়। এসময়ত নিজে চাহ বিক্ৰী কৰাৰ অনুভৱকো অসমৰ চাহৰ মানৰ প্ৰসংগৰে তেওঁ উল্লেখ কৰে। সমান্তৰালভাৱে অসমৰ চাহক লৈ বৃহৎ আন্তৰ্জাতিক ষড়যন্ত্ৰ চলিছে বুলিও প্ৰধানমন্ত্ৰীয়ে উদ্বিগ্নতা ব্যক্ত কৰে। তেওঁ কয়, 'শোণিতপুৰৰ, অসমৰ চাহ কিমান সুস্বাদু মোতকৈয়ো আৰু কোনে জানে? অসমৰ চাহে ভাৰতক বিশ্বত উজ্জ্বলাই আহিছে। অসমৰ চাহক বাদ দি ৰাজ্যখনৰ কথা ভাবিবই নোৱাৰি। সেই কাৰণে অসমৰ প্ৰগতিৰ কথা আহিলে চাহ বাগানৰ লগত সংগতি ৰাখিহে মই ভৱিষ্যতৰ ছবিখন দেখো। কালি ধন পুৰস্কাৰ মেলাৰ জৰিয়তে চাৰে সাত লাখ চাহ শ্ৰমিকক কোটি টকা আগবঢ়োৱা হৈছে। বাগানৰ গৰ্ভৱতী মহিলাৰ সা-সুবিধাৰ কথা চৰকাৰে ভাবিছে। বাগানৰ জনতাৰ স্বাস্থ্যৰ বাবে ভ্ৰাম্যমাণ চিকিৎসা কেন্দ্ৰৰ সুবিধা আগবঢ়োৱা হৈছে। বিনামূলীয়া ঔষধ দিয়া হৈছে। এইবাৰ বাজেটত কেৱল চাহ শ্ৰমিকৰ বাবে এহেজাৰ কোটি টকাৰ বিশেষ পেকেজ ৰখা হৈছে; কিন্তু আমাৰ এই ধৰণৰ প্ৰচেষ্টাৰ বিপৰীতে এটা পক্ষই অসমৰ চাহৰ বিশ্বৰ বজাৰত বদনাম কৰাৰ ষড়যন্ত্ৰ চলাইছে। এয়া দেশৰ বিৰুদ্ধে চলা ষড়যন্ত্ৰ। বিদেশত বহি এক অপশক্তিয়ে ভাৰতৰ পৰিচয়ৰ ওপৰত এই আক্ৰমণ চলাইছে। গতিকে ৰাইজসকল, এনে ষড়যন্ত্ৰৰ বিষয়ে অৱগত হৈয়ো যিসকল মনে মনে আছে সেইসকলক আপোনালোকে সমৰ্থন কৰিবনে? বদনাম কৰিব বিচৰাসকলক প্ৰত্যেকে সমুচিত উত্তৰ দিব নালাগিব জানো? তেনে সকলো ৰাজনৈতিক দলে উত্তৰ দিব লাগিব। আমিও প্ৰত্যাহ্বান জনাইছো, ষড়যন্ত্ৰ যিমানেই নকৰক কিয়, আমাৰ চাহ শ্ৰমিকে ইয়াৰ উত্তৰ দিব। এই যুদ্ধত তেওঁলোকে জিকিব। আক্ৰমণকাৰীসকলৰ ইমানো শক্তি নাই যে চাহ শ্ৰমিকৰ শ্ৰমৰ মূল্যৰ ওপৰলৈ যাব পাৰিব।'

# জয়তু গুৰুদেৱ!

*এক পৃষ্ঠাৰ পৰা* ভেদে ই সমাজক সচকিত কৰি যায়। বিশেষকৈ বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ দৰে সন্মানীয়, সমাজক দিক্‌দৰ্শনকাৰী পদত অধিষ্ঠিত ব্যক্তিয়ে যেতিয়া এনে নীচ কাৰ্যত লিপ্ত হয় ই আন নহ'লেও হতাশাৰ সৃষ্টি কৰে। যি উপাচাৰ্যই সমাজক জ্ঞানৰ পোহৰেৰে উদ্ভাসিত কৰিব লাগে সেইসকলে ওলোটাই হতাশাৰ অন্ধকাৰহে ছটিয়াবলৈ ধৰিছে। এখন সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত একো একোগৰাকী উপাচাৰ্যৰ ভূমিকা তথা গুৰুত্ব অপৰিসীম। সেইবাবেই একোগৰাকী সফল উপাচাৰ্য যুগে যুগে প্ৰেৰণাৰ উৎস হৈ আহিছে। তাৰ বিপৰীতে মূল্যবোধৰ অৱক্ষয়ৰ চৰম সীমাত উপনীত হৈছে আমাৰ একাংশ উপাচাৰ্য। এয়া হয়তো কিছু দশক পূৰ্বে ৰোপণ কৰা বিহগুটিৰ ফল যি আজি আমাৰ প্ৰাপ্য।

অসমৰ বিশ্ববিদ্যালয়ৰ প্ৰসংগ ওলালেই ড° কৃষ্ণকান্ত সন্দিকৈ, ড° সূৰ্যকুমাৰ ভূঞা প্ৰমুখ্যে প্ৰাতঃস্মৰণীয় যুগদ্ৰষ্টা পণ্ডিতসকলৰ নাম মনত উদ্ভাসিত হৈ উঠে। সেইসকলৰ পাণ্ডিত্য তথা দিক্‌ নিৰ্দেশনাই অসমীয়া শিক্ষিত সমাজ গঢ়ি উঠাত কি গভীৰ প্ৰভাৱ পেলাইছিল তাৰ ব্যাখ্যা নিষ্প্ৰয়োজন। তেওঁলোকে গঢ়ি তোলা ভেটিৰ ওপৰত থিয় দিয়ে অসমৰ সমাজ প্ৰতিষ্ঠিত হ'বলৈ সক্ষম হৈছিল। এনে এক আলোকসন্ধানী যাত্ৰাৰ পৰা পথভ্ৰষ্ট হৈ অৱক্ষয় আৰম্ভ হ'ল অসম আন্দোলনৰ কালছোৱাৰ পৰাই। এটা জাতিক ৰক্ষাৰ শ্ল'গানেৰে আৰম্ভ হোৱা এই আন্দোলনে মূল সমস্যাৰ এধানিমানো সমাধান কৰিব নোৱাৰিলেও অসমৰ অপূৰণীয় ক্ষতি কৰি থৈ গ'ল। অসমৰ সামগ্ৰিক সমাজ ব্যৱস্থাত এনে আঘাত আন্দোলনৰ পূৰ্বে আন কোনেও হানিব পৰা নাছিল। সেইবাবেই আন্দোলনৰ নেতৃত্ববাহীসকল ইতিহাসত সদায়ে কলংকিত হৈয়ে ৰৈ যাব।

দৰাচলতে আন্দোলনৰ সময়ৰ পৰা সমাজক দিক্‌ নিৰ্দেশনা দিয়া উপাচাৰ্যই যেতিয়া এচাম ছাত্ৰ নামধাৰীৰ নিৰ্দেশনা ল'বলৈ ধৰিলে তেতিয়াৰ পৰাই উপাচাৰ্য পদৰ গৰিমা, ভূমিকা আৰু দায়িত্বও ম্লান হৈ আহিল আৰু শেষত উপাচাৰ্যই বিশ্ববিদ্যালয়ৰ ধন আত্মসাতৰ অভিযোগত পলাই ফুৰিবলগীয়া অৱস্থাৰ সৃষ্টি হ'ল। এখন সভ্য সমাজৰ বাবে ইয়াতকৈ দুৰ্ভাগ্যজনক আন কি হ'ব পাৰে! বিশাল ব্যক্তিত্ব আৰু গভীৰ পাণ্ডিত্যৰে একো একোটা অনুষ্ঠানত পৰিণত হোৱা ব্যক্তি এসময়ত যি পদত অধিষ্ঠিত হৈছিল সেই পদত কেৱল শাসনাধিষ্ঠিত মহলৰ অবাঞ্ছিত হস্তক্ষেপতে নিকৃষ্ট স্তৰৰ ব্যক্তিয়েও সময়ে সময়ে অধিষ্ঠিত হোৱাৰ সুযোগ লাভ কৰি অহাটো কাৰো অবিদিত নহয়। এইসকলে উপাচাৰ্য পদত অধিষ্ঠিত হৈ সেই আসনক মহীয়ান কৰিব পাৰিলে নে নিজেই মহীয়ান হ'ব পাৰিলে? এইখন অসমতে ৰাজনীতিৰ পৰা আঁতৰি গৈ বিশ্ববিদ্যালয়ত এদিনো পাঠদান নকৰা ব্যক্তিয়েও উপাচাৰ্য পদত প্ৰতিষ্ঠিত হ'ল মাথোঁ ৰাজনৈতিক নেতাৰ অহেতুক হস্তক্ষেপত। আনকি দীৰ্ঘকাল চৰকাৰী প্ৰশাসনত কৰ্মৰত হৈ কোনো ভাবমূৰ্তি গঢ়ি তুলিব নোৱৰা ব্যক্তিয়েও উপাচাৰ্য পদ অধিকাৰ কৰাটো পৰিলক্ষিত হ'ল। বিভিন্ন দুৰ্নীতি, অনিয়ম, অবাঞ্ছিত বিতৰ্ক আদিৰে উপাচাৰ্যৰ পদমৰ্যাদা দিনে দিনে হানি হ'ল আৰু সেইসকলৰ দুষ্কাৰ্যৰ পৰিধিও বাঢ়ি গৈ থাকিল। পৰিস্থিতি এনে পৰ্যায় পালেগৈ যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষক-বিষয়া-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী সকলোৱেই ৰাজপথলৈ ওলাই আহি উপাচাৰ্যৰ দুৰ্নীতি-অনিয়মৰ প্ৰতিবাদ কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হ'ল।

এনে দুৰ্নীতি-অনিয়মৰ অভিযোগ কেৱল এগৰাকী উপাচাৰ্যৰ বিৰুদ্ধেই নহয়। শেহতীয়াভাৱে গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা এক ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ জৰিয়তে প্ৰকাশ পাইছে যে ৰাজ্যৰ পাঁচগৰাকী উপাচাৰ্যৰ কাৰ্যকালত কমেও এশ কোটি টকাৰ কেলেংকাৰি সংঘটিত হৈছে। এইসকলৰ বিৰুদ্ধে উপযুক্ত তদন্তৰ নিৰ্দেশ প্ৰদানৰ বাবে জনোৱা আবেদন অনুসৰি উচ্চ ন্যায়ালয়ে সংশ্লিষ্ট কৰ্তৃপক্ষক যাৱতীয় পদক্ষেপ গ্ৰহণৰ বাবে নিৰ্দেশ জাৰি কৰিছে। আবেদনত দাঙি ধৰা তথ্যসমূহৰ পৰা প্ৰকাশ পাইছে উপাচাৰ্যৰ দৰে সন্মানীয় পদত অধিষ্ঠিত সকলৰ নিকৃষ্ট চৰিত্ৰ। বিগত কে'বাদশক ধৰি ৰাজ্যত শিক্ষক নিযুক্তিৰ নামত ব্যাপক অনিয়ম সংঘটিত হৈ আহিছে। প্ৰাথমিক স্তৰৰ পৰাই শিক্ষাদানৰ স'তে জড়িত এইসকলৰ একাংশৰ দুৰ্নীতিপৰায়ণতা দেখি শংকিত হৈ পৰিবলগীয়া হয়। আজিৰ শিশুসকলক কাইলৈৰ উপযুক্ত নাগৰিকৰূপে গঢ়ি তোলাৰ এই যাত্ৰাত সেইসকল শিক্ষকৰ মূল লক্ষ্য আৰু উদ্দেশ্য যেন কেৱল চৰকাৰী ধন আত্মসাৎ আৰু বিভিন্ন প্ৰকাৰৰ দুৰ্নীতি-অনিয়ম সংঘটিত কৰাহে। ৰাজ্যত হেজাৰ হেজাৰ বিদ্যালয়ত নিয়োজিত তেনে প্ৰধান শিক্ষক আৰু শিক্ষকসকলৰ প্ৰতিজনকে চালি-জাৰি চোৱাটো চৰকাৰী কৰ্তৃপক্ষৰ বাবে সম্ভৱ নহ'ব পাৰে; কিন্তু আঙুলিৰ মূৰত লেখিব পৰা বিশ্ববিদ্যালয়কেইখনৰ উপাচাৰ্য নিযুক্তিত এনে অজুহাত কোনোপধ্যে গ্ৰহণযোগ্য হ'ব নোৱাৰে। কিয়নো একোখন উচ্চ পৰ্যায়ৰ সমিতিয়েহে উপাচাৰ্য বাছনি কৰে। সকলো দিশ চালি-জাৰি চাই বাছনি কৰা উপাচাৰ্য একোগৰাকী এনে দুৰ্নীতি-অনিয়মত লিপ্ত হোৱাৰ ঘটনাই স্পষ্ট কৰি দিয়ে যে বাছনি সমিতিয়ে নিষ্ঠাৰে নিজৰ কাম সম্পন্ন কৰা নাই অথবা ক্ষমতাশালী চক্ৰৰ দ্বাৰা প্ৰভাৱিত হৈছে। এনে প্ৰক্ৰিয়া অব্যাহত থাকিলে বিভিন্ন বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ দুৰ্নীতি আৰু কোনো এটা চৰকাৰী কাৰ্যালয়ৰ ঘোচখোৰ বিষয়া-কৰ্মচাৰীৰ মাজত পাৰ্থক্য বিচাৰি পাবলৈ টান হৈ পৰে। গতিকে পৰিৱেশৰ আৰু অধিক অৱনতি ঘটাৰ পূৰ্বে চৰকাৰ তথা বৌদ্ধিক মহলে এই ক্ষেত্ৰত দৃষ্টি দিয়াৰ প্ৰয়োজন আছে। অন্যথা আন বহু অনুষ্ঠান-প্ৰতিষ্ঠানৰ দৰে বিশ্ববিদ্যালয়সমূহো সাধাৰণ অপৰাধ আৰু অপৰাধীৰ ঘাটিস্বৰূপ হৈ পৰিব।

আজিৰ বস্তুবাদী জীৱন-যাত্ৰাত ধনৰ প্ৰয়োজন অস্বীকাৰ কৰা নাযায়; কিন্তু এই কথা নিশ্চয় কাৰো ধাৰণাৰ বাহিৰত নহয় যে একোগৰাকী উপাচাৰ্যই সন্মানজনকভাৱে জীৱন নিৰ্বাহ কৰিব পৰাকৈ পৰ্যাপ্ত পৰিমাণৰ দা-দৰমহা লাভ কৰে। প্ৰতিখন বিশ্ববিদ্যালয়তে উপাচাৰ্যৰ বাবে প্ৰয়োজনীয় সকলো সা-সুবিধা উপলব্ধ কৰা হৈছে। বৌদ্ধিক কাৰ্যৰ বাবে নহ'লেও বহু লাখটকীয়া বিলাসী বাহনত জিলিকি থকা নামফলকে ৰাস্তাই-ঘাটে উপাচাৰ্যসকলৰ উপস্থিতিৰ উমান দিয়ে। তাৰ পাছতো বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ ধন আত্মসাতৰ এনে প্ৰৱণতা কিয়? দৰাচলতে ধনলিপ্সাই এইসকলক এনেদৰে অক্টোপাছৰ দৰে মেৰিয়াই ধৰিছে যাৰ বাবে সকলো বিসৰ্জন দি উলংগ হৈ লোকচক্ষুৰ সন্মুখত ধৰা দিছে। যি উপাচাৰ্যৰ দায়িত্ব উলংগ সমাজক বস্ত্ৰ ধাৰণ কৰোৱাৰ, সেই উপাচাৰ্য যেতিয়া নিজেই উলংগ হ'বলৈ লৈছে তেতিয়া আৰু এই সমাজ সুস্থ হৈ আছে বুলি ভাবিব নোৱাৰি। গতিকে গুৰুৱেই যদি মৰ্যাদা হেৰুৱাই পেলায়, তেন্তে সমাজৰ ভৱিষ্যৎ?





# কৰ্ম সংস্কৃতিৰ ওপৰত গুৰুত্ব দিব লাগে

## দৰং জিলা কৰ্মচাৰী পৰিষদৰ অধিবেশনৰ সামৰণি

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ৭ ফেব্ৰুৱাৰী ঃ** দৰং জিলা কৰ্মচাৰী পৰিষদৰ ১৯ সংখ্যক দ্বি-বাৰ্ষিক অধিবেশন দিনজোৰা কাৰ্যসূচীৰে মঙলদৈৰ সনাতন ধৰ্মসভা প্ৰাগংগত মঙলবাৰে অনুষ্ঠিত হয়। জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি সুৰেন্দ্ৰ বৰুৱাই পতাকা উত্তোলন কৰি অধিবেশনৰ কাৰ্যসূচী মুকলি কৰাৰ পাছতে স্মৃতিতৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে জিলা কৰ্মচাৰী পৰিষদৰ উপ-সভাপতি আমানুল্লা পাছাই। দৰং জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি সুৰেন্দ্ৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত প্ৰতিনিধি আৰু বিষয় বাছনি সভা উদ্বোধন কৰে অসম চৰকাৰৰ জলসম্পদ বিভাগৰ অৱসৰপ্ৰাপ্ত সচিব হৰেন কাকতিয়ে। উদ্বোধনী ভাষণত কাকতিয়ে কৰ্মচাৰী পৰিষদৰ জন্মলগ্নৰ ইতিহাস দাঙি ধৰাৰ লগতে কৰ্মচাৰীসকলে কৰ্ম-সংস্কৃতিৰ প্ৰতি অধিক গুৰুত্ব দিব লাগে আৰু কৰ্মচাৰীসকলৰ কৰ্ম-সংস্কৃতিয়েহে দেশ তথা ৰাজ্যৰ উন্নতি সম্ভৱ কৰি তুলিব পাৰে বুলি তাৎপৰ্যপূৰ্ণ বক্তব্য ৰাখে। সদৌ অসম কৰ্মচাৰী পৰিষদৰ সাংগঠনিক সম্পাদক দণ্ডীৰাম বড়ো পৰ্যবেক্ষক হিচাপে উপস্থিত থকা সভাৰ আৰম্ভণিতে সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে দৰং জিলা কৰ্মচাৰী পৰিষদৰ সাধাৰণ সম্পাদক ৰাজেন্দ্ৰ নাথ হাজৰিকাই আৰু হিচাব পৰীক্ষকৰ প্ৰতিবেদন পাঠ কৰে হিচাপ পৰীক্ষক চন্দ্ৰকান্ত বৰুৱাই। প্ৰতিনিধি সভাত ৰাষ্ট্ৰীয় (নতুন) পেঞ্চন আঁচনি বাতিল কৰি পুৰণি পেঞ্চন আঁচনিক বাহাল ৰখা, বিনামূলীয়া স্বাস্থ্য সেৱা আঁচনি পুনৰ প্ৰৱৰ্তন কৰা, বিনামূলীয়া স্বাস্থ্য সেৱা আঁচনি বলবৎ নোহোৱা পৰ্যন্ত বৰ্তমানে পাই থকা চিকিৎসা ভাট্টা ছশ টকাৰ পৰা তিনিহেজাৰ টকালৈ বৃদ্ধি কৰা, শিক্ষকৰ অৰ্জিত ছুটি বছৰি ১০ দিনৰ পৰিবৰ্তে ৩০ দিনলৈ বৃদ্ধি আদি কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। অধিবেশনৰ বিষয় বাছনি সভাত সৰ্বসন্মতিক্ৰমে সভাপতি হিচাপে পুনৰ ৰাজেন্দ্ৰ নাথ হাজৰিকাক আগামী দুবছৰীয়া কাৰ্যকালৰ বাবে নিৰ্বাচিত কৰে। সাধাৰণ সম্পাদকৰ বাবে ছয় গৰাকীকৈ প্ৰাৰ্থীৰ নাম প্ৰস্তাৱ হোৱাত নিৰ্বাচনী প্ৰক্ৰিয়া এৰাই চলাৰ স্বাৰ্থত তেওঁলোকৰ মাজৰ পৰা এগৰাকী প্ৰাৰ্থীক আলোচনাৰ মাধ্যমেৰে নিৰ্বাচন কৰিবলৈ পৰ্যবেক্ষকক তিনিজনীয়া সমিতি গঠন কৰি দিয়ে। উক্ত সমিতিয়ে ছজনীয়া প্ৰাৰ্থীৰ তালিকাৰ পৰা কুলেন চন্দ্ৰ ডেকাক সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰে। উপ-সভাপতি হিচাপে নিৰ্বাচিত হয় ক্ৰমে মদন চন্দ্ৰ বৰুৱা, পুতুল কুমাৰ শইকীয়া, নন্দেশ্বৰ বৰুৱা, প্ৰণৱ কুমাৰ ডেকা, প্ৰবীণ কুমাৰ চহৰীয়া আৰু গোলাপ আলী। আনহাতে যুটীয়া সম্পাদক পদত দুটা পদৰ বিপৰীতে আঠজনকৈ প্ৰাৰ্থীৰ নাম প্ৰস্তাৱ হোৱাত উক্ত পদত আলোচনাৰ মাধ্যমেৰে পাঁচজন প্ৰাৰ্থী নিৰ্বাচিত কৰি ল'বলৈ পূৰ্বৰ নিৰ্বাচিত আৰু নৱ-নিৰ্বাচিত সভাপতি-সম্পাদকক ৰাজ্যিক পৰ্যবেক্ষক গৰাকীয়ে কৰ্তৃত্ব প্ৰদান কৰে।

# কংগ্ৰেছৰ শেষ নিশাৰ খেলত ভোল নাযাবলৈ আহ্বান

## কুশতলিত লাহৰীঘাট সমষ্টিৰ বিজেপিৰ পৃষ্ঠা প্ৰমুখ সন্মিলন

**অগ্ৰদূত বাৰ্তা**

**ভূৰগাঁও, ৭ ফেব্ৰুৱাৰী ঃ** আগন্তুক বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা নহ'লেও ৰাজ্যখনৰ শাসক-বিৰোধী সকলো দলেই সম্প্ৰতি অঘোষিত নিৰ্বাচনী প্ৰচাৰত নামি পৰিছে। উল্লেখ্য যে যোৱা ছয় ফেব্ৰুৱাৰীত লাহৰীঘাট বিধানসভা সমষ্টিৰ বিজেপিৰ পৃষ্ঠা প্ৰমুখ সন্মিলন সমষ্টিটোৰ কুশতলি আঞ্চলিক ৰাস মণ্ডপত অনুষ্ঠিত হয়। মৰিগাঁও জিলা বিজেপিৰ সভাপতি প্ৰবীণ মেধিৰ সঞ্চালনাত অনুষ্ঠিত সন্মিলনত উপস্থিত থকা মৰিগাঁও সমষ্টিৰ বিধায়ক তথা অসম মীন উন্নয়ন নিগমৰ অধ্যক্ষ ৰমাকান্ত দেউৰীয়ে আগন্তুক বিধানসভাৰ নিৰ্বাচনত লাহৰীঘাট সমষ্টিৰ ৰাইজক ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থীগৰাকীক ভোট প্ৰদান কৰি জয়যুক্ত কৰিব লাগিব বুলি আহ্বান জনায়। লগতে তেওঁ সমষ্টিটোৰ বৰ্তমানৰ বিধায়ক ডাঃ নজৰুল ইছলামক সমালোচনা কৰাৰ লগতে নিৰ্বাচনৰ সময়ত কংগ্ৰেছৰ শেষ নিশাৰ খেলত ভোল নাযাবলৈ সকলোকে অনুৰোধ জনায়। ইফালে আগন্তুক নিৰ্বাচনত অসম জাতীয় পৰিষদে যি চৰকাৰ গঠন কৰা সপোন দেখিছে সেই অসম জাতীয় পৰিষদ দলে এখনো আসন নাপায় বুলি কৈ অসম জাতীয় পৰিষদক জুই লগা পাৰ্টি বুলি ইতিকিং কৰে। একেদৰে সন্মিলনখনত মৰিগাঁও জিলাৰ প্ৰভাৰী বিচিত্ৰ নাৰায়ণ কলিতাই কালি অনুষ্ঠিত পৃষ্ঠ প্ৰমুখৰ সন্দৰ্ভত বক্তব্য আগবঢ়াই কয় যে বিগত ২০১৬ৰ নিৰ্বাচনত লাহৰীঘাট সমষ্টিত মিত্ৰদল অসম গণ পৰিষদক দিছিল যদিও জয়লাভ কৰিব নোৱাৰিলে। এইবাৰ কিন্তু সমষ্টিটোত বিজেপিৰ কৰ্মীসকলে দলীয় প্ৰাৰ্থী দাবী কৰিছে আৰু সেই অনুসৰি তেওঁলোকে দলীয় উচ্চস্তৰীয় স্তৰত বিষয়টো অৱগত কৰিব বুলি সকলোকে আশ্বাস দিয়াৰ লগতে দলীয় প্ৰাৰ্থী দিলে জিকাই আনিবলৈয়ো দাবী জনায়। জিলা বিজেপিৰ সম্পাদক নিৰ্মল কোঁৱৰে আঁত ধৰা পৃষ্ঠা প্ৰমুখ সন্মিলনখনত লাহৰীঘাট সমষ্টিৰ বিস্তাৰক চিত্ৰ ৰাজখোৱাৰ লগতে তিৱা স্বায়ত্ত পৰিষদৰ উপাধ্যক্ষ অংকুৰ দেউৰী, সদস্য দুলাল ব্ৰহ্ম, কুশতলি মণ্ডল সভাপতি জিলুৰাম পাতৰ, লাহৰীঘাট মণ্ডলৰ সভাপতি শংকৰ বসুমতাৰী, নিজ গেৰুৱা মণ্ডলৰ সভাপতি বিষ্ণু বিশ্বাস, নিজ গেৰুৱা জিলা পৰিষদৰ সদস্য সঞ্জয় ব্ৰহ্মকে ধৰি ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ কে'বাগৰাকী দলীয় বিষয়ববীয়া উপস্থিত থাকে। একেদৰে সন্মিলখনত সমষ্টিটো তথা লাহৰীঘাট, কুশতলি আৰু নিজ গেৰুৱা মণ্ডলৰ বিষয়ববীয়া, কাৰ্যনিৰ্বাহক, মণ্ডল মৰ্চাৰ বিষয়ববীয়া, কাৰ্যনিৰ্বাহক, বুথ সমিতিৰ বিষয়ববীয়া, বুথ সমিতিৰ পৃষ্ঠা প্ৰমুখ, শক্তি কেন্দ্ৰৰ আহ্বায়কসকল, দলটোৰ জিলা পৰিষদৰ সদস্য-সদস্যা, পঞ্চায়ত সভাপতি, ৱাৰ্ড সদস্য-সদস্যা, আঞ্চলিক পঞ্চায়তৰ সদস্য-সদস্যাসকলে অংশগ্ৰহণ কৰে।

## সিন্দুৰাইত গাঁওৰক্ষী বাহিনীৰ সম্পাদকক হত্যাৰ প্ৰচেষ্টা

**অগ্ৰদূত বাৰ্তা**

**আগমনী, ৭ ফেব্ৰুৱাৰী ঃ** আগমনী আৰক্ষী থানাৰ অন্তৰ্গত সিন্দুৰাইত যোৱা চাৰি ফেব্ৰুৱাৰীৰনিশা গাঁওৰক্ষী বাহিনীৰ সম্পাদকক হত্যাৰ প্ৰচেষ্টা চলোৱা তিনিজনৰ বিৰুদ্ধে আৰক্ষী থানাত কালি এজাহাৰ দাখিল কৰে সম্পাদক দীপক চন্দ্ৰ ৰায়ে। উত্থাপিত অভিযোগ মতে, পূৰ্বৰ শত্ৰুতাৰ প্ৰতিশোধ লোৱাৰ লক্ষ্যৰে চাৰি ফেব্ৰুৱাৰীৰ নিশা গাঁওখনৰে তুফান ৰায়, গৌৰাংগ ৰায় আৰু শ্যামাচৰণ ৰায়ে হাতে হাতে ৰড, দা, লাঠি লৈ গাঁওৰক্ষী বাহিনীৰ সম্পাদক দীপক চন্দ্ৰ ৰায়ৰ গৃহৰ চোতালত উপস্থিত হৈ চিঞৰ-বাখৰ কৰা শুনি গাঁওবাসী উপস্থিত হোৱাত তিনিওজনে পলায়ন কৰে। উল্লেখ্য যে ইয়াৰ পূৰ্বেও গাঁওৰক্ষী বাহিনীৰ সম্পাদকজনক অভিযুক্তসকলে আক্ৰমণ কৰিছিল। ঘটনা সন্দৰ্ভত গাঁওৰক্ষী বাহিনীৰ সম্পাদক ৰায়ে আগমনী আৰক্ষী থানাত তুফান ৰায়, গৌৰাংগ ৰায় আৰু শ্যামাচৰণ ৰায়ৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে।

# উজিৰৰ চৰ প্ৰাথমিক বিদ্যালয় পৰিচালনা সমিতিলৈ শ্ৰেষ্ঠ পৰিচালনা সমিতিৰ বঁটা

**আলোপতি, ৭ ফেব্ৰুৱাৰী ঃ** বৰপেটা জিলাৰ মন্দিয়া খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত ১২৮৮ নম্বৰ উজিৰৰ চৰ বালক প্ৰাথমিক বিদ্যালয়ৰ পৰিচালনা সমিতিলৈ শ্ৰেষ্ঠ বিদ্যালয় পৰিচালনা সমিতিৰ বঁটা প্ৰদানত উৎফুল্লিত হৈ পৰিছে অভিভাৱকৰ লগতে স্থানীয় ৰাইজ। কালি জিলা প্ৰাথমিক শিক্ষা বিষয়া আৰু জিলা মিছন সমন্বয়কে মন্দিয়াত আয়োজন কৰা এখন সভাত বিদ্যালয়খনলৈ উজিৰৰ চৰ মণ্ডল সমল কেন্দ্ৰৰ ভিতৰত শ্ৰেষ্ঠত্বৰ বঁটা প্ৰদান কৰে। বিদ্যালয়ৰ শৈক্ষিক ক্ষেত্ৰৰ উন্নয়নৰ লগতে বিদ্যালয়ৰ সামগ্ৰিক উন্নয়নত আগবঢ়োৱা অৰিহণাৰ বাবে জিলা সমগ্ৰ শিক্ষাৰ ফালৰ পৰা এই বঁটা প্ৰদান কৰা হয়। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আব্দুল্লা আহমেদ আৰু প্ৰধান শিক্ষক ফনীন্দ্ৰ কুমাৰ নাথৰ হাতত বঁটা আৰু এখন প্ৰশস্তিপত্ৰ প্ৰদান কৰে শিক্ষা বিভাগে। সভাত বৰপেটা জিলা সমগ্ৰ শিক্ষাৰ এম আই এছ গুণীন দাস, ডি পি অ নিৰঞ্জন ওজা সমন্বিতে শিক্ষা বিভাগৰ বিষয়া কৰ্মচাৰীসকল উপস্থিত থাকে। জিলা সমগ্ৰ শিক্ষাই বিদ্যালয় পৰিচালনা সমিতিলৈ আগবঢ়োৱা এই স্বীকৃতিৰ বাবে পৰিচালনা সমিতিৰ লগতে শিক্ষকসকলক আঞ্চলিক পঞ্চায়তৰ সদস্য বুলবুল হুছেইন, যুৱ সমাজকৰ্মী বাবুল হুছেইনৰ লগতে সচেতন মহলে প্ৰশংসা কৰে আৰু ভৱিষ্যতেও এই ধাৰা অক্ষুণ্ণ ৰাখিবলৈ আহ্বান জনায়।



*হাজোৰ কুলহাটীত বিজেপিৰ পৃষ্ঠা প্ৰমুখত বিধায়িকা সুমন হৰিপ্ৰিয়া, দেওবাৰে।*

# তিনিশ গছি বন্তি প্ৰজ্বলনেৰে সত্ৰ প্ৰাংগণ আলোকিত

**অগ্ৰদূত বাৰ্তা**

**উৰিয়াগাঁৱৰ নিকামুল সত্ৰৰ ভাগৱত পাঠ মহোৎসৱ**

**পুৰণিগুদাম, ৭ ফেব্ৰুৱাৰী ঃ** ১৮০০ত স্থাপিত নগাঁৱৰ উৰিয়াগাঁওস্থিত ঐতিহ্যপূৰ্ণ শ্ৰীশ্ৰী নিকামুল সত্ৰত যোৱা এক আৰু দুই ফেব্ৰুৱাৰীত সম্পন্ন হয় শ্ৰীমদ্ভাগৱত পাঠ মহোৎসৱৰ লগতে ধৰ্মগুৰু গহন চন্দ্ৰ গোস্বামীৰ তিৰোভাৱ তিথি, সত্যব্ৰত গোস্বামী, পুণ্যব্ৰত গোস্বামী, প্ৰিয়ব্ৰত গোস্বামীৰ পুণ্য স্মৃতি শ্ৰদ্ধাৰ্ঘ্য অনুষ্ঠান। এই উপলক্ষে প্ৰথম দিনা উদ্‌যাপন সমিতিৰ সভাপতি অতুল চন্দ্ৰ বৰাই ধৰ্মধ্বজা উত্তোলনেৰে কাৰ্যসূচী মুকলি কৰাৰ পাছতে প্ৰয়াত সত্ৰাধিকাৰ গহন চন্দ্ৰ গোস্বামী, সত্যব্ৰত গোস্বামী, পুণ্যব্ৰত গোস্বামী, প্ৰিয়ব্ৰত গোস্বামীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰা হয়। ইয়াৰ পাছতে নাম প্ৰসংগ আৰু বিয়লি শ্ৰী মদ্ভাগৱত পাঠৰ আৰম্ভ কৰা হয়। সন্ধিয়া সত্ৰখনৰ তিনিশ বছৰ উপলক্ষে সত্ৰ প্ৰাংগণত তিনিগৰাকী মহিলাৰ দ্বাৰা বন্তি প্ৰজ্বলনৰ এক ব্যতিক্ৰমী অনুষ্ঠান অনুষ্ঠিত হয়। বিশিষ্ট কণ্ঠশিল্পী কৃষ্ণমণি নাথৰ ঘোষা আৰু জনপ্ৰিয় চলচ্চিত্ৰ অভিনেতা যতীন বৰা, সমাজকৰ্মী সুৰেশ বৰাই বন্তি প্ৰজ্বলন কাৰ্যসূচী আৰম্ভ কৰাৰ পাছতে তিনিশ বন্তি প্ৰজ্বলনেৰে চৌদিশ আলোকিত কৰে সমাজৰ তিনিশগৰাকী মহিলাই। এই অনুষ্ঠানৰ পূৰ্বে উদ্যোক্তাসকলে দুয়োগৰাকী শিল্পীক সম্বৰ্ধনা জ্ঞাপন কৰাৰ পাছতে শিল্পী দুগৰাকীয়ে তিনিশগৰাকী বন্তি প্ৰজ্বলনকাৰীক গামোচা, সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনায়। উদ্‌যাপন সমিতিৰ প্ৰধান সম্পাদক প্ৰদীপ বৰাই আঁত ধৰা অনুষ্ঠানত শিল্পী, সাহিত্যিক, সমাজকৰ্মীকে ধৰি কে'বাশ শতাধিক লোক উপস্থিত থাকে। উক্ত অনুষ্ঠানতে শ্ৰীশ্ৰী নিকামুল সত্ৰৰ ঐতিহ্য সম্পৰ্কত শিল্পী প্ৰদীপ বৰাৰ ৰচনা কণ্ঠ, সুৰ সমৃদ্ধ এটি ভক্তিমূলক গীত মুকলি কৰে ৰামানুজন কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ দিলীপ বৰাই। শ্ৰীশ্ৰী নিকামুল সত্ৰৰ ভকত-বৈষ্ণৱৰ পৃষ্ঠপোষকতাত প্ৰস্তুত কৰা গীতটোত কণ্ঠ নিগৰাইছে তুতুমণি বৰা আৰু কৃষ্ণা দাসে আৰু সংগীত প্ৰাঞ্জল বৰাৰ। দ্বিতীয় দিনা পুৱা সত্ৰাধিকাৰসকলৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰাৰ পাছত শ্ৰীমদ্ভাগৱত পাঠৰ সামৰণি পৰে। দুপৰীয়া নাম-প্ৰসংগ, সন্ধিয়া বন্তি প্ৰজ্বলন আৰু ধৰ্মধ্বজা অবনমনেৰে কাৰ্যসূচীৰ অন্ত পৰে।

## কাকমাৰীত গাঁওৰক্ষী সংগঠনৰ প্ৰতিষ্ঠা দিৱস সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**বেৰেজীয়া, ৭ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ বেৰেজীয়াৰ সমীপৰ কাকমাৰীৰ বৰবড়ি জনকল্যাণ নাট্য সমিতি সমূহীয়া ভৱনত কালি জাজৰি আৰক্ষী থানা গাঁওৰক্ষী বাহিনীৰ উদ্যোগত আৰু কাকমাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত গাঁওৰক্ষী বাহিনীসমূহৰ সহযোগত অসম গাঁওৰক্ষী সংগঠনৰ ৭২ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে পুৱা ন বজাত জাজৰি আৰক্ষী থানা গাঁওৰক্ষী বাহিনীৰ সভাপতি যজ্ঞ বৰাই পতাকা উত্তোলনেৰে দিনজোৰা কাৰ্যসূচীৰ পাতনি মেলাৰ পাছতে ছহিদ তৰ্পণ কাৰ্যসূচীৰ আৰম্ভ কৰে বৰবড়ি জনকল্যাণ নাট্য সমিতিৰ সভাপতি ঘনমোহন ডেকাই। ইয়াৰ পাছতে ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন আৰু কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিয়লি জাজৰি আৰক্ষী থানা গাঁওৰক্ষী বাহিনীৰ সভাপতি যজ্ঞ বৰাৰ পৌৰোহিত্যত মুকলি সভা হয়। জাজৰি আৰক্ষী থানা গাঁওৰক্ষী বাহিনীৰ সম্পাদক জেহিদুৰ ৰহমানে আঁত ধৰা সভাত মুখ্য অতিথি হিচাপে গাঁওৰক্ষী বাহিনীৰ চক্ৰ সংগঠক ৰঞ্জিত কুমাৰ শৰ্মা উপস্থিত থাকি গাঁওৰক্ষী বাহিনীৰ দায়িত্ব আৰু কৰ্তব্যৰ ওপৰত ভাষণ প্ৰদান কৰে।

# বাসুগাঁও পৰীক্ষা কেন্দ্ৰ কমিটী গঠন

**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ৭ ফেব্ৰুৱাৰী ঃ** ২০২১ৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বাবে বাসুগাঁও কেন্দ্ৰৰ পৰিচালনা সমিতি দুখন আজি অনুষ্ঠিত সাধাৰণ সভাত গঠন কৰা হয়। বাসুগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি তথা ২০২০ৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ পৰীক্ষা পৰিচালনা সমিতিৰ সভাপতি লক্ষ্মীনাথ ব্ৰহ্মৰ সভাপতিত্বত অনুষ্ঠিত সভাত দুয়োটা পৰীক্ষাৰ আয়-ব্যয়ৰ হিচাপ অধ্যক্ষই পাঠ কৰাৰ পাছত আলোচনা মৰ্মে অনুমোদন জনায়। পূৰ্বৰ সমিতি দুখন ভংগ কৰাৰ পাছত প্ৰমোদ চন্দ্ৰ পাঠকক সভাপতি আৰু ভাৰপ্ৰাপ্ত অধ্যক্ষ আশ্বদ আলী শ্বেখক সম্পাদক হিচাপে লৈ ২০২১ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা পৰিচালনা সমিতি গঠন কৰাৰ বিপৰীতে ২০২১ৰ বাবে লক্ষ্মীনাথ ব্ৰহ্মক সভাপতি আৰু ভাৰপ্ৰাপ্ত সম্পাদকৰূপে লৈ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ পৰীক্ষা পৰিচালনা সমিতি গঠন কৰা হয়। দুয়োটা পৰীক্ষাৰ বাবে ৰবীন্দ্ৰ আৰু সুভাষ চৌধুৰীক হিচাপ পৰীক্ষকৰূপে মনোনীত কৰা হয়। উল্লেখ্য যে ২০২১ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত বাসুগাঁও কেন্দ্ৰৰ মুঠ ৭৪৬ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। আনহাতে, উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত (কলা আৰু বিজ্ঞান শাখা) কেন্দ্ৰ বিদ্যালয় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ৩৬৬ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। কেন্দ্ৰৰ অন্তৰ্গত বাসুগাঁও কনিষ্ঠ মহাবিদ্যালয় আৰু নেতাজী সুভাষ বিদ্যানিকেতন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰীক্ষাৰ্থীৰ বাবে এতিয়ালৈকে লাভ নকৰাৰ কথা ভাৰপ্ৰাপ্ত অধ্যক্ষই জানিবলৈ দিয়ে।

# ভূৰাগাঁৱত চাৰি জুৱাৰীক জেললৈ প্ৰেৰণ

**অগ্ৰদূত বাৰ্তা**

**ভূৰাগাঁও, ৭ ফেব্ৰুৱাৰী ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁৱত যোৱা চাৰি ফেব্ৰুৱাৰীৰ নিশা আৰক্ষীয়ে চলোৱা এক অভিযানত এটা জুৱাৰ ঘাটি উৎখাত কৰিবলৈ সক্ষম হোৱাৰ লগতে তিনিজন জুৱাৰীক প্লেইন কাৰ্ড আৰু নগদ ধনসহ আটক কৰে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি তীৰ-জুৱাৰ ৰমৰমীয়া বেহা চলি আহিছে ভূৰাগাঁৱৰ বিভিন্ন স্থানত। সম্প্ৰতি ভূৰাগাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মৃদুল হাজৰিকাই তীৰ আৰু জুৱাৰ বিৰুদ্ধে অঞ্চলটোত অভিযান আৰম্ভ কৰিছে। তিনি ফেব্ৰুৱাৰীত ভূৰগাঁও চাৰিআলিত তীৰৰ বিৰুদ্ধে অভিযানত চলাই তীৰৰ ঘাটি এটা উৎখাত কৰাৰ লগতে এজন বুকীক গ্ৰেপ্তাৰ কৰে। পুনৰ পিছদিনা নিশা আৰক্ষীৰ এটা দলে ভূৰাগাঁও বৰডোৱা পথাৰত এক অভিযান চলাই এটা বৃহৎ জুৱাৰ ঘাটি উৎখাতৰ লগতে তিনি জুৱাৰীক আটক কৰে। আটক হোৱা জুৱাৰী তিনিজন ক্ৰমে খাইৰুল ইছলাম, মইদুল ইছলাম আৰু ছাহ আলাউদ্দিন আলী। কালি তীৰ খেলৰ বুকী নেপাল মণ্ডল আৰু এই তিনি জুৱাৰীৰ বিৰুদ্ধে দুটা গোচৰ পঞ্জীয়ন কৰি চাৰিওকে জেললৈ প্ৰেৰণ কৰে।

# হোজাইত 'স্বয়ম' আঁচনি ৰূপায়ণত দুৰ্নীতিৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**লংকা, ৭ ফেব্ৰুৱাৰী ঃ** 'সবকা সাথ সবকা বিকাশ' কথা কোৱা বিজেপি চৰকাৰখনে ৰাজ্যৰ বহু হেজাৰ শিক্ষিত নিবনুৱাসকলৰ বাবে 'স্বয়ম' আঁচনিৰ দ্বাৰা ৫০ হেজাৰকৈ টকা দিয়াৰ কথা ঘোষণা কৰিছিল যদিও চৰকাৰে প্ৰতিশ্ৰুতি দিয়াৰ মতেই বৰ্তমান ৩০ হেজাৰ টকা আগতীয়াকৈ প্ৰদান কৰিছে। উল্লেখ্য যে হোজাই জিলাৰ লংকা, কাকী বৃহত্তৰ অঞ্চলটোত বহু শিক্ষিত নিবনুৱা মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল চৰকাৰৰ 'স্বয়ম' আঁচনিৰ পৰা বঞ্চিত হ'ব লগাত পৰিছে। আনফালে 'স্বয়ম' আঁচনি ধন দিয়াৰ নামত আত্মসহায়ক গোটৰ পৰা ধন দাবী, চৰকাৰী চাকৰিয়ালৰ নাম আত্মসহায়ক গোটত অন্তৰ্ভুক্ত কৰি ধন সংগ্ৰহ কৰা আদি সম্প্ৰতি পোহৰলৈ আহিছে। হোজাই জিলাৰ এনে এখন তালিকাত সন্নিবিষ্ট হৈছে কে'বাগৰাকী ধনী ঘৰৰ পৰিয়ালৰ লোকৰ লগতে এগৰাকী অসম চৰকাৰৰ স্বাস্থ্য বিভাগত কৰ্মৰত কৰ্মীয়ে লাভ কৰিছে 'স্বয়ম' আঁচনিৰ ধন। লগতে 'স্বয়ম' আঁচনিৰ অন্তৰ্ভুক্ত আত্মসহায়ক গোটৰ সদস্য পৰা ১০ হেজাৰকৈ ধন দাবী কৰা একাংশ বিজেপি নেতা-পালিনেতাৰ কথা তালিকাভুক্ত সদস্যই আমাক জানিবলৈ দিয়ে। এতিয়া প্ৰশ্ন উত্থাপিত হৈছে যে প্ৰকৃততে 'স্বয়ম' আঁচনিৰ ধন চৰকাৰী চাকৰিয়ালসকলৰ বাবে আছিল নেকি? কাৰ বাবে হোজাইত প্ৰকৃত শিক্ষিত নিবনুৱাই 'স্বয়ম' আঁচনি লাভ কৰাৰ বিপৰীতে লাভ কৰিছে ধনী তথা চৰকাৰী কৰ্মচাৰীয়ে। শূন্য সহনশীলতাৰ কথা কোৱা সোণোৱাল চৰকাৰখনৰ দিনত হোজাই জিলাত 'স্বয়ম' আঁচনি ৰূপায়ণৰ নামত কিহৰ বাবে ইমান খেলিমেলি সেয়া তদন্ত হ'বনে নে এনেকৈয়ে আঁচনিৰ প্ৰকৃত হিতাধিকাৰীসকল একাংশ চৰকাৰী দালালৰ বাবে চিৰদিন বঞ্চিত হৈ আহিব বুলি প্ৰশ্ন উত্থাপিত হৈছে।

# গোৱেশ্বৰত অসম দক্ষতা বিকাশ অভিযানৰ আলটিমেট স্কীল চেণ্টাৰ মুকলি

**অগ্ৰদূত বাৰ্তা**

**গোৱেশ্বৰ, ৭ ফেব্ৰুৱাৰী ঃ** যোৱা পাঁচ ফেব্ৰুৱাৰীত গোৱেশ্বৰস্থিত কলাগুৰু বিষ্ণু ৰাভা ভৱন মুকলি কৰা হয় আলটিমেট স্কীল চেণ্টাৰষ কেন্দ্ৰটো মুকলি কৰে অসম দক্ষতা বিকাশ অভিযানৰ বাগ্‌সা জিলা প্ৰকল্প বিষয়া বিকাশ চন্দ্ৰ মহন্তই। গোৱেশ্বৰ বিষ্ণু ৰাভা ভৱন প্ৰাংগণত এখন সভাৰ অনুষ্ঠিত হয়। 'আলটিমেট এনাৰ্জি'ৰ মুখ্য প্ৰকল্প বিষয়া অপৰাজিতা দেৱচৌধুৰীয়ে আঁত ধৰা সভাত বাগ্‌সা জিলাৰ প্ৰকল্প বিষয়া বিকাশ চন্দ্ৰ মহন্তই কয় যে এই কেন্দ্ৰত নিৰ্মাণ ক্ষেত্ৰৰ স'তে জড়িত সকলে নিজৰ দক্ষতা বিকাশ কৰাৰ লগতে একোখনকৈ প্ৰমাণপত্ৰ লাভ কৰিব যাৰ জৰিয়তে নিৰ্মাণ ক্ষেত্ৰখনত শ্ৰমিকসকলে স্বীকৃতি লাভ কৰাৰ লগতে নিজকে নিপুণ কৰি গঢ়ি তুলিব পাৰিব। বিনামূলীয়াকৈ অহা তিনি মাহৰ বাবে অনুষ্ঠিত হ'বলগীয়া প্ৰশিক্ষণ কেন্দ্ৰত নিৰ্মাণ শ্ৰমিকসকলে প্ৰশিক্ষণ গ্ৰহণ কৰি উপকৃত হ'ব পাৰিব। এনে প্ৰশিক্ষণ গ্ৰহণ কৰি নিবনুৱাসকলে নিৰ্মাণ ক্ষেত্ৰত দক্ষতা অৰ্জন কৰি ৰাজ্যৰ লগতে ৰাজ্যৰ বাহিৰতো আত্মনিৰ্ভৰশীলতাৰ ক্ষেত্ৰত নিজকে সাজু কৰি তুলিব পাৰিব। সভাত গোৱেশ্বৰ অঞ্চলৰ প্ৰায় অৰ্থ শতাধিক নিৰ্মাণ শ্ৰমিকৰ লগতে নিবনুৱা যুৱকে অংশগ্ৰহণ কৰে। সভাত বেতনা শিক্ষা আৰু কৃষি উন্নয়ন সংঘৰ বিষয়ববীয়াও উপস্থিত থাকি ভাষণ প্ৰদান কৰে।

# চিৰাঙৰ বিজনীত বিজেপিৰ যোগদান আৰু পৃষ্ঠা প্ৰমুখ সন্মিলন

## পাঁচশ জনৰ বিজেপিত যোগদান

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ৭ ফেব্ৰুৱাৰী ঃ** চিৰাং জিলাৰ বিজনীত পৰহি বিজেপিৰ এখন যোগদান সভা আৰু পৃষ্ঠা প্ৰমুখ সন্মিলন অনুষ্ঠিত হয়। বিজনী বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি বিজেপিৰ ৰাজ্যিক সাধাৰণ সম্পাদক সুকুমাৰ বিশ্বাসে দলীয় নীতি, আদৰ্শৰ কথা ব্যক্ত কৰাৰ লগতে বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে জনসাধাৰণৰ কল্যাণৰ বাবে ৰূপায়ণ কৰি থকা আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰে। তেওঁ চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহ গ্ৰহণ কৰিবলৈ ৰাইজলৈ আহ্বান জনায়। যোগদান সমাৰোহ আৰু পৃষ্ঠা প্ৰমুখ সন্মিলনত বিশিষ্ট অতিথিৰূপে বিটিচিৰ উপাধ্যক্ষ অভিৰাম মহানায়ক, বিটিচিৰ পৰিষদীয় সদস্য প্ৰদীপ কুমাৰ বায়ন, বিজেপিৰ অ'বিচি মৰ্চাৰ মহকুমা সভাপতি অৰূপ কুমাৰ নাথ আৰু বিজনী সমষ্টিৰ বিজেপিৰ কৰ্মীসকল উপস্থিত থাকে। কালি বিজেপিৰ প্ৰতি আকৃষ্ট হৈ বিজনী সমষ্টিত পাঁচ শতাধিকে বিজেপিত যোগদান কৰে। সংবাদ মাধ্যমৰ আগত বিজেপিৰ ৰাজ্যিক সাধাৰণ সম্পাদক সুকুমাৰ বিশ্বাসে অসম বিধানসভা নিৰ্বাচনত এইবাৰ বিজেপি মিত্ৰজোঁটৰ চৰকাৰ গঠন কৰাতো নিশ্চিত হৈ পৰিছে বুলি দাবী কৰে।

# গোৱালপাৰাত এন পি পিৰ সমষ্টি কমিটী গঠন

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৭ ফেব্ৰুৱাৰী ঃ** বিধানসভা নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে ৰাজনৈতিক দলসমূহে সিমানেই তৎপৰতা বৃদ্ধি কৰা পৰিলক্ষিত হৈছে। অন্যান্য ৰাজনৈতিক দলৰ লগতে নেচনেল পিপল'ছ পাৰ্টি চমুকৈ এন পি পিয়েও গোৱালপাৰা জিলাৰ বিশেষকৈ দুধনৈ আৰু পূব গোৱালপাৰা সমষ্টি দখল কৰাৰ কাৰণে কুচকাৱাজ আৰম্ভ কৰিছে। ইপিনে, দলটোৰ প্ৰভাৱ থকা দুধনৈ সমষ্টিত সমষ্টি কমিটীৰ লগতে মহিলা আৰু দলৰ যুৱ সমিতি নতুনকৈ গঠন কৰা হৈছে। ইয়াৰে ছাদ্দাম হুছেইনক সভাপতি আৰু সঞ্জীৱ চাংমাক সাধাৰণ সম্পাদক হিচাপে লৈ দুধনৈ সমষ্টি কমিটী গঠন কৰাৰ লগতে গেমৰিনা চাংমাক নেত্ৰী আৰু মৰজিনা খাতুনক সাধাৰণ সম্পাদিকা হিচাপে লৈ মহিলা কমিটী আৰু ইজিকেল মাৰাকক সভাপতি আৰু শ্বাহিনুৰ ইছলামক সাধাৰণ সম্পাদকৰূপে লৈ দলৰ যুৱ সমষ্টি কমিটী গঠন কৰা হৈছে।

# গোৱালপাৰাৰ বাকাইটাৰীত শ্ৰীশ্ৰীনৱগ্ৰহ মহযজ্ঞৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৭ ফেব্ৰুৱাৰী ঃ** পূব গোৱালপাৰাৰ বাকাইটাৰী দৈৱজ্ঞ ব্ৰাহ্মণ সমাজৰ উদ্যোগত অহা ছয় ফেব্ৰুৱাৰীৰ পৰা দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে একাদশ বাৰ্ষিক শ্ৰীশ্ৰীনৱগ্ৰহ মহাযজ্ঞৰ আয়োজন কৰা হৈছে। দৈৱজ্ঞ ব্ৰাহ্মণ সমাজৰ সভাপতি জীতেন দেৱ শৰ্মাই জনোৱা মতে, বাকাইটাৰীৰ গণকপাৰাস্থিত শ্ৰীশ্ৰীনৱগ্ৰহ মন্দিৰত অনুষ্ঠিত হ'বলগীয়া মহাযজ্ঞৰ কাৰ্যসূচী অনুসৰি ছয় ফেব্ৰুৱাৰীৰ সন্ধিয়া নিজ নিজ পদূলিত বন্তি প্ৰজ্বলন, সন্ধিয়া ছয় বজাত শ্ৰীশ্ৰীনৱগ্ৰহ যজ্ঞৰ একাদশ বাৰ্ষিক উপলক্ষে পবিত্ৰ ১১ গছি বন্তি প্ৰজ্বলন, অধিবাস আৰু ভাগৱত পাঠ অনুষ্ঠিত হ'ব। পাঠক হ'ল ডম্বৰুধৰ শৰ্মা। ইপিনে দ্বিতীয় দিনা ধৰ্মধ্বজা উত্তোলন কৰিব সদৌ অসম-কৰ্মচাৰী পৰিষদৰ উপ সভাপতি শৰৎ দাসে। গ্ৰহযজ্ঞৰ মুখ্যদ্বাৰ মুকলি কৰিব বাকাইটাৰী গাঁও পঞ্চায়তৰ সভানেত্ৰী সুষমা নাথে, সমাজকৰ্মী হৰেন শৰ্মাই যজ্ঞ মণ্ডপৰ দ্বাৰ মুকলি কৰাৰ পাছত গ্ৰহপূজাৰ আৰু বাকাইটাৰী যদুমণি নাম দলৰ দ্বাৰা নাম পৰিবেশন কৰা হ'ব। দুপৰীয়া যজ্ঞাহুতি আৰু যজ্ঞান্তে প্ৰসাদ বিতৰণ আৰু আবেলি ভাগৱত পাঠ আৰু যজ্ঞ সমাপনেৰে কাৰ্যসূচীৰ অন্ত পৰিব।

# নলবাৰীত চাৰিটাকৈ প্ৰকল্পৰ আধাৰশিলা স্থাপন

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৭ ফেব্ৰুৱাৰী ঃ** নলবাৰী সমষ্টিত যোৱা ছয় ফেব্ৰুৱাৰীত অসম পৰ্যটন নিগমৰ অধ্যক্ষ জয়ন্ত মল্ল বৰুৱাই চাৰিখন আঁচনিৰ আধাৰশিলা স্থাপন কৰে। উল্লেখ্য যে নলবাৰী সমষ্টিত টিকটৰ দৌৰত থকা পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষই পৰ্যটন বিভাগৰ চাৰিখন আঁচনিৰ আধাৰশিলা স্থাপন কৰি চমক সৃষ্টি কৰে। তেওঁ সমষ্টিটোৰ অন্তৰ্গত কটলা-বৰকুছিত ২৫ লাখ টকা ব্যয় সাপেক্ষত নিৰ্মাণ কৰিব লগা শ্ৰীমন্ত শংকৰদেৱ সাংস্কৃতিক প্ৰকল্প নামঘৰৰ আধাৰশিলা স্থাপন কৰাৰ বিপৰীতে আনহাতে ৪৫ লাখ টকা ব্যয় সাপেক্ষত নিৰ্মাণ হ'ব লগা কৃষ্ণগুৰু শাখা সেৱাশ্ৰম, কটলা-বৰকুছিত সংশ্লিষ্ট বিভাগৰ এটি অতিথি গৃহৰ আধাৰশিলা স্থাপন কৰে। একেখন গাঁৱত থকা চিলাৰায় ক্ষেত্ৰত ৪০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিব লগা বিশ্ব মহাবীৰ চিলাৰায় ক্ষেত্ৰৰ আধাৰশিলা স্থাপন কৰাৰ সমান্তৰালভাৱে বালা-মুগকুছি, গৰখীয়া থানতো ৩২ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'ব লগা এটা আধুনিক প্ৰেক্ষাগৃহৰো আধাৰশিলা স্থাপন কৰে অসম পৰ্যটন নিগমৰ অধ্যক্ষ জয়ন্ত মল্ল বৰুৱাই। আধাৰশিলা স্থাপন কৰি অধ্যক্ষ তথা বিজেপিৰ উপ-সভাপতিজনে নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ কথা ব্যক্ত কৰি কয় যে হাগ্ৰামা মহিলাৰীৰ ১৭ বছৰীয়া ৰাজত্বৰ দিন এতিয়া নাই। বিটিআৰত ৰাইজে হাগ্ৰামাক প্ৰত্যাখ্যান কৰিছে। বিটিআৰত এতিয়া ইউপিপিএলৰ শাসন চলিছে। বিটিচি প্ৰধান হাগ্ৰামাই বিপিএফৰ সহায় নোহোৱাকৈ আগন্তুক বিধানসভা নিৰ্বাচনত কোনেও চৰকাৰ গঠন কৰিব নোৱাৰে বুলি কৰা মন্তব্যকো তেওঁ কটাক্ষ কৰে। তদুপৰি চাৰিখনকৈ আঁচনিৰ আধাৰশিলা স্থাপন কৰি অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষজনে সংবাদ মাধ্যমৰ সন্মুখত এইবাৰ নলবাৰী বিধানসভা সমষ্টিৰ পৰা বিধায়ক হোৱাৰ মন আছে বুলি মুকলিকৈ ঘোষণা কৰে।

# তিনিটা পথৰ আধাৰশিলা স্থাপন বিধায়ক ম'ছাহাৰীৰ

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ৭ ফেব্ৰুৱাৰী ঃ** বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে তৎপৰ হৈ পৰিছে তামুলপুৰৰ বিধায়ক ইমানুৱেল ম'ছাহাৰী। যোৱা ছয় ফেব্ৰুৱাৰীত বিধায়ক ম'ছাহাৰীয়ে তামুলপুৰ সমষ্টিৰ তিনি ঠাইত তিনিটা পথৰ আধাৰশিলা স্থাপন কৰে। আধাৰশিলা স্থাপনৰ সময়ত বিধায়কজনক সংগ দিয়ে বিটিচি চৰকাৰৰ মনোনীত এম চি এল এ হেমন্ত কুমাৰ ৰাভা, কলাইগাঁও সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা ইউপিপিএলৰ উপ-সভাপতি নাথুৰাম বড়ো, বাগ্‌সা জিলা বিজেপিৰ উপ-সভাপতি দ্বীপেন কলিতা প্ৰমুখ্যে কে'বাগৰাকী বিষয়াই।

# অগপৰ ৩৫ বছৰীয়া কাৰ্যালয় এতিয়া ৰাইজৰ দলক হস্তান্তৰ

## জালুকবাৰীত অগপ নিশ্চিহ্ন

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ৭ ফেব্ৰুৱাৰী ঃ** অসম বিধানসভাৰ অতি সন্মানীয় আৰু বহুল চৰ্চিত সমষ্টি জালুকবাৰী। প্ৰয়াত লক্ষ্যধৰ চৌধুৰী, ভৃগু কুমাৰ ফুকনে প্ৰতিনিধিত্ব কৰা সমষ্টিৰ বৰ্তমানৰ বিধায়ক তথা মন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা। বিগত ১৯৮৫ৰ পৰা আমিনগাঁৱত আঞ্চলিক দল অগপই জয় কিষাণ দাসৰ ঘৰত সমষ্টি ভিত্তিত কাৰ্যালয়ৰ পৰাই অগপই নিৰ্বাচনসমূহ নিয়ন্ত্ৰণ কৰিছিল। আঞ্চলিক দলটোৱে কৰা বিশ্বাসঘাতকতা, প্ৰতাৰণা আৰু শেহতীয়া জাতিধ্বংসী 'কা' আইন সমৰ্থন কৰাত উক্ত ঘৰৰ গৰাকীয়ে ৰাইজৰ দলৰ হাতত কাৰ্যালয়টো হস্তান্তৰ কৰে। যোৱা দুই ফেব্ৰুৱাৰীত ৰাইজৰ দলৰ নেতা কমল কুমাৰ মেধি আৰু জিতুল ডেকাই অগপৰ ইতিহাস বিজড়িত ঘৰটোত ৰাইজৰ দলৰ কাৰ্যালয় মুকলি কৰে। কমল মেধিয়ে কাৰ্যালয় মুকলি কৰি কয় যে জালুকবাৰী সমষ্টিৰ বিধায়ক তথা প্ৰভাৱশালী মন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সমষ্টিবাসীৰ প্ৰতিবাদী সত্ত্বাক ভয়-ভাবুকি আৰু প্ৰলোভন দেখুৱাই মন জয় কৰিব নোৱাৰে। ৰাইজে বিজেপি আৰু আৰ এছ এছৰ অসম বিৰোধী কাৰ্যকলাপ দেখি আহিছে। অসমত যদি পুনৰ বিজেপিৰ নেতৃত্বত মিত্ৰজোঁটৰ চৰকাৰ গঠন হয় তেতিয়া এই চৰকাৰখনে জাতি, মাটি, ভেটি, ৰক্ষা কৰা দূৰৰ কথা অসমক সমুলঞ্চে বিক্ৰী কৰিব বুলি কয়। তদুপৰি সমাগত নিৰ্বাচনত ৰাইজে বিচাৰিলে অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী হ'ব বুলিও প্ৰকাৰান্তৰে প্ৰকাশ কৰে। বক্তব্যত তেওঁ অসমীয়া জাতি-ভাষা-কৃষ্টি-সংস্কৃতি ৰক্ষাৰ বাবে এইবাৰ আঞ্চলিক দলেই দিছপুৰ দখল কৰিব বুলি দৃঢ়তাৰে কয়।






### বৰভাগৰ কৰিয়াত গ্ৰন্থ উন্মোচন

## অভিজ্ঞতা পুথি আকাৰত লিপিবদ্ধভাৱে সমাজে বহু সমল লাভ কৰিব পাৰে



অগ্ৰদূত বাৰ্তা

**বৰভাগ, ৭ ফেব্ৰুৱাৰী ঃ** বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত কৰিয়াত আজি দীনেশ চন্দ্ৰ তালুকদাৰৰ দুখন কবিতা পুথি উন্মোচন কৰা হয়। উন্মোচন কৰে ক্ৰমে নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডাঃ বিপিন চন্দ্ৰ কলিতা আৰু দিলীপ কলিতাই। অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী দীনেশ চন্দ্ৰ তালুকদাৰে দেশত কৰ'না মহামাৰীৰ সময়ত তলাবন্ধত গৃহত আৱদ্ধ হৈ থাকি দুয়োখন কবিতা পুথি ৰচনা কৰে। কাব্যপুথি 'লকডাউন' উন্মোচন কৰি ডাঃ বিপিন চন্দ্ৰ কলিতাই কয় যে সাহিত্যৰ অনুষ্ঠান সাহিত্য সভাৰ জৰিয়তে হ'লে অনুষ্ঠানবোৰ সোণত সুৱগা চৰা হয়। তেওঁ আৰু কয় যে অৱসৰৰ পাছত মানুহে তেওঁৰ জীৱনৰ অভিজ্ঞতা কিতাপৰ আকাৰত লিপিৱদ্ধ হ'লে পিছৰ জন্মই জীৱন তথা সমাজৰ বহু সমল লাভ কৰিব পাৰে। কাব্যপুথি 'সংক্ৰমণ' উন্মোচন কৰি দিলীপ কলিতাই এখন পুথি প্ৰকাশে এখন সমাজ ধৰি ৰাখে বুলি কয়। উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ লক্ষীকান্ত দাসৰ সভাপতিত্বত আৰু তালুকদাৰৰ বাসভৱনত অনুষ্ঠিত সভাখনত বক্তব্য প্ৰদান কৰে বীৰেণ তালুকদাৰ, কৰিয়া মিলন হাইস্কুলৰ প্ৰধান শিক্ষক জিতু মণি গোস্বামী, আঞ্চলিক পঞ্চায়তৰ সভাপতি মহেন্দ্ৰ নাথ শৰ্মা, পঞ্চায়ত সভাপতি পদুমী কলিতা, দণ্ডী ৰাম দাস, আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ কৰ্মচাৰী তথা তালুকদাৰৰ সহকৰ্মী অশ্বিনী বৰুৱা, ৰাতুল বৈশ্য, প্ৰবোধ লহকৰ, অমল চক্ৰৱৰ্তী, কৰুণা বৈশ্য, অজিত মৰল, নৰেন তালুকদাৰ আদিয়ে। সভাত লেখক দীনেশ চন্দ্ৰ তালুকদাৰে মনৰ ভাব প্ৰকাশ কৰে। সভাৰ পূৰ্বে তালুকদাৰৰ পিতৃ-মাতৃৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে পৰিয়ালবৰ্গই।

## চিৰাঙত চোৰাং কাঠ জব্দ



অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ৭ ফেব্ৰুৱাৰী ঃ** চিৰাঙত বন বিভাগে আজি পুৱা চোৰাং কাঠ জব্দ কৰে। চোৰাং কাঠ বেপাৰীয়ে কোকৰাঝাৰ জিলাৰ হল্টুগাঁও বন সংমণ্ডলৰ লাওপানী অঞ্চলৰ পৰা কাঠ লৈ ভাৰত-ভূটান সীমান্ত অঞ্চলেৰে আহি আমটেকাৰে পাৰ হওঁতে পুৱা চোৰাং কাঠসমূহ জব্দ কৰে। বন বিভাগে এখন ট্ৰেক্টৰ আৰু চাৰিখন ট্ৰেক্টৰৰ ট্ৰলী জব্দ কৰে।

## এআইইউডিএফৰ সংগ এৰিলে কংগ্ৰেছৰে মিত্ৰতা ৰাইজৰ দলৰ

**মানকাচৰ, ৭ ফেব্ৰুৱাৰী ঃ** 'কংগ্ৰেছৰ লগত মিত্ৰতাৰ বাবে আমি সাজু, কিন্তু এআইইউডিএফৰ লগত কেতিয়াও মিত্ৰতা সম্ভৱ নহয়।' এই মন্তব্য ৰাইজৰ দলৰ সাধাৰণ সম্পাদক কমল মেধিৰ। আজি মানকাচৰ বিধানসভা সমষ্টিৰ হাটশিঙিমাৰীত এখন কৰ্মী সভাত 'ৰাইজৰ দল'ৰ সাধাৰণ সম্পাদক মেধিয়ে কয় যে বিজেপিৰ দৰে এআইইউডিএফ এটা সাম্প্ৰদায়িক দল। অসমৰ ১২৬ টা সমষ্টিত ৰাইজৰ দল, অসম জাতীয় পৰিষদ দল মিত্ৰতাৰে নিৰ্বাচন খেলিব। আমি চৰকাৰ গঠনৰ বাবে নিৰ্বাচন খেলিবলৈ প্ৰস্তুতি হাতত লৈছো। কিন্তু ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদৰ পৰা মুখ্যমন্ত্ৰী প্ৰাৰ্থী এতিয়ালৈ ঠিক হোৱা নাই। অখিল গগৈ সোনকালে ন্যায় পাব আৰু মুকলি আকাশৰ তললৈ আহিব বুলি উল্লেখ কৰি কয় যে অখিল গগৈ যিদিনা মুকলি আকাশৰ তলত আহিব সেইদিনাৰ পৰা অসমত ৰাজনৈতিক ছুনামি আৰম্ভ হ'ব। আনহাতে, বদৰুদ্দিন আজমল যেতিয়াই বিজেপিক সমালোচনা কৰে তেতিয়াই বিজেপিৰ লাভ হয় বুলিও তেওঁ উল্লেখ কৰে। আন এক প্ৰসংগত নেতাজনে কয় যে কংগ্ৰেছৰ লগত আমি কথা পাতিছো, কংগ্ৰেছে-এআইউডিএফক বাদ দিলে আমাৰ স'তে মিত্ৰতা হ'ব।

## আধুনিক ছিপাঝাৰ নিৰ্মাতা, সমাজকৰ্মী তনুৰাম বৰুৱা স্মাৰক গ্ৰন্থ উন্মোচন



অগ্ৰদূত বাৰ্তা

**ছিপাঝাৰ, ৭ ফেব্ৰুৱাৰী ঃ** ছিপাঝাৰ সাহিত্য সভাৰ স্মৃতি ভৱনত সভাৰ সভাপতি চন্দ্ৰকান্ত নাথৰ পৌৰোহিত্যত আজি অনুষ্ঠিত তথা ৰাষ্ট্ৰীয় কৃতী শিক্ষকৰ বঁটা প্ৰাপক, অৱসৰপ্ৰাপ্ত অধ্যক্ষ, নাট্যকাৰ ৰজনী কান্ত নাথে উদ্বোধন কৰা এখন সভাত ছিপাঝাৰ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, প্ৰয়াত তনুৰাম বৰুৱাৰ জীৱন আধাৰিত স্মাৰক গ্ৰন্থ উন্মোচন কৰে পূব কামৰূপ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত গ্ৰন্থাগাৰিক অনিল ডেকাই। গ্ৰন্থখন উন্মোচন কৰি তেওঁ শিক্ষা, কলা-কৃষ্টিৰে ভৰপূৰ ছিপাঝাৰৰ নৱ প্ৰজন্মই প্ৰয়াত তনুৰাম বৰুৱাৰ দৰে ছিপাঝাৰৰ একালৰ নিষ্ঠাবান সমাজকৰ্মীসকলে সমাজৰ হিতৰ বাবে কৰি যোৱা কামৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ আগবঢ়াৰ বাবে আহ্বান জনায়। উন্মোচনী সভাত নিৰ্দিষ্ট বক্তা তথা ছিপাঝাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° প্ৰসন্ন কুমাৰ নাথে স্মৃতিচাৰণ কৰি স্মৃতি বোঁৱতী নৈৰ দৰে প্ৰৱহমান বুলি কয়। ছিপাঝাৰ একাডেমী স্থাপন আৰু শিক্ষানুষ্ঠানখনৰ প্ৰতিষ্ঠাপক শিক্ষক বৰুৱাই সতীৰ্থসকলৰ সহযোগত ছিপাঝাৰ সাহিত্য সভাৰ পূৰ্বৰ স্থায়ী ভূমি আৰু কাৰ্যালয় স্থাপন, ছিপাঝাৰ মহাবিদ্যালয়ৰ গুৰি ধৰোতাসকলৰো অন্যতম। অসম সাহিত্য সভাৰ সভাপতি প্ৰয়াত অতুল চন্দ্ৰ বৰুৱাৰ সহযোগত ছিপাঝাৰৰ একালৰ সতীৰ্থসকলৰ স'তে বৰুৱাই 'দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘ'ৰ গুৰি ধৰি কাললৈ খ্যাতি অৰ্জন কৰে বুলি কয়। আনহাতে, ১৯৫২তে বৰুৱাই তদানীন্তন সময়ত চাৰি অনা ব্যয় কৰি 'মুক্তিৰ তিথিৰ দিনা' নামৰ এখন কবিতা পুথি প্ৰকাশ কৰি কবি পৰিচয় দাঙি ধৰিছিল বুলিও তেওঁ কয়। আনহাতে, অসম আন্দোলনৰ সময়তে তেওঁক আৰক্ষীয়ে আটক কৰিছিল। সভাৰ বিশিষ্ট অতিথি তথা দৰং জিলা সাহিত্য সভাৰ সভাপতি শৈলেন কুমাৰ ৰাজবংশীয়েও বৰুৱা সন্দৰ্ভত ব্যাখ্যা কৰে। দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্যিক পেঞ্চনাৰ, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক শশীধৰ নাথে সন্মানীয় অতিথিৰ ভাষণত প্ৰয়াত তনুৰাম বৰুৱাৰ সমাজ হিতকৰ কামবোৰৰ প্ৰশংসা কৰে। সভাৰ আঁত ধৰে ছিপাঝাৰ সাহিত্য সভাৰ সম্পাদক দুলাল চন্দ্ৰ ডেকাই।

## ভুৱা পৰিচয়েৰে কিশোৰীৰে প্ৰেমৰ সম্পৰ্ক ঃ ধৃত কিশোৰ

অগ্ৰদূত বাৰ্তা

**বকো, ৭ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ বকোৰ ছমৰীয়াৰ নিকটৱৰ্তী পুঠিমাৰীত এজন কিশোৰে ভুৱা পৰিচয়ৰে এগৰাকী কিশোৰীৰ স'তে প্ৰেমৰ সম্পৰ্ক গঢ়ি তোলাৰ পাছত কিশোৰজনৰ প্ৰকৃত পৰিচয় ওলাই পৰে। বকোৰ ডেকাচাঙৰ আজিজুৰ ৰহমানৰ পুত্ৰ হাবিবুৰ বাছাৰে ছমাহ পূৰ্বে নিজকে ৰাকেশ মণ্ডল বুলি চিনাকি দি এগৰাকী হিন্দু ধৰ্মৰ কিশোৰীৰে প্ৰেমৰ সম্পৰ্ক গঢ়ি তোলে। কিশোৰজনে ১৫ দিন পূৰ্বে কিশোৰীগৰাকীৰ স'তে কথোপকথন হ'বলৈ এটি স্মাৰ্ট ফোন ক্ৰয় কৰি দিছিল। উল্লেখ্য যে কিশোৰীগৰাকী কালি পুঠিমাৰীৰ মাহীয়েকৰ ঘৰলৈ যায়। আজি পুৱা মাহীয়েকৰ পুত্ৰই অভিযুক্ত কিশোৰজনৰ স'তে পৰিচয় হ'বলৈ ঘৰলৈ মাতি আনে। কিশোৰজনে কিশোৰীগৰাকীৰ মাহীয়েকৰ ঘৰলৈ অহাৰ পাছত স্থানীয় যুৱককেইজনমানে সোধপোছ কৰাত কিশোৰজনৰ প্ৰকৃত পৰিচয় পোহৰলৈ আহে। পাছত যুৱককেইজনে কিশোৰজনক উত্তম-মধ্যম শোধাই স্থানীয় আৰক্ষী থানাত গতাই দিয়ে। অভিযুক্ত যুৱকজন নাৰীদেহ সৰবৰাহকাৰী চক্ৰৰ স'তে জড়িত থকা বুলি ৰাইজে সন্দেহ প্ৰকাশ কৰিছে।

## মুছলপুৰত 'সংস্কাৰ, মানুহে মানুহৰ বাবে' অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ৭ ফেব্ৰুৱাৰী ঃ** 'অন্ধবিশ্বাস আৰু কু-সংস্কাৰ সমাজৰ বাবে মাৰাত্মক ব্যাধি। বৰ্তমান যুৱ সমাজৰ প্ৰথম আৰু প্ৰধান কাম হৈছে সমাজত চলি থকা কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ বিৰুদ্ধে মাৰ বান্ধি থিয় হৈ ইয়াক প্ৰতিৰোধ কৰা।' আজি বাগ্‌সা জিলাৰ মুছলপুৰৰ নিকটৱৰ্তী হাৰিভাঙাত অনুষ্ঠিত 'সংস্কাৰ, মানুহে মানুহৰ বাবে' শীৰ্ষক অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী তথা শংকৰদেৱ শিশু নিকেতন বৰমাৰ প্ৰাক্তন প্ৰধান আচাৰ্য যাদৱ বৰ্মনে এইদৰে মন্তব্য কৰে। তেওঁ কয় যে সম্প্ৰতি বিজ্ঞানৰ যথেষ্ট অগ্ৰগতি হৈছে যদিও উপযুক্ত সংস্কাৰৰ অভাৱত বহুত যুৱক-যুৱতীয়ে বিপথে গৈ নিজৰ লগতে সমাজখনকো অন্ধকাৰৰ দিশে আগুৱাই নিছে। অৱশ্যে এনেকুৱা অৱস্থাৰ বাবে যুৱক-যুৱতীসকলতকৈ তেওঁলোকৰ অভিভাৱকসকলহে দায়ী। অভিভাৱকসকলে সৰুৰে পৰা নিজৰ ল'ৰা-ছোৱালীক সঠিক শিক্ষা দি এক সংস্কাৰপূৰ্ণ জীৱন ধাৰণাৰে আগুৱাই নিলে তেনে ল'ৰা-ছোৱালী কুসংস্কাৰমুক্ত হোৱাটো নিশ্চিত। অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ পৃষ্ঠপোষকতাত আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ মুছলপুৰ ব্লকৰ সহযোগত অনুষ্ঠিত অনুষ্ঠানত যাদৱ বৰ্মনৰ উপৰি মিলন হাইস্কুল নাৰায়ণপুৰৰ অৱসৰপ্ৰাপ্ত সহকাৰী শিক্ষক ভৱেন কলিতা, বাগ্‌সা জিলা সাংবাদিক সন্থাৰ সম্পাদক নিকুঞ্জ কলিতাকে ধৰি কে'বাজনো ব্যক্তিয়ে ভাষণ প্ৰদান কৰে।

## গোসাঁইগাঁৱত গাড়ীসহ শালকাঠ জব্দ

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ৭ ফেব্ৰুৱাৰী ঃ** কচুগাঁও বন সংমণ্ডলৰ অধীনস্থ চেন্ট্ৰেল ৰেঞ্জৰ বনকৰ্মীৰ দলে যোৱা নিশা প্ৰায় ১০ বজাত চোৰাং কাঠ ব্যৱসায়ীৰ বিৰুদ্ধে অভিযান চলাই লক্ষাধিক টকাৰ ফলা শালকাঠ জব্দ কৰে। কচুগাঁও চেন্ট্ৰেল ৰেঞ্জৰ ভাৰপ্ৰাপ্ত ৰেঞ্জ বিষয়া প্ৰাঞ্জল তালুকদাৰে জানিবলৈ দিয়া মতে, বনকৰ্মী আৰু এনভাইৰামেণ্ট এণ্ড ফৰেষ্ট প্ৰটেককছন আৰু গ্ৰীণ ফৰেষ্ট কনজাৰ্ভেচন নামৰ দুই স্বেচ্ছাসেৱী সংস্থাৰ নিৰ্ভৰযোগ্য তথ্যৰ আঁত ধৰি কচুগাঁৱৰ অঠাইবাৰী তিনিআলিত যৌথ অভিযান চলাই শাল কাঠসমূহ কঢ়িয়াই নিয়াৰ চেষ্টা কৰা এম এল-০৯ এ-৪০৩৩ নম্বৰৰ স্কৰপিঅ' গাড়ীখন জব্দ কৰে। কিন্তু নিশাৰ এন্ধাৰৰ সুযোগত চোৰাং ব্যৱসায়ীসকল পলায়ন কৰিবলৈ সক্ষম হয়।

### বাস্কা প্ৰেছ ক্লাবত গ্ৰন্থ উন্মোচন

## গ্ৰন্থই সমাজ সংস্কাৰ-জীৱনক গতিশীলতা প্ৰদান কৰে ঃ শৰ্মা



**বৰমা, ৭ ফেব্ৰুৱাৰী ঃ** 'গ্ৰন্থই পোহৰৰ বাট দেখুৱাই, গ্ৰন্থই সমাজ সংস্কাৰ কৰে, গ্ৰন্থই বন্ধুত্ব গঢ়ে, গ্ৰন্থই মনক আনন্দ দি জীৱনক গতিশীলতা প্ৰদান কৰে।' এই বক্তব্য নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি তথা নাট্যকাৰ ধ্ৰুৱজ্যোতি শৰ্মাৰ। বাস্কা প্ৰেছ ক্লাবৰ উদ্যোগত আজি অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত গণেশ্বৰ দেৱ শৰ্মা ৰচিত 'যেন এটা মনোৰম গান' উন্মোচন কৰি এইদৰে কয় শৰ্মাই। তেওঁ কয় যে শব্দ বাগ্ময়। সাহিত্য সৃষ্টি যেতিয়াই তেতিয়াই কৰিব পাৰি বুলি দোহাৰি সাহিত্যৰ জৰিয়তে সামাজিক দায়বদ্ধতা তুলি ধৰিব পাৰিব বুলি কয়। বাস্কা প্ৰেছ ক্লাবৰ সভাপতি আলকাচ আলীয়ে সভাপতিত্ব কৰা আৰু ভাৰত ৰাজবংশী আঁত ধৰা গ্ৰন্থ উন্মোচনী সভাত লেখক গণেশ্বৰ দেৱ শৰ্মাৰ আন এখন গ্ৰন্থ 'পহৰা চকীৰ সংলাপ আৰু অন্যান্য' উন্মোচন কৰে বৰমা ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক দেওবাৰ ৰামচিয়াৰীয়ে। গ্ৰন্থ জীৱনৰ অনুপম সৃষ্টি বুলি দোহাৰি তেওঁ বড়ো আৰু অসমীয়া ভাষাৰ সমন্বয়ৰে বৰমাৰ সাহিত্য ক্ষেত্ৰখনক আগুৱাই লৈ যাব লাগিব বুলি মত প্ৰকাশ কৰে। গ্ৰন্থ উন্মোচনী সভাত উদ্বোধক হিচাপে ড° ফণীধৰ তালুকদাৰ, মুখ্য অতিথি হিচাপে বিশিষ্ট গৱেষক ড° নৃপেন্দ্ৰ নাথ শৰ্মা, ধমধমা মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° দিগন্ত ৰাজবংশী, বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক ইছলামউদ্দিন আহমেদ, অৱসৰপ্ৰাপ্ত শিক্ষক ৰমেশ চন্দ্ৰ শৰ্মাই ভাষণ আগবঢ়ায়। সভাত লেখক গণেশ্বৰ শৰ্মাই তেওঁৰ সাহিত্য সৃষ্টিৰ বিষয়ে বক্তব্য ৰাখি বৰমা সমাজখনৰ প্ৰতি থকা তেওঁৰ দায়বদ্ধতাৰ বিষয়ে উল্লেখ কৰে। উন্মোচনী সভাৰ পূৰ্বে বন্তি প্ৰজ্বলন কৰে বাস্কা প্ৰেছ ক্লাবৰ উপদেষ্টা দিলীপ কুমাৰ হালৈয়ে। তদুপৰি সমন্বয় কলাকেন্দ্ৰৰ শিশু শিল্পীসকলে আধুনিক নৃত্য পৰিৱেশন কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

## নিৰ্মল হালৈ মহাবিদ্যালয়ত বিদায় সম্বৰ্ধনা সভা

**পাটাছাৰকুছি, ৭ ফেব্ৰুৱাৰী ঃ** পাটাছাৰকুছিস্থিত নিৰ্মল হালৈ মহাবিদ্যালয়ত কালি শিক্ষক গোটৰ উদ্যোগত মহাবিদ্যালয়খনৰ সভাকক্ষত এখন বিদায় সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সভাপতি ড° তপন কাকতিৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাখনত সহযোগী অধ্যাপিকা কল্যাণী দেৱী আৰু কনিষ্ঠ সহায়ক (নন চেংছন) মনোৰঞ্জন শৰ্মাক শৰাই, অভিনন্দন পত্ৰ, গামোচা আৰু গ্ৰন্থৰ টোপোলাৰে সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে উক্ত দুয়োগৰাকীয়ে যোৱা ৩১ জানুৱাৰীত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। শিক্ষক গোটৰ সম্পাদক ড° অনুপ কুমাৰ শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° ভূপেশ শৰ্মাই অৱসৰপ্ৰাপ্ত কনিষ্ঠ সহায়ক মনোৰঞ্জন শৰ্মাৰ পদটো নিয়মীয়া নোহোৱাৰ বাবে তেওঁ মহাবিদ্যালয়ৰ ফালৰ পৰা এককালীনভাৱে আৰ্থিক সাহায্য দিব বুলি কয়। সভাত বিদায়ী সহযোগী অধ্যাপিকা আৰু কনিষ্ঠ সহায়ক ক্ৰমে কল্যাণী দেৱী আৰু মনোৰঞ্জন শৰ্মাই নিজৰ কৰ্ম জীৱনৰ সোঁৱৰণ কৰি ভাষণ আগবঢ়ায়।

## বিজনী দাৰাঙাত অগ্নিকাণ্ড



অগ্ৰদূত ব্যুৰ'/অগ্ৰদূত বাৰ্তা

**বঙাইগাঁও/কাজলগাঁও, ৭ ফেব্ৰুৱাৰী ঃ** চিৰাং জিলাৰ বিজনী মহকুমাৰ দুই নম্বৰ দাৰাঙা গাঁৱত আজি পুৱা এক অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। দুই নম্বৰ দাৰাঙা নিবাসী কৃষক হৰিৰাম মণ্ডল নামৰ ব্যক্তিজনৰ ঘৰত আজি পুৱা ১০ মান বজাত হঠাতে অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। অগ্নিকাণ্ডৰ ফলত মণ্ডলৰ এটা ঘৰ সম্পূৰ্ণৰূপে জুইত জাহ যোৱাৰ লগতে মটৰ চাইকেল এখন, এটা ধান কটা মেচিন আৰু কে'বামোন ধান জুইত ভস্মীভূত হয়। অগ্নিকাণ্ডৰ সময়ত ঘৰৰ মুৰব্বী হৰিৰাম মণ্ডল ঘৰত উপস্থিত নাছিল। ঘটনাৰ পাছতে স্থানীয় ৰাইজে এটা ঘৰৰ বাহিৰে জুই নুমুৱাবলৈ সক্ষম হয়। পাছলৈ বিজনীৰ পৰা জুই নুমুৱাবলৈ অগ্নিনিৰ্বাপক বাহিনীৰ বাহন ঘটনাস্থলীত উপস্থিত হয় যদিও ইতিমধ্যে এটা ঘৰ ভস্মীভূত হয়। অগ্নিকাণ্ডত পৰিয়ালটোৰ কে'বা লক্ষ টকা মূল্যৰ সম্পত্তি বিনষ্ট হয়।

### সূত সন্মিলনৰ পৰা যতীন্দ্ৰ নাথ বৰাক বহিষ্কাৰ

## সূত জনগোষ্ঠীক চৰকাৰে গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ

বিশেষ সংবাদদাতা

**নগাঁও, ৭ ফেব্ৰুৱাৰী ঃ** সদৌ অসম সূত সন্মিলনৰ আজি নগাঁৱৰ উৰিয়াগাঁৱৰ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ মুকলি মঞ্চত ৰাজ্যিক কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সন্মিলনৰ ৰাজ্যিক সভাপতি পৰাগ গায়নৰ সভাপতিত্বত অনুষ্ঠিত সভাত সূত জনগোষ্ঠীৰ বিভিন্ন সমস্যাসমূহৰ বিষয়ে আলোচনা কৰা হয়। সভাই জনগোষ্ঠীটোৰ দাবীসমূহ চৰকাৰে আজিলৈকে পূৰণ নকৰাত ক্ষোভ প্ৰকাশ কৰে। সন্মিলনীৰ সাধাৰণ সম্পাদক দিবাকৰ বৰাই উদ্দেশ্য ব্যাখ্যাত বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰক সূত জনগোষ্ঠীৰ সমস্যাসমূহ শীঘ্ৰে পূৰণ কৰিবলৈ আহ্বান জনায়। উক্ত সভাত সূত সন্মিলন আৰু ভ্ৰাতৃ- ভগ্নী সংগঠনৰ বিৰোধিতা কৰি সন্মিলনৰ উপদেষ্টা তথা ৰাইজৰ দলৰ উপ-সভাপতি দিলীপ বৰা নেতৃত্বাধীন গোটৰ নেতৃত্ব লোৱা প্ৰাক্তন সাধাৰণ সম্পাদক বৰাক সদৌ অসম সূত সন্মিলনৰ পৰা বহিষ্কাৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাখনত সন্মিলনৰ ভ্ৰাতৃ-ভগ্নী সংগঠন ক্ৰমে সদৌ অসম সূত ছাত্ৰ সন্থা, সদৌ অসম সূত মহিলা পৰিষদ, সদৌ অসম সূত যুৱ পৰিষদ, সদৌ অসম সূত জাতীয় ন্যাস আৰু সূত সাহিত্য সভাৰ বিষয়ববীয়াসকল উপস্থিত থাকে। অহা জুনৰ ভিতৰত জিলা সমিতিসমূহ পুনৰ গঠন আৰু জুলাইত মৰিগাঁও বা বিশ্বনাথ জিলাত সন্মিলনৰ কেন্দ্ৰীয় অধিবেশন অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে।

## হোজাইত গাঁও পঞ্চায়ত মেলাৰ আৰম্ভ

অগ্ৰদূত বাৰ্তা

**হোজাই, ৭ ফেব্ৰুৱাৰী ঃ** হোজাইত যোৱা ছয় ফেব্ৰুৱাৰীৰ পৰা পোন প্ৰথমবাৰৰ বাবে চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে পঞ্চায়ত মেলা। হোজাইৰ বিভিন্ন পঞ্চায়ত আৰু অশ্বিনী ওৱেলফেয়াৰ ছ'চাইটিৰ যৌথ উদ্যোগত অহা ন তাৰিখলৈকে হোজাই শিলিগুড়িস্থিত শ্ৰীশ্ৰী বৃদ্ধপ্ৰভু আশ্ৰমৰ ৰাস ময়দানত গাঁও পঞ্চায়ত মেলাৰ আয়োজন কৰা হৈছে। মেলাৰ যোগেদি চৰকাৰে কি কি কাম কৰিছে, কেনে ধৰণৰ উপলব্ধি হ'ল, আগন্তুক দিনসমূহত পঞ্চায়ত প্ৰতিনিধিসকলে কেনে ধৰণৰ কাম কৰিব, সামাজিক সমস্যা আৰু ইয়াৰ সমাধান আদি দাঙি ধৰাৰ উদ্দেশ্য এই মেলাৰ আয়োজন কৰা হৈছে বুলি সমন্বয়ক মনোজ দাসে জানিবলৈ দিয়ে। অনুষ্ঠানৰ শেষৰ দিনটোত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল অহাৰ পূৰ্ণ সম্ভাৱনা আছে বুলি উল্লেখ কৰে অশ্বিনী ওৱেলফেয়াৰ ছ'চাইটি সভাপতি অজিত সৰকাৰে, লগতে মেলা দুই এদিন বঢ়োৱাৰ সম্ভাৱনা আছে বুলি উল্লেখ কৰে। প্ৰথমদিনা হোজাই বিহুতলীৰ পৰা আৰম্ভ কৰি চহৰত উলিওৱা হয় এক শোভাযাত্ৰা। হোজাই সমষ্টিৰ অন্তৰ্গত ধলপুখুৰী আৰু যোগীজান উন্নয়ন খণ্ডৰ অন্তৰ্গত ২৫ খন পঞ্চায়তৰ ভিতৰত ১৬ খন পঞ্চায়তে যোগদান কৰে এই শোভাযাত্ৰাত। শোভাযাত্ৰাত বিধায়ক শিলাদিত্য দেৱ, বিজেপি হোজাই জিলা সভাপতি অনুপ দেৱ, হোজাই জিলা পৰিষদ সভানেত্ৰী ৰমাবালা দেৱী তথা অন্যান্য বিশিষ্ট ব্যক্তিসহ প্ৰায় দুই সহস্ৰাধিক লোকসকলে অংশগ্ৰহণ কৰে।

## গোৱালপাৰাত গাঁওৰক্ষী বাহিনীৰ প্ৰতিষ্ঠা দিৱস

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৭ ফেব্ৰুৱাৰী ঃ** গোৱালপাৰা জিলা গাঁওৰক্ষী বাহিনীয়ে জিলা আৰক্ষীৰ সহযোগত অসম গাঁওৰক্ষী বাহিনীৰ ৭২ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ স'তে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে যোৱা ২৯ জানুৱাৰীত শিৱসাগৰত কেন্দ্ৰীয়ভাৱে আয়োজিত গাঁওৰক্ষী বাহিনীৰ প্ৰতিষ্ঠা দিৱসত গোৱালপাৰা জিলাৰ গাঁওৰক্ষী বাহিনীৰ ভালে সংখ্যক লোক উপস্থিত আছিল। সেয়ে গোৱালপাৰা জিলাত গাঁওৰক্ষী বাহিনীৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীসমূহ আজি ৰূপায়ণ কৰা হয়। কাৰ্যসূচীৰ স'তে সংগতি ৰাখি গোৱালপাৰা চহৰত মটৰ চাইকেল সমদল উলিওৱাৰ লগতে গোৱালপাৰা চহৰৰ সংৰক্ষিত আৰক্ষী ছাউনীৰ খেলপথাৰত ফুটবল খেল প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ খেলত গাঁওৰক্ষী বাহিনী একাদশে জিলা ক্ৰীড়া একাদশক টাইব্ৰেকাৰৰ সহায়ত ৬-৫ গ'লত পৰাজিত কৰি খিতাপ অৰ্জন কৰে। গাঁওৰক্ষী বাহিনী একাদশৰ খেলুৱৈ ব্ৰজেন মোছাহাৰী চূড়ান্ত খেলৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বিবেচিত হয়। বঁটা বিতৰণী অনুষ্ঠানত জিলা আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মা, অতিৰিক্ত আৰক্ষী অধীক্ষক অমিতাভ বসুমতাৰী, উপ-আৰক্ষী ৰূপজ্যোতি কলিতা আৰু গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ সুভাষ বৰ্মন উপস্থিত থাকি বঁটাসমূহ বিতৰণ কৰে।

### অভিজ্ঞানমৰ সেৱামূলক পদক্ষেপ

## নলবাৰীত মুকলি হ'ব নীট-জে ই ইৰ প্ৰশিক্ষণ কেন্দ্ৰ

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৭ ফেব্ৰুৱাৰী ঃ** অৰ্থনৈতিকভাৱে দুখীয়া অথচ মেধাবী ছাত্ৰ-ছাত্ৰীসকলক এন ই ই টি, জে ই ই আৰু চি ই ই পৰীক্ষাৰ বাবে সাজু কৰিবলৈ আগবাঢ়ি আহিছে 'অভিজ্ঞানম' নামৰ ৰাজহুৱা ন্যাস। ২০১৪তে জন্ম হৈছিল এই ন্যাসৰ। খ্যাতনামা চিকিৎসক ডাঃ বসন্ত কুমাৰ বৈশ্য মুখ্য ন্যাসৰক্ষী হিচাপে থকা ন্যাসটোৰ মূল লক্ষ্য আৰু উদ্দেশ্য হ'ল সমাজৰ শিক্ষা আৰু স্বাস্থ্যখণ্ডৰ বাবে কাম কৰা। সাত বছৰৰ মূৰত আজি প্ৰথমবাৰৰ বাবে নলবাৰী জিলা প্ৰেছ ক্লাবত অভিজ্ঞানমে এখন সংবাদমেলৰ আয়োজন কৰে। সংবাদমেলত মুখ্য ন্যাসৰক্ষী ডাঃ বৈশ্যই ন্যাসৰ শেহতীয়া পদক্ষেপৰ বিষয়ে সদৰী কৰে। তেওঁ জনোৱা মতে সমাজৰ অতি দুখীয়া অথচ মেধাবী শিক্ষাৰ্থীসকলৰ এন ই ই টি, জে ই ই আৰু চি ই ই পৰীক্ষাৰ বাবে সাজু হ'বলৈ নলবাৰী জিলাত কোনো প্ৰশিক্ষণ কেন্দ্ৰ নাই। সেয়ে ন্যাসৰ উদ্যোগত নলবাৰী চহৰৰ শান্তিপুৰত এনে এটা প্ৰশিক্ষণ কেন্দ্ৰ মুকলি কৰাৰ সিদ্ধান্ত লোৱা হৈছে আৰু ইয়াৰ বাবে সকলো ব্যৱস্থা সম্পূৰ্ণ কৰি তোলা হৈছে। সংবাদমেলত প্ৰ-পত্ৰ বিতৰণৰো আৰম্ভ কৰে। নামভৰ্তি আৰু পাঠদান আগত ১০/১২ দিনৰ ভিতৰতে আৰম্ভ কৰা হ'ব বুলিও সংবাদমেলত ঘোষণা কৰে। প্ৰথম পৰ্যায়ত বৃহত্তৰ নলবাৰী জিলাৰ ৩০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি কৰা হ'ব। ব্যয়বহুল শিক্ষা ব্যৱস্থাক সহজ কৰি তুলিবলৈ এই পদক্ষেপ লোৱাৰ কথা প্ৰকাশ কৰি মুখ্য ন্যাসৰক্ষী ডাঃ বৈশ্যই কয় যে যৎসামান্য মাচুলৰ বিনিময়ত ছাত্ৰ-ছাত্ৰীক এই কেন্দ্ৰত প্ৰশিক্ষণ দিয়া হ'ব। প্ৰশিক্ষণপ্ৰাপ্ত স্থানীয় বিশেষজ্ঞ ফেকাল্টিয়ে প্ৰশিক্ষণ প্ৰদান কৰিব। আগ্ৰহী শিক্ষাৰ্থীসকলক অভিজ্ঞানম ন্যাসৰ সম্পাদক দেৱেশ্বৰ ডেকা (৬০০২৭৬১৬৭০) বা কেন্দ্ৰৰ দায়িত্বৱাহী পবিন্দ্ৰ বেজবৰুৱা (৯৪৩৫১০৩২২৯)ৰ লগত যোগাযোগ কৰিবলৈ কোৱা হৈছে। সংবাদমেলত মুখ্য ন্যাসৰক্ষী ডাঃ বৈশ্যই বিনয়েৰে প্ৰকাশ কৰে যে 'অভিজ্ঞানম' ন্যাসে কোনো ব্যক্তি বা অনুষ্ঠানৰ পৰা কোনোধৰণৰ দান বৰঙণি গ্ৰহণ নকৰে। আজীৱন সদস্যসকলৰ ভৰ্তি মাচুল আৰু তেওঁলোকৰ বছৰেকীয়া বৰঙণিয়েই ন্যাসৰ মূল পুঁজি। মানুহৰ সেৱাই ন্যাসৰ মূল ধৰ্ম। সংবাদমেলত ন্যাসৰ সদস্য কল্যাণ ডেকা, লক্ষী তালুকদাৰ আদিও উপস্থিত থাকে।

## সামৰণি পৰিল মালেগড় পালনাম মহোৎসৱৰ


অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ৭ ফেব্ৰুৱাৰী ঃ** বঙাইগাঁও জিলাৰ মালেগড় নামঘৰ প্ৰাংগণত তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজিত অষ্টাদশ সংখ্যক সাৰ্বজনীন পালনাম মহোৎসৱৰ আজি সামৰণি পৰে। প্ৰথম দিনা পালনাম পৰিচালনা সমিতিৰ সভাপতি বিষ্ণুৰাম দাসে ধৰ্মধ্বজা উত্তোলন, সন্ধিয়া ভকত আদৰণি, অধিবাস, সন্ধিয়াৰ প্ৰসংগ আৰু ঘৰে ঘৰে বন্তি প্ৰজ্বলন কৰাৰ পাছত দ্বিতীয় দিনা ব্ৰহ্মমুহূৰ্তত ভাগৱত স্থাপন, অৰ্চনা, পুৱাৰ প্ৰসংগ, মনোৰঞ্জন পাঠকৰ পৰিচালনাত বৰপেটা সত্ৰৰ আৰ্হিত চৌবিশ যুগল প্ৰসংগ, আইসকলৰ নাম আৰু আবেলি অবিৰত বীৰনাম প্ৰদৰ্শন কৰে কৃষ্ণাই, চাপৰৰ আৰেয়াঝাৰ, খোৰাগাও, মালেগড়ৰ লগতে কে'বাটাও বীৰনাম দলে। পালনামৰ অখণ্ডতা ৰক্ষা কৰে বলোৰাম সিংহ, জীৱধন দাস আৰু শৰৎ বৰুৱাই। সন্ধিয়া বন্তি প্ৰজ্বলন আৰু নিৰন্তৰ হৰিনামৰ অন্তত আজি পুৱা ছয় বজাত পালনামৰ সামৰণি পৰে। পাছত বাপ-ভকত, আই-মাতৃসকলৰ উপস্থিতিত ভাগৱতসহ গাঁও পৰিভ্ৰমণ কৰে। আবেলি সমূহীয়া প্ৰাৰ্থনা সভাৰ লগত মহোৎসৱ সম্পৰ্কে কে'বাজনো বাপ-ভকতে পালনামৰ বিস্তৃত ব্যাখ্যা দাঙি ধৰে। উক্ত অনুষ্ঠানতে ফফংগা সত্ৰৰ সত্ৰাধিকাৰ তথা শিল্পী পেঞ্চনাৰ জ্যোতিষ পাঠকক মহোৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি বিষ্ণুৰাম দাসে প্ৰশংসা পত্ৰৰ লগতে গামোচা, জাপিৰে সম্বৰ্ধনা জনায়। অনুষ্ঠানত মানিকপুৰৰ মহন্ত পাঠক, মালেগড় গিৰীশ সিংহ আৰু প্ৰয়াত গোবিন্দ দাসৰ পৰিয়ালকো প্ৰশংসা পত্ৰ, গামোচা আদিৰে সম্বৰ্ধনা জনায়।

## নামফাই-পাহাৰপুৰ লাইকা-দধিয়াবাসীক সংস্থাপনৰ বিৰোধিতাৰে পথ অৱৰোধ

অগ্ৰদূত বাৰ্তা

**মাৰ্ঘেৰিটা, ৭ ফেব্ৰুৱাৰী ঃ** তিনিচুকীয়া নগৰৰ সমীপৱৰ্তী লাইকা দধিয়াবাসীক অসম-অৰুণাচলৰ সীমান্তৱৰ্তী জাগুনৰ নামফাই আৰু পাহাৰপুৰ অঞ্চলত সংস্থাপন দিয়াৰ বিৰোধিতাৰে আজিও অব্যাহত আছে তীব্ৰ আন্দোলন। উল্লেখ্য যে শেহতীয়াকৈ অসম চৰকাৰে বান বিধ্বস্ত লাইকা দধিয়াবাসীক জাগুনৰ নামফাই আৰু পাহাৰপুৰত সংস্থাপন দিয়াৰ এক বাতৰি সদৰী হৈ পৰাৰ পাছত বিভিন্ন সময়ত অঞ্চলবাসীৰ লগতে বিভিন্ন দল-সংগঠনে ধাৰাবাহিকভাৱে আন্দোলন অব্যাহত ৰাখিছে। আজি পুনৰ স্থানীয় বাসিন্দাসকলে চৰকাৰৰ এনে সিদ্ধান্তৰ বিৰুদ্ধে জাগুন




তিনিমাইলত ১৫৩ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি চৰকাৰ বিৰোধী বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। আজি তাই আহোম যুৱ পৰিষদৰ মাৰ্ঘেৰিটা মহকুমা সমিতি, টাংছা ছাত্ৰ সন্থাকে আদি কৰি স্থানীয় প্ৰায় পাঁচ শতাধিক ৰাইজ ৰাজপথলৈ ওলাই আহি ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰাৰ লগতে প্ৰাকৃতিক বনজ সম্পদৰ ভঁৰাল স্বৰূপ এই অঞ্চলটোৰ সেউজী বনাঞ্চল ধ্বংস কৰি বানপীড়িতক সংস্থাপন দিয়াৰ বাবে চৰকাৰে লোৱা অদূৰদৰ্শী সিদ্ধান্তই স্থানীয় লোকৰ জীৱনলৈ ঘোৰ অমানিশা কঢ়িয়াই আনিছে বুলি অভিযোগ কৰি ইতিমধ্যে নামফাই বনাঞ্চল নিঃশেষ হোৱা বুলি উল্লেখ কৰে। মূলতঃ জনগোষ্ঠীয় জনবসতি প্ৰধান অঞ্চল হিচাপে ইয়াৰ জনসাধাৰণৰ কৃষ্টি আৰু সংস্কৃতিৰ এক স্বকীয় বৈশিষ্ট্য আছে। এনে স্থলত চৰকাৰে স্থানীয় লোকৰ স'তে কোনো প্ৰকাৰৰ আলোচনা নকৰি তৎকালে লোৱা সিদ্ধান্তৰ বাবে স্থানীয় জনসাধাৰণ জাঙুৰ খাই উঠিছে। উল্লেখ্য যে নামফাই সংৰক্ষিত বনাঞ্চলত ইয়াৰ আগেও বানপীড়িত লোকক সংস্থাপিত কৰা হৈছিল যদিও একেডোখৰ ঠাইতে পুনৰ লাইকা-দধিয়াবাসীক ভূমি প্ৰদান কৰিব বিচৰা কাৰ্যক কোনো প্ৰকাৰে মানি নলওঁ বুলি স্থানীয় ৰাইজে মতামত দাঙি ধৰে। চৰকাৰে জোৰকৈ চৰকাৰী সিদ্ধান্তক যদি জাপি দিব বিচাৰে তেন্তে সংঘৰ্ষৰ সৃষ্টি হ'ব পাৰে বুলিও পথ অৱৰোধকাৰীসকলে ভাবুকি দিয়ে।

## শ্ৰদ্ধাঞ্জলি যজ্ঞপ্ৰিয়া দেৱী



যোৱা ২৯ জানুৱাৰীত আমাৰ আইতা যজ্ঞপ্ৰিয়া দেৱীৰ মৃত্যু হয়। নলবাৰী জিলাৰ উপৰ বৰভাগ মৌজাৰ সোণকুৰিহা গাঁৱত জন্মগ্ৰহণ কৰি আইতাই পাছত পোৱাকুছি গাঁৱৰ পথৰুৱাতোলা চুবুৰিলৈ অতি কম বয়সতে বোৱাৰী হৈ আহি সু-গৃহিণীৰ দায়িত্ব পালন কৰিছিল। আমাক কেঁচুৱা অৱস্থাৰ পৰাই অতিপাত মৰম কৰিছিল আইতাই। মা-দেউতাৰ প্ৰতিটো কামতে সহযোগ কৰি ঘৰখন সুন্দৰকৈ চলাই নিয়া এগৰাকী সূক্ষ্মদৃষ্টি সম্পন্ন দায়িত্বশীল মহিলা হিচাপে নিজক পৰিচয় দিব পাৰিছিল। সকলোৰে সুখত সুখী আৰু দুখত দুখী হ'ব পৰা গুণৰ বাবে আইতা সকলোৰে আদৰৰ আছিল। শৰীৰ সুস্থ থকা দিনকেইটাত প্ৰত্যেকটো অনুষ্ঠানতে আদিৰ পৰা অন্তলৈ সক্ৰিয়ভাৱে অংশ লৈ ওচৰ চুবুৰীয়াক সহায় কৰাৰ মানসিকতা আইতাৰ এটা সহজাত প্ৰবৃত্তি। বিদ্যায়তনিকভাৱে সমৃদ্ধ নহ'লেও আইতাই আমাক দি থৈ যোৱা নৈতিক উপদেশখিনিৰ পৰা আমি উপলব্ধি কৰিব পাৰো তেওঁৰ জ্ঞানৰ গভীৰতা। আইতাক হেৰুৱাই আমি মৰ্মাহত। সহজ, সৰল স্বভাৱৰ আৰু শিশু সুলভ কথা-বতৰাৰে আকৃষ্ট কৰিব পৰা আইতাৰ আজি পবিত্ৰ আদ্যশ্ৰাদ্ধৰ দিনা তেওঁলৈ জনালো শ্ৰদ্ধাঞ্জলি।

—ৰূপজ্যোতি শৰ্মা




### গ্ৰেণ্ডশ্লাম প্ৰতিযোগিতালৈ যোগ্যতা অৰ্জন কৰা ভাৰতৰ পঞ্চম মহিলা টেনিছ খেলুৱৈ

# অষ্ট্ৰেলিয়ান অপেন খেলিব অংকিতা ৰাইনাই



**মেলবৰ্ণ, ৭ ফেব্ৰুৱাৰী ঃ** ভাৰতৰ পঞ্চম মহিলা টেনিছ খেলুৱৈ ৰূপে গ্ৰেণ্ডশ্লাম প্ৰতিযোগিতা খেলাৰ গৌৰৱ লাভ কৰিছে অংকিতা ৰাইনাই। উল্লেখ্য যে বছৰৰ প্ৰথমখন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা অষ্ট্ৰেলিয়ান অপেনত অংশ ল'ব ভাৰতৰ অংকিতা ৰাইনাই। ইয়াৰপূৰ্বে ভাৰতৰ নিৰুপমা মানকাড, নিৰুপমা বৈদ্যনাথন, ছানিয়া মিৰ্জা আৰু শিখা অবেৰয়ে গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতাত খেলাৰ গৌৰৱ লাভ কৰিছে। নিৰুপমা মানকাডে ১৯৭১ ত উইম্বলডনৰ মিক্সড ডাবলছ শাখাত খেলিছিল। আনহাতে, ১৯৯৮ ত ভাৰতৰ নিৰুপমা বৈদ্যনাথনে অষ্ট্ৰেলিয়ান অপেনাৰ একক শাখাত খেলি এককত খেলা প্ৰথম ভাৰতীয় মহিলা টেনিছ খেলুৱৈৰূপে পৰিগনিত হয়। ২০০৪ ত শিখা অবেৰয়ে ইউ এছ অপেনত খেলাৰ বিপৰীতে একেবছৰে ছানিয়া মিৰ্জায়ো প্ৰথম গ্ৰেণ্ডশ্লাম খেলিছিল। উল্লেখ্য যে ছানিয়াই কেৰিয়াৰ শ্লাম জয় কৰাৰ গৌৰৱ লাভ কৰিছে। কাইলৈৰ পৰা আৰম্ভ হ'ব বছৰৰ প্ৰথমখন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা অষ্ট্ৰেলিয়ান অপেন। উল্লেখ্য যে প্ৰতিযোগিতাত অংশ ল'বলৈ ইতিমধ্যে বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা টেনিছ তাৰকা উপস্থিত হৈছে কেংগাৰু ভূমিত। কিন্তু কৰ'নাৰ নিয়ম তথা আঘাতৰ সমস্যাৰ পৰা নিজক বচাই ৰখাই স্বাৰ্থত অনুশীলন মেচ খেলাৰ পৰা আঁতৰি আছে। ছেৰেণা উইলিয়ামছ, ছিমনা হালেপ, নাওমি অ'ছাকা আৰু ভিক্টোৰিয়া আজাৰেনকাই খেলা নাই অনুশীলন মেচ। উল্লেখ্য যে এইবাৰ অষ্ট্ৰেলিয়ান অপেনলৈ প্ৰায় বাৰশ খেলুৱৈ আৰু বিষয়া আহিছে মেলবৰ্ণলৈ। অহা আঠ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত হ'ব বছৰৰ প্ৰথমখন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা অষ্ট্ৰেলিয়ান অপেন। কিন্তু আঘাতৰ বাবে আসন্ন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা অষ্ট্ৰেলিয়ান অপেনত নেখেলে ছুইজাৰলেণ্ডৰ ৰ'জাৰ ফেডেৰৰে। উল্লেখ্য যে ২০ টাকৈ গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতাৰ খিতাপ লাভ কৰা ফেডেৰৰে কেৰিয়াৰত প্ৰথমবাৰৰ বাবে নেখেলিব গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা অষ্ট্ৰেলিয়ান অপেনত । ছুইজাৰলেণ্ডৰ ৰ'জাৰ ফেডেৰৰে কেৰিয়াৰত যি ২০ টা গ্ৰেণ্ডশ্লাম টেনিছৰ খিতাপ লাভ কৰিছে তাৰে ভিতৰত ছটা হ'ল অষ্ট্ৰেলিয়ান অপেনৰ। অষ্ট্ৰেলিয়ান অপেনৰ সামৰণি পৰিব ২১ ফেব্ৰুৱাৰীত।

### ৫৭৮ ৰাণত প্ৰথম ইনিংছ সামৰিলে ইংলণ্ডে ঃ এতিয়াও ৩২১ ৰাণ পিছ পৰি আছে ঘৰুৱা দল

# ফল'অন ৰক্ষাৰ যুঁজত টীম ইণ্ডিয়া

**চেন্নাই, ৭ ফেব্ৰুৱাৰী ঃ** ভাৰতে ইংলণ্ডৰ বিৰুদ্ধে খেলা প্ৰথমখন টেষ্টত ফল'অন ৰক্ষাৰ যুঁজত অৱতীৰ্ণ হৈছে। উল্লেখ্য যে ইংলণ্ডৰ প্ৰথম ইনিংছৰ ৫৭৮ ৰাণৰ প্ৰত্যুত্তৰত আজি তৃতীয় দিনাৰ খেলৰ অন্তত ভাৰতে প্ৰথম ইনিংছত ছটা উইকেট হেৰুৱাই ২৫৭ ৰাণ কৰিছে। হাতত চাৰিটা উইকেট থকা অৱস্থাত ফল'অন ৰক্ষাৰ বাবে এতিয়াও ভাৰতক প্ৰয়োজন ১২১ ৰাণৰ। আনহাতে, ভাৰত সামগ্ৰিকভাবে ৩২১ ৰাণত পিছ পৰি আছে। উল্লেখ্য যে বলিঙত ব্যৰ্থ হোৱাৰ পাছত আজি বেটিঙতো ব্যৰ্থ হয় ভাৰত। ৰোহিত শৰ্মা (৬), শুভমন গিল (২৯), বিৰাট কোহলি (১১) আৰু অজিংক্য ৰাহানে (১) উইকেটত খোপনি পুতিব নোৱাৰিলে। ৭৩ ৰাণতে ভাৰতে এই চাৰি বেটছমেনৰ উইকেট হেৰুৱায়। কিন্তু চেতেশ্বৰ পূজাৰা (৭৩) আৰু ঋষভ পণ্টে (৯১) শতকীয় যুটি বান্ধি ভাৰতৰ বিপৰ্যয় কিছু ৰক্ষা কৰে। উভয় বেটছমেনৰ বিদায়ৰ পাছত ভাৰতৰ চাপ আৰু বৃদ্ধি হয়। দিনান্তত উইকেটত আছে ৱাশ্বিংটন সুন্দৰ (৩৩) আৰু ৰবিচন্দ্ৰন অশ্বিন (৮)। ইংলণ্ডৰ হৈ ডম বেছে চাৰিটা আৰু জ'ফ্ৰা আৰ্চাৰে দুটা উইকেট পায়। ইয়াৰপূৰ্বে আজি পূৱা ইংলণ্ডে ৫৭৮ ৰাণত প্ৰথম ইনিংছ সামৰে। উল্লেখ্য যে কালি ইংলণ্ডে প্ৰথম ইনিংছত আঠ উইকেট হেৰুৱাই ৫৫৫ ৰাণ কৰি চিন্তা মুক্ত স্থিতিত উপনীত হৈছিল। প্ৰথমদিনা শতক অৰ্জন কৰি দৃঢ়তাৰে বেটিং কৰি থকা ইংলণ্ডৰ অধিনায়ক জ' ৰুটে (২১৮ ৰাণ) দ্বিশতক অৰ্জন কৰে। আনহাতে, বেন ষ্টকছে ৮২ ৰাণ কৰাৰ লগতে প'পে ৩৪ ৰাণ আৰু বাটলাৰে ৩০ ৰাণ কৰাৰ বিপৰীতে ডম বেছে ৩৩ ৰাণ কৰে। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাহ আৰু অশ্বিনে তিনিটাকৈ তথা ঈশান্ত শৰ্মা আৰু নাদিমে দুটাকৈ উইকেট পায়। উল্লেখ্য যে চেন্নাইৰ এম চিদাম্বৰম ষ্টেডিয়ামত চলি থকা প্ৰথমখন টেষ্টৰ টছত জয়ী হৈ পোনতে বেটিং কৰা ইংলণ্ডে প্ৰথম দিনা প্ৰথম ইনিংছত তিনিটা উইকেট হেৰুৱাই ২৬৩ ৰাণ কৰিছিল। দলৰ এই দৃঢ় আৰম্ভণিৰ মূলতে হ'ল অধিনায়ক জ' ৰুটৰ অনন্য ইনিংছ। কেৰিয়াৰৰ শততম টেষ্ট খেলা ৰুটে দ্বিশতক অৰ্জন কৰে। উল্লেখ্য যে ক্ৰমাগত তিনিখন টেষ্টত শতক অৰ্জন কৰিলে ৰুটে। ইয়াৰপূৰ্বে শ্ৰীলংকাত খেলা দুয়োখন টেষ্টতো শতক অৰ্জন কৰিছিল ৰুটে। উল্লেখ্য যে ইংলণ্ডে ৬৩ ৰাণত দুটা উইকেট হেৰুৱাইছিল যদিও অপেনাৰ ছিবলিৰ লগত দ্বিতকীয় যুটী বন্ধি দলক দৃঢ় স্থিতি দিয়ে ৰুটে। ইফালে, ষ্টকছৰ লগত আন এক শতকীয় যুটি ৰুটে ব্যক্তিগত দ্বিশতক অৰ্জনৰে ইংলণ্ডক শক্তিশালী স্থিতিত উপনীত কৰায়।



## প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**
**বেৰেজীয়া, ৬ ফেব্ৰুৱাৰী ঃ** নৱসুৰুজ ক্লাবৰ উদ্যোগত আৰু বৰঙাবাৰী আঞ্চলিক ক্ৰীড়া সন্থাৰ সহযোগত চলি থকা দুতিৰাম হাজৰিকা সোঁৱৰণী ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত সাতগাঁৱৰ হেপ্পী ব্ৰাডাৰ্ছে জয়লাভ কৰিছে। দলে ৪৮ ৰাণত পৰাস্ত কৰে ৰজাগাঁও ক্ৰিকেট ক্লাবক। উল্লেখ্য যে প্ৰাইজমানি উক্ত ক্ৰিকেট প্ৰতিযোগিতাৰ চেম্পিয়ন দলে লাভ কৰিব ৪০ হেজাৰ টকা। আনহাতে, ৰাণাৰ্ছ আপ দলে পাব ২০ হেজাৰ টকা।



টেষ্ট অভিষেক কৰা মায়েৰ্ছৰ অপৰাজিত দ্বিশতক

# বাংলাদেশৰ বিৰুদ্ধে টেষ্টত স্মৰণীয় জয় ৱেষ্টইণ্ডিজৰ

**চত্ৰগ্ৰাম, ৭ ফেব্ৰুৱাৰী ঃ** টেষ্ট অভিষেক কৰা কিল মায়েৰ্ছৰ চমকপ্ৰদ অপৰাজিত দ্বিশতকৰ সহায়ত ৱেষ্ট ইণ্ডিজে বাংলাদেশৰ বিৰুদ্ধে খেলা প্ৰথমখন টেষ্টত সাত উইকেটত ৰোমাঞ্চকৰ বিজয় সাব্যস্ত কৰিছে। উল্লেখ্য যে বাংলাদেশে ৱেষ্ট ইণ্ডিজৰ সন্মুখত বিজয়ৰ বাবে ৩৯৫ ৰাণৰ লক্ষ্য দিছিল। এই বিজয়লক্ষ্য অনুসৰণ কৰি চতুৰ্থ দিনাৰ খেলৰ অন্তত ৱেষ্ট ইণ্ডিজে দ্বিতীয় ইনিংছত তিনিটা উইকেট হেৰুৱাই ১১০ ৰাণ কৰিছিল। আজি অন্তিমদিনা বাংলাদেশক জয়ৰ বাবে প্ৰয়োজন আছিল সাতটা উইকেটৰ। কিন্তু ঘৰুৱা দলে আজি চাৰিটা উইকেটহে দখল কৰিবলৈ সক্ষম হয়। বিপৰীতে ৱেষ্ট ইণ্ডিজক প্ৰয়োজন হোৱা ২৮৫ ৰাণ দলে চাৰিটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰি ৰোমাঞ্চকৰ বিজয় অৰ্জন কৰে। সাত উইকেটত ৩৯৫ ৰাণ কৰি অনন্য বিজয় লাভ কৰে ৱেষ্ট ইণ্ডিজে। দলৰ এই বিজয়ৰ নায়ক হ'ল মায়েৰ্ছ। অপৰাজিত ২১০ ৰাণ কৰি দলক স্মৰণীয় বিজয় দিয়ে টেষ্ট অভিষেক কৰা কিল মায়েৰ্ছে। আনহাতে, কেৰিবিয়ান দলৰ হৈ আন এজন অভিষেক কৰা বেটছমেন ব'নাৰে ৮৬ ৰাণ কৰে। উল্লেখ্য যে বংলাদেশে টেষ্ট খনৰ প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিছিল। বাংলাদেশে প্ৰথম ইনিংছত কৰা ৪৩০ ৰাণৰ প্ৰত্যুত্তৰত ৱেষ্ট ইণ্ডিজে ২৫৯ ৰাণত প্ৰথম ইনিংছ সামৰে। উল্লেখ্য যে টেষ্টখনৰ প্ৰথমদিনা পোনতে বেটিং কৰা বাংলাদেশে প্ৰথম ইনিংছত পাঁচটা উইকেট হেৰুৱাই সংগ্ৰহ কৰিছিল ২৪২ ৰাণ। দলৰ হৈ ছাদমন ইছলামে ৫৯ ৰাণ, মুছফিকুৰে ৩৮ ৰাণ, ম'মিনুলে ২৬ ৰাণ কৰাৰ বিপৰীতে ছাকিব আল হাছানে (৬৮) আৰু লিটন দাস (৩৮) ৰাণ কৰে। কিন্তু বাংলাদেশক দৃঢ় স্থিতিত উপনিত কৰায় মেহদী হাছানে শতকীয় ইনিংছ খেলি। ১০৩ ৰাণৰ অনবদ্য ইনিংছ খেলে অলৰাউণ্ডাৰজনে। ৱেষ্ট ইণ্ডিজৰ হৈ চাৰিটা উইকেট লাভ কৰে জ'মেই ৱাৰিকেনে। প্ৰতুত্তৰত ৱেষ্ট ইণ্ডিজে প্ৰথম ইনিংছত অধিনায়ক ব্ৰেথৱেইট (৭৬ ৰাণ) আৰু ব্লেকউদ (৬৮ ৰাণ) অৰ্ধশতকৰ জড়িয়তে যুঁজ দিয়ো পিছ পৰে। দলৰ হৈ মায়েৰ্ছে ৪০ ৰাণ আৰু ছিলভাই ৪২ ৰাণ কৰে। বাংলাদেশৰ হৈ চাৰিটা উইকেট পায় মিৰাজে। ইফালে, তৃতীয় দিনাৰ খেলৰ অন্তত বাংলাদেশে দ্বিতীয় ইনিংছ আৰম্ভ কৰি তিনিটা উইকেট হেৰুৱাই ৪৭ ৰাণ কৰিছিল। দলে কালি আঠ উইকেটত ২২৩ ৰাণত দ্বিতীয় ইনিংছ ঘোষণা কৰে। দলৰ হৈ অধিনায়ক ম'মিনুল হকে (১১৫ ৰাণ) শতক অৰ্জন কৰাৰ লগতে লিটন দাসে ৬৯ ৰাণ কৰে। ক্ৰমাগত চাৰিদিন টেষ্টখন নিজৰ আয়ত্বত ৰখাৰ পাছত আজি টেষ্ট অভিষেক কৰা কিল মায়েৰ্ছৰ চমকপ্ৰদ অপৰাজিত দ্বিশতকৰ সহায়ত ৱেষ্ট ইণ্ডিজে মেচ বাংলাদেশৰ হাতৰ পৰা লৈ যায়।

### ৰোমাঞ্চকৰ স্থিতিত দ্বিতীয় টেষ্ট ঃ আলহী দলৰ দৃঢ় বেটিং

# দঃ আফ্ৰিকাৰ সন্মুখত ৩৭০ বিজয়লক্ষ্য পাকিস্তানৰ



**ৰাৱালপিণ্ডি, ৭ ফেব্ৰুৱাৰী ঃ** পাকিস্তান আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ দুখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয়খন টেষ্ট ৰোমাঞ্চকৰ স্থিতিত উপনীত হৈছে। উল্লেখ্য যে পাকিস্তানে বিজয়ৰ বাবে দক্ষিণ আফ্ৰিকাৰ সন্মুখত ৩৭০ ৰাণৰ বিজয়লক্ষ্য ৰাখিছে। প্ৰত্যুত্তৰত আজি চতুৰ্থ দিনাৰ খেলৰ অন্তত দক্ষিণ আফ্ৰিকাই দ্বিতীয় ইনিংছ আৰম্ভ কৰি এলগাৰৰ (১৭ ৰাণ) উইকেটো হেৰুৱাই ১২৭ ৰাণ কৰিছে। কাইলৈ টেষ্টখনৰ অন্তিম দিন। বিজয়ৰ বাবে পাকিস্তানক প্ৰয়োজন নটা উইকেটৰ। বিপৰীতে দক্ষিণ আফ্ৰিকা ২৪৩ ৰাণত পিছ পৰি আছে। দিনান্তত উইকেটত আছে মাৰ্কৰাম (৫৯ ৰাণ) আৰু ডুছান (৪৮ ৰাণ)। উল্লেখ্য যে ৰাৱালপিণ্ডিত অনুষ্ঠিত হোৱা টেষ্টখনৰ প্ৰথমদিনা পোনতে বেটিং কৰি পাকিস্তানে তিনিটা উইকেট হেৰুৱাই ১৪৫ ৰাণ কৰিছিল। ঘৰুৱা দলে তিনিটা উইকেট এঘণ্টাৰ ভিতৰতে হেৰুওৱাৰ পাছত দিনান্তত বেটিং কৰি আছিল বাবৰ আজম (৭৭ ৰাণ) আৰু ফাৱাদ আলমে (৪২ ৰাণ)। দ্বিতীয় দিনা পাকিস্তানে প্ৰথম ইনিংছ সামৰে ২৭১ ৰাণত। বাবৰে ৭৭ ৰাণত আৰু ফাৱাদে ৪৫ ৰাণত আউট হয়। কিন্তু অপৰাজিত ৭৮ ৰাণ কৰি পাকিস্তানৰ সন্মান ৰক্ষা কৰে ফাহিম আশ্ৰফে। দক্ষিণ আফ্ৰিকাৰ হৈ ন'ৰ্টজে পাঁচটা তথা মেহৰাজে তিনিটা উইকেট পায়। ইফালে, দক্ষিণ আফ্ৰিকাই ২০১ ৰাণত প্ৰথম ইনিংছ সামৰে। ফলত পাকিস্তানে ৭১ ৰাণৰ অগ্ৰগতি লাভ কৰে। আলহী দলৰ হৈ বাভুমাই ৪৪ ৰাণ, ডি ক'কে ২৯ ৰাণ আৰু মল্ডাৰে ৩৩ ৰাণ কৰে। পাকিস্তানৰ হাছান আলীয়ে পাঁচটা উইকেট পায়। কলি পাকিস্তানে দ্বিতীয় ইনিংছ আৰম্ভ কৰি দিনান্তৰত ছটা উইকেট হেৰুৱাই ১২৯ ৰাণ কৰিছিল। আজাহাৰে ৩৩ ৰাণ কৰাৰ লগতে ২৮ ৰাণত বেটিং কৰি আছিল ৰিজৱান। আজি ৰিজৱানে ১১৫ ৰাণৰ শতকীয় ইনিংছ খেলাৰ বিপৰীতে নৌমান আলীয়ে ৪৫ ৰাণ কৰে। দক্ষিণ আফ্ৰিকাৰ হৈ লিন্দে পাঁচটা উইকেট পায়। উল্লেখ্য যে পাকিস্তানে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা প্ৰথমখন টেষ্টত সাত উইকেটত জয়লাভ কৰি শৃংখলাটোত ১-০ ৰ অগ্ৰগতি লাভ কৰিছে।

# অসমত বক্সিঙৰ আন্তঃগাঁথনিৰ বাবে ৰাজ্য চৰকাৰৰ সহায় বিচাৰিছে নতুন ৰাষ্ট্ৰীয় সম্পাদক কলিতাই

**গুৱাহাটী, ৭ ফেব্ৰুৱাৰী ঃ** বক্সিং ফেডাৰেছন অব ইণ্ডিয়াৰ নতুন সম্পাদক অসমৰ হেমন্ত কুমাৰ কলিতাই ৰাজ্যৰ তৃণমূল বক্সিঙৰ উত্তৰণৰ বাবে ৰাজ্য চৰকাৰ সহায় আৰু সহযোগিতা বিচাৰিছে। উল্লেখ্য যে আজি গুৱাহাটীত অনুষ্ঠিত এক সভাত অসম বক্সিং সন্থাই সম্বৰ্ধনা জনাই বক্সিং ফেডাৰেছন অব ইণ্ডিয়াৰ নতুন সম্পাদক হেমন্ত কুমাৰ কলিতাক। উক্ত অনুষ্ঠানতে নিজৰ বক্তব্য প্ৰকাশ কৰি কলিতাই কয় যে অসমত প্ৰতিভাবান বক্সাৰ থকাৰ পাছতো আধুনিক সুবিধা লাভ নকৰাৰ বাবে আশাকৰা ধৰণে আগবাঢ়ি যোৱাত বাধা আহি পৰিছে। ৰাজ্যিক তথা জিলাৰ বক্সিং সন্থাই অশেষ কষ্ট স্বীকাৰ কৰি অসমৰ ভিন্ন প্ৰান্তৰ পৰা বক্সাৰ উলিয়াই আনিছে। ৰাজ্য চৰকাৰে যদি আন্তঃগাঠনিৰ সুবিধা দিয়ে তেন্তে অসমৰ পৰা ধাৰাবাহিক ৰূপত অলিম্পিয়ান বক্সাৰ ওলাব। উল্লেখ্য যে অসম বক্সিং সন্থাৰ সম্পাদক হেমন্ত কুমাৰ কলিতা বক্সিং ফেডাৰেছন অব ইণ্ডিয়াৰ নতুন সম্পাদক ৰূপে নিৰ্বাচিত হৈছে। ইফালে, বক্সিং ফেডাৰেছন অব ইণ্ডিয়াৰ বৰ্তমানৰ সভাপতি অজয় সিং পুনৰ সভাপতি ৰূপে নিৰ্বাচিত হয়। যোৱা তিনি ফেব্ৰুৱাৰীত গুৰুগ্ৰামত অনুষ্ঠিত হয় বক্সিং ফেডাৰেছন অব ইণ্ডিয়াৰ নিৰ্বাচন। উল্লেখ্য যে এইবাৰ বক্সিং ফেডাৰেছন অব ইণ্ডিয়াৰ নিৰ্বাচনত সম্পাদকৰ পদত প্ৰতিদ্বন্দ্বিতা কৰিছিল



অসম বক্সিং সন্থাৰ সম্পাদক তথা বক্সিং ফেডাৰেছন অব ইণ্ডিয়াৰ কোষাধ্যক্ষ হেমন্ত কুমাৰ কলিতাই। নিৰ্বাচনত অসম বক্সিং সন্থাৰ সম্পাদক হেমন্ত কুমাৰ কলিতাই ১৪ টা ভোটত পৰাস্ত কৰে তেওঁৰ সম্পাদক পদৰ প্ৰাৰ্থী চি ভি ৰাজেক। উল্লেখ্য যে হেমন্ত কুমাৰ কলিতাই ৩৯ টা ভোট লাভ কৰাৰ বিপৰীতে ৰাজে লাভ কৰে ২৫ টা ভোট।

# পূৰ্ণগতিত চলিছে ৰাজ্যিক আন্তঃজিলা-মুকলি বেডমিণ্টন

**গুৱাহাটী, ৭ ফেব্ৰুৱাৰী ঃ** অসম বেডমিণ্টন সন্থাৰ উদ্যোগত চলি থকা ৬৮ সংখ্যক সদৌ অসম আন্তঃজিলা আৰু মুকলি বেডমিণ্টন প্ৰতিযোগিতাৰ ছেমিফাইনেল মেচসমুহ কাইলৈৰ পৰা আৰম্ভ হ'ব। উল্লেখ্য যে আজি সকলো শাখাৰ কোৱাৰ্টাৰ ফাইনেল মেচ সমাপ্ত হয়। কাইলৈ পূৱা ছেমিফাইনেল আৰু বিয়লি ফাইনেল মেচ হ'ব। উল্লেখ্য যে কৰ'নাৰ পাছত অসম বেডমিণ্টন সন্থাই আয়োজন কৰা উক্ত প্ৰতিযোগিতাখন অহা ১৪ ফেব্ৰুৱাৰীলৈ চলিব। গুৱাহাটীৰ আৰ জি বৰুৱা ক্ৰীড়া প্ৰকল্পৰ কনকলতা ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হৈছে ৬৮ সংখ্যক সদৌ অসম আন্তঃজিলা আৰু মুকলি বেডমিণ্টন প্ৰতিযোগিতাখন। অসম বেডমিণ্টন সন্থাই জনোৱা অনুসৰি প্ৰতিযোগিতাৰ বয়স ভিত্তিক ল'ৰাৰ শাখা কেইটা হ'ল ১১ বছৰ অনূৰ্ধ একক, ১৩ বছৰ অনূৰ্ধ একক-ডাবলছ, ১৫ বছৰ অনূৰ্ধ একক-ডাবলছ, ১৭ বছৰ অনূৰ্ধ একক-ডাবলছ, ১৯ বছৰ অনূৰ্ধ একক-ডাবলছ আৰু পুৰুষ শাখাৰ একক আৰু ডাবলছ। ইফালে, ছোৱালীৰ শাখা কেইটা হ'ল ১১ বছৰ অনূৰ্ধ একক, ১৩ বছৰ অনূৰ্ধ একক-ডাবলছ, ১৫ বছৰ অনূৰ্ধ একক-ডাবলছ, ১৭ বছৰ অনূৰ্ধ একক-ডাবলছ, ১৯ বছৰ অনূৰ্ধ একক-ডাবলছ আৰু মহিলাৰ একক আৰু ডাবলছ।

### গুৱাহাটীত ৰাষ্ট্ৰীয় জুনিয়ৰ এথলেটিকছ প্ৰতিযোগিতা

# দ্বিতীয়দিনা অসমৰ তিনিটা পদক লাভ



**গুৱাহাটী, ৭ ফেব্ৰুৱাৰী ঃ** অসম এথলেটিকছ সন্থাৰ উদ্যোগত গুৱাহাটীত চলি থকা ৰাষ্ট্ৰীয় জুনিয়ৰ এথলেটিকছ প্ৰতিযোগিতাৰ প্ৰথমদিনা আয়োজক অসম দলে পদক বঞ্চিত হোৱাৰ পাছত আজি দ্বিতীয় দিনা অসমে তিনিটা পদক লাভ কৰিবলৈ সক্ষম হয়। আজি ল'ৰাৰ ১৬ বছৰ অনূৰ্ধ শাখাৰ ১০০ মিটাৰ দৌৰত অসমৰ ইদুল হুছেইনে ৰূপৰ পদক লাভ কৰে। ইফালে, ল'ৰাৰ ২০ বছৰ অনূৰ্ধ শাখাৰ ১০ হেজাৰ মিটাৰ খোজকঢ়াত অসমৰ বিক্ৰম দাসে ব্ৰঞ্জৰ পদক লাভ কৰে। ইফালে, ল'ৰাৰ ১৪ বছৰ অনূৰ্ধৰ ৬০ মিটাৰ দৌৰত অসমৰ অংশুমান ভাগৱতীয়ে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে পাঁচদিনীয়া উক্ত ৰাষ্ট্ৰীয় জুনিয়ৰ এথলেটিকছ প্ৰতিযোগিতাখন গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত অনুষ্ঠিত হৈছে। অসম এথলেটিকছ সন্থাই জনোৱা অনুসৰি দেশৰ প্ৰায় দুই হেজাৰ খেলুৱৈয়ে অংশ লৈছে উক্ত ৰাষ্ট্ৰীয় জুনিয়ৰ এথলেটিকছ প্ৰতিযোগিতাখনত। উল্লেখ্য যে দেশৰ ৩২ খন ৰাজ্যৰ দলে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে। অসম এথলেটিকছ সন্থাই জনোৱা অনুসৰি এইবাৰৰ ৰাষ্ট্ৰীয় জুনিয়ৰ এথলেটিকছ প্ৰতিযোগিতাত ১৪. ১৬, ১৮ আৰু ২০ বছৰ অনূৰ্ধৰ লৰা-ছোৱালীয়ে মুঠ ১০৫ টা ইভেণ্টত অংশ ল'ব। প্ৰতিযোগিতাৰ অসমৰ ৭৮ জনীয়া এটা দলে অংশ লৈছে।



# আজিৰে পৰা কনকলতা বৰুৱা প্ৰথম ৰাজ্যিক মহিলা ক্ৰিকেট

**গুৱাহাটী, ৭ ফেব্ৰুৱাৰী ঃ** অসম ক্ৰিকেট সন্থাই পোন প্ৰথমবাৰৰ বাবে আয়োজন কৰা ৰাজ্যিক মাণ্ডলিক মহিলা ক্ৰিকেট প্ৰতিযোগিতাখন কাইলৈৰ পৰা আৰম্ভ হ'ব। উল্লেখ্য যে এ চি এৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব কনকলতা বৰুৱা প্ৰথম আন্তঃমাণ্ডলিক ৰাজ্যিক মহিলা ক্ৰিকেট প্ৰতিযোগিতাখন। কাইলৈ প্ৰতিযোগিতাখন উদ্বোধন কৰিব এ চি এৰ সভাপতি ৰমেন দত্তই। উল্লেখ্য যে উক্ত আন্তঃমাণ্ডলিক ৰাজ্যিক মহিলা ক্ৰিকেট প্ৰতিযোগিতাত মুঠ ছটা দলে অংশ ল'ব। মাণ্ডলিক দল ছটা হ'ল হেড কোৱাৰ্টাৰ, দক্ষিণ মণ্ডল, উত্তৰ মণ্ডল, উজনী মণ্ডল, নামনি মণ্ডল আৰু মধ্য মণ্ডল। অসম ক্ৰিকেট সন্থাই ইতিমধ্যে জিলাৰ পৰা মুঠ ৯০ গৰাকী মহিলা ক্ৰিকেটাৰ নিৰ্বাচন কৰিছে। ছটা মাণ্ডলিক দলৰ প্ৰতিটোত থাকিব ১৫ গৰাকীকৈ ক্ৰিকেটাৰ। উল্লেখ্য যে ছটা মাণ্ডলিক দলক ছটা গ্ৰুপত ভাগ কৰা হৈছে। গ্ৰুপৰ শীৰ্ষ চাৰিটা দলে ছেমিফাইনেল খেলিব। আঠ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ'বলগা ৰাজ্যিক মাণ্ডলিক মহিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল মেচখন অনুষ্ঠিত হ'ব ১৪ ফেব্ৰুৱাৰীত। উল্লেখ্য যে মেচসমুহ ৫০ অভাৰৰ হোৱাৰ লগতে বগা বল ব্যৱহাৰ কৰা হ'ব।

দৈনিক অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023
গুৱাহাটী, ৮ ফেব্ৰুৱাৰী, ২০২১ সোমবাৰ পৃষ্ঠা ১২



### টিকাকৰণৰ ক্ষেত্ৰত ব্ৰিটেইন-আমেৰিকাকো পিছ পেলালে ভাৰতে

# ২১ দিনৰ ভিতৰত ৫৭ লক্ষাধিক স্বাস্থ্যকৰ্মীক কৰ'নাৰ প্ৰতিষেধক প্ৰদান

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ৭ ফেব্ৰুৱাৰী ঃ** ভাৰতত ইতিমধ্যে ৪৫ শতাংশৰ অধিক স্বাস্থ্যকৰ্মীয়ে গ্ৰহণ কৰিছে ক'ভিড-১৯ৰ প্ৰতিষেধক। টিকাকৰণ আৰম্ভ হোৱাৰ মাত্ৰ ২১ দিনৰ ভিতৰতে দেশৰ ৫৭ লক্ষাধিক স্বাস্থ্যকৰ্মীক দিয়া হ'ল কৰ'নাৰ প্ৰতিষেধক। অন্যান্য দেশৰ তুলনাত অতি দ্ৰুতগতিৰে টিকাকৰণ সম্পন্ন হৈছে। ব্ৰিটেইন, আমেৰিকা, ইজৰাইলৰ দৰে দেশতকৈও কম সময়ৰ ভিতৰতে ৪০ লক্ষাধিকক প্ৰতিষেধক দি দৃষ্টান্ত স্থাপন কৰিলে ভাৰতে।

যোৱা ১৬ জানুৱাৰীত দেশজুৰি টিকাকৰণ কাৰ্যসূচীৰ সূচনা কৰিছিল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ইয়াৰ পাছত দুই ফেব্ৰুৱাৰী পৰ্যন্ত প্ৰতিষেধক লাভ কৰা স্বাস্থ্যকৰ্মীৰ সংখ্যাই ৪০ লাখ অতিক্ৰম কৰে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ তৰফৰ পৰা প্ৰদান কৰা তথ্য অনুসৰি, বুধবাৰে তিনি লাখ ১০ হেজাৰ ৬৩৪জনক প্ৰতিষেধক দিয়া হয়। সকলো মিলাই দেশত এই পৰ্যন্ত ৪৪ লাখ ৪৯ হেজাৰ ৫৫২জন স্বাস্থ্যকৰ্মীয়ে কৰ'নাৰ টিকা লাভ কৰিছে। চৰকাৰী তথ্য অনুসৰি, তালিকাভুক্ত স্বাস্থ্যকৰ্মীসকলৰ ভিতৰত বুধবাৰ পৰ্যন্ত ৪৭ শতাংশই প্ৰতিষেধক লাভ কৰিছে। সমগ্ৰ দেশত প্ৰতিষেধক প্ৰদানৰ বাবে চৰকাৰী আৰু বেচৰকাৰী মিলাই মুঠ ৯২ লাখ ৬১ হেজাৰ ২২৭জন চিকিৎসক-নাৰ্ছ বা অন্যান্য স্বাস্থ্যকৰ্মীক নিৰ্বাচন কৰা হৈছিল।

উল্লেখ্য যে দৈনিক ভিত্তিত প্ৰতিষেধক প্ৰদানৰ দিশতো বিশ্বৰ অনেক দেশৰ তুলনাত প্ৰথমৰ পৰাই ভাৰত আগবাঢ়ি আছে। প্ৰথম ছদিনতে ১০ লাখ স্বাস্থ্যকৰ্মীক দিয়া হৈছিল ক'ভিশ্বিল্ড বা ক'ভেক্সিনৰ ড'জ বা পালি। সেই অংকটোৱে ৪০ লাখ অতিক্ৰম কৰিবলৈ সময় ল'লে মাত্ৰ ১৮ দিন। একেই পৰিমাণৰ টিকাকৰণৰ বাবে আমেৰিকাক প্ৰয়োজন হয় ২০ দিন।

ব্ৰিটেইন আৰু ইজৰাইলত লাগিছিল ৩৯ দিন। ৰাজ্যিক ভিত্তিত শতাংশৰ হিচাপত প্ৰতিষেধক প্ৰদানৰ ক্ষেত্ৰত আগবাঢ়ি আছে মধ্যপ্ৰদেশ। ৰাজ্যখনৰ তালিকাভুক্ত স্বাস্থ্যকৰ্মীসকলৰ ৬৯.৪ শতাংশক ইতিমধ্যে প্ৰতিষেধক দিয়া হৈছে। তাৰ পাছতে ৬৪.৭ শতাংশৰে দ্বিতীয় স্থানত আছে ৰাজস্থান। অৱশ্যে মুঠ প্ৰতিষেধক প্ৰাপকৰ সংখ্যাত দেশৰ ভিতৰত শীৰ্ষত উত্তৰপ্ৰদেশ। যোগী আদিত্যনাথৰ ৰাজ্যৰ চাৰি লাখ ৬৩ হেজাৰৰ অধিক লোকে এই পৰ্যন্ত প্ৰতিষেধক লাভ কৰিছে। যি সংখ্যা উত্তৰপ্ৰদেশৰ মুঠ তালিকাভুক্তৰ ৫১ শতাংশ। প্ৰতিষেধক প্ৰদানৰ বাবে সবাতোকৈ অধিক স্বাস্থ্যকৰ্মী তালিকাভুক্ত হোৱা ৰাজ্যখন হৈছে মহাৰাষ্ট্ৰ। ৰাজ্যখনৰ ন লাখ ৩৬ হেজাৰ ৮৫৭ জন স্বাস্থ্যকৰ্মীক প্ৰতিষেধক প্ৰদানৰ বাবে তালিকাভুক্ত কৰা হৈছে। অৱশ্যে মহাৰাষ্ট্ৰত এই পৰ্যন্ত মাত্ৰ ৩৪ শতাংশ লোকেহে প্ৰতিষেধক লাভ কৰিছে।

প্ৰতিষেধক প্ৰদানৰ ক্ষেত্ৰত পাছ পৰি আছে দিল্লী (২৬.৬ শতাংশ), তামিলনাডু (২২.৬ শতাংশ), চত্তিশগড় (২৯ শতাংশ) আৰু গোৱা (২৮.৩ শতাংশ)। উল্লেখ্য যে মাৰ্চ-এপ্ৰিলৰ ভিতৰতে কেন্দ্ৰই স্বাস্থ্যকৰ্মী আৰু প্ৰথম শাৰীৰ কৰ'না যোদ্ধাসহ প্ৰায় তিনি কোটি লোকক প্ৰতিষেধক প্ৰদানৰ লক্ষ্য বান্ধি লৈছে।



# ৩৫০ বছৰৰ পূৰ্বেই এবছৰ ধৰি হৈছিল তলাবন্ধ

## বিশ্বক প্ৰথমবাৰলৈ কোৱাৰেণ্টাইনৰ অৰ্থ শিকাইছিল ইংলণ্ডৰ এখন গাঁৱে

■ নিউজ ব্যুৰ'

**লণ্ডন, ৭ ফেব্ৰুৱাৰী ঃ** কৰ'না ভাইৰাছৰ প্ৰকোপত সমগ্ৰ বিশ্বই এতিয়া বুজিছে গৃহবন্দী হৈ থকাৰ অৰ্থ। এনে সংক্ৰামক ৰোগৰ প্ৰাদুৰ্ভাৱ ঘটিলে কিদৰে নিজকে বন্দীদশাত ৰাখি বা আনৰ পৰা দূৰত্ব গঢ়ি তুলি সুস্থ থাকিব পাৰি আৰু আনকো সুস্থ ৰাখিব পৰা যায়, তাৰেই শিক্ষা দিলে কৰ'না অতিমাৰীয়ে। বহুতেই হয়তো প্ৰথমবাৰলৈ শুনিলে কোৱাৰেণ্টাইন শব্দটো। তেনেকৈ প্ৰথমবাৰলৈ সন্মুখীন হ'ল তলাবন্ধৰ। অথচ প্ৰায় চাৰে তিনিশ বছৰৰ পূৰ্বে ইংলণ্ডৰ এখন সৰু গাঁৱে বিশ্বক শিকাই গৈছিল তলাবন্ধৰ অৰ্থ। প্লেগ মহামাৰীৰ সংক্ৰমণ ৰোধ কৰাৰ বাবে নিজকে গৃহবন্দী কৰিছিল সমগ্ৰ গাঁওখনৰ সমূহ পৰিয়ালে। বাহিৰৰ জগতৰ স'তে নিশাৰ ভিতৰতে যোগাযোগ ছিন্ন কৰিছিল তেওঁলোকে। ৩৫৬ বছৰৰ পূৰ্বৰ সেই ঘটনাৰ বাবেই ইংলণ্ডৰ ডাৰ্বিশ্বায়াৰৰ ইয়াম নামৰ গাঁওখন এতিয়া বিশ্বত পৰিচিত হৈ পৰিছে 'প্লেগ ভিলেজ' নামেৰে। মহামাৰীক হৰুৱাই এই গাঁওখন এতিয়া সম্পূৰ্ণৰূপে সুস্থ। কিন্তু ৩৫৬ বছৰৰ পুৰণি সেই কাহিনী আজিও জীৱন্ত হৈ আছে গাঁওখনত। সেয়ে ইয়াম গাঁও পৰ্যটকৰ বাবেও অন্যতম আকৰ্ষণ হৈ পৰিছে।

১৬৬৫ত মহামাৰীৰ কবলত পৰিছিল ইয়াম গাঁও। ডাৰ্বিশ্বায়াৰৰ পিক জিলাৰ ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰতে অৱস্থিত এই গাঁও। অৰণ্যৰ মাজত অৱস্থিত বাবে গাঁৱত জনসংখ্য তুলনামূলকভাৱে যথেষ্ট কম। ২০১১ৰ জৰীপৰ সময়ত তাত মাত্ৰ ৯৬৯জন লোক আছিল। ১৬৬৫ত সমগৰ বিশ্বতে প্লেগ মহামাৰীয়ে ভয়ানক ৰূপ ধাৰণ কৰিছিল। সেই সময়তে লণ্ডনৰ পৰা বহু কাপোৰ লৈ আহিছিল গাঁওখনৰ জৰ্জ ভিকাৰছ নামৰ এজন দৰ্জীয়ে। সেই কাপোৰৰ লগতে গাঁওখনত প্ৰৱেশ কৰিছিল প্লেগৰ জীৱাণুৱে। এসপ্তাহৰ ভিতৰতে গাঁওখনত আৰম্ভ হয় মৃত্যুৰ মিছিল। প্ৰথমে মৃত্যু হয় সেই দৰ্জীজনৰে। তাৰ পাছত দৰ্জীৰ পৰিয়ালৰ একাংশ আৰু গাঁওখনত থকা তেওঁৰ কিছু সংখ্যক গ্ৰাহকৰ প্লেগৰ কবলত পৰি মৃত্যু হয়। ইয়াৰ কাৰণ আৰু ভয়াৱহতা বুজিবলৈ অসুবিধা নহ'ল গাঁওখনৰ মুৰব্বী উইলিয়াম মমপেচন্সৰ। বিশ্বব্যাপী প্লেগ মহামাৰীয়ে ভয়ানক ৰূপ ধাৰণ কৰাৰ খবৰ তেওঁ লাভ কৰিছিল। সেয়ে তেওঁ অযথা পলম নকৰি নিশাৰ ভিতৰতে কঠোৰ তলাবন্ধ ঘোষণা কৰিলে। সমগ্ৰ ইয়াম গাঁৱে নিজক সম্পূৰ্ণৰূপে পৃথক কৰি তুলিছিল। গাঁওখনৰ কোনো লোকেই বৰ বেছি বাহিৰলৈ নোলাইছিল। সমীপৰ গাঁওসমূহৰ স'তেও যোগাযোগ বিচ্ছিন্ন কৰিছিল ইয়ামে। গাঁওখনৰ পৰা যিদৰে মানুহে আন গাঁৱলৈ যোৱা বন্ধ কৰিছিল, সেইদৰে সমীপৰ গাঁৱৰ কোনো মানুহকে ইয়ামত প্ৰৱেশ কৰিবলৈ নিদিছিল। গাঁৱৰ বাসিন্দাসকলে অৱশ্যে মুৰব্বীৰ এই সিদ্ধান্ত সাদৰেৰে গ্ৰহণ কৰিছিল। মুৰব্বীৰ নিৰ্দেশ তেওঁলোকে আখৰে আখৰে পালন কৰিছিল। উল্লেখ্য যে প্লেগৰ কবলত পৰি



গাঁওখনৰ ২৬০জন লোকৰ মৃত্যু হৈছিল। পৰিস্থিতি ইমানেই কৰুণ হৈ পৰিছিল যে পৰিয়ালৰ লোকৰ বাবে নিজেই কবৰ খান্দিবলগীয়া হৈছিল। সহায় কৰিবলৈ কাকোৱেই পোৱা নগৈছিল। তেনে এক কৰুণ কাহিনীৰে সাক্ষী হৈ আছে ৰীলে কবৰ। এই কবৰটো গাঁওখনৰ হেনকক পৰিয়ালৰ। নামমাত্ৰ যি কেইজন গাঁওবাসী এই মহামাৰীৰ কবলৰ পৰা ৰক্ষা পৰিছিল, তাৰ ভিতৰত অন্যতম আছিল এলিজাবেথ হেনকক। কিন্তু তেওঁৰ পৰিয়ালৰ আন কোনোৱেই জীয়াই থকা নাছিল। প্ৰথমে স্বামী আৰু তাৰ পাছত ছয় সন্তানক এলিজাবেথে নিজৰ হাতেৰে উক্ত স্থানত কবৰ দিছিল।

পৰ্যটকৰ বাবে গাঁওখনৰ আন এক দৰ্শনীয় স্থান হৈছে মমপেচন্স দেৱাল। গাঁৱৰ মুৰব্বী মমপেচন্সৰ নামতে নিৰ্মাণ হৈছিল এই দেৱালখন। ধনৰ বিনিময়ত এই দেৱালৰ ওপৰতে গাঁওবাসীসকলৰ বাবে খাদ্য আৰু প্ৰয়োজনীয় সামগ্ৰী ৰাখি গৈছিল সমীপৰ গাঁৱৰ বাসিন্দাসকলে। দেৱালৰ এফালে ৰখা ভিনেগাৰ মিহলোৱা পানীৰ ভিতৰত টকা দি সেইবোৰ সামগ্ৰী সংগ্ৰহ কৰিছিল ইয়ামৰ বাসিন্দাই। টকা জীৱাণুমুক্ত কৰাৰ বাবেই পানীত ভিনেগাৰ মিহলোৱা হৈছিল।এই গাঁওখনৰ প্ৰথম প্লেগৰোগী ভিকাৰছৰ বাসগৃহ গাঁৱৰ প্ৰায় মাজভাগত এতিয়াও আছে। সেই গৃহটোও এতিয়া পৰ্যটকৰ আকৰ্ষণৰ স্থল হৈ পৰিছে। প্ৰায় এবছৰ ধৰি এইদৰেই কোৱাৰেণ্টাইনত আছিল ইয়াম গাঁও। এতিয়াও প্ৰতি বছৰৰ আগষ্টৰ অন্তিম দেওবাৰটো 'প্লেগ দেওবাৰ'ৰূপে গাঁওখনত পালন কৰা হয়। সেইদনা মমপেচন্সৰ প্ৰাচীৰৰ কাষত সমবেত হয় গাঁওবাসী।

## ইতিহাস নতুনকৈ লিখাৰ পোষকতা গৱেষকৰ



# চেংগিজ খান নহয়, মধ্য এছিয়াৰ সভ্যতা ধ্বংস হৈছিল জলবায়ু পৰিৱৰ্তনৰ কাৰণে

■ নিউজ ব্যুৰ'

**লণ্ডন, ৭ ফেব্ৰুৱাৰী ঃ** মধ্য এছিয়াৰ ইতিহাস, মংগোলসকলৰ ইতিহাস, চেংগিজ খানৰ ইতিহাসক ুনৰ নতুনকৈ লিখাৰ পোষকতা কৰিছে এদল বিজ্ঞানীয়ে। ইতিহাসে ইমানদিনে দাবী কৰি আহিছে যে দক্ষিণ কাজাগস্তান, উজবেকিস্তান, কিৰ্গিজস্তানৰ প্ৰাচীন সভ্যতা ধ্বংসৰ অন্তৰালত আছিল মংগোল অধিপতি চেংগিজ খানৰ ভূমিকা। কিন্তু সাম্প্ৰতিক গৱেষণাই আন কথাহে দাবী কৰিছে। ইংলণ্ডৰ লিংকন বিশ্ববিদ্যালয়ৰ গৱেষক আৰু পৰিৱেশ বিজ্ঞানীসকলে মন্তব্য কৰিছে যে চেংগিজ খানৰ আক্ৰমণ নহয়, বৰঞ্চ জলবায়ু পৰিৱৰ্তনৰ ফলতে ধ্বংস হৈছিল সেই অঞ্চলৰ জনবসতি, সভ্যতা। ইয়াৰ বাবেই চেংগিজ খানৰ ইতিহাস পুনৰ লিখিব লাগিব বুলিয়ে একাংশই ধাৰণা কৰিছে। যাৰ ফলত হয়তো সলনি হ'ব পাৰে এজন নিষ্ঠুৰ আক্ৰমণকাৰীৰূপে থকা চেংগিজ খানৰ ভাবমূৰ্তি।

মধ্য এছিয়াৰ আমুদৰিয়া আৰু ছিৰদৰিয়া নদীৰ পলি গঠিত ভূমিতেই এই জনবসতি গঢ়ি উঠিছিল। ত্ৰয়োদশ শতিকাত এই অঞ্চলৰ জনবসতি ধ্বংস হোৱাৰ অন্তৰালত মংগোল অধিপতি চেংগিজ খানৰ ভূমিকা আছিল বুলি ইতিহাসে ধাৰণা কৰিছিল। বিভিন্ন তথ্যই দাবী কৰিছিল যে অতি নিষ্ঠুৰ শাসকৰূপে পৰিচিত চেংগিজৰ আক্ৰমণৰ ফলত অঞ্চলটোৰ বিপুল সংখ্যক লোক নিহত হয় আৰু জীয়াই থকাসকল পলাই যায়। লগতে চেংগিজৰ নিষ্ঠুৰ বাহিনীৰ ব্যাপক লুণ্ঠনৰ ফলত সকলোবোৰেই ভাঙি পৰে। সম্প্ৰতি সেই তত্ত্বকেই নস্যাৎ কৰিছে এক শেহতীয়া গৱেষণাই। এই গৱেষণাত দেখা গৈছে যে ত্ৰয়োদশ শতিকাৰ ভিতৰতে এই অঞ্চলৰ জলবায়ুত ব্যাপক পৰিৱৰ্তন ঘটে। ফলত সকলোবোৰ নদী শুকাই যায়। সেই কাৰণেই বাসিন্দাসকলে উক্ত স্থান ত্যাগ কৰে।

নদী-ইতিহাস বিশেষজ্ঞ মাৰ্ক মেকলিনে এই প্ৰসংগত কয়, 'সপ্তম আৰু অষ্টম শতাব্দীত আৰবসকলৰ আক্ৰমণ এই সভ্যতাই অতি সহজে মোকাবিলা কৰিছিল। আক্ৰমণৰ সময়ত যিসকলে তাৰ পৰা পলায়ন কৰিছিল, তেওঁলোক পাছত পুনৰ উভতি আহে। কাৰণ অঞ্চলটো আছিল অতিশয় উৰ্বৰ। কিন্তু ত্ৰয়োদশ শতিকাৰ পৰা সেয়া আৰু নহ'ল।' এই বিষয়ৰ গৱেষণা পত্ৰত কোৱা হৈছে যে মধ্য এছিয়াৰ উক্ত অঞ্চলৰ জলসিঞ্চন ব্যৱস্থাৰ পৰাই অনুমান কৰিব পাৰি যে ব্যাপক খৰাঙৰ কাৰণে সমগ্ৰ অঞ্চলটোৱেই শুকান হৈ পৰিছিল। খেতিপথাৰলৈ পানী সৰবৰাহ কৰাটো কোনোপধ্যেই সম্ভৱ হোৱা নাছিল। শেষ পৰ্যন্ত পানীৰ অভাৱৰ বাবেই মানুহে অঞ্চলটো ত্যাগ কৰি আন ঠাইলৈ যাবলৈ বাধ্য হয়।

ব্যাপক জলবায়ু পৰিৱৰ্তনৰ ফলত মানৱ সভ্যতাৰ যাত্ৰাপথত বাৰে বাৰে পৰিৱৰ্তন আহিছে। যাৰ অধিকাংশই আজিও মানুহৰ বাবে অজ্ঞাত। ইয়াৰে বহু পৰিৱৰ্তনৰ বাবে দোষী সাব্যস্ত কৰা হৈছে বহিঃশত্ৰুৰ আক্ৰমণ বা অনান্য মানৱিক কাৰ্যকলাপক। আগন্তুক দিনত পৰিৱেশ সংক্ৰান্তীয় গৱেষণাৰ কাম আগবাঢ়িলে ইতিহাসৰ এনে বহু নজনা অধ্যায়ৰ ওপৰত আলোকপাত হ'ব বুলিয়ে বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে।

## বিশদ তথ্য উদ্ধাৰৰ বাবে গৱেষণা অব্যাহত প্ৰত্নতত্ত্ববিদৰ

# মিছৰত উদ্ধাৰ হোৱাৰ মামীৰ আছে সোণৰ জিভা



নিউজ ব্যুৰ'

**কাইৰ', ৭ ফেব্ৰুৱাৰী ঃ** ইজিপ্ট বা মিছৰৰ পুনৰ উদ্ধাৰ হ'ল প্ৰায় দুহেজাৰ বছৰৰ পুৰণি এক কবৰস্থান। এই কবৰস্থানৰ পৰাই উদ্ধাৰ হৈছে একাংশ মামী। এই মামীসমূহৰ মাজৰ এটা মামীয়ে চকু কপালত তুলিছে প্ৰত্নতত্ত্ববিদসকলৰ। কিয়নো উদ্ধাৰকৃত মামীসমূহৰ মাজৰ এটা মামীৰ আচল জিভা নাই। তাৰ পৰিৱৰ্তে আছে সোণেৰে তৈয়াৰী এখন জিভা। ইয়াৰ উপৰি মামীটোৰ সমগ্ৰ শৰীৰ সোণৰ গহনাৰে ভৰ্তি। এই মামীটো কাৰ তাকে লৈ এতিয়া চিন্তাত পৰিছে প্ৰত্নতাত্ত্বিকসকল। সম্প্ৰতি এই ধৰণৰ দুটা মামীক লৈ বিশেষ পৰীক্ষা-নিৰীক্ষা চলাই আছে গৱেষকৰ দলে।

উল্লেখ্য যে ছাণ্টো ডমিনিগ' বিশ্ববিদ্যালয়ৰ প্ৰত্নতাত্ত্বিকৰ দল এটা মিছৰৰ তাপোছিৰিছ মাগনা চহৰৰ এটা মন্দিৰত খননকাৰ্যত জড়িত হৈ আছে। যীশু খ্ৰীষ্টৰ জন্মৰ ২৮০-২৭০ বছৰৰ পূৰ্বে এই চহৰখনত জনবসতি আছিল। এই চহৰৰ দাঁতিত থকা কবৰস্থানৰ পৰাই ১৬টা মামী উদ্ধাৰ হয়। পুৰাতত্ত্ব অনুসৰি, মৃত্যুৰ দেৱতা অ'ছিৰিছৰ স'তে যাতে কথা পাতিব পাৰে, তাৰ বাবেই এই ৰীতি পালন কৰা হৈছিল। সেই মৰ্মে মৃতকৰ আচল জিভা কাটি তাৰ পৰিৱৰ্তে সোণৰ জিভা লগোৱা হৈছিল।

ইয়াৰ পূৰ্বে যোৱা বছৰ মিছৰৰ ৰাজধানী কাইৰ'ৰ পৰা দক্ষিণত অৱস্থিত ছাক্কাৰাৰ পৰা ৫৯টা মামী উদ্ধাৰ হয়। মামীসমূহ আছিল আঢ়ৈ বছৰৰ পুৰণি। সেইবোৰ তিনিটা কুঁৱাত পুতি ৰখা হৈছিল। ইয়াৰ পাছত সংবাদমেলত এটা কফিন খোলা হয়। দেখা যায় ছাৰ্কোফাগি (মামীৰ কফিনক ছাৰ্কোফাগি বুলি কোৱা হয়)ৰ ভিতৰত দেহটোত কাপোৰেৰে মেৰিওৱা আছে। সেই কাপোৰত উজ্জ্বল ৰঙেৰে হায়াৰ'গ্লিফিক লিপিত বহুকেইটা বাক্য লিখা আছে। ইয়াৰ অৰ্থ এতিয়াও উদ্ধাৰ হোৱা নাই। উল্লেখ্য যে বিশ্ব ঐতিহ্য ক্ষেত্ৰ ছাক্কাৰাৰ সমাধিক্ষেত্ৰত তিনি হেজাৰ বছৰৰ আগৰে পৰাই মৃতদেহ কবৰ দিয়া হৈছিল। ছাক্কাৰা মালভূমিত কমেও ১১টা পিৰামিড আছে, যিবোৰত আছে কে'বাশ প্ৰাচীন কবৰ। অনেক সম্ৰাট আৰু মিছৰীয় বিষয়াৰ মামী ইয়াত আছে। ছাক্কাৰা হৈছে মিছৰৰ প্ৰাচীন ৰাজধানী মেমফিছৰ এটি অংশ। ইয়াতেই আছে বিশ্ববিখ্যাত গিজাৰ পিৰামিড।



## প্ৰৱল সংকটৰ সন্মুখীন হোৱা সত্ত্বেও গাঁৱলৈ উভতি নাযায় কৃষক

চৰম জল-সংকটৰ সন্মুখীন হোৱা সত্ত্বেও নিজৰ অৱস্থানত অটল হৈ আছে প্ৰতিবাদী কৃষকসকল। চৰকাৰে কৃষি আইন প্ৰত্যাহাৰ নকৰা পৰ্যন্ত সিংঘু সীমান্তৰ পৰা চুলি এডালৰ সমান স্থানলৈও আঁতৰি নাযায় বুলি তেওঁলোকে স্পষ্ট কৰি দিছে। বৰঞ্চ লগতে জনাইছে যে দিল্লী আৰক্ষীৰ আচৰণে তেওঁলোকক হতাশ কৰিলেও মনোবল একেবাৰে ভাঙিব পৰা নাই।

# পানীৰ সৰবৰাহ বন্ধ, প্ৰকাশ্যে শৌচকৰ্ম কৃষক আন্দোলনকাৰীৰ

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ৭ ফেব্ৰুৱাৰী ঃ** হাড় কঁপোৱা ঠাণ্ডাত জলকামান দাগিও আন্দোলনকাৰী কৃষকসকলক আঁতৰাব পৰা নাছিল দিল্লী আৰক্ষীয়ে। এতিয়া চৰম জল-সংকটৰ সন্মুখীন হোৱা সত্ত্বেও নিজৰ অৱস্থানত অটল হৈ আছে প্ৰতিবাদী কৃষকসকল। চৰকাৰে কৃষি আইন প্ৰত্যাহাৰ নকৰা পৰ্যন্ত সিংঘু সীমান্তৰ পৰা চুলি এডালৰ সমান স্থানলৈও আঁতৰি নাযায় বুলি তেওঁলোকে স্পষ্ট কৰি দিছে। বৰঞ্চ লগতে জনাইছে যে দিল্লী আৰক্ষীৰ আচৰণে তেওঁলোকক হতাশ কৰিলেও মনোবল একেবাৰে ভাঙিব পৰা নাই।

পঞ্জাৱ আৰু দিল্লীৰ সংযোগস্থল সিংঘু সীমান্তত সম্প্ৰতি ডেৰ কিলোমিটাৰ অঞ্চলজুৰি এখন চাৰি-পাঁচ ফুট ওখ কংক্ৰীটৰ দেৱাল থিয় হৈ আছে। ইয়াৰ পাছতে আছে পাঁচটা স্তৰীয় বেৰিকেড। মাটিত পুতি ৰখা হৈছে জোঙা গজাল, যাতে আন্দোলন কোনোপধ্যেই দিল্লীত উপস্থিত হ'ব নোৱাৰে। ইয়াৰ সমান্তৰালকৈ আন্দোলনকাৰী কৃষকসকললৈ পানীৰ সৰবৰাহ একেবাৰে বন্ধ কৰি দিয়া হৈছে। তেওঁলোকে ইমানদিনে ব্যৱহাৰ কৰি অহা ভ্ৰাম্যমাণ শৌচাগাৰো আঁতৰাই নিয়া হৈছে। যাৰ বাবে সম্প্ৰতি আন্দোলনকাৰী পুৰুষ-মহিলা সকলোৱেই প্ৰকাশ্যে শৌচকৰ্ম সম্পন্ন কৰিবলগীয়া হৈছে। ইমানদিলে দিল্লীৰ পৰা সিংঘুলৈ পানীৰ টেংকাৰ আহিছিল। কিন্তু এতিয়া কংক্ৰীটৰ দেৱালৰ বাবে টেংকাৰ কৃষকসকলৰ ওচৰলৈ যাব নোৱাৰে। যি সামান্য পৰিমাণৰ পানী কৃষকসকলে পাইছে সেয়া অনা হৈছে হাৰিয়ানাৰ পৰা। অৱশ্যে হাৰিয়ানা সীমান্ততো একেই পৰিস্থিতি। অতি অস্বাস্থ্যকৰ পৰিস্থিতিত হাৰিয়ানা সীমান্তত অৱস্থান কৰা কৃষকসকলে বিক্ষোভ অব্যাহত ৰাখিছে। আন্দোলনস্থলীৰ কিছু নিলগতে এবাৰ ব্যৱহৃত পাত-গিলাচ-বাটি আদিয়ে দ'ম বান্ধিছে।

তথাপি এইদৰে তেওঁলোকক নিৰস্ত্ৰ কৰিব নোৱাৰিব বুলি স্পষ্ট কৰি দিছে পাটিয়ালাৰ পৰা আহি আন্দোলনত অংশ লোৱা কৃষক কুলজিৎ সিঙে। সংবাদ মাধ্যমৰ আগত সিঙে কয়, 'আমি কৃষক। প্ৰয়োজন হ'লে মাটি খান্দি টিউবৱেল বহাই ল'ম। চৰকাৰে যদি ভাবিছে যে এইদৰে আমাক ভয় খুৱাব পাৰিব, তেন্তে একেবাৰে ভুল ভাবিছে। ল'ৰা-ছোৱালীবোৰ ভৱিষ্যৎ সুৰক্ষিত নকৰাকৈ গাঁৱলৈ উভতি যোৱাৰ প্ৰশ্নই নাহে।'




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com